CHHAYGAON COLLEGE
ESTD-1974

# কলহী

KALAHI

একত্রিংশতিতম প্রকাশ
২০১৬-২০১৭ ইং বর্ষ



সম্পাদক ঃ যুতিকা দাস

# ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা



বাজক ডবা
বাজক শংখ
বাজক মৃদংগ খোল
অসম আকৌ
উন্নতিৰ পথত
জয় আই অসম বোল।।



উৰিষ্যাৰ সম্বলপুৰত থকা
বেজবৰুৱাৰ বাসগৃহ

# কলহী

## ছয়গাঁও মহাবিদ্যালয়ৰ আলোচনী

একত্ৰিংশতিতম্ প্ৰকাশ

২০১৬-২০১৭ বৰ্ষ

তত্বাৱধায়ক
**কমল ঠাকুৰীয়া**

সম্পাদক
**যুতিকা দাস**

# কলহী

## ছয়গাঁও মহাবিদ্যালয়ৰ আলোচনী


**প্ৰকাশৰ নেপথ্যত**

**উপদেষ্টা ঃ**

ড° ৰাজু বৰদলৈ

ড° দিপালী দত্ত

**উপ- সভাপতি**

প্ৰণৱ নাথ

**তত্বাৱধায়ক ঃ**

কমল ঠাকুৰীয়া

**সম্পাদক ঃ**

যুতিকা দাস

**শিক্ষক সদস্য ঃ**

ড° নৱ কুমাৰ কলিতা

ড° ফণীন্দ্ৰ কলিতা

উপেন ডেকা

**সদস্য/সদস্যা**

বাসুদেৱ দাস

পল্লৱী দাস

বনজিৎ কলিতা

শিখামণি কলিতা

**প্ৰচ্ছদ, স্কেচ্ ঃ**

বনজিৎ কলিতা

**আৰ্হি নিৰীক্ষণ আৰু অংগ সজ্জা ঃ**

সম্পাদনা সমিতি

**মুদ্ৰণ ঃ**

ডিজিট প্ৰিন্টাৰ্চ

ছয়গাঁও, ঔগুৰী পথ



কলহীত প্ৰকাশৰ বাবে বহুতো লিখনি আমাৰ হাতলৈ আহিছিল যদিও তাৰ মাজৰ পৰা নিৰ্বাচিত লিখনিসমূহ প্ৰকাশ কৰা হ'ল। প্ৰকাশিত সকলোবোৰ লিখনি লেখকৰ নিজা। যিকোনো বিভ্ৰান্তিৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

# উচৰ্গা

মৃত্যুও এটা শিল্প
জীৱনৰ কঠিন শিলত কঁটা নিৰ্লোভ ভাস্কৰ্য



নিষ্ঠুৰ সময়ৰ বালিচৰত সাঁচ বহুৱাই
মহাবিদ্যালয়ৰ মন-মজিয়াত বিষাদগাথাৰ প্ৰাদুৰ্ভাৱ
ঘটাই আমাৰ মাজৰ পৰা চিৰদিনলৈ আঁতৰি যোৱা
প্ৰাক্তন ছাত্ৰী তথা কলহীৰ ২৮ সংখ্যক সংস্কৰণৰ
সম্পাদকৰ পদ অলংকৃত কৰা
প্ৰয়াত যুতিকা কলিতাৰ
পবিত্ৰ স্মৃতিত
কলহীৰ এই সংখ্যাটি উচৰ্গা কৰিলোঁ।

-- সম্পাদনা সমিতি

# শ্ৰদ্ধাৰে সোঁৱৰিছো–



ষ্টিফেন হকিং



মহিম বৰা



অৰুণ শৰ্মা



বিজু ফুকন



ৰাধিকামোহন ভাগৱতী



তিলক হাজৰিকা

*সময়ৰ চমু ইতিহাসত*
*নিজৰ অসাধাৰণৰ সৃষ্টিকৰ্মৰে*
*কাঠনীবাৰীৰ ঘাট প্ৰোজ্বল কৰি তুলি*
*আশীৰ্বাদৰ ৰং ছটিয়াই*
*মাজনিশাৰ গভীৰ অৰণ্যত*
*আমাৰ বাতৰি কাকতৰ কাহিনী লিখি*
*সাদিনৰ পাতত লিপিৰদ্ধ কৰা*
*মুধাফুটা ব্যক্তিসকলোলৈ*
*কলহীৰ সম্পাদনাৰ সমিতিৰ তৰফৰ পৰা*
*একাঁজলি অকৃত্ৰিম শ্ৰদ্ধাঞ্জলি...*

— সম্পাদনা সমিতি—

# কৃতজ্ঞতা স্বীকাৰ



- মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মহেশ কলিতা, মাননীয় অধ্যক্ষ ড° ৰাজু বৰদলৈ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° ননীগোপাল মহন্ত লগতে আমাৰ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক-অধ্যাপিকা প্ৰমুখ্যে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গলৈ।

- যিসকল লেখক-লেখিকাৰ লেখনিৰে এই সংখ্যা 'কলহী'ৰ সৌষ্ঠৱ বৃদ্ধি হ'ল সেইসকলোলৈ।

- যিসকল অতিথিৰ চিন্তা-চেতনাই এই সংখ্যা 'কলহী'ক এক নতুন মাত্ৰা প্ৰদান কৰিলে সেইসকল ব্যক্তিলৈ।

- তত্ত্বাৱধায়ক কমল ঠাকুৰীয়া লগতে অধ্যাপক ড° ফণীন্দ্ৰ কলিতা তথা সম্পাদনা সহযোগী বাসুদেৱ দাস, পল্লৱী দাস আৰু শিখামণি কলিতালৈ।

- বিভিন্ন দিহা-পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱীসকলোলৈ।

- ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ।

- প্ৰচ্ছদ শিল্পী বনজিৎ কলিতাৰ লগতে বিশেষভাৱে সহায় কৰা যুগল দাস আৰু হিমাংশু কুমাৰ কলিতা, ইন্দ্ৰজিৎ দাস তথা ডিজিট প্ৰিন্টাৰ্চৰ সমূহ সদস্যলৈ।

— সম্পাদক 'কলহী'

**ডাঃ কমলা কান্ত কলিতা,** *প্ৰাক্তন স্বাস্থ্য মন্ত্ৰী, অসম*
অধ্যক্ষ, খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ড, অসম



# শুভেচ্ছাবাণী

ছয়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কলহী'ৰ ২০১৬-১৭ বৰ্ষৰ সংখ্যা প্ৰকাশৰ প্ৰস্তুতি চলোৱা বুলি জানিব পাৰি পৰম আনন্দিত হ'লো।

বৃহত্তৰ অঞ্চলটোৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ছয়গাঁও মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ যে এক সুকীয়া পৰিৱেশ আছে সেই কথা ইতিমধ্যে আলোচনীখনৰ বিগত বৰ্ষৰ সংখ্যাবোৰে প্ৰমাণ কৰিছে। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ কাপেৰে নিগৰি অহা সৃষ্টিশীলতাই 'কলহী'ৰ এই সংখ্যাটিকো সৰ্বাংগসুন্দৰ কৰি তুলিব বুলি আশা কৰিলোঁ।

সদৌ শেষত মোৰ অতিকৈ আপোন মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি কামনা কৰি আটাইলৈ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ডাঃ কমলাকান্ত কলিতা)

**Prof. Nani Gopal Mahanta**
Head, Department of Political Science, G.U.
Director i/c, Centre for South East Asian Studies, G.U.
ngmahanta@gmail.com
www.cseasgu.org



## *Greetings...*

*I would like to congratulate the Editor, Teachers-in-charge for their brilliant effort to publish the annual college Magazine "Kalahi". It is indeed gratifying to know that this will be the 31st publication of the Magazine.*

*Chhaygaon College has been playing a pivotal role in the socio-cutltural and intellectual field of Assam. I compliment the Principal, teaching faculty for their effort to build proper human resources of the region.*

*College Magazine gives unique opportunities to students & teaching Faculty to express their writing skill. I do sincerely hope the "Kalahi" will represent the true spirit of the college.*

With best wishes ......

Prof. Nani Gopal Mahanta



মহেশ কলিতা
সভাপতি, মহাবিদ্যালয় পৰিচালনা সমিতি
ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও
ফোন নং- ৯৫৩১১১১৪০০

# শুভেচ্ছা বাণী

ছয়গাঁও মহাবিদ্যালয়ৰ ৩১ তম্ বাৰ্ষিক মুখপত্ৰ ‘কলহী’ প্ৰকাশৰ প্ৰস্তুতি চলোৱা বুলি জানিব পাৰি মই অতিশয় আনন্দিত হৈছো। এই প্ৰচেষ্টা অতি সৎ আৰু আদৰণীয়। মুখপত্ৰ এখনি হৈছে শিক্ষানুষ্ঠানৰ দাপোনস্বৰূপ আৰু ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতিভা বিকাশৰ সমল স্বৰূপ। এখন অনুষ্ঠানৰ মুখপত্ৰই এটা প্ৰজন্মৰ পৰা নৱ-প্ৰজন্মলৈ কঢ়িয়াই লৈ যায় ভাল, বেয়া, গৌৰৱ আদিৰ স্মৃতি। এই স্মৃতিয়েই সময়ত অনুষ্ঠানটোৰ ইতিহাস তথা বুৰঞ্জী ৰচনাত মুখ্য ভূমিকা ল’ব। মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত মুখপত্ৰখনে অনুসন্ধিৎসু তথা জ্ঞান পিপাসু লোকৰ বাবে কঢ়িয়াই আনিব অঞ্চলটোৰ অন্তৰ্নিহিত উদ্দেশ্যৰ ব্যাখ্যা। আদৰ্শৱান গুৰু-শিষ্যৰ মণিকাঞ্চনেই গঢ়িব পাৰে এখন প্ৰগতিশীল বা আদৰ্শবান সমাজ তথা শিক্ষানুষ্ঠান। আমি মনত ৰখা উচিত যে ইতিহাসৰ পাতত জিলিকি থকা একো একোজন মহৎলোক, বীৰ-বীৰাঙ্গনাৰ কৃতকাৰ্যতাৰ অন্তৰালত একো একোজন শিক্ষাগুৰুৰ অশেষ ত্যাগ, প্ৰেৰণা, জ্ঞান, কঠোৰ শ্ৰম, অভিজ্ঞতা আৰু আশীৰ্বাদ অন্তৰ্নিহিত হৈ আছে। মুখপত্ৰ ‘কলহী’ৰ লিখনি সমূহে আঞ্চলিক ৰাইজৰ শৈক্ষিক, সাংস্কৃতিক আৰু সামাজিক উন্নয়নৰ ক্ষেত্ৰত উল্লেখযোগ্য ইন্ধন যোগাব বুলি আশা কৰিছো।

পৰিশেষত মহাবিদ্যালয়খনৰ সৰ্ব্বাংগীন উন্নতি আৰু মঙ্গল কামনা কৰিলোঁ।

আন্তৰিক শুভেচ্ছাৰে—

(মহেশ কলিতা)
(১৯/০৮/২০১৮)

# ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও

স্থাপিত - ১৯৭৪ ইং

**ছয়গাঁও ঃ কামৰূপ ঃ অসম**

পিন- ৭৮১১২৪

## অধ্যক্ষৰ মেজৰ পৰা...



আমাৰ মহাবিদ্যালয় পৰিয়ালৰ সকলোৰে সহযোগত বাৰ্ষিক আলোচনী 'কলহী' প্ৰকাশৰ প্ৰস্তুতিত মই বাৰুকৈয়ে আনন্দিত। মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন সাহিত্য প্ৰতিযোগিতা, ছাত্ৰ একতা সভা আৰু প্ৰতিটো বিভাগৰ প্ৰাচীৰ পত্ৰিকাসমূহৰ লগতে বাৰ্ষিক আলোচনী 'কলহী'ৰ জৰিয়তে আমাৰ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ দিশটো সুদৃঢ় হোৱা বুলি মোৰ বিশ্বাস হৈছে। ইয়াৰ ফলস্বৰূপেই 'কলহী'ৰ যোৱাটি সংখ্যাই (২০১৫-১৬ বৰ্ষ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত দ্বিতীয় স্থান আজুৰি আনিবলৈ সক্ষম হয়। এইবাৰো আলোচনীখন জাকত জিলিকা হৈ পৰক। শেষত আটাইৰে সহযোগিতাক মই ধন্যবাদ জনাইছোঁ।

জয়তু ছয়গাঁও মহাবিদ্যালয়

**(ড° ৰাজু বৰদলৈ)**

অধ্যক্ষ, ছয়গাঁও মহাবিদ্যালয়

*A College*

*of the people*

*for the people*

*by the people*





# সম্পাদকীয়

'ৰহস্যবাদী অভিজ্ঞতা'— সদায় ঃ ইয়াত আৰু এতিয়া—।
সেই অভিজ্ঞতা অৰ্জিত হয় স্বাধীনতাৰ মাজত—
যি স্বাধীনতা নিৰলতাৰ পৰা উপজা
শুদ্ধতাৰ মাজৰ দূৰত্বৰ সৈতে একাত্ম।
কিন্তু ই হ'ল এনে এক স্বাধীনতা যাৰ অৱস্থিতি কৰ্ম
প্ৰৱাহৰ কেন্দ্ৰস্থলত; ই হ'ল এনে এক স্তব্ধতা—
যি বিৰাজ কৰে জন সমাগমৰ সোঁ-মাজত।।

—— *ডাগ হেমাৰশ্বল্ড*

জ্ঞান সাগৰৰ পৰিধি বিশাল আৰু ই দিগন্তব্যাপী বিস্তৃত। ই এক নিৰৱধিৰ প্ৰক্ৰিয়া। জ্ঞান হৈছে এন্ধাৰ বিনাশী সত্যক প্ৰতিষ্ঠা কৰাৰ আমোঘ অস্ত্ৰ। সাম্প্ৰতিক সমাজত যি নৈতিকতাৰ স্খলন ঘটিছে তাত জ্ঞানৰ প্ৰাসংগিকতা কৰবাত যেন এলাগী হৈছে অবাঞ্চিত পৰিৱৰ্তনৰ সোঁতত। মানুহ অন্ধভাৱে দৌৰিছে বিশ্বায়নৰ সোঁতত। পৰিৱৰ্তিত সমাজ ব্যৱস্থাত পৰিবৰ্তন অবিহনে বিকাশ অসম্ভৱ, তাত কোনো প্ৰশ্নবোধকৰ স্থান নাই। কিন্তু আধুনিকতাৰ পৰশত মূৰ দাঙি উঠা একাংশৰ বিকৃত মানসিকতা পৰিলক্ষিত হৈছে। ইয়াক যদি বহল আৰু সময়োচিত দৃষ্টিকোণেৰে বিশ্লেষণ কৰা যায় তেন্তে এয়া স্পষ্ট ৰূপত জনমানসত প্ৰতিফলিত হয়। উচ্চশিক্ষাৰে শিক্ষিত হৈয়ো, নৈতিক মূল্যবোধৰ ব্যাকৰণিক জ্ঞান নজনা একাংশ তথাকথিত শিক্ষিতৰ মুখা পিন্ধা সন্তানৰ বাবে এতিয়া জন্মদাত্ৰী পিতৃ-মাতৃ হৈ পৰে এক প্ৰকাৰ বোজা। যাৰবাবে তেওঁলোকক একাংশই বৃদ্ধাশ্ৰম কিম্বা পদপথলৈ (Footpath) উলিয়াই দিয়া পৰিলক্ষিত হৈছে। যি হৈছে নৈতিকতাৰ পতনৰ বাস্তৱ ছবিৰ বিকৃত প্ৰতিফলন। আন এক সামাজিক দিশ পৰ্যালোচনা কৰিলে কেতবোৰ ফোপোলাস্বৰূপ ওলাই পৰে। যিখন অসমত দেৱী পূজাক উচ্চস্থান দিয়াৰ সমান্তৰালভাৱে ইয়াৰ পৰিসৰ সমগ্ৰ ভাৰতবৰ্ষ জুৰি বিস্তৃত। সেইখন অসমত পিছে মহিলাৰ স্থান একেবাৰেই সুৰক্ষিত নহয়। যাৰবাবে শিক্ষাৰ প্ৰাসংগিকতাৰ লগতে নৈতিক মূল্যবোধৰ গুৰুত্বৰ প্ৰতি নাগৰিকসকলৰ অহমিকা ভাৱ যথেষ্ট পৰিমাণে দায়ী। ৰাজনৈতিক গাদী দখল কৰা চৰকাৰবোৰে প্ৰতিশ্ৰুতিৰ ফুলজাৰি ঠিকেই মাৰিলে কিন্তু, অসমত মহিলাৰ সুৰক্ষাৰ বাবে এখনো

সম্পাদকীয়

শক্তিশালী আইন আজিলৈ প্ৰণয়ন কৰা নহ'ল। যি হৈছে সমাজত সামাজিক অসমতা দূৰীকৰণত ৰাজনৈতিক নেতৃত্ব ব্যৰ্থ হোৱাৰ উৎকৃষ্ট উদাহৰণ।

আন এক সামাজিক দিশলৈ যদি দৃষ্টি নিক্ষেপ কৰে তেতিয়া হ'লে কিছুমান প্ৰশ্নৰ উদ্ৰেক নিশ্চয়কৈ আপোনাৰ মন মগজুত ঘটিব। বিশ্বায়নৰ সোঁতত বহিৰাগত সংস্কৃতিৰ আগ্ৰাসনৰ লগে লগে অসমৰ যি থলুৱা সংস্কৃতি সেয়া কিছু পৰিমাণে প্ৰভাৱিত হোৱা দেখা যায়। থলুৱা লোক-সংস্কৃতি, লোকগীত, দেহ বিচাৰ গীত, নাঙেলী গীত আদি বিভিন্ন সাংস্কৃতিক উপাদানসমূহ ধৰি ৰখাৰ বাবে যিসকলে সদায়েই অহোপুৰুষাৰ্থ কৰি আহিছে, তেওঁলোকৰ অৱস্থা এতিয়া একপ্ৰকাৰ দুৰ্বিষহ। আনহাতে এচাম পাবত গজা তথাকথিত শিল্পীয়ে যিখন বজাৰৰ সৃষ্টি কৰে তাত কেৱল দৰদাম আৰু গ্লেমাৰকেন্দ্ৰিকতাৰ ৰাজনীতি চলে। প্ৰকৃতাৰ্থত তাত নাই দেশৰ মাটিৰ গোন্ধৰ সুৱাস। যিয়ে সাংস্কৃতিক দিশত হোৱা গৰাখহনীয়াৰ কথাকে এক প্ৰকাৰ সূচায়।

যিখন অসমত অসমীয়া ভাষাক ৰক্ষণাবেক্ষণ দিয়াৰ স্বাৰ্থত সময়ে সময়ে আন্দোলন সংঘটিত হৈছিল। কিন্তু এইখন অসমত এতিয়া ভাষাৰ যি দূৰৱস্থা সেয়া নিঃসন্দেহে চৰ্চাৰ বিষয়। কিয়নো একাংশ বণিক-বেপাৰীৰ পৃষ্ঠপোষকতাত দিনক দিনে অসমত গঢ় লৈ উঠা একাংশ অনা-অসমীয়া ভাষাৰ বে-চৰকাৰী শিক্ষানুষ্ঠান ইয়াৰ বাবে প্ৰধানত জগৰীয়া। এনে কোনো জাতিৰ ইতিহাস নাই যি নিজৰ ভাষা আৰু সংস্কৃতিক বাদ দি বিশ্ব সভ্যতাত বৰ্তি আছে। শিক্ষাৰ বাণিজ্যিকীকৰণ আৰু অনা-অসমীয়া মাধ্যমৰ আগ্ৰাসন যদিহে ৰোধ কৰিব পৰা নাযায় তেন্তে অনাগত ভৱিষ্যতে নৱপ্ৰজন্ম বহুলাংশে ইয়াৰ পৰা প্ৰভাৱিত হোৱা পৰিলক্ষিত হ'ব। যদি আমি আগলৈ সৰ্বস্বৰে ভাৰতবৰ্ষ তথা বিশ্বৰ বুকুত সগৌৰৱে অসমীয়া বুলি পৰিচয় দিব খোজো তেন্তে আমাৰ মাজত পৰস্পৰে পৰস্পৰৰ প্ৰতি থকা হিংসা, দ্বেষ ভাববোৰ পৰিহাৰ কৰিব লাগিব। ভাৰতবৰ্ষত যি ধৰ্মৰ ভিত্তিত হিন্দুত্বৰ বীজ সিঁচাৰ গুজব উঠিছে সেয়া আমি প্ৰতিহত কৰিব লাগিব। গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, মুছলমানৰ চান্দসাঁইক মহাপুৰুষ জনাই শিষ্যত্ব দিয়া এইখন অসমৰ জাতীয়তাবাদ কাহানিও ধৰ্মকেন্দ্ৰিক নাছিল। অৰ্থাৎ হিন্দু-মুছলমানৰ মাজত বিভাজন প্ৰক্ৰিয়া আৰম্ভ কৰাৰ পৰিৱৰ্তে একতাৰ বান্ধোনেৰে বান্ধি এটা সৰ্ববৃহৎ জাতি হিচাপে প্ৰতিষ্ঠা কৰাটোৱেই আমাৰ মূল লক্ষ্য হোৱা উচিত। য'ত থাকিব দয়া, মানৱতা, স্নেহ, উদাৰতা আৰু ভাতৃত্বৰ এনাজৰী। যাতে সমস্বৰে সকলোৱে ক'ব পাৰো—

*মঘাই বোলে ঢোলৰ মাত ধিনিকি ধিন্‌দাও,*
*সোণৰ অসম নালাগে মোক, মাটিৰে সঁজাও।।*

যুতিকা দাস

**(যুতিকা দাস)**
সম্পাদক 'কলহী'




কৰ্তব্যৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু বৰদলৈ



কৰ্তব্যৰত অৱস্থাত মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° দিপালী দত্ত

# কলহী সম্পাদনা সমিতি



ড° ৰাজু বৰদলৈ, *উপদেষ্টা*



ড° দিপালী দত্ত, *উপদেষ্টা*



কমল ঠাকুৰীয়া
তত্ত্বাৱধায়ক



ড° নৰ কুমাৰ কলিতা
*শিক্ষক সদস্য*



ড° ফণীন্দ্ৰ কলিতা
*শিক্ষক সদস্য*



উপেন ডেকা
*শিক্ষক সদস্য*



যুতিকা দাস, সম্পাদক



বাসুদেৱ দাস, ছাত্ৰ সদস্য



পল্লৱী দাস, ছাত্ৰী সদস্যা



বনজিৎ কলিতা, ছাত্ৰ সদস্য



শিখামণি কলিতা, ছাত্ৰী সদস্যা

# মহাবিদ্যালয় পৰিচালনা সমিতি


মহেশ কলিতা
*সভাপতি*


ড° ৰাজু বৰদলৈ
*অধ্যক্ষ আৰু সচিব*


বেকিবুদ্দিন আহমেদ
*বিশেষ নিমন্ত্রিত সদস্য*


ড° দিপালী দত্ত
*উপাধ্যক্ষা*

জে. কে. বি. ৰাওত
*গু.বি. মনোনীত*


অৰুণ শৰ্মা
*গু.বি. মনোনীত*


চন্দ্ৰ কান্ত কলিতা
*অভিভাৱক সদস্য*


চন্দ্ৰ কলিতা
*অভিভাৱক সদস্য*


প্ৰেমলতা কলিতা দাস
*অভিভাৱক সদস্য*


ড° নৱকুমাৰ কলিতা
*অভিভাৱক সদস্য*


কমল ঠাকুৰীয়া
*শিক্ষক সদস্য*


প্ৰতাপ বড়ো
*অনা-শিক্ষক কৰ্মচাৰী সদস্য*

# ২০১৬-১৭ ইং বৰ্ষৰ ছাত্ৰ একতা সভা



# মহাবিদ্যালয়ৰ গৌৰৱ

## মহাবিদ্যালয় সপ্তাহত বিভিন্ন বিভাগত শ্ৰেষ্ঠ প্ৰদৰ্শন কৰা ছাত্ৰ-ছাত্ৰী

শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



সুদৰ্শন বড়ো

শ্ৰেষ্ঠ কণ্ঠশিল্পী



আব্দুল কৰিম

শ্ৰেষ্ঠ খেলুৱৈ (ছোৱালী)



অৰ্চনা কলিতা

শ্ৰেষ্ঠ খেলুৱৈ (ল'ৰা)



মহানন্দ শৰ্মা

শ্ৰেষ্ঠ কৰ্মী



অৰ্চনা নাথ

মিঃ ছয়গাঁও মহাবিদ্যালয়



সীমান্ত দাস

## ২০১৬-১৭ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত মহাবিদ্যালয়ৰ আলোচনী 'কলহী'






সম্পাদক ঃ ৰুবি তালুকদাৰ

## ২০১৬-১৭ ইং বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক শাখাৰ বিভিন্ন বিভাগত মহাবিদ্যালয়ৰ ভিতৰত শীৰ্ষস্থানপ্ৰাপ্ত কৃতী ছাত্ৰ-ছাত্ৰীসকল



কন্যাকুমাৰী দাস
*ৰাজনীতি বিজ্ঞান বিভাগ*



ডিম্পী চৌধুৰী
*শিক্ষা বিভাগ*



ডেনিম নাথ
*ইংৰাজী বিভাগ*



কুশল কলিতা
*অসমীয়া বিভাগ*



দ্বীপশিখা নাথ
*দৰ্শন বিভাগ*



ৰীতা গোস্বামী
*ইতিহাস বিভাগ*

# কলহীৰ পাতে পাতে

## প্ৰবন্ধ প্ৰয়াস ঃ


- অসমীয়া লোক সংস্কৃতিত ঢেঁকীশালৰ মহত্ত্ব ✍ আচিয়া বেগম/১
- নৈতিকতা ও মূল্যবোধৰ অৱক্ষয় আৰু সামাজিক বিপৰ্যয় ✍ সুজিত সৰকাৰ/৩
- গোৱালপৰীয়া মৈষালী গীতত নাৰীকেন্দ্ৰিক প্ৰেম-বিৰহৰ ছবি ✍ আৰজুমা খানম/৫
- "মৰ-আউসীৰ ৰাতি ফেঁচাই কুৰুলিয়াই" এজন আজন্ম শিল্পীৰ জীৱন-দৰ্শন ✍ বাসুদেৱ দাস/৮
- বিমুদ্ৰাকৰণ আৰু জনসাধাৰণ ✍ উপাসনা দাস/১১
- নাৰী ✍ অনিমা সাহা/১৩
- অসমীয়া সমাজত ফঁকৰা-যোজনা আৰু প্ৰৱচন ঃ এটি আলোচনা ✍ দীপামণি গোস্বামী/১৫
- দ্ৰব্য আৰু সেৱা কৰ ঃ ভাৰতীয় অৰ্থনীতিত এক মাইলৰ খুঁটি ✍ বনমালী নাথ/১৬
- খিলঞ্জীয়া ঃ সমস্যা, সংগ্ৰাম আৰু ন্যায় ✍ যোগেন বড়ো/২০
- শিশু শ্ৰমিক আৰু ইয়াৰ ৰক্ষাকবচ ✍ কমল ঠাকুৰীয়া/২৩
- নাৰী সুৰক্ষা, দায়িত্ববোধ, সামাজিক বাতাৱৰণ ইত্যাদি ✍ মনোজ কুমাৰ গোস্বামী/২৫
- নিবনুৱা সমস্যা সমাধানৰ বিকল্প হিচাপে 'উদ্যান শস্য' ✍ প্ৰাঞ্জল দাস/২৮
- **Feminism** ✍ Nabanita Chakrabarty/৩০
- **Youth Power** ✍ Denim Nath/৩২
- **Child Labour** ✍ Marjina Begum/৩৩
- **Gender Inequality in Assam : A Challenge Towards Development** ✍ Deepika Das/৩৫


## কবিতা কানন


- ধোঁৱা ✍ অপৰ্ণা ৰাভা/৩৯
- এক প্ৰতীক্ষা ✍ ডেনিম নাথ/৩৯
- মিছেচ বৰুৱা ✍ অজয় কলিতা/৪০
- বেশ্যা ✍ বাসুদেৱ দাস/৪১
- স্বপ্ন ভংগৰ ক্ৰন্দন ✍ জিতেন দাস/৪১
- নুবুজে কোনেও ✍ হৰিদেৱী কলিতা/৪২
- অনুভৱ ✍ বিপ্লৱ কলিতা/৪২
- সন্ত্ৰাস ✍ তুলুমণি কলিতা/৪২
- মাৰ চিন্তা ✍ প্ৰগতি শালৈ/৪৩
- নীৰৱতা ✍ পূৰ্ণিমা কলিতা/৪৩
- নাৰী ✍ ৰূপম কলিতা/৪৪
- এজাক বৰষুণৰ অপেক্ষাত ✍ ভৱানী নাথ/৪৪
- মনাৰ্তনাদ ✍ প্ৰাঞ্জল দাস/৪৫
- ৰাগি লগা দিনবোৰ ✍ পাকিজা আখতাৰ/৪৫
- ভগ্ন হৃদয় ✍ ভায়োলিনা বড়ো /৪৬
- সৃজনীময়ী তুমি, কিন্তু অস্তিত্বহীন ✍ চন্দনা কলিতা/৪৬
- কোনদিনা লগ পাম তোমাক ✍ সুজিত সৰকাৰ/৪৭
- আধৰুৱা ✍ অনিতা বড়ো/৪৭
- শীতৰ ৰ'দালি ✍ মৰ্জিনা বেগম/৪৮
- আশ্ৰয় ✍ তৰালী মেধী/৪৮
- মনৰ মহাভাৰত ✍ ড° ফণীন্দ্ৰ কলিতা/৪৯
- इंतजार : बारिश का ✍ निशा कलिता/৫০
- मेरा परिचय ✍ सुदर्शन बोरो/৫০
- सफलता ✍ ज्योतिमा गोस्वामी/৫১
- आतंकवादी ✍ आशिया वेगम/৫১
- माँ ✍ तराली मेधी/৫২
- एक अंतर्कथा ✍ धीरेन चन्द्र दास/৫২
- The Wardrobe ✍ Kritanjali Rabha /৫৩
- Flight ✍ Priyanka Das/৫৩
- The Street Dog ✍ Nisha Kalita/৫৪
- Equality ✍ Jyotishma Goswami /৫৪

# কলহীৰ পাতে পাতে

## গল্পগুচ্ছ


- নিসংগতা ✍ দিপামণি গোস্বামী/৫৫
- তোলনীয়া মাতৃ ✍ জ্যোতিস্মা গোস্বামী/৫৬
- সাত বছৰৰ পিছত ✍ নিশা কলিতা/৫৮
- মৰমৰ দুঃব্যৱহাৰ ✍ উপাসনা দাস/৬০
- আধুনিকতা ✍ ইন্দ্ৰজিৎ দাস/৬২
- নকল ✍ জীত দাস/৬৫
- এক অধুৰা সপনা ✍ যুতিকা দাস/৬৬
- ৰহস্য ✍ আশ্বিয়া বেগম/৬৮


## বিচিত্ৰ চিন্তা বিচিত্ৰ অনুভৱ


- অসমৰ প্ৰান্তৰে প্ৰান্তৰে ✍ অপৰ্ণা গোস্বামী/৬৯
- মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ প্ৰশ্নবাণৰ সমুখত সম্পাদক/৭৪
- মিচ্ বিউটিফুলৰ কথা ✍ সুদৰ্শন বড়ো/৭৬
- ৰীমা দাসৰ অনুভৱ/৭৯
- ছয়গাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা ড° ইচমাতুন নেচা বাইদেউৰ মহাবিদ্যালয় সম্পৰ্কে কিছু অনুভৱ/৮৫
- শিল্পী পৰিচিতি/৮৭
- কথা কবিতা ঃ ঠেলাৱালা ✍ পল্লৱী দাস/৮৮
- একশৰীয়া গল্প ✍ পল্লৱী দাস/৮৮
- মহাবিদ্যালয় সপ্তাহত থিতাতে লিখা চিঠি প্ৰতিযোগিতাৰ প্ৰথম স্থানপ্ৰাপ্ত চিঠি ✍ সুদৰ্শন বড়ো/৮৯
- Social Media and Political Agenda Setting ✍ Chinmoy Kalita (Guest Writer)/৯০
- প্ৰাক্তন শিক্ষাৰ্থীৰ মতামত/৯৩
- MS Dhoni : A Legendary Figure ✍ Rinku Das/৯৭
- বাট ✍ পংকজ কুমাৰ ঠাকুৰীয়া/৯৯
- নাটক ঃ মাধ্যাকৰ্ষণ ✍ নগেন কলিতা/১০০

মহাবিদ্যালয়ৰ ভিতৰচ'ৰা /১১৩-১৪৯




# প্ৰবন্ধ প্ৰয়াস



পঢ়িবলৈ ল'লে ওচৰৰ মানুহজন একোটা প্ৰবন্ধ হৈ যায়,
নপঢ়িলেই ওচৰৰ প্ৰবন্ধটো একোজন অচিনাকী পেচেঞ্জাৰ হৈ যায়।

—— ড° ভবেন্দ্ৰ নাথ শইকীয়া

প্ৰবন্ধ

# অসমীয়া লোক সংস্কৃতিত
# ঢেঁকীশালৰ মহত্ব



আশ্বিয়া বেগম
*স্নাতক ষষ্ঠ যান্মাসিক*

অসমত বহুত লোক-সংস্কৃতি প্ৰচলিত আছে। এই লোক-সংস্কৃতি সমূহৰ অমূল্য সম্পদ হ'ল ঢেঁকীশাল। অসমীয়া সমাজত ঢেঁকীশাল এক প্ৰধান আহিলা হিচাপে সমাদৰ পাই আহিছে। অসমীয়া গৃহস্থালী ঘৰ এখন সম্পূৰ্ণ হৈছে বুলি ভাবিব নোৱাৰি ঢেঁকীশালক বাদ দি। অসমীয়া কৃষিজীৱি ৰাইজৰ মাজত অতীজৰে পৰা ঢেঁকীশালে এক বিশেষ ভূমিকা পালন কৰি আহিছে।

ঢেঁকীৰ ঐতিহ্য অতিকৈ পুৰণি। ব্ৰহ্মাৰ মানস পুত্ৰ মহৰ্ষি নাৰদৰ বাহন আছিল ঢেঁকী। ঢেঁকীশাল সাধাৰণতে চোতালৰ পূব দিশে পতাৰ নিয়ম যদিও মানুহৰ সুবিধা অনুসৰি আন দিশতো পতা হয়। ঢেঁকী-খুৰলিৰ উপৰিও ঢেঁকীশালত আন বহুতো লাগতিয়াল সা-সঁজুলি ৰখা হয়। কাঠেৰে তৈয়াৰ কৰা ঢেঁকীটোৰ এমূৰত থোৰা লগোৱা হয়, থোৰাক ঢেঁকীথোৰা বোলে। এই থোৰাটো পৰা ঠাইখিনিত খুৰলি পোতা হয়। শিলেৰে খুৰলি তৈয়াৰ কৰা হয় যদিও কাঠেৰেও খুৰলি সাজিব পাৰি। ঢেঁকীৰ পিছ অংশত কটৰা থাকে। কটৰাৰ অৰ্থাৎ ঢেঁকীৰ শেষ অংশত বা ফিচাত ভৰিৰে হেঁচা প্ৰয়োগ কৰি ঢেঁকী দিয়া হয়। সাধাৰণতে ঢেঁকী দিওতাজনে গাত জোৰ পাবৰ বাবে ধৰি ল'বলৈ ওপৰলৈ এডাল ৰছী বা বাঁহৰ মাৰি এডালো পথালিকৈ বান্ধি লয়। তদুপৰি ঢেঁকী দিয়া মানুহগৰাকীয়ে খুৰলিৰ ধান-চাউল সাৰিবলৈ এডাল বাঢ়নী মাৰিৰ এমূৰত খেৰেৰে মুঠা বান্ধি বাঢ়নী এপাত সাজি লয়। এই মাৰিডালক 'বাঢ়নী মাৰি' বা 'লুৰীবাৰী' বোলে। গাঁও অঞ্চলৰ বহু মানুহৰ ঢেঁকীশালৰ ওপৰত এখন বাঁহৰ চাং দিয়া হয়। এই চাংখনতে খৰাহী, চালনি, দলা, কুলা, পীৰা, শোটা, বাঢ়নী আদি ৰখা হয়।

এখন গৃহস্থালী ঘৰত এটা ঢেঁকীৰ কিমান প্ৰয়োজন সেয়া প্ৰতিজন গ্ৰামাঞ্চলৰ লোকে বেছিকৈ উপলব্ধি কৰিব পাৰে। বিহুৰ

আগে-আগে, উৎসৱ-পাৰ্বণ, বিয়া-সবাহ, পূজা-তিথি, ঈদ, সামাজিক অনুষ্ঠানত ঢেঁকীৰ প্ৰয়োজন বেছি হৈ পৰে। এই দিনবোৰত ঢেঁকীশালৰ আজৰি নোহোৱা হয়। গাঁও অঞ্চলৰ বহু মানুহৰ ঘৰত ঢেঁকীশালত লানি নিছিগা সোঁতে ইয়াৰ প্ৰমাণ হৈ পৰে, বিশেষকৈ উৎসৱ-পাৰ্বণ, বিহুৰ আগে-আগে। বিহুৰ এসপ্তাহমান আগৰে পৰা ঢেঁকীশালৰ আজৰি নোহোৱা হয়। বিহুৰ আগে-আগে চিৰা, সান্দহ,

অৰ্থাৎ যাৰ যি স্বভাৱ বা বৃত্তি, তাক সি মৃত্যু পৰ্যন্ত এৰিব নোৱাৰে। ঢেঁকী কিছুমান তিথি বা বাৰত ব্যৱহাৰ কৰা নহয়, তদুপৰি ভৰদুপৰীয়া ঢেঁকী দিয়া নিষেধ। সাধাৰণতে ঢেঁকীশাল পতা কামটোও পুৰুষসকলেই কৰে। পুৰুষ হৈ ঢেঁকী পাতিব নজনাটো, মহিলা হৈ ধান বানিব, চাউল কাঢ়িব নজনাটো তেওঁলোকৰ মনত অতি লাজৰ কথা।

*এখন গৃহস্থালী ঘৰত এটা ঢেঁকীৰ কিমান প্ৰয়োজন সেয়া প্ৰতিজন গ্ৰামাঞ্চলৰ লোকে বেছিকৈ উপলব্ধি কৰিব পাৰে। বিহুৰ আগে-আগে, উৎসৱ-পাৰ্বণ, বিয়া-সবাহ, পূজা-তিথি, ঈদ, সামাজিক অনুষ্ঠানত ঢেঁকীৰ প্ৰয়োজন বেছি হৈ পৰে।*

পিঠাগুৰি, ধান, চাউল আদি খুন্দিবলৈ ঘৰখনৰ জীয়ৰী-বোৱাৰী ব্যস্ত পৰে। কেতিয়াবা ওচৰৰ মিটিৰ-কুটুম্বকো ঢেঁকীত খুন্দা-ভজা কৰিবলৈ নিমন্ত্ৰণ কৰা হয়। আনন্দমুখৰ পৰিৱেশত সকলোৱে ঢেঁকীত বনা-খুন্দা কাম সম্পন্ন কৰে। বিয়াৰ আগে আগে ঢেঁকীশালত জীয়াৰী-বোৱাৰী তথা গাভৰুসকলে ঢেঁকীৰ ছাৱে-ছাৱে গোৱা বিয়ানাম, যোৱানাম, বিহুগীত, উৰুলি আদিৰে ঢেঁকীশাল মুখৰিত কৰি তোলে।

ঢেঁকী মহিলাসকলৰ ব্যায়াম থলী হিচাপেও পৰিগণিত হৈ আহিছে। ঢেঁকী দিয়া কাৰ্যটোও এক প্ৰকাৰৰ শাৰীৰিক ব্যায়ামৰ নিচিনা। ঢেঁকী দিলে শৰীৰৰ জঠৰতা বহু পৰিমাণে নাশ হয়। ঢেঁকী দিওঁতে চলা কথাৰ মহলা, ৰং-ৰহইচ আদিয়ে মানুহৰ শাৰীৰিক-মানসিক সকলো দিশতে যথেষ্ট উন্নতি সাধন কৰি আহিছে। ঢেঁকীক লৈ বহুতো লোকবিশ্বাস প্ৰচলিত হৈ আহিছে। বাৰিষাকালত বহু দিন ধৰি বৰষুণ নহ'লে বা খৰাং বতৰত ঢেঁকী চুৰ কৰি নি ৰাজআলিত ওপৰমুৱাকৈ পুতি থ'লে বৰষুণ হয় বুলি বিশ্বাস কৰা হয়।

কথিত আছে, 'ঢেঁকীয়ে হেনো স্বৰ্গলৈ গ'লেও ধান বানিব লাগে।' এই কথাষাৰিৰ লগত এফাঁকি প্ৰবচনৰ মিল আছে অৰ্থৰ ফালৰ পৰা—

'চোৰে নেৰে চুৰি বৃত্তি, কুকুৰে নেৰে ছাই,
যাৰ যি বৃত্তি মৰিলেও লগত যায়।।"

অসমীয়া লোক-সংস্কৃতিৰ অতিকৈ মূল্যবান সম্পদটি বৰ্তমান বিলুপ্তিৰ পথত। বিজ্ঞানৰ প্ৰসাৰ আৰু মানুহৰ অকৰ্মণ্যতাই ঢেঁকীৰ বিলুপ্তিৰ মূল কাৰণ। বৰ্তমান যান্ত্ৰিক যুগত ঢেঁকীৰ চাহিদা কমি আহিছে। অতি কম সময়তে আৰু কম কষ্টতে ঢেঁকীৰ বিকল্প বৈদ্যুতিক মিলৰ প্ৰচলনে ঢেঁকীৰ অস্তিত্বৰ প্ৰতি ভাবুকি মাতি আনিছে। ঢেঁকীৰ উপৰি গাঁও অঞ্চলত ভঁৰালৰ ব্যৱহাৰ আছিল যদিও সেয়াও কমি আহিছে। গাঁও অঞ্চলত কাহিলিপুৱাতে শুনিব পোৱা ঢেঁকীৰ মাত বৰ্তমান সময়ত শুনিব পোৱাটো দুৰ্লভ হৈ পৰিছে। বৰ্তমান গাঁও অঞ্চলৰ লোকৰ ঘৰত ঢেঁকী খুব কমকৈ দেখিব পোৱা যায়। উল্লেখিত যে মেচিনত বনা বস্তুতকৈ ঢেঁকীত বনা বস্তু অতি উত্তম তথা উপকাৰী বুলি বিবেচিত হৈ আহিছে।

অসমৰ কৃষিজীৱি ৰাইজৰ অতিকৈ প্ৰয়োজনীয় ঢেঁকীশালখন কালৰ বুকুত হেৰাই যাবলৈ নিদি প্ৰতিঘৰ অসমীয়াই বিশেষকৈ গ্ৰামাঞ্চলৰ লোকে সংৰক্ষণৰ ব্যৱস্থা কৰিলে তথা ঢেঁকীশালখন ব্যৱহাৰ কৰিলে লোক-সংস্কৃতিৰ বাহক ঢেঁকীশালখনে আকৌ প্ৰাণ পাই উঠিব। ঢেঁকীৰ বিলুপ্তি ঘটিলে বহু পৰম্পৰা, লোককলা, লোকাচাৰ লোপ পাব। অসমৰ মানুহসকলে ঢেঁকীশালখনক ৰক্ষা কৰিবলৈ যত্নপৰ হোৱা উচিত, অন্যথা ঢেঁকী অসমৰ লোক-সংস্কৃতিক সম্পদ আছিল বুলি আমি কেৱল টিকট লৈ সংগ্ৰহালয়তহে চাব লাগিব!

✧ ✧ ✧ ✧ ✧

লোক কলা-সংস্কৃতিৰ প্ৰতি জনসাধাৰণক সজাগ আৰু সচেতন কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে ২২ আগষ্ট তাৰিখে 'বিশ্ব লোক-সংস্কৃতি দিৱস' পালন কৰা হয়।

প্ৰবন্ধ

# নৈতিকতা ও মূল্যবোধৰ অৱক্ষয় আৰু সামাজিক বিপৰ্যয়

**সুজিত সৰকাৰ**
*স্নাতক তৃতীয় ষাণ্মাসিক*
*ৰাজনীতি বিজ্ঞান বিভাগ*

মানুহ সামাজিক জীৱ। সমাজ পাতি বসবাস কৰাটো মানুহৰ প্ৰাচীন কালৰ পৰাই এক পৰম্পৰা। ব্যক্তিৰ যিদৰে প্ৰয়োজন তথা চাহিদা আছে, ঠিক তেনেদৰে সমাজৰো প্ৰয়োজন আৰু চাহিদা থকাটো স্বাভাৱিক। কাৰণ ব্যক্তিৰ সমষ্টিয়েই হৈছে সমাজ। আমি যিদৰে ব্যক্তি এজনৰ পৰা ভাল আচৰণ বিচাৰো ঠিক তেনেদৰে সমাজ এখনেও ব্যক্তিৰ পৰা সদায় সামাজিক আচৰণ প্ৰত্যাশা কৰে। সমাজ প্ৰত্যাশিত আচৰণ সামাজিক নিয়ন্ত্ৰণ প্ৰতিষ্ঠাৰ কাৰণে নিতান্তই প্ৰয়োজনীয়। বৰ্তমান সময়ত শিক্ষা, সংস্কৃতি, সাহিত্য, শিল্প তথা প্ৰযুক্তি বিদ্যাৰ দ্ৰুত উন্নয়নৰ ফলস্বৰূপে বিশ্ব সভ্যতা অভাৱনীয় গতিত আগবাঢ়ি গৈছে। আধুনিক কৃত্ৰিম সভ্যতাৰ কোবত সমাজৰ পৰা নোহোৱা হ'ব ধৰিছে প্ৰচলিত ৰীতি-নীতি, নৈতিকতা তথা মূল্যবোধ। বিজ্ঞান প্ৰযুক্তিৰ যিমানেই উন্নয়ন হৈ আছে সিমানেই সামাজিক অৱক্ষয়ো বৃদ্ধি হৈ গৈ আছে। ব্যাঘাত ঘটিছে সামাজিক শৃংখলাত; ছিন্ন-বিছিন্ন হৈছে সামাজিক সম্পৰ্ক। আজি একবিংশ শতিকাৰ সমাজ ব্যৱস্থা অস্থিৰ হৈ পৰিছে। বিশ্ব সমাজ ব্যৱস্থাত নৈতিকতা আৰু মূল্যবোধৰ চৰম অৱক্ষয় প্ৰতিফলিত হৈছে। চাৰিওফালে অনাকাংক্ষিত ঘটনাই আমাক এক শংকাময় জীৱনৰ ফালে আগবঢ়ায় দিছে। চাৰিওফালে অস্থিৰতাই বিৰাজ কৰি আছে।

এই বিশ্ব ব্যৱস্থাৰ সৃষ্টিকৰ্তাই হ'ল আমি। সমাজ তথা ৰাষ্ট্ৰৰ সুখ-সমৃদ্ধিৰ নিয়ন্ত্ৰক আমিয়েই। পৰিয়াল, সমাজ তথা ৰাষ্ট্ৰৰ শান্তিপ্ৰিয় সংহতি মানুহৰ সদায় কাম্য। কিন্তু বৰ্তমান সময়ত দেখিবলৈ পোৱা যায় যে পৰিয়াল সমাজ, অফিচ-কাছাৰী, ব্যৱসায়-বাণিজ্য ও মানুহৰ চিন্তা চেতনাত বিৰাজ কৰিছে মানুহৰ চৰম অস্থিৰ অৱস্থা। পাৰম্পৰিক শ্ৰদ্ধা আস্থা ও বিশ্বাস জনশূণ্য কোঠাত পৰিণত হৈছে। মানুহো হৈ পৰিছে যন্ত্ৰ সদৃশ, যাৰ প্ৰাণ আছে কিন্তু মন নাই। নিৰুদ্দেশ হৈ পৰিছে মানুহৰ বিবেক। আৱেগৰ বশৱতী হৈ মানুহে নিজক পাহৰিছে মানুহৰ অৱচেতন মনে শান্তিৰ সন্ধানত ঘূৰি ফুৰিছে অ'ত ত'ত। পাৰিবাৰিক, সামাজিক ও ৰাজনৈতিক স্থিতিশীলতা ৰক্ষাত সমাজ সক্ৰিয় হ'ব লাগিব। নৈতিকতা ও মূল্যবোধৰ অৱক্ষয় ৰোধৰ কাৰণে সমাজ সচেতনতা বৃদ্ধি কৰাটো নিতান্তই আৱশ্যকীয় আৰু যেতিয়ালৈ সমাজক এনেবোৰ অৱক্ষয়ৰ পৰা মুক্ত কৰিব পৰা নাযাব, তেতিয়ালৈ সামাজিক নিয়ন্ত্ৰণো সম্ভৱপৰ নহয়।

বৰ্তমান সামাজিক দুৰ্যোগৰ সন্ধিক্ষণত নৈতিকতা ও মূল্যবোধ প্ৰতিষ্ঠা কৰাটো সুচিন্তাশীল সমাজৰ প্ৰত্যাশা। নীতি হ'ল সামাজিক প্ৰাণী মানুহৰ আচৰণৰ মানদণ্ড। প্ৰত্যেক সমাজতে তাৰ সদস্যসকলৰ আচৰণ পৰিচালনাৰ কাৰণে কিছুমান সুনিৰ্দিষ্ট নীতি-নিয়ম থাকে। নীতি নিয়মহীন সমাজ উশৃংখল, বিভ্ৰান্তিকৰ, পথভ্ৰষ্ট তথা অনিশ্চিত। 'নৈতিকতা' শব্দটো লেটিন শব্দ 'মছ' ৰ পৰা আহিছে। যাৰ অৰ্থ হ'ল 'ভাল আচৰণ' তথা চৰিত্ৰ। নৈতিকতা এনে এটা ধাৰণা যাৰ পোহৰে মানুহক বিবেকবোধ ও ন্যায়বোধ ধাৰণ আৰু প্ৰয়োগৰ চৰ্চা কৰে। নৈতিকতা এনে এক মানসিক অৱস্থা যাৰ দ্বাৰা অন্যৰ মংগল তথা সমাজৰ ভাল কামৰ কাৰণে অনুপ্ৰেৰণা দিয়ে। এনেধৰণৰ বিভিন্ন উদাহৰণ আছে, যেনে- সঁচা কোৱা, জ্যেষ্ঠ তথা গুৰুজনক সন্মান কৰা, অসহায়ক সহায় কৰা, চুৰি-দুৰ্নীতিৰ পৰা আঁতৰত থকা ইত্যাদি। এইবিলাক হ'ল মানুহৰ নৈতিকতাৰ বহিঃপ্ৰকাশ। বিশিষ্ট সমাজবিজ্ঞানী জনাথন হ্যাইটৰ মতে- 'ধৰ্ম, ঐতিহ্য আৰু মানৰ আচৰণ এই তিনিটাৰ সংমিশ্ৰণতহে নৈতিকতাৰ উদ্ভৱ ঘটে।'

মূল্যবোধ হ'ল মানুহৰ আচৰণৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰকাৰী ধাৰণা বা আদৰ্শ। সামাজিকভাৱে বসবাস কৰিবলৈ যাওঁতে মানুহে সাধাৰণতে কিছুমান আদৰ্শ গ্ৰহণ কৰিবলগা হয়। সমাজত মানুহে কোনবোৰ কাম কৰা উচিত, যিবোৰ মংগলজনক বুলি ভাৱে তাৰ আদৰ্শ ৰূপেই হৈছে মূল্যবোধ।

সামাজিক উন্নয়ন ত্বৰান্বিত কৰাৰ কাৰণে সামাজিক স্থিতিশীলতাৰ প্ৰয়োজন। প্ৰয়োজন নৈতিকতা, মূল্যবোধৰ চৰ্চা আৰু বিকাশ সাধন কৰা নৈতিকতা ও মূল্যবোধৰ উপাদান তথা সততা, কৰ্তব্য, ধৈৰ্য, শিষ্টাচাৰ, উদাৰতা, সৌজন্যবোধ, নিয়মানুৱৰ্ত্তিতা, দেশপ্ৰেম, কল্যাণবোধ, পাৰস্পৰিক সহযোগিতা, জবাবদিহিতা, সহমৰ্মিতা, আত্মত্যাগ ইত্যাদি মানৱীয় গুণৰ চৰ্চা বৰ্তমান সমাজত নাই। বৰ্তমান সমাজ বিপৰীত সোঁতেৰে বৈ আছে। নৈতিকতা ও মূল্যবোধৰ অৱক্ষয়ে মানুহৰ মনোজগতৰ অকাম্য তথা অনাকাংক্ষিত পৰিৱৰ্তন সাধন কৰিছে। সমাজ তথা পৰিয়ালত এনাজৰীৰ বান্ধোন নোহোৱা হৈ যাব ধৰিছে। দিনক দিনে মানুহ হৈ গৈ আছে স্বাৰ্থপৰ আৰু আত্মকেন্দ্ৰিক। পবিত্ৰ সম্পৰ্কবোৰত ব্যাঘাত জন্মিছে কিছুমান অনাকাংক্ষিত কাৰণত। পোৱা-নোপোৱাৰ বেদনাৰ মাজতেই হেৰাই গৈ আছে সকলো। যাৰ ফলস্বৰূপে সমাজত আত্মহত্যা তথা আন কিছুমান অপৰাধমূলক ঘটনা নিত্য-নৈমিত্তিক সংঘটিত হৈ আছে। মা-দেউতা, ভাই-ভনী, স্বামী-স্ত্ৰী, আত্মীয়স্বজন ও বন্ধু-বান্ধৱৰ দৰে নিভাঁজ সম্পৰ্কবোৰত ফাঁট মেলিছে। নিজ সন্তানেই পিতৃ-মাতৃক চিনিব নোৱাৰা হৈ বৃদ্ধাশ্ৰমলৈ ঠেলি দিছে। বন্ধুৱে বন্ধুক হত্যা কৰিছে। সমাজত অন্ধ বিশ্বাসৰ বিৰূপ প্ৰভাৱ পৰিছে। কু-সংস্কাৰৰ বলি হৈ নিৰীহ জনে হেৰুৱাইছে নিজৰ জীৱন। অবিশ্বাসৰ ফলত স্বামী-স্ত্ৰীৰ প্ৰেমময় সম্পৰ্কত আস্থাৰ সংকট। এয়াই তথাকথিত একবিংশ শতিকাৰ সভ্যশীল সমাজ ব্যৱস্থা। এফালে মানুহ শিক্ষিত হৈ গৈ আছে, কিন্তু আনফালে মানুহে নিজক হেৰুৱাই পেলাইছে সময়ৰ তীব্ৰ গতিত। সকলো সময়তে চাৰিওফালে এক উত্তেজনাময় পৰিৱেশ। কেৱল আনক বশীভূত কৰি নিজৰ শ্ৰেষ্ঠত্বৰ প্ৰদৰ্শন সকলোৰে কাম্য। এনে সমাজ ব্যৱস্থাত সততাৰ কোনো মূল্যই নোহোৱা হৈ পৰিছে। দুৰ্নীতিয়ে আজিৰ সমাজখন এনেদৰে ছানি ধৰিছে যে ন্যায়পৰায়ণ লোকে ন্যায় বিচাৰি হাবাথুৰি খাবলগা হৈছে। জাতিগত সংঘৰ্ষই একবিংশ শতিকাত মূৰ দাঙি উঠাটো আমাৰ বাবে শুভ লক্ষণ নহয়। ইয়াৰ ফলস্বৰূপে ছিন্ন- বিচ্ছিন্ন হৈছে আমাৰ ভ্ৰাতৃত্ববোধৰ ধাৰণা।

মানুহ জন্মগতভাৱে মানুহ হিচাবে পৰিচিতি লাভ কৰিলেও 'মনুষ্যত্ব' অৰ্জন কৰাটো এটা দীঘল আৰু জটিল প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত পৰিয়াল, সমাজ তথা শিক্ষানুষ্ঠানৰ ভূমিকা বিশেষভাৱে গুৰুত্বপূৰ্ণ। পৰিয়ালক যদিও মানৱ জাতিৰ প্ৰাথমিক শিক্ষানুষ্ঠান বুলি কোৱা হয়, বৰ্তমান ইয়াৰ ছবি কিছু ভিন্ন। যথাযথ জীৱনৰ আদৰ্শৰ অভাৱত পৰিয়ালসমূহ এতিয়া ভোগবিলাস তথা পৰশ্ৰীকাতৰ অনুষ্ঠানত পৰিণত হৈছে। আত্মকেন্দ্ৰিকতা, স্বাৰ্থপৰতা ও ধনবাদী মনোভাৱেৰে গঢ়ি উঠিছে ভাৰসাম্যহীন সমাজ ব্যৱস্থা। আদৰ্শৰ সংগ্ৰামত পৰাজিত ব্যক্তিসকলেই বৰ্তমান সমাজৰ সমাজনেতা। তেওঁলোকে সমাজ পৰিচালনা কৰি আছে নৈতিকতাৰ ভিত্তিত নহয়, বৰং ক্ষমতা আৰু স্বাৰ্থৰ লোভতহে।

এনেবোৰ কাৰ্যকলাপৰ পৰা পৰিত্ৰাণ পাবলৈ যুৱ প্ৰজন্মক সঠিক দিশত পৰিচালিত কৰিব লাগিব। যুৱ শক্তিক জাগ্ৰত কৰিলেহে সমাজ তথা দেশ আগবাঢ়ি যাব পাৰিব। সামাজিক নিয়ন্ত্ৰণ প্ৰতিষ্ঠাত প্ৰত্যেক পৰিয়ালেই নৈতিক শিক্ষাৰ চৰ্চা কৰিব লাগিব। ধৰ্মীয় বিশ্বাসৰ চৰ্চা কৰিব লাগিব ব্যাপকভাৱে। অনুসৰণ কৰিব লাগিব আমাৰ মহান ব্যক্তিসকলৰ জীৱনাদৰ্শ। শ্ৰদ্ধাশীল হ'ব লাগিব সামাজিক মূল্যবোধৰ প্ৰতি। শিক্ষা প্ৰতিষ্ঠানত বাধ্যতামূলক কৰিব লাগিব নৈতিক শিক্ষাৰ চৰ্চা। পৰিয়াল আদৰ্শ শিশুৰ সামাজিক বিকাশৰ ক্ষেত্ৰত অন্যতম শক্তি। কিন্তু পৰিয়ালে যদি নৈতিকতা ধাৰ্মিকতা, ন্যায়পৰায়ণতাৰ চৰ্চা নকৰে অসাধু বা অবৈধ পন্থাৰে বিত্তশালী হোৱাৰ প্ৰতিযোগিতা থাকে তেতিয়া নিজ সন্তান আদৰ্শচ্যুত হ'ব। পিতৃ-মাতৃয়ে সন্তানৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাব। সন্তানে নিজ পিতৃ-মাতৃ প্ৰাৰম্ভিক তথা পৰিয়ালৰ প্ৰতি ভীতিগ্ৰস্থ হ'ব। যাৰ পৰিণতিত কৈশোৰ বয়সতেই সন্তানে চৰম পন্থা অৱলম্বন কৰিব। এইবোৰৰ প্ৰাৰম্ভিক দায়িত্ব পিতৃ-মাতৃৰ লগতে সামাজিক সদস্য হিচাবে আমাৰ সকলোৰে।

ক্ষণস্থায়ী বিশ্ব ব্ৰহ্মাণ্ডত আমি ক্ষণিকৰ অতিথি। চিৰ প্ৰশান্তি বা চিৰস্থায়ী সুখৰ কাৰণে এই পৃথিৱী নহয়। ইহকালীন ঐশ্বৰ্য, লৌকিক অৰ্জন বিসৰ্জন দি আমি এদিন চিৰদিনৰ কাৰণে প্ৰস্থান কৰিব লাগিব। সমাজসেৱা, সমাজকল্যাণ ও মানৱকল্যাণৰ মাজতেই আমাৰ ইহকালীন প্ৰশান্তি। সুপ্ৰশস্ত হ'ব পৰলৌকিক জগতৰ বিলাসী অভিযাত্ৰা। ধাৰ্মিকতা ৰাষ্ট্ৰ সকলো ধৰ্মৰ, বৰ্ণৰ মানুহৰ সামাজিক নিয়ন্ত্ৰণ প্ৰতিষ্ঠাৰ অন্যতম প্ৰধান মৌলিক শক্তি। নৈতিকতা আদৰ্শ ও মূল্যবোধৰ মূল ভিত্তি।

✧ ✧ ✧ ✧ ✧

> আজিৰ জনসাধাৰণে যদি মাৰ বান্ধি এটা প্ৰচণ্ড মঙ্গলকামী ঢৌৰ সৃষ্টি কৰিব নোৱাৰে,
> তেন্তে কেৱল শাসনৰ আসনত থকা ৰাজনৈতিক দল আৰু ব্যক্তি সলনি কৰি সুফল পোৱাৰ সম্ভাৱনা নাই।
> —ড° ভবেন্দ্ৰনাথ শইকীয়া

প্ৰবন্ধ

# গোৱালপৰীয়া মৈষালী গীতত নাৰীকেন্দ্ৰিক প্ৰেম-বিৰহৰ ছবি

**আৰজুমা খানম**
*স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক*
*অসমীয়া বিভাগ*

সৌন্দৰ্য্য পিয়াসী মানৱ মনৰ আত্মপ্ৰকাশৰ অনিবাৰ্য জন্মলগ্নৰে পৰা নিহিত হৈ থাকে। বাহ্যিক জগতৰ সৌন্দৰ্য দৰ্শনত অন্তৰত উদ্বেলিত হয় আভ্যন্তৰীণ জগতৰ সুখ-দুখবোৰ। এই সুখ-দুখবোৰৰ উদ্বেলিত পৰ্যায়েই হৈছে অনুভূতি। মানুহৰ অনুভূতিৰ কিছুমান সুক্ষ্ম স্পন্দনে চিৰকাল আত্মপ্ৰকাশৰ বাবে ভিক্ষা কৰি আহিছে। এই আত্মপ্ৰকাশৰ দাবীতেই জন্ম হয় ভাষাৰ, কাব্যৰ তথা লোকগীতৰ। লোকগীতসমূহ কৃষিজীৱি চহা প্ৰাণৰ স্বতঃস্ফুৰ্ত প্ৰকাশ। মানৱ অন্তৰৰ সুখ-দুখ, আশা-নিৰাশা, হৰ্ষ-বিষাদ আদি চিৰন্তন অনুভূতিসমূহ লোকগীতত প্ৰকাশ পায়। লোক-সংস্কৃতিৰ বিস্তৃত ক্ষেত্ৰখনত লোকসাহিত্যৰ এটা অবিচ্ছেদ্য অংগ হিচাপে অসমীয়া লোকসংস্কৃতিলৈ লোকগীতসমূহে এক উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে। কাৰণ মানৱ সমাজক কেন্দ্ৰ কৰিয়েই সংস্কৃতিৰ জীৱনধাৰাৰ বহিঃ প্ৰকাশ ঘটে। বিভিন্ন লোকগীতবোৰেই সংস্কৃতিৰ অনবদ্য সাক্ষ্য বহন কৰি আহিছে। গোৱালপৰীয়া লোক-সংস্কৃতিৰ ভঁৰালটো গোৱালপৰীয়া বাৰে বৰণীয়া লোকগীতবোৰে চহকী কৰি ৰাখিছে। গোৱালপৰীয়া লোক সাহিত্যৰ এটি ধাৰা 'মৈষালী গীত' গোৱালপাৰা জিলাৰ নিজস্ব সম্পদ। এই মৈষালী গীতবোৰ ভাবে-সুৰে অনিৰ্বচনীয়। এই গীতত আছে প্ৰেম-প্ৰীতিৰ বিচ্ছেদ-বিৰহৰ, সুখ-দুখৰ মিশ্ৰিত অনুভূতিৰ এক আবেদন। এই গীতসমূহ সহজ-সৰল, অনাখৰী শোকৰ স্বতঃস্ফুৰ্ত প্ৰকাশ কাৰণে গীতবোৰৰ বিষয়বস্তু তথা ৰচনাৰীতিও সহজ-সৰল আৰু বোধগম্য। স্বাভাৱিকতে মুক্ত-পৰিৱেশৰ মাজত, মুকলিমূৰীয়া ভাবত, ভিতৰুৱা ঠাইবোৰত এনে গীত-পদৰ সৃষ্টিৰ বাবে অনুকূল পৰিৱেশ বিৰাজিত হেতুকে সেইবোৰ ঠাই এনে গীত-পদৰ

গোৱালপৰীয়া লোক সাহিত্যৰ এটি ধাৰা 'মৈষালী গীত' গোৱালপাৰা জিলাৰ নিজস্ব সম্পদ। এই মৈষালী গীতবোৰ ভাবে-সুৰে অনিৰ্বচনীয়। এই গীতত আছে প্ৰেম-প্ৰীতিৰ বিচ্ছেদ-বিৰহৰ, সুখ-দুখৰ মিশ্ৰিত অনুভূতিৰ এক আবেদন। এই গীতসমূহ সহজ-সৰল, অনাখৰী শোকৰ স্বতঃস্ফুৰ্ত প্ৰকাশ কাৰণে গীতবোৰৰ বিষয়বস্তু তথা ৰচনাৰীতিও সহজ-সৰল আৰু বোধগম্য। স্বাভাৱিকতে মুক্ত-পৰিৱেশৰ মাজত, মুকলিমূৰীয়া ভাবত, ভিতৰুৱা ঠাইবোৰত এনে গীত-পদৰ সৃষ্টিৰ বাবে অনুকূল পৰিৱেশ বিৰাজিত হেতুকে সেইবোৰ ঠাই এনে গীত-পদৰ কঠিয়াতলি।

কঠিয়াতলি।

অবিভক্ত গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলৰ সেউজীয়া বননিৰ কোলাত, পাহাৰ-পৰ্বতৰ পাদদেশৰ শ্যামল ভূমিত, নদ-নদীৰ পাৰ বা চাপৰি আৰু বিস্তীৰ্ণ বনাঞ্চলবোৰ আছিল গৰু-ম'হৰ উপযোগী বিচৰণক্ষেত্ৰ। সেয়ে এই অঞ্চলবোৰত গঢ়ি উঠিছিল গৰু-ম'হৰ বাথান। যিসকল লোকে মাহৰ পিছত মাহ ধৰি অতি কষ্ট সহ্য কৰি ম'হ ৰখীয়াৰ কাম কৰিছিল, সেইসকলক মৈষাল বোলা হয়। এই মৈষালসকলে কৰ্তব্যৰ খাতিৰতে ল'ৰা-তিৰোতা, মাক-বাপেক সকলোকে ঘৰত এৰি থৈ আহিবলগীয়া হয়। এই সন্ধিক্ষণত মৈষালৰ জীৱন আৰু বাথানক কেন্দ্ৰ কৰি মৈষাল বিৰহিনী প্ৰিয়াই গাইছে—

মইষ চৰাণ মইষাল বন্ধুৰে
বন্ধু কোনতা চৰেৰ মাঝে,
এলা কেনে ঘান্টিত বাজেল
না শুনং মই কাণে মৈষাল ৰে...।
আদিয়া আদিয়া যান মোৰ মৈষালৰে
মইষাল দোতৰা বাজেয়া,
কোনবা কাথায় হইচে গোসা
না দিলেন ফিৰিয়া মৈষালৰে।"
*(আদিয়া- সেইফালদি, গোসা- খং)*

প্ৰিয়তমৰ যাত্ৰাৰ আগমুহূৰ্তত বিচ্ছেদ কাতৰা অভাগিনী নাৰীৰ হৃদয় চূৰ্ণ-বিচূৰ্ণ হৈ শূণ্য হৈ পৰিছে। সেয়ে বিৰহিণী মৈষাল পত্নীৰ হৃদয় বিদাৰি ওলাই আহিছে কৰুণ ৰসসিক্ত এই গীতটি—

ভাৰা বান্ধিলেন বিছিনা বান্ধিলেন
মইষাল বান্ধিলেন ভাতেৰ হাড়ি
এলাসেন জানিলং মৈষাল
আমাক মাইবেন ছাৰি মইষাৰ ৰে।"

নৱবিবাহিতা পত্নীক ঘৰত এৰি থৈ গৈ মৈষালসকলে বছৰ ধৰি বাথানৰ পৰা ঘৰলৈ উভতি নাহে। কঠোৰ পৰিশ্ৰমৰ বিনিময়ত মৈষালসকলে অতি কম টকা পায় কাৰণে তেওঁলোকৰ গৃহিণীসকলে মনৰ দুখত বাথান এৰি গুচি আহিবলৈ এইদৰে—

"বাথান ছাৰো বাথান ছাৰো ৰে
মৈষাল ঘুৰিয়া আইসো বাৰী
গালাৰ হাৰ বেচেয়া দিম মুই
ঐ চাকৰিৰ কড়ি মৈষাল ৰে।"

এফালে ঘৰত এৰি থৈ অহা যুৱতী পত্নীৰ প্ৰিয় বিৰহৰ জ্বালাত মন প্ৰাণ ভাগি পৰে। প্ৰিয়জনৰ সান্নিধ্যৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি ভাগৰি পৰে। নিজৰ যৌৱন অথলে যোৱাৰ শোকত বিৰহিনী নাৰীয়ে কান্দি কান্দি গায়—

"ছোট কালে হৈছে বিয়া ৰে
মৈষাল বয়স ভাটি গেলো
না হইলং ছাওৱাৰ মাওৰে
মোৰ মনে ৰৈলো দুখ মৈষাল ৰে।"

মৈষালী গীতবোৰ লোকগীতৰে এটা অবিচ্ছেদ্য অংগ। মৈষালী গীতবোৰৰ মাজেৰে প্ৰকাশ পাইছে মৈষালসকলোৰ বিৰহিনী পত্নীসকলৰ বিৰহ-বিচ্ছেদৰ করুণ আৰ্তনাদ। বিৰহিনী নাৰী হৃদয় নানা চিন্তা, ভাব-অনুভূতি, দুখ-শোক, উৎকণ্ঠা, উদ্বিগ্নতা, খেল-বিলাপ, বিৰহ-বিচ্ছেদ আদি বিবিধ বৰ্ণনাৰে সুখৰ হৈ আছে মৈষালী গীতসমূহ। অতি মৰ্মস্পৰ্শীভাৱে নাৰী হৃদয়ৰ বাৰ্তা প্ৰকাশ পাইছে এই মৈষালী গীতসমূহত —

"মৈষাল সাথে কৰিয়া পিৰীতি
কি মোৰ জ্বালা হৈলৰে
ৰাৰ নাকাঢ়ে মৈষাল মনেৰে বৈৰাগে
মই মনেৰ দুখ কই কাৰ আগে।"

পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব পালনৰ খাতিৰতে মৈষালসকলে মাহৰ পিছত মাহ ধৰি বাথানত থাকি ৰ'দ-বতাহ বৰষুণ আদি প্ৰাকৃতিক দুৰ্যোগৰবোৰ নেওচি কষ্টময় জীৱন কটাবলগীয়া হয়। ইফালে প্ৰিয়তমৰ বিচ্ছেদ বেদনাত শোকাকুল হৈ বিৰহিনী নাৰীয়ে বাৰীৰ পাছত থকা শিমলু গছৰ ছাঁত বৈ অধীৰ অপেক্ষাত কাল কটায়, তাৰ বৰ্ণনা মৈষালী গীতত আছে এনদৰে—

"বাৰীৰ পাছিলা ঘাটে আছেৰে
শিমিলা গাছেৰ ছায়া
অৰে তলত থাকিম বসি
মৈষালক লাগিয়া।"

মৈষাল গীতত বৰ্ণিত হৈছে মৈষালসকলৰ যাযাবৰী জীৱনৰ অপৰিসীম কষ্টৰ কথা। অতি কম ধনৰ বিনিময়ত তেওঁলোকে নানা কষ্টৰ মাজেৰে ম'হ চৰায়, ম'হ পালন কৰে। তেওঁলোকে অঘৰী জীৱন-যাপন কৰি জীৱন সংগ্ৰামত অৱতীৰ্ণ হয়। তাকে কৰিবলৈ যাওঁতে বনে-জংঘলে ঘুৰি ফুৰোতে নানা হিংস্ৰ জন্তুৰো সন্মুখীন হ'বলগীয়া হয়। আনহাতে মৈষালসকলৰ বিপদসংকুল অঘৰী জীৱনৰ কষ্টৰ কথা আৰু সম্ভাব্য বিপদৰ আশংকাত সিহঁতৰ প্ৰতি অনুৰক্তা নাৰী মনে দুশ্চিন্তাত হাহাঁকাৰ কৰি উঠাত গীতৰ মাজেৰে নিগৰি ওলাই আহে সেই বিষাদপূৰ্ণ অনুভূতি—

"মৈষ চৰাইতে যায় ৰে মৈষাল

হাতে নিয়া দৰি
অৰণ্যে মৰিবি মৈষাল
কান্দে তোৰ নাৰী।"

আপোনজনৰ তিলমাত্ৰ অনিষ্ট হোৱা কোনো নাৰীয়ে সহজে মানি ল'ব নোৱাৰে। প্ৰিয়জনৰ মংগলৰ কাৰণে নাৰীয়ে যি কোনো প্ৰতিকূল পৰিস্থিতিৰ মুখামুখি হ'বলৈ সদায় প্ৰস্তুত হৈ থাকে। মৈষালসকলে মহ চৰাওতে ৰ'দ-বতাহ-বৰষুণৰ পৰা অলপ অব্যাহতি পাওঁক বুলি ভাবি যদি কেতিয়াবা ছাতি এটা পঠিয়াই ওচৰ-চুবুৰীয়াৰ পৰা অকথ্য শুনিবলগীয়া হ'লেও তাৰবাবে দুখ নকৰে—

"মই নাৰী পঠাং ছাতা
মৈষাল বন্ধুৰে লাগিয়া
বাপ মাৰে পাৰে গালি
মৈষাল ভাতাৰী বলিয়া।"

ক্ষণভংগুৰ মানৱ জীৱনৰ কথা চিন্তা কৰি মৈষালৰ বিৰহিণী পত্নীয়ে অনিশ্চিত ভৱিষ্যতক লৈ শংকিত হৈ পৰিছে। স্বামীৰ দুৰ্যোগপূৰ্ণ জীৱনত অকালতে কেতিয়াবা কিবা অঘটন হৈ যোৱাৰ আশংকাত বিৰহিণী পত্নীৰ মন ভাৰাক্ৰান্ত হৈ পৰিছে। সেয়ে বিলাপৰ সুৰত অন্তৰ ভেদি ওলাই আহিছে, এইদৰে—

"অ মৈষাল ৰে দুধ খুৱাইলেন সেৰে সেৰে
অ মৈষাল দুধ খুৱাইলেন হাড়ি
তুই মৈষাল মৰিয়া গেলে
হব আমি বাৰী মৈষাল ৰে।"

বাথানত থাকি ম'হ চৰাওতে মৈষালসকলে যথেষ্ট শাৰীৰিক কষ্ট কৰিব লাগে। কেতিয়াবা নল-খাগৰি আদিৰ মাজে মাজে ম'হ চৰাই ফুৰোতে প্ৰিয়জনে পোৱা শাৰীৰিক আঘাতৰ কথা চিন্তা কৰি বিৰহিণী পত্নীৰ মনে হাহাকাৰ কৰি উঠে—

"ওৰে ভইষ চড়ান মৈষাল বন্ধুৰে
মৈষাল ঐনা চৰৰ মাঝে
ওৰে নলবাড়ী খাগৰাৰ ভাঙে
বুকেৰ ছাল যাবে মৈষাল ৰে।"

মৈষালী গীতবোৰৰ বিৰহিণী নাৰীৰ হৃদয় বেদনাই বিশেষ ভাৱে প্ৰাধান্য লাভ কৰিছে। বিচ্ছেদ কাতৰ বিৰহিণী নাৰীৰ স্বামী বহু দিন, বহু মাহ, বহু বছৰ ধৰি গোৱালপাৰাৰ ম'হৰ বাথানত অতিবাহিত কৰিবলগীয়া হোৱাত ঘৰত থকা মৈষাল পত্নীৰ প্ৰেম আৰু বিৰহৰ বেজাৰত হৃদয়ত চূৰ্ণ-বিচূৰ্ণ হৈ পৰাৰ ছবি মৈষাল গীতবোৰত অতি কৰুণভাৱে প্ৰকাশ পাইছে। আধুনিক যুগৰ যান্ত্ৰিকতাৰ কবলত পৰি আৰু বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ প্ৰবল প্ৰভাৱত এই লোকগীতবোৰ প্ৰায় হেৰাই যোৱাৰ উপক্ৰম হৈছে যদিও এই গীতবোৰৰ এক চিৰন্তন আবেদন আজিও অক্ষত ৰূপত আছে। সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰতো এই গীতবোৰৰ মূল্য অপৰিসীম, কিয়নো এইবোৰৰ মাজতে আমি বিচাৰি পাওঁ চহা প্ৰাণৰ সহজ-সৰল বিচিত্ৰ বাৰ্তা। মুঠতে মৈষালী গীতবোৰত নাৰীকেন্দ্ৰিক প্ৰেম আৰু বিৰহৰ সুন্দৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা পৰিলক্ষিত হৈছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


বৰুৱা, অতুল ঃ অসমীয়া লোক সাহিত্য
নাথ, দ্বীজেন ঃ গোৱালপৰীয়া লোক সংস্কৃতি
নাথ, দ্বীজেন (সম্পাদক) ঃ গোৱালপৰীয়া লোকগীত
দাস, ধীৰেন ঃ ও মোৰ হায় হস্তীৰ কন্যা ৰে।
শৰ্মা, যোগেন ঃ সুললিত লোক-সংগীত।


✧ ✧ ✧ ✧ ✧

**নাজানিলে ভুল হ'ব**

- উত্তৰ-পূৰ্বাঞ্চলৰ আঠাইকেইখন ৰাজ্যক একেলগে 'সাতভনীৰ দেশ' বুলি প্ৰথমবাৰৰ বাবে বিশিষ্ট সাংবাদিক তথা প্ৰশাসনিক বিষয়া জ্যোতিপ্ৰসাদ শইকীয়াদেৱে ১৯৭২ চনৰ জানুৱাৰী মাহত এটা ৰেডিঅ'ৰ অনুষ্ঠানত নামাংকৃত কৰিছিল।
- ২০০২ চনত ছিকিমক উত্তৰ-পূৰ্বাঞ্চলৰ অষ্টম ৰাজ্য হিচাপে ঘোষণা কৰা হয়।

প্ৰবন্ধ

# "মৰ-আউসীৰ ৰাতি ফেঁচাই কুৰুলিয়াই"

## এজন আজন্ম শিল্পীৰ জীৱন-দৰ্শন

বাসুদেৱ দাস
*স্নাতক প্ৰথম ষাণ্মাসিক*
*(ৰাজনীতি বিজ্ঞান বিভাগ)*



সৃষ্টিৰ আখৰাত কৃষ্টিৰ কঠীয়া সিঁচি অসমৰ গৰিমা বিশ্বৰ বুকুত জিলিকাই তোলা মুধাফুটা অসমীয়া সন্তানসমূহৰ ভিতৰৰ এক অন্যতম উজ্বল নক্ষত্ৰ হ'ল জয়ন্ত হাজৰিকা ওৰফে সকলোৰে মৰমৰ ৰাণাদা। আধুনিক অসমীয়া সংগীতৰ ন-দিগন্তৰ সূচনাৰ দিশত অগ্ৰগণ্য পথৰ পথিক ৰাণাদাৰ সংগীতৰ যি স্বকীয় শৈলী আৰু সুৰৰ যি সেন্দুৰীয়া মায়াজাল সেয়া প্ৰতিজন সচেতন সংগীতপ্ৰেমীয়ে কৃতজ্ঞচিত্তে সোঁৱৰণ কৰিব।

বিংশ শতিকাৰ পঞ্চম দশকত অৰ্থাৎ ১৯৪৩ চনৰ ২০ ছেপ্টেম্বৰত মঙ্গলদৈত জন্ম গ্ৰহণ কৰা ৰাণাদা আছিল নীলকান্ত হাজৰিকা আৰু শান্তিপ্ৰিয়া হাজৰিকাৰ পেট মোচা সন্তান। সৰুৰে পৰাই এক সাংস্কৃতিক পৰিৱেশত জীৱন অতিবাহিত কৰা জয়ন্ত হাজৰিকা আছিল জন্মগতভাৱে সৌভাগ্যশালী। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, সুদক্ষিণা শৰ্মা ওৰফে কুইন হাজৰিকা, সমৰ হাজৰিকা আদি ভাতৃ-ভগ্নীৰে সমৃদ্ধ ৰাণাদাৰ ঘৰখন আছিল সংগীত সাধনাৰ সংগমস্থলী। তেওঁ মাত্ৰ ন বছৰ বয়সতেই ভাতৃ নৃপেন হাজৰিকাই ৰচনা কৰা এটি গীতত কণ্ঠদান কৰিছিল। সেয়াই আছিল যেন বৰ্ণময় সংগীত যাত্ৰাৰ স্বৰ্ণিল আৰম্ভণি। তাৰ পৰৱৰ্তী সময়ত গুৱাহাটী মহানগৰীৰ ভৰলুমুখস্থিত (তেতিয়াৰ সোণাৰাম হাইস্কুল) সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয় ৰ পৰা ১৯৬২ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল আৰু সংগীতৰ প্ৰতি থকা প্ৰৱল হেপাঁহৰ বাবে অসমত পৰ্যাপ্ত সুবিধাৰ অভাৱৰ দোহাই দি কলিকতালৈ ৰাওনা হয়। তাত তেওঁ HMV (His Master's Voice) ষ্টুডিঅ'ত ড° নিৰ্মলপ্ৰভা বৰদলৈৰ ৰচিত 'আগলি বতাহে কঁপালে কলৰে পাত' আৰু 'কৃষ্ণচূড়া কৃষ্ণচূড়া' গীত দুটি বাণীৰদ্ধ কৰে। প্ৰণিধানযোগ্য কথা এয়ে যে 'আগলি বতাহে কঁপালে কলৰে পাত' শীৰ্ষক গীতটি হ'ল ৰাণাদাৰ কণ্ঠত বাণীবদ্ধ কৰা প্ৰথমটো গীত। লগতে সুধাকণ্ঠৰ পৰিচালিত



একমাত্র সন্তান তথা বৰ্তমান অসমৰ প্ৰতিষ্ঠিত গায়ক ময়ুখ হাজৰিকা। নিজৰ সৃজনীশীল প্ৰতিভাৰ নন দিশত নিজকে সৰল ৰূপত প্ৰতিষ্ঠা কৰা ৰাণাদাই সংগীত পৰিচালকৰূপে ভূমুকি মাৰিছিল অতুল বৰদলৈ পৰিচালিত 'বনৰীয়া ফুল' বোলছবিৰ জৰিয়তে। বিংশ শতিকাৰ আশীৰ দশকৰ মাজভাগত মুক্তি লাভ কৰা বোলছবিখনৰ সংগীতে দৰ্শকৰ মাজত যথেষ্ট সমাদৰ লাভ কৰিছিল। বোলছবিখনত জয়ন্ত হাজৰিকাই কণ্ঠদান কৰা 'তোমাৰ মৰমে মোক' আৰু 'দেখা নাই, আগে এনে ছবি দেখা নাই' গীত দুটাৰ জনপ্ৰিয়তা বৰ্তমানেও কমা নাই। ইয়াৰোপৰি তেওঁ দেউতি বৰুৱাৰ পৰিচালিত 'বৃষ্টি', ইন্দুকল্প হাজৰিকাৰ 'নিয়তি' আৰু ভৱেন দাসৰ 'ধৰ্মকাই' নামৰ বোলছবি কেইখনৰ সংগীত পৰিচালনা কৰিছিল। 'বৃষ্টি' বোলছবিৰ 'সুৰাত মগন ভয়াল ৰাতি' আৰু 'ধৰ্মকাই'ৰ 'ভৰিৰ তলুৱাৰ পৰা যদি ধৰাখন খহি খহি পৰা যেন লাগে' গীত কেইটিৰ মাজেৰে সমাজত যি নৈতিক স্খলনৰ বাস্তৱ প্ৰতিফলন আৰু সামাজিক চেতনাবোধৰ বহিঃপ্ৰকাশ সেয়া সচেতন দৰ্শক তথা সংগীতানুৰাগীয়ে মৰ্মে মৰ্মে অনুধাৱন কৰে। ইয়াৰোপৰি তেওঁ অতুল বৰদলৈৰ 'ৰঙা মেঘ', গৌৰী বৰ্মনৰ 'এনাজৰী', মানিক বৰাৰ 'পোহৰ', হেমন্ত দত্তৰ 'উপপথ' আৰু প্ৰবীৰ মিশ্ৰৰ 'নতুন আশা' নামৰ বোলছবি কেইখনৰ সংগীত পৰিচালনা আৰু বাণীবন্ধনৰ কাম হাতত লৈছিল যদিও নিষ্ঠুৰ নিয়তিৰ বলি হ'ব লগা হোৱাত সেয়া সম্পূৰ্ণ হৈ নুঠিল। পৰৱৰ্তী সময়ত পত্নী মণিষা হাজৰিকা আৰু হেমন্ত দত্তৰ সহযোগত 'উপপথ' বোলছবিৰ কাম সম্পূৰ্ণ কৰা হয়। ইয়াৰোপৰি 'নতুন আশা' বোলছবিখনো প্ৰবীৰ মিশ্ৰৰ সদিচ্ছা আৰু মণিষা হাজৰিকাৰ সহযোগিতাত সম্পূৰ্ণ ৰূপ দিয়া হয়। দুখ আৰু পৰিতাপৰ বিষয় এয়ে যে 'উপপথ' আৰু 'নতুন আশা'ৰ বাহিৰে বাকী কেইখন বোলছবিৰ সম্পূৰ্ণ ৰূপ দিব পৰা নগ'ল। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল 'উপপথ' বোলছবিৰ সংগীত পৰিচালনাৰ জৰিয়তে মণিষা হাজৰিকাই প্ৰথমগৰাকী অসমীয়া মহিলা সংগীত পৰিচালিকা হোৱাৰ কৃতিত্ব অৰ্জন কৰে। সংগীত

'চিক্‌মিক্ বিজুলী'ত কণ্ঠদান কৰা 'মৃত্যু সাৰটি সমাধিথলী' গীতটি আছিল তেওঁ বোলছবিত কণ্ঠ দিয়া প্ৰথম গীত। ৰাণাদাৰ বিষয়ে আলোকপাত কৰিবলৈ যাওঁতে ড° নিৰ্মলপ্ৰভা বৰদলৈক এলাগী কৰাটো এক প্ৰকাৰ দুৰ্ঘোৰ অন্যায় কৰা যেন হ'ব। অসমীয়া গীতি-সাহিত্যৰ ভঁৰাল শব্দৰ মাধুৰ্যৰে চহকী কৰা সকলৰ ভিতৰৰ এগৰাকী নমস্য গীতিকাৰ হ'ল নীলা বাইদেউ। নিৰ্মলপ্ৰভা বৰদলৈৰ সুকোমল শব্দৰ পৰশত সুৰৰ ঝংকাৰ তুলিছিল ৰাণাদাই। যাৰবাবে হয়তো আধুনিক অসমীয়া সংগীতৰ এই যুগলবন্দী আমাৰ বাবে আজিও চিৰনমস্য।

জয়ন্ত হাজৰিকা যে কেৱল এগৰাকী সু-গায়কে আছিল সেয়া নহয়। তেওঁ আছিল একেধাৰে সু-গায়ক, সংগীত পৰিচালক, অভিনেতা, বাদ্যযন্ত্ৰী আৰু সমাজসেৱক। তেখেতৰ জ্যেষ্ঠ ভাতৃ তথা বিশ্বৰত্ন ড° ভূপেন হাজৰিকাই পৰিচালনা কৰা হাস্যমধুৰ অসমীয়া বোলছবি 'লটিঘটি'ৰ সহঃ পৰিচালক আছিল তেওঁ। তদুপৰি 'লটিঘটি' আৰু 'চিক্‌মিক্ বিজুলী' নামৰ ভূপেনদাই পৰিচালনা কৰা বোলছবি দুখনৰ দুটা সৰু চৰিত্ৰত ৰাণাদাই অভিনয় কৰিছিল। সেয়াই ছাগে ৰাণাদাৰ কলাত্মকতাৰ অন্য এক নিদৰ্শন। ইয়াৰ পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে জীৱনৰ কাঁইটীয়া পথ নেওঁচি সাফল্যৰ শিখৰত অধিষ্ঠিত হৈছিল। ১৯৬৯ চনত কলিকতাত বাণীবন্ধনৰ কামত ব্যস্ত থকাৰ সময়তে তেওঁ বংগৰ জীয়ৰী মণিষা সেনগুপ্তা (হাজৰিকা)ৰ সতে বিবাহপাশত আৱদ্ধ হয় আৰু ১৯৭১ চনত তেওঁলোকৰ মাজলৈ আহে

পৰিচালনাৰ সমান্তৰালভাৱে ৰাণাদাই ভালেমান ভ্ৰাম্যমান থিয়েটাৰৰ নাটকৰো সংগীত পৰিচালনাৰ কাম দক্ষতাৰে সমাপন কৰিছিল। তাৰ ভিতৰত নটসূৰ্য ফণী শৰ্মাৰ 'চিৰাজ', প্ৰফুল্ল বৰাৰ 'বাণ' আদিয়েই উল্লেখযোগ্য। অবিভক্ত গোৱালপাৰা জিলাৰ সুযোগ্য সন্তান তথা প্ৰথমজন অসমীয়া চলচ্চিত্ৰ পৰিচালক প্ৰমথেশ বৰুৱাৰ স্মৃতি ৰক্ষাৰ্থে জন্ম দিয়া 'লখিমী থিয়েটাৰ' প্ৰগতি শিল্পী সমাজ আদিৰো অন্যতম সক্ৰিয় অংশীদাৰ আছিল ৰাণাদা।

জন্মগতভাৱে খঙাল ৰাণাদা আছিল এজন সুকোমল মনৰ অধিকাৰী। আৰ্তজনৰ দুদৰ্শাৰ দিনত অৰ্ন্তদহনত দগ্ধিত হৈছিল ৰাণাদাৰ অন্তৰ। যাৰ এক সমাধানসূত্ৰ হিচাপে তেওঁ জন্ম দিছিল স্বেচ্ছাসেৱী সাংস্কৃতিক মঞ্চ 'সুৰ বাহিনী'ৰ। যাৰ উদ্দেশ্য আছিল আৰ্তজনক সহায়ৰ হাত আগবঢ়োৱা। সৰ্বমুঠ আঠোটা গীত সন্নিৱিষ্টি কৰি আৰ্তজনৰ সহায়ৰ বাবে আৰম্ভ কৰিছিল এক ব্যতিক্ৰমী তথা অভিনৱ প্ৰয়াস।

সুৰ বাহিনীত সন্নিৱিষ্ট গান সমূহ হ'ল—
লুইতৰ বলিয়া বান,
দুৰ্যোগ লগনৰ দেশৰ হাহাকাৰ,
আজি ধৰ্মৰ মেলা পাতিছো,
ভয় নাই, ভয় নাই,
একো নাই, শূণ্য হায়,
অভিযাত্ৰী দূৰৰ যাত্ৰী,
এয়েতো প্ৰহৰ, শূণ্য প্ৰহৰ,
এতিয়া ৰাতি নাই।

সুৰ বাহিনী সম্পৰ্কত ৰাণাদাই এনেদৰে কৈছিল— "এতিয়া মই কথা ক'ম, কথা কম মোৰ সুৰেৰে, মোৰ গীতেৰে। এই গীত গাবলৈ ওলাই আহিম ৰাজপথলৈ, মঞ্চলৈ নহয়। মোৰ এই সুৰবাহিনীৰ উদ্দেশ্য হ'ল ৰাইজৰ বিপদৰ সময়ত সুৰবাহিনীয়ে ৰাইজৰ কাষত সদায় থিয় দিবগৈ। সংস্কৃতিৰ নামত দুষ্কৃতিৰ পোহাৰ মেলাসকলক বাধা দিবগৈ সুৰেৰে, গীতেৰে।"

ৰাণাদাৰ প্ৰচেষ্টাত গঢ়ি উঠা এই সুৰ বাহিনীয়ে ঢোলৰ যাদুকৰ মঘাই ওজাক ডিব্ৰুগড়ত চিকিৎসাধীন হৈ থকা অৱস্থাত আৰ্থিক সাহায্য আগবঢ়োৱাৰ লগতে বানপীড়িত সকললৈ সহায়ৰ হাত আগবঢ়াইছিল। সৰ্বেশ্বৰ চক্ৰৱৰ্তী পৰিচালিত 'মণিৰাম দেৱান' আৰু শিৱপ্ৰসাদ ঠাকুৰ পৰিচালিত 'ফাগুনী' বোলছবিতো ৰাণাদাই নেপথ্য কণ্ঠশিল্পীৰূপে কণ্ঠ নিগৰাইছিল। ১৯৭২ চনত ইউৰোপীয়ান দেশ জাৰ্মানীৰ ৰাজধানী বাৰ্লিনত অনুষ্ঠিত আন্তৰ্জাতিক ৰাজনৈতিক সংগীত সন্মিলন (International Conference of Political Music)ত জ্যেষ্ঠ ভাতৃ ড° ভূপেন হাজৰিকাৰ সৈতে তেওঁ অসমক প্ৰতিনিধিত্ব কৰিছিল।

জয়ন্ত হাজৰিকাৰ আন ভালেমান অনা-অসমীয়া মহিলা কণ্ঠশিল্পীৰ হতুৱাই দ্বৈত আৰু একক কণ্ঠৰ গীত বাণীবদ্ধ কৰিছিল। তাৰ ভিতৰত ইলা বোসৰ সৈতে 'লটিঘটি'ত কণ্ঠদান কৰা 'জীৱনটো যদি অভিনয় হয়', বনশ্ৰী সেনগুপ্তাৰ সৈতে কণ্ঠদান কৰা 'নিয়তি' বোলছবিৰ 'ধাম ধামা ধাম মেঘৰ মাদল বাজে' গীতকেইটাৰ কথাকে উনুকিয়াব পাৰো। তদুপৰি নিৰ্মলা মিশ্ৰ, শ্যামল মিত্ৰ আদি জনপ্ৰিয় গায়কৰ অসমীয়া সংস্কৃতিলৈ অৱদানো প্ৰশংসনীয়। দুৰ্ভাগ্যৰ বিষয় এয়ে যে চৰকাৰী কিম্বা বেচৰকাৰী সংগঠন প্ৰমুখ্যে চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সদিচ্ছাৰ অভাৱত জীৱিত কালত যোগ্য আৰু প্ৰাপ্য সন্মানৰ পৰা ৰাণাদা বঞ্চিত হোৱা বুলি অনুমেয়। পাশ্চাত্য সংগীতৰ সুৰৰ সৈতে এক সাদৃশ্যৰ বান্ধোন বান্ধি অসমীয়া সংস্কৃতিলৈ অৱদান আগবঢ়োৱা এই খনিকৰৰ অকাল মৃত্যু অসমীয়া সাংস্কৃতিক মহলৰ বাবে এক বৰভূঁইকপৰ লেখীয়া। এইজনা মহান অসমীয়াক যদি আমি হৃদয়ৰ মণিকূটত জীয়াই ৰাখিব বিচাৰো তেন্তে সেই দায়িত্ব আমাৰ আৰু উত্তৰ প্ৰজন্মৰ হাতত। অন্যথা সাম্প্ৰতিক গ্লেমাৰকেন্দ্ৰিকতাৰ দিনত দেশ-মাটিৰ গোন্ধ থকা এইবোৰ চিৰসেউজ গীত পাহৰণিৰ গৰ্ভত হেৰাই যাব।

নিষ্ঠুৰ নিয়তিৰ প্ৰতাৰণাৰ বলি হৈ ৩৪ বছৰ বয়সতেই ১৯৭৭ চনৰ ১৫ অক্টোবৰত কলিকতাত প্ৰবীৰ মিশ্ৰ পৰিচালিত 'নতুন আশা'ৰ কাম কৰি থকা অৱস্থাত অসমবাসীক কন্দুৱাই চিৰনিদ্ৰাত শুই পৰে ৰাণাদাই। মাত্ৰ ৩৪ টা বসন্ততেই অসমবাসীক যিখিনি দিলে আৰু যি আদৰ্শ দেখুৱালে সেয়া প্ৰত্যেকজন ব্যক্তিয়ে অনুধাৱন কৰা উচিত। নিষ্ঠুৰ জীৱনৰ সৈতে যুঁজি অসম আৰু অসমীয়াৰ মান একক আৰু অনন্য ধাৰাৰে সমগ্ৰ বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰা এইজনা মহান খনিকৰৰ বিদায় অসমৰ বাবে অপূৰণীয় ক্ষতি। কিন্তু তেখেতৰ কণ্ঠৰ 'মৃত্যু সাৰটি সমাধিথলী', 'মৰ-আঁউসীৰ ৰাতি ফেঁচাই কুৰুলিয়াই', 'মায়াময় ৰূপালী জোনাক' আদি গীতবোৰে আজিও তেওঁক অমৰ কৰি ৰাখিছে আৰু ভৱিষ্যতলৈও ৰাখিব।

✧ ✧ ✧ ✧ ✧

**নাজানিলে ভুল হ'ব**

ড° ভূপেন হাজৰিকাই তেখেতৰ জনপ্ৰিয় গীত "অসম আমাৰ ৰূপহী গুণৰো নাই শেষ" গীতটি অৰুণাচল প্ৰদেশৰ 'নিচি' জনগোষ্ঠীৰ সুৰৰ আধাৰত সুৰাৰোপিত কৰিছিল।

# বিমুদ্ৰাকৰণ আৰু জনসাধাৰণ



**উপাসনা দাস**
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*

৮ নৱেম্বৰ, ২০১৬ মঙ্গলবাৰে নিশা আঠ বজাত চৰকাৰে প্ৰচলিত ৫০০ আৰু ১০০০ টকীয়া নোট অৱলুপ্তিৰ সিদ্ধান্ত আচম্বিতে ঘোষণা কৰে আৰু সিদিনাখন নিশা বাৰ বজাৰ পৰাই এই সিদ্ধান্ত কাৰ্যকৰী কৰে। নতুন ৫০০ টকীয়া আৰু ২০০০ টকীয়া নোট প্ৰৱৰ্তনৰ সিদ্ধান্তও চৰকাৰে ঘোষণা কৰে আৰু বেংকসমূহত এই নোটবোৰ পৰ্যাপ্ত পৰিমাণে জমা কৰা হৈছে বুলিও জনসাধাৰণক আশ্বস্ত কৰে। প্ৰধানমন্ত্ৰীয়ে এই বুলিও ঘোষণা কৰিছিল যে, দুৰ্নীতি ৰোধ, কলা টকা উদ্ধাৰ, জালনোট জব্দ আৰু সন্ত্ৰাসবাদীলৈ পুঁজি যোগান বন্ধ কৰা উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। কিন্তু বাস্তৱৰ সৈতে তুলনা কৰিলেই এই পদক্ষেপ যে মূলতঃ ৰাজনৈতিক চমকৰ বাবেহে গ্ৰহণ কৰা হৈছে সেয়া স্পষ্টকৈ ওলাই পৰে।

আমাৰ দেশৰ জনগণৰ হাতত যি মুদ্ৰা আছিল তাৰ ৮৫ শতাংশই পাঁচশ আৰু এহেজাৰ টকীয়া নোট। জনসাধাৰণে কাহিলিপুৱাৰে পৰা বেংকবোৰৰ সন্মুখত সুদীৰ্ঘ সময় শাৰী পাতি থিয় দিয়াৰ পাছতো বহুতে দৈনন্দিন খৰচৰ বাবে প্ৰয়োজনীয় টকা তুলিব পৰা নাছিল। পুৰণি নোটবোৰে জমা দিবলৈ দীৰ্ঘ শাৰীত থিয় দিবলগীয়া হৈছিল। এইফালে দেশৰ এক লাখ এ.টি.এম. (Automated Teller Machine) বিকল। বেংকবোৰৰ লেনদেন সম্পূৰ্ণ বিধ্বস্ত হৈ প্ৰতিজন নাগৰিকক কিবা নহয় কিবা প্ৰকাৰে ক্ষতিগ্ৰস্ত কৰিছে। গ্ৰামাঞ্চলত সংকটটো আৰু বেছি গভীৰ। বিভিন্ন ঠাইত দোকান পোহাৰ বন্ধ হৈ পৰিছে। মানুহে আনকি অত্যাৱশ্যকীয় সামগ্ৰী, জীৱনদায়িনী ঔষধো ক্ৰয় কৰিব পৰা নাই। যিসকল বেংকিং ব্যৱস্থা আৰু অনা-নগদ অৰ্থনীতিৰ অংগ হৈ আছে তেনে লোকসকল চৰম দুৰ্ভোগৰ কবলত পৰিছে। তেওঁলোকৰ ভিতৰত আছে কৃষি-শ্ৰমিক, মৎস্যজীৱি, দিন হাজিৰা কৰা লোক, ফল-মূল বিক্ৰেতা, ট্ৰাক-ড্ৰাইভাৰ আদি। এওঁলোকৰ উপৰিও এনেধৰণৰ আন বহুতো লোক আছে। দেশৰ ভাল হওঁক, দহৰ ভাল হওঁক— দেশৰ মানুহে সকলো ত্যাগ কৰিবলৈ সাজু। হেজাৰ হেজাৰ বিয়া বাতিল কৰা হৈছে, চিকিৎসালয়ৰ ৰোগীয়ে জীয়াতু ভুগিছে।

ভাৰতৰ অৰ্থনীতিৰ আজিও ৯০ শতাংশ নগদ অৰ্থনীতি। ৯৮ শতাংশ উপভোক্তাৰ লেনদেন হয় নগদ ধনেৰে। ৯০ শতাংশ শ্ৰমিক-কৰ্মচাৰীৰ জীৱন-জীৱিকাৰ পথ হ'ল অসংগঠিত খণ্ড। আজিও দেশৰ বিশ কোটি পৰিয়ালৰ জীৱন-জীৱিকা নিৰ্ভৰশীল ক্ষুদ্ৰ ব্যৱসায়ৰ ওপৰত। দৈনিক বজাৰ, তিনিদিনীয়া বজাৰ, সাপ্তাহিক হাট বজাৰ, ৰাস্তাৰ দাঁতিত, ফুটপাথত দোকান দিয়ে জীৱন নিৰ্বাহ কৰে দেশৰ বৃজনসংখ্যক জনসাধাৰণে। অসমৰ গাঁৱে-চহৰে হেজাৰ হেজাৰ মহিলাই বুকুত মেখেলা পিন্ধি পথৰ দাঁতিত বহি সামান্য সামগ্ৰী বিক্ৰী কৰে জীৱন নিৰ্বাহৰ বাবে। ডিজিটেল লেনদেনৰ বাবে পুৰস্কাৰ

পদ্ধতিৰ বাহিৰেও শাস্তিৰ পদ্ধতিত নগদহীন লেনদেন বৃদ্ধি কৰিবলৈ তৎপৰ কেন্দ্ৰীয় চৰকাৰ। ডিলাইট নামৰ এটা সংস্থাৰ জৰীপ অনুযায়ী যোৱা ১৫/১১/২০১৬ ইং তাৰিখলৈ ৪৮.২ কোটি শ্ৰমিক-কৰ্মচাৰী কৰ্মসংস্থাপন হীন হৈ গৈছে। ভাৰতৰ সকলো বেংকৰে "ঘূৰাই নোপোৱা ঋণৰ পৰিমাণ" ৬ লাখ কোটি টকা। বৰ্তমানলৈ পোৱা তথ্যমতে কলাধনৰ পৰিমাণ ২ লাখ কোটি টকা। ২ লাখ কোটি টকাৰ কলা ধন ঘূৰাই আনিবলৈ পণ বন্দী কৰি ৰখা চৰকাৰে এই ৬ লাখ কোটি টকা ঘূৰাই আনিবলৈ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। সৰ্বোপৰি অতি দুখৰ আৰু লাজৰ কথা যে ৪ ডিচেম্বৰ, ২০১৬ দেওঁবাৰে অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাত প্ৰায় ৫০ হেজাৰখন বিয়া স্থগিত কৰা হ'ল। একমাত্ৰ ধনৰ অভাৱত। বিমুদ্ৰাকৰণে বহু দৰা-কইনাক নিৰাশ কৰিলে।

বিমুদ্ৰাকৰণৰ মুখ্য উদ্দেশ্য আছিল কলা টকা উদ্ধাৰ। অনেক বিশেষজ্ঞ তথা অৰ্থনীতিবিদে কৈছিল বিমুদ্ৰাকৰণে কলা টকা উদ্ধাৰ কৰিব নোৱাৰে। কাৰণ কলা টকা নগদ ধন ৰূপত অতি বেছি তিনি চাৰি শতাংশহে আছে। "All cash are not black and all black are not cash" অৰ্থাৎ "সকলো ধনেই কলা নহয় আৰু সকলো ধনেই নগদ অৱস্থাত নাথাকে।" ৯০ শতাংশ কলা ধন জমা হৈ আছে বিদেশৰ বেংকবোৰত। তদুপৰি কলা ধন আমাৰ দেশতো মাটি-সম্পত্তি, এপাৰ্টমেণ্ট, সোণ আদিলৈ ৰূপান্তৰিত কৰি পেলোৱা হয়। অথবা নানা ব্যৱসায়ত বিনিয়োগ কৰা হয়। বৰ্তমানলৈ প্ৰকাশিত হিচাপমতে ২,৬১৪ কোটি কলা টকাহে উদ্ধাৰ হৈছে। মুঠ কলা টকাৰ এক শতাংশ উদ্ধাৰ হ'লেও এক লাখ কোটি টকা উদ্ধাৰ হ'লহেঁতেন। নগদহীন লেনদেনৰ পদ্ধতি হুলস্থুল নকৰাকৈ আৰু একেবাৰতে নগদহীন লেনদেন ব্যৱস্থা প্ৰৱৰ্তনৰ কাৰ্যসূচী নললৈ আগতে ইয়াৰ আন্তঃগাঁথনি সৃষ্টি কৰা উচিত আছিল। ভাৰতত নগদহীন লেনদেনৰ ব্যৱস্থা প্ৰৱৰ্তন কৰাটো বিচাৰে ভিছা, মাষ্টাৰ কাৰ্ড,পেপাল, এ. টি. এম, এপলাপ, এমপেছা, বিটকন আদি বহুজাতিক কোম্পানীয়ে তেওঁলোকৰ ব্যৱসায় বৃদ্ধিৰ বাবে। ষ্টেট বেংক অৱ ইণ্ডিয়াৰ নিচিনা প্ৰসিদ্ধ প্ৰতিষ্ঠান এটাৰো ত্ৰিশ লাখ গ্ৰাহকৰ ডেবিট কাৰ্ড আৰু ক্ৰেডিট কাৰ্ডৰ তথ্য চুৰি হৈ গৈছিল পাঁচ মাহমান আগতে। কলা ধন আৰু দুৰ্নীতি নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজন নিকা প্ৰশাসন ব্যৱস্থা, দক্ষ আৰু দুৰ্নীতিহীন কৰ ব্যৱস্থা। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ঘোষণা কৰা মেক ইন ইণ্ডিয়া, ষ্টাৰ্ট আপ, স্বচ্ছ ভাৰত, স্মাৰ্ট চিটি, বিমুদ্ৰাকৰণৰ দ্বাৰা কলা ধন উদ্ধাৰ আদি সকলো বিপ্লৱেই বিফল হৈছে।

বৰ্তমান নোট প্ৰচলন নিষিদ্ধকৰণেৰে ঘোষিত লক্ষ্য কলা টকা উদ্ধাৰ, জালনোট ৰোধ, উগ্ৰপন্থীৰ কাৰ্যকলাপ ৰোধ কৰাৰ কোনো ভিত্তিয়েই নাই। ৰিজাৰ্ভ বেংকৰ তথ্যমতে দেশত ৪০০ কোটি টকাৰহে জালনোট প্ৰচলন আছে, অৰ্থাৎ মুঠ নোট প্ৰচলনৰ ০.০২৮ শতাংশহে। অৰ্থনীতিবিদ সকলে অনেক আগতেই কৈছে কলা টকাৰ তিনিটা মূল উৎস— শ্বেয়াৰ বজাৰ, চিটফাণ্ড, পাৰ্টিচিপেটৰী নোট আৰু কৰহীন দেশ — 'টেক্স হেভেন' দেশবোৰ। বৰ্তমানৰ নোট নিষিদ্ধকৰণৰ সিদ্ধান্তই এইবোৰক স্পৰ্শই নকৰে। যদি কলা টকা উদ্ধাৰেই মূল লক্ষ্য হয় তেতিয়াহ'লে কলা টকা সৃষ্টি কৰা বৃহৎ উৎসবোৰ বিশেষকৈ মুখ্য তিনিটা উৎস নিয়ন্ত্ৰণ হ'ব লাগিছিল। পণ্য বাণিজ্যৰ বেলিয়ম, মূলধনী পণ্যমূল্য নিৰ্দ্ধাৰণত বেলিয়ম আৰু প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ ফাঁকি আদি কলা টকাৰ তিনিটা মূল উৎস বুলি অৰ্থনীতিত স্বীকৃত। নোট প্ৰচলন নিষিদ্ধ প্ৰক্ৰিয়াত এই তিনি উৎসৰ কোনো ক্ষতিয়েই নহয়। বিদেশৰ বেংকৰ সৈতে লেন-দেনৰ ক্ষেত্ৰত নগদ টকাৰ কোনো সম্পৰ্কই নাই। সকলো অৰ্থনীতিবিদে একমত যে বৰ্তমান বৈদ্যুতিন যুগত বস্তাত ভৰাই কলা টকা জমা ৰখাৰ দিন উকলি গৈছে। সেইকাৰণে নোট প্ৰচলন বন্ধৰ দ্বাৰা অতি ক্ষুদ্ৰাংশ কলা টকাহে উদ্ধাৰ কৰা যাব পাৰে বা মূল্যহীন কৰা যাব পাৰে। অৰ্থাৎ মুঠ কলাধনৰ পাঁচ শতাংশ। বিমুদ্ৰাকৰণৰ ফলত প্ৰায় ৭০ শতাংশ খাটি খোৱা লোকৰেই হাৰাশাস্তি হৈছে। তেওঁলোকৰ জীৱন-জীৱিকাৰ পথত সংকট আহি পৰিছে। ইয়াৰ ফলত দেশৰ অৰ্থনৈতিক কাৰ্যকলাপো তীব্ৰ আকাৰত হ্ৰাস পাব।

✧ ✧ ✧ ✧ ✧

**নাজানিলে ভুল হ'ব**

১৯৩৮ চনত পোনপ্ৰথমবাৰৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰচলন কৰে সৰ্বোচ্চ মূল্যৰ কাগজী মুদ্ৰা দহহাজাৰ টকীয়া নোট। যাক ১৯৪৬ চনত বিমুদ্ৰাকৰণৰ জৰিয়তে প্ৰচলন বন্ধ কৰা হয়। আকৌ ১৯৫৪ চনত দহহাজাৰ টকীয়া নোটৰ পুনৰ প্ৰচলন কৰা হয় যদিও ১৯৭৮ চনৰ জানুৱাৰী মাহত বিমুদ্ৰাকৰণৰ জৰিয়তে ইয়াৰ প্ৰচলন পুনৰ বন্ধ কৰা হয়।

প্ৰবন্ধ

# নাৰী



অনিমা সাহা
*স্নাতক দ্বিতীয় ষান্মাসিক (অসমীয়া বিভাগ)*

ভগৱানৰ এই সৃষ্টিত প্ৰকৃতিৰ পাছতে সৃজন শক্তিৰ দৈৱিক গুণৰ দ্বিতীয় জাগৃত কেন্দ্ৰ নাৰী। নাৰীৰ মাজত পৃথিৱীৰ দৰে সহনশীলতা, সূৰ্যৰ দৰে তেজস্বীতা, সমুদ্ৰৰ দৰে গভীৰতা, ফুলৰ দৰে সৌন্দৰ্য আৰু কোমলতা, চন্দ্ৰৰ দৰে শীতলতা, এই দৈৱিক গুণ সৃষ্টিৰ আৰম্ভণিৰ পৰাই বিদ্যমান।

ভাৰতীয় চিন্তনত নাৰীৰ মাতৃৰূপৰ সদায়েই বন্দনা কৰা হৈছে। যেতিয়া যুধিষ্ঠিৰক যক্ষই প্ৰশ্ন কৰিছিল, পৃথিৱীতকৈ গৰিমাময়ী কি? তেতিয়া যুধিষ্ঠিৰে সহজ ভাৱেৰে উত্তৰ দিছিল— 'মা'। মা- দয়া, কৰুণা, মমতা, সহিষ্ণুতা আৰু প্ৰেমৰ এক পবিত্ৰ প্ৰতিমূৰ্তি। ভাৰতৰ নাৰীৰ ত্যাগ, কষ্ট, সহিষ্ণুতা আৰু ধৈৰ্য দেখি জাৰ্মান পণ্ডিত মেক্সমূলাৰে কৈছিল— যদি পুনৰ জন্ম আছে ভগৱানে মোক যেন ভাৰতত মাতৃ হিচাপে জন্ম দিয়ে। পৃথিৱীক যি কোনো মহাপুৰুষৰ আত্মকথা পঢ়িলে ৯৯% মহাপুৰুষে এই কথা উল্লেখ কৰে যে, "মোৰ প্ৰগতিত মোৰ মাৰ বিশাল যোগদান আছে।"

বৰ্তমান সময়তো অনেক ৰাষ্ট্ৰপুৰুষ যেনে— শ্ৰদ্ধাৰ এ.পি.জে. আব্দুল কালাম, নৰেন্দ্ৰ মোদী, শচীন তেণ্ডুলকাৰ, অমিতাভ বচ্চন আদিয়ে নিজৰ সফলতাৰ বাবে মাককে প্ৰথম স্থান দিছে। মাতৃত্বৰ যি প্ৰেম, তাতকৈ অধিক ভালকৈ আন কি প্ৰেমে ঈশ্বৰৰ প্ৰেমক প্ৰতিনিধিত্ব কৰিব পাৰে।

ভাৰতীয় দৰ্শনত নাৰীৰ দ্বিতীয় মহত্বপূৰ্ণ সম্বন্ধ পত্নী ৰূপ। পত্নীক সখা, অৰ্ধাঙ্গিনী, সহধৰ্মিনী আদি বিভিন্ন ভাবেৰে ব্যাক্ত কৰা হয়। নৰ আৰু নাৰীৰ ভেদ শৰীৰগতহে আত্মগত নহয়। পুৰুষ পবিত্ৰতা আৰু নাৰী শক্তিৰ প্ৰতীক। কোৱা হয় যে শক্তিৰ অবিহনে শিৱ ও শিৱ লৈ ৰূপান্তৰিত হয়। ঋক বেদত নৰ-নাৰীক দম্পতি অৰ্থাৎ ঘৰৰ সংমুক্ত স্বামী বুলি কোৱা হৈছে। সমাজ

বিস্তাৰৰ কাৰণে মহিলা আৰু পুৰুষৰ জীৱনত সহভাগিতা অনিবাৰ্য- যাক পৰিয়াল বুলি কোৱা হয়। আমাৰ সংস্কৃতিত পুৰুষ মহিলাৰ প্ৰতিদ্বন্দ্বী নহয়, পৰিপূৰক হে। অৰ্ধনাৰীশ্বৰ আমাৰ দেশৰ আদৰ্শ বনবাসৰ সময়ত এগৰাকী ঋষিয়ে সীতাক ক'লে— স্বামীৰ অনুগত হোৱাটো মহত্বম বৰ, তুমি তেনে হৈ নিশ্চয় সুখী। সীতাই উত্তৰ দিলে— এই ক্ষেত্ৰত মই ক'ব নোৱাৰিম যে মই তেওঁক মানি চলোনে তেওঁ মোক মানি চলে। এটা কথাই মই মনত ৰাখো যে হোমৰ গুৰিত অগ্নি নিজেই প্ৰতিফলিত হয়, নে ভগৱানে নিজে মোৰ মনত ভাৱ জগাইছিল যে মই তেওঁৰ আৰু তেওঁ মোৰ। তেতিয়াৰ পৰাই বুজি আহিছো যে মই তেওঁৰ জীৱনৰ আৰু তেওঁ মোক জীৱনৰ পৰিপূৰক।

আমাৰ দেশত বেদৰ কালৰ পৰাই নাৰীয়ে ঘৰৰ চাৰিসীমাৰ বাহিৰতো ৰাজনৈতিক, সামাজিক, ধাৰ্মিক আৰু প্ৰশাসনিক কাৰ্যত সক্ৰিয় ও মহত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অনেক কৰ্তৃত্ব সম্পন্ন মহিলা গাৰ্গী মৈত্ৰেয়ী, বিদূলা জীজামাতা, কনকলতা, জয়মতী, মূলাগাভৰু আদিয়ে সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰত নাম আৰু খ্যাতি অৰ্জন কৰিছে। আজিও জীৱনৰ যিমানবিধ ক্ষেত্ৰ আছে সকলোতে নাৰীয়ে নিজৰ ক্ষমতাৰে অগ্ৰগামী হৈছে। আজি পাহাৰৰ উচ্চতা জুখিবলৈ বা সমুদ্ৰৰ গভীৰতাৰ মাপ ল'বলৈ এই সকলো ক্ষেত্ৰতে দক্ষতাৰে মহিলাই নিৰ্ণয় লৈছে। নিজৰ কৌশলেৰে ৰাষ্ট্ৰপতিৰ দায়িত্ব সুদক্ষতাৰে পালন কৰাৰ পৰা ৰন্ধন কাৰ্য নিয়াৰিকৈ কৰালৈকে নাৰীয়ে নিজৰ ক্ষমতা প্ৰদৰ্শন কৰি আহিছে। গাঁৱৰ মহিলাসকলেও আমাৰ দেশৰ আৰ্থিক বিকাশত সহযোগিতা যেনে- পশুপালন, শস্য উৎপাদন, বস্ত্ৰ তৈয়াৰ আদিৰ মাধ্যমেৰে কৰি আহিছে।

বৰ্তমান পৰিস্থিতিয়েও ইয়াক প্ৰমাণ কৰিছে। আজিৰ আৱশ্যকতা সমাজৰ মানসিকতাৰ পৰিবৰ্তন আৰু এই পৰিবৰ্তন আমি মহিলাসকলে নিজৰ পৰাই আৰম্ভ কৰিব লাগিব। নাৰীয়ে প্ৰথমে নিজেই একোগৰাকী নাৰী হিচাপে আত্মগৌৰৱবোধ অনুভৱ কৰিব লাগিব। ইয়াৰ উপৰিও প্ৰতিগৰাকী মহিলাই প্ৰত্যেক স্তৰৰ মহিলাকে সন্মান, মৰ্যদা প্ৰদান কৰিব লাগিব। তেতিয়াহে নাৰীয়ে নিজৰ সমস্যা নিজেই নিজৰ প্ৰয়োজন মতে সমাধান কৰিব পাৰিব। ইয়াৰ বাবে মহিলাই নিজৰ ভিতৰত থকা শক্তিক জাগৃত কৰিব লাগিব। গীতাত শ্ৰীকৃষ্ণই কৈছে 'মই পক্ষীৰ ভিতৰত গৰুড় পক্ষীত, নদীৰ গংগাত, পৰ্বতৰ হিমালয়, শাস্ত্ৰধাৰীৰ শ্ৰীৰাম, পুৰুষৰ ৰজাৰ গাত আৰু স্ত্ৰীৰ মাজত সপ্ত শক্তি, কীৰ্তি, শ্ৰী, বাক, স্মৃতি, মেধা, ধৃতি আৰু ক্ষমা এই গুণৰ ৰূপত বাস কৰো। এই সপ্ত শতিকাৰ আধাৰতে নাৰীয়ে সৃজন বা সংহাৰ দুয়োটাই কৰিব পাৰে। মহিলা সকলে আত্ম উৎকৰ্ষ সাধনৰ দ্বাৰা এই শক্তিৰ যিদিনা উমান পাব তেতিয়াহে নিজকে শাৰীৰিক, মানসিক তথা বৌদ্ধিক দিশত দক্ষ কৰি পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰৰ উত্থানৰ বাবে নিজকে সমৰ্পণ কৰিব পাৰিব।

নাৰীয়ে সৌন্দৰ্য চৰ্চাৰ লগতে শৰীৰ চৰ্চাও কৰিব লাগিব। মানুহ হিচাপে জীয়াই থাকিবলৈ প্ৰথম প্ৰয়োজন হৈছে অজেয় শাৰীৰিক শক্তি, আমি ইমানেই শক্তিশালী হ'ব লাগিব যে আমাক যাতে কোনেও ভয়-ভীত প্ৰদৰ্শন কৰিব নোৱাৰে বা দমন কৰিব নোৱাৰে। শৰীৰ কৰ্তব্য পালনৰ প্ৰধান আহিলা সঠিক ব্যায়াম আৰু সু-অভ্যাস গঠনৰ জৰিয়তে জীৱনৰ প্ৰতিটো প্ৰত্যাহ্বানকে মূৰ পাতি ল'ব পৰা একোটা সুস্থ শৰীৰ গঠনত আমি মনোযোগ দিয়াটো উচিত।

এই পৃথিৱীত মানুহে নিজৰ আচৰণৰ তথা কৰ্তৃত্বৰ দ্বাৰাই নিজৰ পৰিচয় দাঙি ধৰে। আমিও প্ৰথমে নিজকে উত্তৰণৰ দ্বাৰা অহোপুৰুষাৰ্থ কৰি মৰ্যদাৰ যোগ্য কৰি তুলিব লাগিব। অধিকাৰ যেতিয়ালৈকে আমি আনৰ ওচৰত বিচাৰিম, ইয়াৰ অৰ্থ পৰোক্ষভাৱে আমি নিজকে সৰুহে প্ৰতিপন্ন কৰিম। কাৰণ দিয়াজন লোৱাজনতকৈ সদায়ে শ্ৰেষ্ঠ। অধিকাৰ নহয় কৰ্তব্য পালন হে আমাৰ লক্ষ্য হোৱা উচিত। কৰ্তব্যইহে আমাক সফলতাৰ দিশে আগুৱাই লৈ নিব।

সকলো মহিলাই যিদিনা একাত্মবোধ অনুভৱ কৰিব, যিদিনা যিকোনো এগৰাকী মহিলাৰ দুখে তেওঁ লাগিলে আমাৰ পৰিচিতই হওঁক অথবা কোনো অপৰিচিত, চহকীয়েই হওঁক অথবা মলিয়ন বেশ-ভূষাৰ কোনো দৰিদ্ৰ ভিক্ষাৰীয়েই যিদিনা সমগ্ৰ নাৰী জাতিৰ হৃদয় বিচলিত কৰি তুলিব, সেইদিনাই আমাৰ প্ৰকৃত পুনৰুত্থান হ'ব। আমি সকলোৱে পুৰুষ আৰু নাৰী বুলি নাভাবি নিজকে মানুহ হিচাপে লৈ পৰস্পৰৰ সহায় আৰু বিকাশৰ বাবে জন্মলাভ কৰিছো বুলিয়েই ভবা উচিত। সমাজৰূপী ৰথখনৰ যিদিনা আমি নিজেই সাৰথি হ'ম, সেইদিনা ধৰ্মৰ জয়, সততাৰ জয় আৰু অধৰ্মৰ অৰ্থাৎ অন্যায় অনীতিৰ পৰাজয় সুনিশ্চিত হ'ব।

✧ ✧ ✧ ✧ ✧

মোক এগৰাকী মাতৃ দিয়া, মই আপোনালোকক এটা ভাল জাতি দিম।
— নেপোলিয়ন বোনাপাৰ্ট

প্ৰবন্ধ

# অসমীয়া সমাজত ফঁকৰা-যোজনা আৰু প্ৰবচন

## এটি আলোচনা

**দীপামণি গোস্বামী**
*স্নাতক ষষ্ঠ যান্মাসিক, অসমীয়া বিভাগ*

খ্ৰীষ্টীয় দশম-একাদশ শতিকাৰ আগতে অসমীয়া বুলি এটা ভাষাৰ উমান পোৱা নাছিল। গতিকে ভাষা নথকাকৈ সাহিত্যৰ সৃষ্টি হ'ব কেনেকৈ? ভাষাই যেতিয়া মানুহৰ মনৰ ভাৱ, অনুভূতি আৰু অৱস্থা প্ৰকাশ কৰিব পৰা শক্তি লাভ কৰে আৰু উচ্চাৰণ কৰা বিভিন্ন ধ্বনি বুজিবলৈ কিছুমান সাংকেতিক চিহ্ন সৃষ্টি কৰি লিখাৰ পদ্ধতি প্ৰৱৰ্তন কৰে। এনেদৰে সাহিত্যৰ ইতিহাসৰ পাতনি মেলে যদিও ভাষাৰ লিখিত ৰূপ উদ্ভাৱন নহ'লেও মৌখিক ৰূপ এটাৰ সৃষ্টি হৈছিল। ইয়াৰ উদাহৰণস্বৰূপে আমি পৰ্বতীয়া জাতি-জনজাতিবোৰৰ ক্ষেত্ৰত তেওঁলোকৰ মাজত প্ৰচলিত গীত, মাত, প্ৰবচন, লোকাচাৰ আদিৰ উমান পাওঁ। সাহিত্যই লিখিত ৰূপ লোৱাৰ আগতে ই নিৰক্ষৰ লোকৰ মাজত মৌখিক ৰূপে প্ৰচলিত আছিল আৰু ইয়াৰ প্ৰচলন বৰ্তমানেও দেখিবলৈ পোৱা যায়। এনেদৰে প্ৰচলন হৈ অহাৰ পিছত পৰিৱেশৰ প্ৰভাৱত ইয়াৰ কিছু পৰিবৰ্তন হোৱা পৰিলক্ষিত হয়।

অসমীয়া লোক সাহিত্যৰ প্ৰধান ভাগ সমূহৰ ভিতৰত এটা ভাগ হৈছে ফঁকৰা-যোজনা আৰু প্ৰবচন। ফঁকৰা-যোজনা আৰু প্ৰবচনবোৰে সাধাৰণতে সাংসাৰিক অভিজ্ঞতালব্ধ জ্ঞানমূলক নীতি, বিভিন্ন সময়ত জীৱনচৰ্য আৰু আদৰ্শবাদ, জাতিৰ মনস্তত্ব, আচাৰ-ব্যৱহাৰ আৰু বহুক্ষেত্ৰত এইবোৰৰ সমালোচনাও পোৱা যায়। ফঁকৰাবোৰ সাধাৰণতে ছন্দোবদ্ধ আৰু প্ৰহেলিকা ভাৱাপন্ন। উদাহৰণস্বৰূপে, "আইৰো যাত্ৰা, গঙ্গাৰো বাৰ্তা", "সাগৰৰ মৌ, পৰ্বতৰ টৌ", "বাপেকৰ তিৰী নাই- পুতেকৰ সাত বৌ", এই ফঁকৰা-যোজনা, প্ৰবাদ-প্ৰৱচনবোৰৰ প্ৰয়োগে বক্তব্য ৰসাল, অৰ্থঘন আৰু প্ৰভাৱশালী কৰি তোলে তাক জতুৱা ঠাচেঁৰে সমৃদ্ধ কৰে। এইবোৰৰ পৰা সৃষ্টিশীলতা আৰু বুদ্ধি নিষ্ঠতাৰ উমান পোৱা যায়। কিছুমান ফঁকৰাত ঈশ্বৰকো সাঙোৰা হয়। যেনে, "আইৰ ঘৰলৈ যাম, দুই হাতে খাম। বিধাতাই বোলে মই পাছে পাছে যাম।" জীৱ-জন্তুক লৈও কিছুমান ফঁকৰা-যোজনা কোৱা হয়। যেনে— "আছে গৰু নাবায় হাল। হোৱাতকৈ নোহোৱাই ভাল"। মাছ-কাছ আদিকলৈও ফঁকৰা-যোজনা প্ৰস্তুত কৰা হয়। যেনে— "আগ নুগুণি গুণে পাছ, লোভত মৰে বৰশীৰ মাছ"। মানুহৰ মন আদিক লৈও আমাৰ সমাজত কিছুমান ফঁকৰা-যোজনা ব্যৱহাৰ কৰা হয়। যেনে— "মনক বান্ধিবা, মনক চাটিবা, মনক নিদিবা লাই। দুৰ্জয় মনক দমাব নোৱাৰি যে গজমুৰী গাই।" কিছুমান ফঁকৰা-যোজনাৰ দ্বাৰা বুৰঞ্জীৰ ঘটনাৰ সময় জানিব পাৰি। যেনে— "নাই ৰঙামাটি, নাই গুৱাহাটী"। "গড়গঞা ডাৰেও কাটে"। এনে প্ৰবচন আহোম ৰাজত্বত ৰচনা কৰা বুলি জানিব পাৰি। কিছুমান যোজনা বা পটন্তৰত নাৰী মনৰ চিত্ৰ প্ৰস্ফুত হৈ উঠে। যেনে— "মাজমূৰত নাই চুলি, গিৰিয়েকে মাতে কেশমতী বুলি"। "মাকতকৈ জীয়েক কাজী, ঢেঁকী থোৱাৰে বাটে পাঁজি।"

প্ৰবচন বাক্যবোৰত চুটি চুটি বাক্যৰ মাজেৰে সাৰগৰ্ভ সত্য বা অভিজ্ঞতা প্ৰকাশ কৰিব পৰা এক প্ৰকাৰ বিশেষ শক্তি আছে। ফঁকৰা-যোজনাবোৰ গূঢ়াৰ্থ, ইয়াৰ বক্তব্যৰ অন্তৰালত লুকাই থাকে নিগূঢ় অৰ্থ লগতে কিছু ভকতীয়া অৰ্থ। প্ৰবাদ বাক্যবোৰত সাধুকথা বা পৌৰাণিক কাহিনীও অন্তৰ্ভূক্ত হৈ থাকে। কেতিয়াবা কিছুমান প্ৰবচনত পূৰ্বপুৰুষীয়া ৰীতিৰ প্ৰচলন দেখা যায়। যেনে— উদৰ সাত পুৰুষৰ কেঁচা মাছ খাওঁতে যোৱা।" আমাৰ সমাজত শত্ৰুক বুজাবলৈ কিছুমান প্ৰবচন কোৱা হয়। তাৰ ভিতৰত "সাপ মাৰি নেগুৰত বিষ থোৱা"। মানুহৰ ব্যৱস্তাৰ কথাও প্ৰবচনবোৰত ওলাই পৰে। যেনে- "ঢৌতে খৰ মাৰি"। মানুহৰ পৰিশ্ৰমৰ জোখ দেখুৱাবলৈও প্ৰবচনৰ ব্যৱহাৰ কৰা হয়। যেনে, "কপালৰ ঘাম মাটিত পেলোৱা"। বক্তাৰ কথা কোৱাৰ চমৎকাৰিত্ব, বুদ্ধিদীপ্ততা, পৰ্যবেক্ষণ শক্তি, সাংসাৰিক জ্ঞানৰ স্বাক্ষৰ এই প্ৰবাদ-প্ৰবচন, ফঁকৰা-যোজনাবোৰে বহন কৰে।

অসমীয়া সমাজত ক'বলৈ গ'লে প্ৰতিটো কাৰ্যৰে একোটা ফঁকৰা-যোজনা, প্ৰবচন উলিয়াব পাৰি। যুগ পৰিবৰ্তনৰ লগত প্ৰবাদ-প্ৰবচনবোৰৰ উৎপত্তি আৰু লয় ওতঃপ্ৰোত ভাৱে জড়িত। সমাজত মানুহৰ প্ৰয়োজন অনুসাৰে এইবোৰৰ জন্ম হয় আৰু মানুহে ইচ্ছা কৰালৈকে ইয়াৰ প্ৰচলন কৰি থাকিব পাৰে। এইবোৰৰ প্ৰচলনে অসমীয়া সমাজখনক বাৰুকৈয়ে চহকী কৰি ৰাখিছে।

✧ ✧ ✧ ✧ ✧

প্ৰবন্ধ

# দ্ৰব্য আৰু সেৱা কৰ

## ভাৰতীয় অৰ্থনীতিত এক মাইলৰ খুঁটি

ড° বনমালী নাথ
*অধ্যাপক, গণিত বিভাগ*

সাম্প্ৰতিক সময়ত বহু চৰ্চিত বিষয়বোৰৰ ভিতৰত এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে জি. এছ. টি. (Goods and Services Tax)। এটা উপযুক্ত কৰ প্ৰণালী ব্যৱস্থাই তাৰ দক্ষতা আৰু সমতাৰ জৰিয়তে দেশৰ অৰ্থনীতিত সদায়েই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিক্ৰী আৰু সেৱা কৰেই হৈছে কৰ ৰাজহ সংগ্ৰহৰ আটাইতকৈ বৃহৎ উৎস। সকলো বিক্ৰী আৰু সেৱাৰ ক্ষেত্ৰত একক কৰ ব্যৱস্থা পদ্ধতিটো প্ৰথমে ইউৰোপীয়ান দেশসমূহৰ পৰা আগমন ঘটিছিল আৰু পিছলৈ এই কৰ ব্যৱস্থাটোৰেই সংশোধিত হৈ দ্ৰব্য আৰু সেৱাকৰ (Goods and Service Tax) চমুকৈ GST নাম পায়।




ইতিমধ্যে GST ক বহু বছৰ পূৰ্বে পৃথিৱীৰ প্ৰায় ১৬০ খন দেশে কৰ ব্যৱস্থা প্ৰণালীত এটা যথোপযুক্ত আৰু উত্তম ব্যৱস্থা বুলি গ্ৰহণ আৰু কাৰ্যকৰী কৰি আহিছে যদিও আমাৰ ভাৰতবৰ্ষই প্ৰায় ২০০০ চনৰ পৰাহে সাৰ পোৱা বুলি ক'ব পাৰি কিয়নো সেই সময়ত দেশৰ প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী চৰকাৰে প্ৰথম ৰাজ্যসমূহৰ বিত্তমন্ত্ৰী সকলোৰ লগত একক কৰ ব্যৱস্থাৰ মাধ্যমেৰে ৰাষ্ট্ৰখনৰ অৰ্থনৈতিক উন্নয়নৰ ভেটি সবল কৰাৰ মানসেৰে এলানি আলোচনাত মিলিত হৈ

জি. এছ. টি.ৰ বিষয়ে অৱতাৰণা কৰি তাৰ আৰ্হি (Model) প্ৰস্তুতকৰণ আৰু কাৰ্যকৰীকৰণৰ বাবে এখনি কমিটি প্ৰস্তুত কৰিছিল। সেয়াই আছিল আৰম্ভণি আৰু তেতিয়াৰে পৰাই ৰাজ্য আৰু কেন্দ্ৰৰ মাজত বিভিন্ন অৰ্থনীতিবিদ, বুদ্ধিজীৱি আৰু বিদ্বৎমহলৰ মাজত জি. এছ. টি. সম্বন্ধে বিভিন্ন যুক্তি-তৰ্কৰ মাজেৰে আলোচনাই গুৰুত্ব পাই আহিছে আৰু অৱশেষত সকলো যুক্তি-তৰ্কৰ ওৰ পেলাই সুদীৰ্ঘ ১৭ বছৰৰ মূৰত ২০১৭ চনৰ ৩০ জুনত সংসদৰ ঐতিহাসিক চেন্ট্ৰেল হলত মহা আড়ম্বৰপূৰ্ণভাৱে ভাৰতীয় জনতা পাৰ্টি (BJP) চৰকাৰে মাজনিশা ১২.০০ বজাৰ পৰা অৰ্থাৎ পহিলা জুলাই, ২০১৭ ৰ পৰা দেশজুৰি (জম্মু আৰু কাশ্মীৰত ৮ জুলাই ২০১৭ পৰা) জি. এছ. টি. আইন বলবৎ কৰে। এনেকৈ ভাৰত ৰাষ্ট্ৰৰ আটাইবোৰ ৰাজ্যৰ এক ৰাষ্ট্ৰ এক কৰ (One Nation One Tax) নীতিৰে উদ্বুদ্ধ হৈ এক নতুন ইতিহাসৰ যাত্ৰাৰ সূচনা কৰে।

দ্ৰব্য আৰু সেৱা কৰ কি? দ্ৰব্য আৰু সেৱা কৰ হ'ল দ্ৰব্য আৰু সেৱা সামগ্ৰীৰ ক্ৰমে নিৰ্মাতাৰ পৰা আৰম্ভ কৰি চূড়ান্ত ভোগকাৰ্যলৈ সকলো স্তৰৰ ক্ষেত্ৰতেই শৃংখলিত ৰূপত আৰোপিত এবিধ লক্ষ্যভিত্তিক ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰোক্ষ কৰ যাৰ বোজা চূড়ান্ত উপভোক্তাজনেহে বহন কৰিব লাগে। ভাৰতবৰ্ষত প্ৰৱৰ্তন কৰা জি. এছ. টি ব্যৱস্থাটো হৈছে এটা দ্বৈত জি. এছ. টি. ব্যৱস্থা (Dual GST system)। যিহেতু আমাৰ ৰাষ্ট্ৰখন হৈছে যুক্তৰাষ্ট্ৰীয় সংবিধান অনুগামী এখন ৰাষ্ট্ৰ য'ত কেন্দ্ৰ আৰু ৰাজ্যিক দুয়ো চৰকাৰৰেই উপযুক্ত আইন, বিধি-বিধানৰ জৰিয়তে কৰ আৰোপ আৰু সংগ্ৰহৰ ক্ষমতা থাকে। এই দ্বৈত জি. এছ. টি. কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা প্ৰথম ৰাষ্ট্ৰ হৈছে কানাডা আৰু ইয়াৰ পিছতেই প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰ অৰ্থাৎ দ্বিতীয় ৰাষ্ট্ৰ হিচাবে পৰিগণিত হ'ল ভাৰতবৰ্ষ।

এতিয়া স্বাভাৱিকতে আমাৰ মনলৈ এটি প্ৰশ্ন আহে— কিয় ইমান বিতৰ্কৰ মাজেৰে মূল্য সংযোজিত কৰ (Value Added Tax) বাহাল থকাৰ সময়তে ইয়াৰ পৰিৱৰ্তে জি এছ টি বলবৎ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে উঠি-পৰি লাগিছিল। ইয়াৰ বাবে আমি ভেট (VAT) ৰ বিষয়ে কিছু কথা জনাৰ প্ৰয়োজন হ'ব। মূল্য সংযোজিত কৰ (VAT) হৈছে কোনো সেৱা বা দ্ৰব্য সামগ্ৰী উৎপাদনৰ প্ৰতিটো স্তৰ নাইবা বিতৰণ মাধ্যমৰ প্ৰতিটো শৃংখলৰ মূল্যৰ লগত সংযোজন কৰা এবিধ পৰোক্ষ কৰ। সহজ অৰ্থত ই এবিধ বিক্ৰী কৰ। এই কৰ আৰোপ আৰু নিয়ন্ত্ৰণ কৰাৰ একমাত্ৰ ক্ষমতা থাকে কেৱল ৰাজ্য চৰকাৰৰ ওপৰত আৰু ইয়াৰ ফলস্বৰূপে এখন দেশৰ ভিন-ভিন ৰাজ্যত কৰৰ হাৰৰ ভিন্নতা দেখা যায়। ইয়াৰ বাবে বিনিয়োগকাৰীসকলে সদায়েই এটা ভীতি-গ্ৰস্ততাৰ আৱৰ্তত থাকিবলগীয়া হয়। আকৌ 'ভেট'ৰ কাৰ্যব্যৱস্থাত কেন্দ্ৰ আৰু ৰাজ্য উভয়পক্ষৰে ৰাজহৰ পৰিমাণ নিম্নগামী হোৱা পৰিলক্ষিত হয় কিয়নো ৰাজ্য চৰকাৰবোৰ নিজ নিজ ৰাজ্যৰ প্ৰতি বিনিয়োগকাৰী সকলোক আকৰ্ষণ কৰিবৰ বাবে কৰৰ হাৰ কমাই এটা অঘোষিত প্ৰতিযোগিতাত লিপ্ত হ'বলগীয়া পৰে। ইয়াৰ উপৰিও 'ভেট' ব্যৱস্থাত উৎপাদক বা নিৰ্মাতা সকলোৰ ওপৰত কৰৰ হেঁচা বেছিকৈ দিয়া পৰিলক্ষিত হয় কিন্তু জি. এছ. টি. প্ৰয়োগৰ ফলস্বৰূপে এই কৰৰ বোজা উৎপাদন উপাদান কৰ ঋণ (Input Tax Credit) মাধ্যমৰ বাবে বহু পৰিমাণে লাঘৱ হয় আৰু ইয়াৰ ফলস্বৰূপে সৰ্বমুঠ উৎপাদন ব্যয় কমি যোৱাৰ ফলশ্ৰুতিত উপভোক্তা উপকৃত হোৱাত সহায়ক হ'ব।

**জি. এছ. টি.ৰ আৰ্হি আৰু কাৰ্যপ্ৰণালী ঃ**

আমাৰ দেশৰ পৰোক্ষ কৰ গাঁঠনি ব্যৱস্থাত সংযোগিত জি. এছ. টি.ক তিনিটা ৰূপত পোৱা যায়—

১) এছ. জি. এছ. টি. (State GST) ৰাজ্য চৰকাৰৰ দ্বাৰা সংগৃহীত

২) চি. জি. এছ. টি. (Central GST) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সংগৃহীত

৩) আই. জি. এছ. টি. (Integrated GST) ৰাজ্য চৰকাৰৰ দ্বাৰা সংগৃহীত

যদি কোনো এবিধ সামগ্ৰী একেখন ৰাজ্যৰ ভিতৰত বিক্ৰী হয় তেন্তে এই ক্ষেত্ৰত আৰোপিত জি. এছ. টি.ৰ হাৰ সমদুভাগ হ'ব (যিহেতু দ্বৈত State GST) — এটা SGST আৰু আনটো CGST অৰ্থাৎ GST ৰ হাৰ ১৮% হ'লে ৰাজ্য চৰকাৰৰ দ্বাৰা সংগৃহীত কৰা (SGST) ৰ হাৰ ৯% আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সংগৃহীত কৰ (CGST) ৰ হাৰ হ'ব ৯%। আকৌ যদি সামগ্ৰী বিধৰ বিক্ৰী এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যত হয় তেন্তে এই ক্ষেত্ৰত কেৱল IGST হে প্ৰয়োগ হ'ব আৰু ই কেন্দ্ৰীয় চৰকাৰৰ পুঁজিত জমা হ'ব। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ ৫০% সংশ্লিষ্ট ৰাজ্যখনক SGST হিচাবে প্ৰেৰণ কৰিব যিহেতু

GST হৈছে লক্ষ্যভিত্তিক কৰ ব্যৱস্থা।

তলৰ উদাহৰণ নং ১ ৰ জৰিয়তে এবিধ সামগ্ৰী (X) ৰ বিক্ৰী আৰু পুনৰ বিক্ৰী স্থানভেদে কৰ সংগ্ৰহৰ বিভিন্ন স্তৰসমূহ দেখুওৱা হ'ল—

(ধৰা GST ৰ হাৰ ১২%)

উদাহৰণ - ১ ঃ

ধুবুৰী
S.P.= Rs. 1,000/-

১ম স্তৰ (ৰাজ্যৰ ভিতৰত)

SGST @6% = 60
CGST @6% = 60

গুৱাহাটী
S.P.= Rs. 2,000/-

২য় স্তৰ (ৰাজ্যৰ ভিতৰত)

SGST @6% = 120 – (১ম স্তৰ SGST) – 60
CGST @6% = 120 – (১ম স্তৰ CGST) – 60

মঙ্গলদৈ
S.P.= Rs. 3,000/-

৩য় স্তৰ (আন্তঃৰাজ্যিক)

IGST @12% = 360 – (২য় স্তৰৰ CGST+SGST)
= 360 – 120
= 240

বৰ্ণিহাট (মেঘালয়)
S.P.= Rs. 4,000/-

৪ৰ্থ স্তৰ (ৰাজ্যৰ ভিতৰত)

SGST @6% = 240 – (৩য় স্তৰৰ IGST ৰ আধা)
= 240 – 120
= 120

শ্বিলং (মেঘালয়)
S.P.= Rs. 5,000/-

SGST @6% = 240 – (৩য় স্তৰৰ IGST ৰ)
= 240 – 120
= 120

**জি এছ টি ৰ বহিৰ্ভূক্ত দ্ৰব্য সামগ্ৰী ঃ**

বৰ্তমানলৈকে GST পৰিষদে কেতবোৰ সামগ্ৰী যেনে—

ক) এলকহল জাতীয় পানীয়।

খ) কেতবোৰ পেট্ৰলিয়াম জাতীয় সামগ্ৰী বিশেষকৈ— কেঁচা পেট্ৰলিয়াম, মটৰ স্পিৰিট (পেট্ৰ'ল), দ্ৰুতগতিৰ ডিজেল, প্ৰাকৃতিক গেছ আৰু আকাশীযানৰ বাবে ব্যৱহৃত ইন্ধন গেছ'লিন।

গ) বিদ্যুৎ

আদিক GST ৰ আওতাৰ ভিতৰত অন্তৰ্ভুক্ত কৰা নাই। সেয়ে GST বহিৰ্ভূত এই সামগ্ৰীবোৰৰ ওপৰত পূৰ্বৰ কৰ ব্যৱস্থাটোৱেই অৰ্থাৎ VAT আৰু কেন্দ্ৰীয় আবকাৰী শুল্ক (Central Excise Duty) পদ্ধতি বাহাল থাকিব।




ভাৰতীয় অৰ্থনীতিত 'জি. এছ. টি.'ৰ প্ৰভাৱ ঃ

আমাৰ ৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নয়নৰ এটা প্ৰধান হেঙাৰ হৈছে নিবনুৱা সমস্যা। কিন্তু GST ৰ প্ৰয়োগৰ ফলত 'এক ৰাষ্ট্ৰ এক কৰ' নীতি উদ্বুদ্ধ হৈ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় আৰু উদ্যোগ প্ৰতিষ্ঠানসমূহে বিনিয়োগ কৰিবলৈ নিৰ্ভয়ে আগবাঢ়ি আহিব যাৰ ফলত নিয়োগৰ ক্ষেত্ৰত যথেষ্ট সুবিধা আহিব আৰু ফলত নিবনুৱা সমস্যা সমাধানৰ পথ প্ৰশস্ত হ'ব আৰু ইয়াৰ লগে লগে সমাজৰ পৰা অবৈধ আৰু অসামাজিক কাৰ্যকলাপ বহু পৰিমাণে আতৰিব যিটো এখন ৰাষ্ট্ৰৰ উন্নয়নৰ বাবে অতি আৱশ্যকীয়।

আকৌ GST ব্যৱস্থাই পূৰ্বৰ 'কৰৰ ওপৰত কৰ' (Case cading effect of tax) ধাৰ্যৰ নীতি নোহোৱা কৰি ভাৰতীয় অৰ্থনীতিৰ বজাৰখনলৈ যথেষ্ট আশাৰ বতৰা কঢ়িয়াই আনিছে। যিহেতু উৎপাদনৰ আৰম্ভণিতেই প্ৰথম চিন্তাৰ বিষয়টোৱে হৈছে উৎপাদন সামগ্ৰীৰ ব্যয় গণনা আৰু GST প্ৰয়োগে উৎপাদন ব্যয় হ্ৰাস কৰাৰ ফলত ক্ষুদ্ৰ ব্যৱসায় আৰু উদ্যোগ প্ৰতিস্থানকে আদি কৰি বৃহৎ বৃহৎ ক'ৰ্পৰেট গোষ্ঠীসমূহৰ উৎপাদন ক্ষেত্ৰখনলৈ আগমন ঘটিব। ই নিঃসন্দেহে দেশৰ অৰ্থনীতিৰ বাবে এক সু-খবৰ।

অৱশ্যে এটা কথা অনস্বীকাৰ্য যে GST ক ব্যৱহাৰিক দিশত এক দুৰ্নীতি মুক্ত কৰ হিচাবে প্ৰয়োগৰ ক্ষেত্ৰত প্ৰয়োজন এটা শক্তিশালী তথ্য প্ৰযুক্তিৰ। ইয়াৰ বাবে ভাৰত চৰকাৰে কেইবাটাও IT Company ৰ লগত যোগাযোগ অব্যাহত ৰাখিছে। এইখিনিতে এটা ভাল খবৰ যে যোৱা ৩ জুন ২০১৮ ৰ পৰা ৰ GST অধীনত সমগ্ৰ দেশত প্ৰযোজ্য হৈছে ই-ৱে বিল (E-way)। ইয়াৰ অধীনত পঞ্চাশ হেজাৰ টকাতকৈ অধিক মূল্যৰ সামগ্ৰীৰ আন্তঃৰাজ্যিক পৰিবহনৰ ক্ষেত্ৰত ই-ৱে বিল বাধ্যতামূলক কৰা হৈছে।

যিয়েই নহওঁক মুঠতে এই কৰ প্ৰণালী ব্যৱস্থাটোৱে ভাৰতীয় অৰ্থনীতিত এক বলিষ্ঠ কৰ নীতিৰে উন্নয়নৰ দিশত নিশ্চয়কৈ এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি আমি আশা কৰিব পাৰো। যিহেতু GST এটা দীৰ্ঘম্যাদী প্ৰক্ৰিয়া, সেয়ে ইয়াৰ ধূসৰতা আতৰিবৰ বাবে সকলো স্তৰত মানুহে আন্তৰিকতাৰে গ্ৰহণ কৰিবলৈ আৰু প্ৰয়োজন হ'ব কিছু অপেক্ষাৰ।।

✧ ✧ ✧ ✧ ✧

**নাজানিলে ভুল হ'ব**

➢ '১০১ নং সংবিধান সংশোধনী আইন, ২০১৬' ৰ জৰিয়তে দ্ৰব্য আৰ সেৱা কৰ আইনখন ভাৰতবৰ্ষত বলৱৎ কৰা হয়। এই আইনখনৰ লগত জড়িত সংবিধানৰ অনুচ্ছেদ সমূহ হ'ল— অনুচ্ছেদ নং ২৪৬ (A), ২৬৯ (A), ২৭৯ (A) [নতুনকৈ সংযোজিত অনুচ্ছেদ]। অন্যান্য অনুচ্ছেদ সমূহ হ'ল— অনুচ্ছেদ নং ২৪৯, ২৫০, ২৬৮, ২৬৮ (A), ২৬৯।

➢ দ্ৰব্য আৰু সেৱা কৰ আইনখন কাৰ্যকৰী হোৱা ভাৰতবৰ্ষৰ প্ৰথমখন ৰাজ্য হ'ল— অসম।

প্ৰবন্ধ

# খিলঞ্জীয়া সমস্যা, সংগ্ৰাম আৰু ন্যায়

যোগেন বড়ো
*সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ*

বিশ্বৰ জনগাঁথনি, সাংস্কৃতিক, ভাষিক তথা পৰিৱেশিক ক্ষেত্ৰত খিলঞ্জীয়া লোকসকলে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। খিলঞ্জীয়া শব্দৰ আভিধানিক অৰ্থ হ'ল— Peoples who lived in a place for very long time before other people came to live there অৰ্থাৎ প্ৰাচীন কালৰ পৰা বহুপুৰুষলৈকে একে ঠাইতে বসবাস কৰা লোক। ৰাষ্ট্ৰসংঘৰ সংজ্ঞা মতে, খিলঞ্জীয়া জনসাধাৰণ হ'ল সেইসকল লোকৰ বংশধৰ, যিসকলে বৰ্তমান বসবাস কৰি থকা ভূ-খণ্ডত অন্য সংস্কৃতি অথবা জনগোষ্ঠীয় বংশোদ্ভূত লোকে বিশ্বৰ অন্য প্ৰান্তৰ পৰা আহি তেওঁলোকক অতিক্ৰম কৰি যায় (Indigenous populations as comprising the descendants of peoples territory of a country at the time when persons of a different culture or ethnic origin arrived there from other parts of the world and overcome them)

বৰ্তমান সমগ্ৰ বিশ্বত অতিকমেও ৩৭০ কোটিতকৈ অধিক খিলঞ্জীয়া জনসাধাৰণ বিভিন্ন অঞ্চলত সিঁচৰিত হৈ আছে। বিশ্বত বিভিন্ন সময়ত সমাধা কৰা গৱেষণাৰ তথ্য মতে, ফিলিপাইনৰ কৰ্ডিলেৰা (Cordilera) অঞ্চলত ২০ লাখ, চিলিত ১০ লাখ মেপুচে (Mapuche) সম্প্ৰদায়ৰ লোক, বাংলাদেশৰ চিতাগং (Chittagong) পাহাৰীয়া অঞ্চলত ৬ লাখ জনজাতীয় লোক, উত্তৰ আমেৰিকাত ৩৫ লাখ, পানানাখালৰ উত্তৰ অঞ্চলত ৫০ হেজাৰ কুনা সম্প্ৰদায়ৰ খিলঞ্জীয়া লোকে বসবাস কৰি আহিছে। ইয়াৰ উপৰিও অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডকে ধৰি বহু দ্বীপ ৰাষ্ট্ৰত হাজাৰ হাজাৰ বছৰ ধৰি পলিনেছিয়ান (Polynesian), মেলানেছিয়ান (Melanesian) আৰু মাইক্ৰ'নেছিয়ান (Micronesian) আদি খিলঞ্জীয়া লোকসকলে বসবাস কৰি আহিছে। বৰ্তমান সময়ত আমেৰিকাৰ মধ্য আৰু দক্ষিণ অঞ্চলত আফ্ৰিকা, ভাৰতবৰ্ষ আৰু দক্ষিণ-পূব এছিয়াত খিলঞ্জীয়া লোকসকলে বসতি স্থাপন কৰি কিছু কিছু অঞ্চল নিজৰ দখললৈ আনিবলৈ সক্ষম হৈছে। বৰ্তমান খিলঞ্জীয়া লোকসকলে সাৰ্বভৌমত্ব আৰু সাংস্কৃতিক আত্ম-নিয়ন্ত্ৰণৰ দাবী জনাই আহিছে। বিশ্বৰ খিলঞ্জীয়াসকলৰ বাসস্থানৰ ভৌগোলিক এলেকা পৃথক পৃথক হ'লেও তেওঁলোকৰ দাবীসমূহৰ মাজত মিল থকা দেখিবলৈ পোৱা যায়। খিলঞ্জীয়াসকলে বাস কৰি থকা ৰাষ্ট্ৰখনৰ অনুষ্ঠানসমূহৰ লগত জড়িত হোৱাৰ পৰিৱৰ্তে তেওঁলোকৰ নিজস্ব সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজেৰে জীৱন-যাপন কৰি আহিছে।

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল খিলঞ্জীয়া লোকেৰে পৰিপূৰ্ণ অঞ্চল। ইয়াৰ প্ৰতিখন ৰাজ্যতে খিলঞ্জীয়াসকলেই সংখ্যাগৰিষ্ঠ এই অঞ্চলৰ সমাজ ৰাজনীতি, অৰ্থনীতি, সাংস্কৃতিক, ভাষিক আদি সকলো দিশতে খিলঞ্জীয়া লোকসকলে প্ৰভাৱিত কৰি আহিছে। ভাৰতবৰ্ষত বৃটিছ শাসনৰ সময়ৰ পৰাই উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া লোকসকলৰ বাবে বিশেষ, শাসনৰ ব্যৱস্থা কৰি অহা হৈছে। বৃটিছ চৰকাৰে ১৯১৯ চনতে উত্তৰ-পূৰ্বাঞ্চলক "পিছপৰা এলেকা" হিচাপে ঘোষণা কৰিছিল আৰু ১৯৩৫ চনত ছাইমন আয়োগৰ পৰামৰ্শৰ ভিত্তিত উত্তৰ পূৰ্বাঞ্চলৰ পাহাৰীয়া জনজাতি অধ্যুষিত অঞ্চলবোৰক বহিৰ্ভূত এলেকা (Excluded Area) আৰু আংশিকভাৱে বহিৰ্ভূত এলেকা (Patically Excluded Area) — এই দুটা ভাগত ভাগ কৰিছিল। এই অঞ্চলবোৰত যাতে ভৈয়ামৰ মানুহ গৈ অশান্তিৰ সৃষ্টি কৰিব নোৱাৰে তাৰবাবে 'ইনাৰ লাইন প্ৰথা'ৰ ব্যৱস্থাও কৰা হৈছিল। যাক বৰ্তমানেও বাহাল ৰখা হৈছে। ভাৰতবৰ্ষই স্বাধীনতা লাভৰ পিছত খিলঞ্জীয়া লোকসকলক একতাৰ এনাজৰীৰে বন্ধাৰ প্ৰয়াসেৰে নতুন চৰকাৰে ভাৰতীয় সংবিধানত ষষ্ঠ অনুসূচীৰ ব্যৱস্থা সৃষ্টি কৰিলে আৰু সেই এলেকাবোৰত জিলা/আঞ্চলিক পৰিষদ গঠন কৰি স্বায়ত্ত শাসন ব্যৱস্থাৰ প্ৰচলন কৰিলে। কিন্তু নতুনকৈ নেতৃত্বৰ সোৱাদ লাভ কৰা জনজাতীয় নেতাসকলে এই ব্যৱস্থাত সন্তুষ্ট নাথাকি অধিক স্বশাসন লাভৰ বাবে পৃথক ৰাজ্যৰ দাবী তথা আত্মনিয়ন্ত্ৰণৰ দাবী প্ৰবল কৰি তুলিলে, যাৰ ফলত অঞ্চলটোত সন্ত্ৰাসবাদৰ উৎপত্তি

আৰু অশান্তময় অঞ্চলত পৰিণত হৈ পৰিল। ইয়াৰ লগে লগে বহু দিশত বিভিন্ন সমস্যাৰ উদ্ভৱ হোৱাৰ বাবে জনজাতি লোকসকল বহু দিশত পিছপৰি ৰ'ব লগা হ'ল।

বৰ্তমান সময়ত খিলঞ্জীয়া লোকসকল বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। বিশ্বায়ন তথা তীব্ৰগতিত পৰিৱৰ্তিত সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ব্যৱস্থাই এওঁলোকক ক্ষতিগ্ৰস্ত কৰিছে। সমগ্ৰ বিশ্বৰ খিলঞ্জীয়া লোকসকলৰ অন্যতম দাবী হ'ল- ভূমিৰ অধিকাৰ, কাৰণ খিলঞ্জীয়াসকল প্ৰধানকৈ কৃষিকৰ্মৰ লগত জড়িত। উন্নয়ন তথা দ্ৰুত উদ্যোগীকৰণৰ ফলত কৃষিভূমি সংকুচিত হোৱাৰ ফলত তেওঁলোকৰ ভূমিৰ অধিকাৰ খৰ্ব হৈছে আৰু জীৱন তথা জীৱিকাত অনিশ্চয়তা আহি পৰিছে। ৰাষ্ট্ৰৰ বিকাশৰ নামত বহু খিলঞ্জীয়া লোক নিজৰ বাসস্থানৰ পৰা স্থানান্তৰিত (Displaced) হ'ব লগা হৈছে আৰু ৰাষ্ট্ৰৰ পৰ্যাপ্ত সুযোগ সুবিধাৰ পৰা বঞ্চিত হৈছে। যাৰ ফলত খিলঞ্জীয়াসকল অৰ্থনৈতিক দিশত পিছপৰি ৰ'ব লগা হৈছে।

সম্প্ৰতিক সময়ত বিশ্বৰ বহুবোৰ ৰাষ্ট্ৰত খিলঞ্জীয়া লোকসকলক সাংবিধানিক তথা ৰাজনৈতিক সুৰক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে, যদিও অৰ্থনৈতিক বিকাশৰ সুফল ভোগ কৰিব নোৱাৰিলে আৰু খিলঞ্জীয়াসকলে বুজি উঠিছিল যে জীয়াই থকাৰ বাবে প্ৰয়োজনীয় অৰ্থনৈতিক সুযোগ-সুবিধা অবিহনে ৰাজনৈতিক স্বায়ত্ত শাসন তথা আইনগত সুৰক্ষা অৰ্থবহ নহয়। উদাহৰণস্বৰূপে ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ কথা উল্লেখ কৰিব পাৰি, য'ত উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহৰ শাসন ব্যৱস্থাৰ বিষয়ে উল্লেখ আছে। বিশ্বায়নে খিলঞ্জীয়াসকলৰ সামাজিক ৰীতি-নীতি, পৰম্পৰা, আচাৰ-ব্যৱহাৰ, সামাজিক শৃংখলা, সাংস্কৃতিক দিশ আদিকো প্ৰভাৱিত কৰাৰ লগতে ক্ষতিগ্ৰস্থ কৰিছে। বিশ্বায়নৰ প্ৰবাহত খিলঞ্জীয়া সংস্কৃতি তথা ভাষাৰ বিলুপ্তি ঘটিবলৈ আৰম্ভ কৰিছে। ইয়াৰ উপৰিও আগন্তুক দিনবোৰত বিশ্বৰ বুকুৰ পৰা বহু খিলঞ্জীয়া সম্প্ৰদায়ৰ বিলুপ্তি ঘটিব। তেওঁলোকৰ সাহিত্য, সংস্কৃতি তথা জীৱনশৈলীত তীব্ৰ পৰিৱৰ্তন হ'বলৈ ধৰিছে, যিয়ে তেওঁলোকক ধ্বংসৰ মুখলৈ ঠেলি লৈ গৈ আছে। তেওঁলোকৰ ৰীতি-নীতি, সামাজিক শৃংখলা, সাংস্কৃতিক শৃংখলা তথা পৰম্পৰাৰ পৰিৱৰ্তনে খিলঞ্জীয়াসকলক 'মূল'ৰ পৰা আঁতৰাই লৈ গৈ আছে। ইয়াৰ ফলত অস্তিত্বৰ সংকটত ভুগিবলগীয়া হৈছে। ইয়াৰ উপৰিও খিলঞ্জীয়াসকল পৰিবেশৰ লগত ওচৰ সম্পৰ্ক ৰাখি জীৱন নিৰ্বাহ কৰে। তেওঁলোকৰ অধিকতম প্ৰয়োজনীয় সামগ্ৰী তথা জীৱনশৈলী পৰিৱেশৰ উপাদানসমূহৰ লগত জড়িত হৈ থাকে। উদ্যোগীকৰণ আৰু আধুনিকতাৰ পৰশে পৰিৱেশৰ ধ্বংসৰ ফলত খিলঞ্জীয়াৰ জীৱন দুৰ্বিষহ কৰি তুলিছে। পৰিৱেশ ৰক্ষাৰ বাবে ভাৰততে বিভিন্ন পৰিৱেশীয় সামাজিক আন্দোলন খিলঞ্জীয়াসকলে আৰম্ভ কৰা অনেক উদ্ভাৱন আছে। ইয়াৰ ভিতৰত চিপ্‌কো আন্দোলন, নৰ্মদা বচাও আন্দোলন, নামনি সোৱণশিৰি নদীবান্ধ বিৰোধী আন্দোলন আদি উল্লেখযোগ্য।

এই সমস্যাসমূহৰ উপৰিও খিলঞ্জীয়াসকলে পদে প্ৰতি বঞ্চিত লাঞ্ছিত হ'বলগীয়া হৈছে। তেওঁলোকে নিজৰ অধিকাৰসমূহ লাভৰ বাবে আন্দোলন গঢ়ি তুলিবলগীয়া হৈছে। এই আন্দোলন খিলঞ্জীয়াসকলে দুই প্ৰকাৰে গঢ়ি তুলিছে— গণতান্ত্ৰিক আৰু সশস্ত্ৰ পন্থাৰে। খিলঞ্জীয়াসকলৰ এই আন্দোলন সমগ্ৰ বিশ্বৰ লগতে ভাৰতবৰ্ষতো হোৱা দেখিবলৈ পোৱা গৈছে। ভাৰতবৰ্ষৰ খিলঞ্জীয়া সকলক বিশেষকৈ অনুসূচিত জনজাতি হিচাপে জনা যায়। ভাৰতত মুঠ জনসংখ্যাৰ প্ৰায় আঠ (৮) শতাংশ খিলঞ্জীয়া লোক উত্তৰ পূৰ্বাঞ্চলতে বসবাস কৰে। ভাৰতৰ খিলঞ্জীয়া সকলেও আত্মনিয়ন্ত্ৰণ তথা নিজৰ বিভিন্ন অধিকাৰৰ বাবে বিভিন্ন পন্থাৰে আন্দোলন কৰি আহিছে। নক্সালবাদী আন্দোলন ভাৰতৰ খিলঞ্জীয়াসকলৰ এক উল্লেখযোগ্য আন্দোলন। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰেক্ষাপটত উল্লেখযোগ্য খিলঞ্জীয়া আন্দোলনসমূহ হ'ল— নগা আন্দোলন, বড়ো আন্দোলন, মিজো আন্দোলন, কাৰ্বি আন্দোলন আদি অন্যতম। এই খিলঞ্জীয়া জাতি জনগোষ্ঠীসমূহে গণতান্ত্ৰিক আৰু হিংসাত্মক দুয়োটা পন্থাৰে আন্দোলন চলাই আহিছে। ইয়াৰ উপৰিও ৰাভা, কোঁচ-ৰাজবংশী, আদিবাসী, টাই, আহোম, মৰাণ, মটক আদি জনগোষ্ঠীয়েও সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে নিজৰ দাবীসমূহ উত্থাপন কৰি আন্দোলন চলাই আহিছে।

খিলঞ্জীয়া লোকসকলৰ সমস্যাসমূহ সমাধা কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা দেখা গৈছে। এইক্ষেত্ৰত কিছুমান আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় সংগঠন তথা কোনো কোনো ৰাষ্ট্ৰৰ ভূমিকা প্ৰশংসনীয়। এই বিষয়ত ১৯৭৫ চনত গঠিত খিলঞ্জীয়া জনসাধাৰণৰ বিশ্ব পৰিষদ (World Council of Indegenous People) ৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই সংস্থাটোৱে ৰাষ্ট্ৰসংঘৰ পৰামৰ্শমূলক সংস্থাৰ স্বীকৃতি লাভ কৰিছে আৰু খিলঞ্জীয়া জনসাধাৰণৰ সংস্থাবোৰৰ ভিতৰত ই হ'ল অন্যতম। ইয়াৰ উপৰিও আন্তৰ্জাতিক শ্ৰমিক সংস্থা আৰু ৰাষ্ট্ৰসংঘই প্ৰথম অৱস্থাৰ পৰাই খিলঞ্জীয়াৰ অধিকাৰৰ হকে মাত মাতি আহিছে। ৰাষ্ট্ৰসংঘৰ নেতৃত্বত ১৯৮২ চনত সংখ্যালঘুসকলৰ সুৰক্ষা আৰু বৈষম্যবিৰোধী উপ আয়োগ গঠন কৰিছিল আৰু যিয়ে খিলঞ্জীয়াসকলৰ অধিকাৰৰ ক্ষেত্ৰত

হোৱা বৈষম্যৰ ওপৰত অধ্যয়ন কৰি ১৯৯৪ চনত এখন ঘোষণাপত্ৰ গ্ৰহণ কৰিছিল। এই ঘোষণাপত্ৰখনত অন্তৰ্ভূক্ত কৰা প্ৰধান বিষয়সমূহ আছিল—

১। ৰাষ্ট্ৰসংঘৰ চনদ আৰু মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰত উল্লেখ থকা সকলোবিলাক মানৱ অধিকাৰ আৰু স্বাধীনতাৰ অধিকাৰ ভোগ কৰাৰ বাবে খিলঞ্জীয়াসকলে সুবিধা লাভ কৰা।

২। খিলঞ্জীয়া লোকসকল মৰ্যদা আৰু অধিকাৰৰ দিশৰ পৰা অইন লোকৰ দৰে মুক্ত আৰু সমান তথা যিকোনো প্ৰতিকূল বৈষম্যৰ পৰা মুক্ত হৈ থকাৰ অধিকাৰ আছে।

৩। খিলঞ্জীয়া লোকসকলৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ তথা সুকীয়া ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক বৈশিষ্ট্য আৰু আইনগত ব্যৱস্থা অব্যাহত ৰখা আৰু শক্তিশালী কৰাৰ অধিকাৰ আছে।

৪। প্ৰত্যেক খিলঞ্জীয়া ব্যক্তিৰ জাতীয়তাৰ অধিকাৰ আছে তেওঁলোকে সুকীয়াভাৱে স্বাধীনতা, শান্তি আৰু নিৰাপত্তা লাভৰ সামূহিক অধিকাৰ আছে।

৫। খিলঞ্জীয়া লোকৰ সুকীয়া পৰিচয় আৰু বৈশিষ্ট্য অব্যাহত ৰখা আৰু বিকাশ কৰাৰ সামূহিক আৰু ব্যক্তিগত অধিকাৰ আছে।

৬। খিলঞ্জীয়া লোকসকলক জোৰকৈ তেওঁলোকৰ ভূমি আৰু ভূ-খণ্ডৰ পৰা আঁতৰ কৰিব পৰা নাযাব। ইয়াৰ উপৰিও সশস্ত্ৰ সংঘৰ্ষৰ সময়ত খিলঞ্জীয়া লোকসকলৰ বিশেষ সুৰক্ষা আৰু নিৰাপত্তা লাভৰ অধিকাৰ আছে।

৭। খিলঞ্জীয়া লোকসকলৰ নিজা সাংস্কৃতিক পৰম্পৰা আৰু প্ৰথাৰ প্ৰয়োগ কৰা আৰু পুনৰজীৱিত কৰাৰ অধিকাৰ আছে।

৮। খিলঞ্জীয়া লোকসকলৰ সংস্কৃতি, পৰম্পৰা, ইতিহাস আৰু অভিলাষৰ বিভিন্নতা আৰু মৰ্যদা লাভৰ অধিকাৰ আছে।

৯। আন্তৰ্জাতিক আইন আৰু আন্তৰ্জাতিক শ্ৰম আইনে প্ৰতিষ্ঠা কৰা অধিকাৰ তথা বিকাশৰ অধিকাৰ উপভোগ আৰু কাৰ্যকৰী কৰাৰ বাবে কৌশল নিৰ্ণয়ৰ অধিকাৰ আছে।

১০। খিলঞ্জীয়া লোকসকলৰ পৰিৱেশ সুৰক্ষাৰ অধিকাৰ আছে। ইয়াৰ উপৰি নিজ সম্প্ৰদায়ৰ প্ৰতি ব্যক্তিৰ দায়বদ্ধতা নিৰ্ণয়ৰ অধিকাৰো খিলঞ্জীয়া লোকসকলৰ আছে।

এই ব্যৱস্থাসমূহৰ বাহিৰেও ৰাষ্ট্ৰসংঘই অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ নেতৃত্বত ২০০০ চনত খিলঞ্জীয়া লোকসকলৰ এখন স্থায়ী ফ'ৰাম গঠন কৰিছিল। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৯৪ চনৰ ১০ ডিচেম্বৰ তাৰিখৰ পৰা আৰম্ভ কৰি "বিশ্বৰ খিলঞ্জীয়া লোকসকলৰ দশক" (Decade of the World's Indegenous Peoples) হিচাপে ঘোষণা কৰে। এই দশকৰ মূল উদ্দেশ্য আছিল খিলঞ্জীয়া লোকসকলৰ সমস্যা সমাধানৰ বাবে আন্তৰ্জাতিক সহযোগিতা শক্তিশালী কৰা। ইয়াৰ উপৰিও ৰাষ্ট্ৰসংঘই ২০০৭ চনত খিলঞ্জীয়া লোকৰ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ প্ৰকাশ কৰিছিল। যাৰ উদ্দেশ্য আছিল খিলঞ্জীয়া লোকসকলক অধিক সুযোগ সুবিধা আৰু স্বাধীনতা প্ৰদান কৰা। কিন্তু তৎস্বত্বেও আজিলৈকে খিলঞ্জীয়া লোকসকলে ন্যায় লাভ কৰা নাই আৰু তেওঁলোকৰ সমস্যাসমূহ সমাধান কৰাৰ বাবে নিজৰ সংগ্ৰাম অব্যাহত ৰাখিছে। এই ক্ষেত্ৰত ক'ব পাৰি যে ৰাষ্ট্ৰসংঘই ঘোষণা কৰা ব্যৱস্থাসমূহ ৰাষ্ট্ৰসমূহে সঠিকভাৱে কাৰ্যত ৰূপায়ন কৰিলে কিছু পৰিমাণে হ'লেও খিলঞ্জীয়া লোকসকলৰ সমস্যাৰ সমাধান হ'ব। খিলঞ্জীয়া লোকসকলে কৰা বহুতো সংগ্ৰাম। ইতিহাসৰ পাতত সোণালী আখৰেৰে লিপিবদ্ধ হৈ জিলিকি আছে আৰু তেওঁলোকৰ সংগ্ৰাম চিৰযুগমীয়া হৈ অব্যাহত থাকিব।

✧ ✧ ✧ ✧ ✧

**নাজানিলে ভুল হ'ব**

- প্ৰতিবছৰে ৯ আগষ্ট তাৰিখে আন্তৰ্জাতিক খিলঞ্জীয়া দিৱস পালন কৰা হয়।
- খিলঞ্জীয়সকল হৈছে First People বা Native People ।
- খিলঞ্জীয়াৰ প্ৰায় ৭০ শতাংশ লোক এছিয়া মহাদেশত বাস কৰে।

প্ৰবন্ধ

# শিশু শ্ৰমিক আৰু ইয়াৰ ৰক্ষাকবচ

**কমল ঠাকুৰীয়া**
*বিভাগীয় মুৰব্বী তথা সহযোগী অধ্যাপক*
*ৰাজনীতি বিজ্ঞান বিভাগ*

মানৱ অধিকাৰ হ'ল স্বভাৱজাত আৰু অবিচ্ছেদ্য অধিকাৰ যাৰদ্বাৰা মানুহৰ মৰ্যাদাপূৰ্ণ জীৱন-যাপন কৰাত সহায়ক হয়। অধিকাৰ হ'ল মানুহৰ ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজন হোৱা অনুকূল পৰিৱেশ আৰু সুযোগ সুবিধা। গতিকে এই পৃথিৱীত জন্মলাভ কৰা প্ৰতিজন শিশুৰে বিকাশ আৰু মৰ্যাদাপূৰ্ণ জীৱন-যাপন কৰাৰ অধিকাৰ আছে। শিশুৰ বিকাশৰ বাবে প্ৰয়োজন হোৱা পৰিৱেশ সৃষ্টিৰ দায়িত্ব ৰাষ্ট্ৰ আৰু পৰিয়াল উভয়ৰে আছে। এটা সুস্থ সবল পৰিৱেশ তথা সমাজ ব্যৱস্থাৰ ওপৰতে শিশুৰ বিকাশ নিৰ্ভৰ কৰে। কিন্তু যিখন ৰাষ্ট্ৰ বা সমাজত শিশুক শ্ৰম কৰিবলৈ বাধ্য কৰোৱা হয়— সেই সমাজৰ বা ৰাষ্ট্ৰৰ পৰিৱেশে নেতিবাচক দিশহে উন্মোচিত কৰিব।

শিশুক শ্ৰমিক হিচাপে কাম কৰাবলৈ বাধ্য কৰোৱাটো এক ভয়ানক সামাজিক অপৰাধ। মানৱতাৰ চৰম অৱক্ষয়ৰ প্ৰতিচ্ছবি আমি শিশু শ্ৰমিকৰ মাজতে বিচাৰি পাওঁ। পেটৰ তাগিদাত বিশেষকৈ নিজৰ বা পৰিয়ালৰ বাবে শিশুই শ্ৰমিক হিচাপে কাম কৰিবলৈ বাধ্য হয়। যিটো সময়ত শিশু বিদ্যালয়লৈ, খেলপথাৰলৈ যোৱাৰ সময় আৰু পৰিয়ালৰ লোকৰ মৰম-চেনেহৰ অতি প্ৰয়োজন, সেই সময়তে শিশুক হোটেল, ৰেস্তোৰাঁ, উদ্যোগ আদিত কায়িক পৰিশ্ৰম কৰিবলৈ দিয়া হয়— ই কেনেধৰণৰ সভ্য সমাজ ব্যৱস্থা, কেনেধৰণৰ মানৱতা।

সাম্প্ৰতিক বিশ্বত বিশেষকৈ তৃতীয় বিশ্বৰ দেশসমূহত শিশু শ্ৰমিকৰ সংখ্যা তুলনামূলকভাৱে বহু বেছি। মূলতঃ নিৰক্ষৰতা



আৰু দাৰিদ্ৰতাৰ বাবে শিশুই শ্ৰম কৰিবলৈ বাধ্য হয়। শিশুৰ বিকাশৰ ওপৰতে নিৰ্ভৰ কৰে ভৱিষ্যতৰ প্ৰত্যয় আৰু সম্ভাৱনা। পৃথিৱীখনক সুন্দৰ তথা অপৰাধমুক্ত কৰিবলৈ শিশুক দিব লাগিব মানসিক আৰু শাৰীৰিক বিকাশৰ সুযোগ সুবিধা। সেইবাবে শিশুৰ গুৰুত্ব বিভিন্ন সময়ত বিভিন্ন মঞ্চৰ জৰিয়তে প্ৰতিফলিত কৰিব বিচৰা হৈছে। ১৯৪৮ চনৰ ১০ ডিচেম্বৰত গৃহীত হোৱা "মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা পত্ৰত শিশুৰ অধিকাৰেও গুৰুত্ব লাভ কৰিছে। এই ঘোষণাত শিশুক সকলোধৰণৰ শোষণৰ পৰা সুৰক্ষা দিয়াৰ লগতে স্বাভাৱিক বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। আকৌ ১৯৮৯ চনত "শিশুৰ অধিকাৰৰ কন্‌ভেনছন" ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰে। শিশুৰ অধিকাৰ সম্পৰ্কীয় এই কন্‌ভেছনত শিশুৰ বিকাশ আৰু সুৰক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। ভাৰতীয় সংবিধানেও শিশুৰ সুৰক্ষাত আৰু অধিক গুৰুত্ব দিছে। সংবিধানৰ 21-A অনুচ্ছেদৰ জৰিয়তে "6-14" বছৰ বয়সৰ শিশুক মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰাৰ কথা উল্লেখ কৰিছে। সংবিধানৰ 24 নং অনুচ্ছেদত 14 বছৰৰ ওপৰ শিশুক যিকোনো বিপদ সংকুল কৰ্মত নিয়োগৰ ওপৰত বাধা আৰোপ কৰাৰ কথা উল্লেখ আছে। আকৌ সংবিধানৰ 39 (e), 39 (f) আৰু 51-A (k) অনুচ্ছেদতো শিশুৰ সুৰক্ষা বিকাশৰ ওপৰত গুৰুত্ব দিয়া হৈছে। শিশু শ্ৰমিক বা শিশুক শ্ৰম কৰাৰ পৰা বিৰত ৰখাৰ উদ্দেশ্যে ১৯৮৬ চনত ভাৰত চৰকাৰে "শিশু শ্ৰম (নিষেধ আৰু নিয়মাকৰণ) আইন"খন গ্ৰহণ কৰে।

শিশুৰ বিকাশ আৰু অধিকাৰৰ ক্ষেত্ৰত থকা সংবিধানৰ ৰক্ষাকৱচ তথা শিশু শ্ৰমিক বন্ধ কৰাৰ বাবে কঠোৰ আইন বলবৎ থকা সত্বেও বৰ্তমান সময়তো বিভিন্ন ৰেস্তোৰাঁ, উদ্যোগ, বা ঘৰুৱা কামত শিশুক শ্ৰমিক হিচাপে কাম কৰিবলৈ বাধ্য কৰোৱা হৈছে। এইক্ষেত্ৰত পৰিয়ালৰ আৰ্থিক অৱস্থাই মূলতঃ দায়ী। কিছুমান পৰিয়াল শিশু শ্ৰমিকৰ পাৰিশ্ৰমিকৰ ওপৰতে নিৰ্ভৰ কৰে। তেনেক্ষেত্ৰত শিশুক কামৰ পৰা আঁতৰাই আনিলে সেইবিলাক পৰিয়ালৰ ভৰণপোষণৰ দায়িত্ব কোনে ল'ব? নিশ্চয়কৈ চৰকাৰ তথা স্বেচ্ছাসেৱী সংগঠনসমূহৰ কিছু কৰণীয় আছে। চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে যদিও বহুক্ষেত্ৰত দেখা যায় যে প্ৰকৃত দৰিদ্ৰ পৰিয়ালে ইয়াৰ দ্বাৰা উপকৃত হ'ব পৰা নাই।

ভাৰতবৰ্ষত শিশু শ্ৰমিক সৃষ্টিৰ উমৈহতীয়া কাৰণ আছে। বিশেষকৈ পৰিয়ালৰ চৰম দৰিদ্ৰতা, নিয়োগকৰ্তাই শিশুক শ্ৰমিক হিচাপে নিয়োগ কৰাৰ ক্ষেত্ৰত দিয়া অগ্ৰাধিকাৰ (কিয়নো শিশুক কম পাৰিশ্ৰমিকত নিয়োগ কৰিব পাৰি)। যৌথ পৰিয়ালৰ নিম্ন উপাৰ্জন, পৰিয়ালৰ মুৰব্বীৰ নিৰক্ষৰতা তথা



অদূৰদৰ্শিতা, পিতৃ-মাতৃৰ আকস্মিক মৃত্যু, শাৰীৰিক অক্ষমতা, তথা বিভিন্ন ক্ষেত্ৰত থকা কৰ্মসংস্থাপনৰ সীমিত পৰিসৰ ইত্যাদিৰ বাবে ভাৰতবৰ্ষত শিশু শ্ৰমিকৰ সমস্যাই গা কৰি উঠা দেখা গৈছে।

শিশু শ্ৰমিক সমস্যাটো নিজে এটা সমস্যা নহয়— ইয়াক সৃষ্টি কৰা হয়। যিবিলাক পৰিয়ালৰ লোকে জীয়াই থকাৰ নিম্নতম প্ৰয়োজনীয়তাখিনি পূৰণৰ বাবে অশেষ কষ্ট কৰিবলগীয়া হয় অৰ্থাৎ শ্ৰমিক হিচাপে কাম কৰে আৰু শ্ৰমৰ পাৰিশ্ৰমিকেৰে পৰিয়ালৰ ভৰণ-পোষণৰ প্ৰয়োজনীয়তাখিনি পূৰণ নহয় তেতিয়া শিশুক শ্ৰমিক হিচাপে কাম কৰিবলৈ দিয়াৰ বাহিৰে অন্য উপায় নাথাকে। কামৰ বিনিময়ত শ্ৰমিকে উপযুক্ত মজুৰি লাভ কৰিলে শিশুক শ্ৰমিক হিচাপে নিয়োগ কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে।

<u>উপসংহাৰ</u> ঃ তৃতীয় বিশ্বৰ দেশসমূহৰ অত্যাধিক জনসংখ্যা বৃদ্ধি তথা অৰ্থনৈতিক অনগ্ৰসৰতাৰ বাবে শিশু শ্ৰমিক সমস্যাই গা-কৰি উঠিছে। ইয়াক নিৰ্মূল কৰাৰ বাবে সুসংহত কাৰ্যপন্থা হাতত ল'ব লাগিব। সমাজবিজ্ঞানী সকলে পৰিয়ালৰ সমস্যা সমাধানৰ উপায় নিৰ্দ্ধাৰণ কৰাৰ লগতে পৰিয়ালৰ সুপৰিৱেশ গঢ়াৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াব লাগিব। শিক্ষাবিদ, অৰ্থনীতিবিদ তথা নীতি নিৰ্ধাৰক সকলৰ ঐক্যবদ্ধ প্ৰচেষ্টা বা পৰোক্ষভাৱে সম্পৰ্ক থকা ভাৰতীয় সংবিধানৰ অনুচ্ছেদসমূহৰ দৃঢ় কাৰ্যকৰণ আৰু শিশু শ্ৰমিক নিৰ্মূলকৰণ আইনৰ দৃঢ় প্ৰয়োগে এইক্ষেত্ৰত ইতিবাচক পৰিবৰ্তন আনিব বুলি আশা কৰিব পাৰি। অৱশ্যে এই ক্ষেত্ৰত জনসাধাৰণ সচেতন হোৱা সমানে জৰুৰী। শেষত, দেশৰ নীতি-নিৰ্দ্ধাৰকসকলে শিশু শ্ৰমিক নিৰ্মূলৰ বাবে গ্ৰহণ কৰা নীতিক অধিক কাৰ্যকৰীকৰণৰ ওপৰত গুৰুত্ব দিলেহে ইয়াৰ উদ্দেশ্য ফলপ্ৰসু হ'ব।

✧ ✧ ✧ ✧ ✧

প্ৰবন্ধ

# নাৰী সুৰক্ষা, দায়িত্ববোধ, সামাজিক বাতাৱৰণ ইত্যাদি

*('বিশ্ব নাৰী দিৱস'ৰ আলোচনাচক্ৰত পঠিত)*

**মনোজ কুমাৰ গোস্বামী**
*সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ*

নাৰী..... নাৰী এক শক্তি, এটা অনুষ্ঠান, নাৰী জীৱন-দায়িনী, জীৱন-পালিকা, নাৰী অনন্যা, নাৰী যোদ্ধা, নাৰী গঠনৰ এক যন্ত্ৰ, নাৰীৰ মাজত নিহিত থাকে সুখ-সমৃদ্ধিৰ মন্ত্ৰ। আজি 'বিশ্ব নাৰী দিৱস' উদ্‌যাপনৰ এই মঞ্চৰ পৰা অতুলনীয়া এই নাৰী শক্তিলৈ ছয়গাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ তৰফৰ পৰা নাৰীৰ মৰ্যদা নাইবা মূল্যায়নৰ ক্ষেত্ৰত তিলমান হ'লেও সদৰ্থক অৰিহণা যোগাব। *(এয়া মোৰ ব্যক্তিগত অনুভৱ প্ৰকাশৰ প্ৰয়াস, কোনোবাটো ক্ষেত্ৰত এই সদনৰ মতামতৰ লগত অমিল হ'লে মই মত-বিনিময়ৰ বাবে সাজু থাকিম।)*



আমি আটাইয়ে সাধাৰণভাৱে অনুভৱ কৰি থকা বিষয়বস্তুৰ উল্লেখেৰে আলোচনাৰ পাতনি মেলিব খুজিছোঁ। আমাক যদি কোনোবাই প্ৰশ্ন কৰে— জীৱন অটুট ৰাখিবলৈ বায়ু আৰু পানীৰ ভিতৰত কোনটো বেছি লাগতিয়াল বা মূল্যৱান — এটা শব্দত উত্তৰ দিয়া অসম্ভৱ হ'ব। একেধৰণে — অন্ন প্ৰস্তুতকৰণত চাউলৰ প্ৰয়োজন বেছি নে পানী বা অপশক্তি বেছি প্ৰয়োজনীয়, নাইবা ঢাকনিযুক্ত পাত্ৰ এটাৰ ঢাকনিখন বেছি গুৰুত্বপূৰ্ণ নে পাত্ৰটো — সেয়া নিৰূপণ কৰিব খোজাটোও একধৰণৰ বাতুলতা হ'ব। ঠিক একেধৰণে আমি সময় বা শক্তি অপচয় কৰা হ'ব যদিহে উত্তৰ বিচাৰি থাকোঁ কোন শ্ৰেষ্ঠতৰ, নাৰী নে পুৰুষ ? এনেকুৱা বিষয়ত আলোকপাত কৰিলে প্ৰাথমিক বিদ্যালয়ৰ স্তৰত পঢ়া 'ওলট-পালট' পদ্যটোলৈ মনত পৰে। লগে লগে মনলৈ আহে — তাৰ শেষত পোৱা উপসংহাৰটোলৈ— সুকীয়া প্ৰসঙ্গত বুঢ়া আৰু বুঢ়ী দুয়োটাৰে শক্তি বা গুৰুত্ব সমান। একে সুৰতেই আমিও সমৰ্থন কৰোঁ— পৰিয়াল বা সমাজ চলিবলৈ নাৰী আৰু পুৰুষৰ স্থান মাপকাঠিৰে জুখিব পৰা বিধৰ নহয়। এটা আনটোৰ

পৰিপূৰক — সেয়া বিনাদ্বিধাই স্বীকাৰ কৰিব লাগিব।

যদি সেয়াই হয়, কিয় ঘটি থাকে ধৰ্ষণ, কিয় চলি থাকে নাৰীৰ ওপৰত উৎপীড়ন, কিয় নিক্ষেপিত হৈ থাকে উপহাসৰ বাক্যবান, কিয় চলি থালে যৌতুকৰ আদান-প্ৰদান!! কনকলতা, মূলা গাভৰু, ইন্দিৰা গান্ধী, ৰাণী লক্ষ্মীবাঈ ইত্যাদিৰ ভূমি ভাৰতবৰ্ষত নাৰী উপেক্ষিতা বা ধৰ্ষিতা হোৱা কথাটো অতিকৈ পৰিতাপৰ বিষয়। অনুভৱ হয় — কিছুমান ক্ষেত্ৰত আমি সৰ্বসাধাৰণ মানুহবোৰে বিবেকেৰে সমৰ্থন কৰিলেও ঘটি থকা কিছুমান পৰিঘটনাক বাধা দিয়াৰ পৰিৱেশ বাস্তৱায়িত নহয়। এই কথাখিনি শোৱাপাটীত থাকোতে পানীত ডুবা সপোন দেখি সাঁতোৰাৰ নিৰৰ্থক ভঙ্গীমা দি থকাৰ লেখীয়া। সাঁতুৰিব খোজো, কিন্তু সাতোঁৰা নহয়। নাৰীক সন্মান দিব খোজো, কিন্তু আগবাঢ়ি অহা নহয়। ... ৰাতিৰ আড্ডাত মচগুল হৈ দেৰিকৈ ঘৰলৈ ওভতাৰ পৰিৱৰ্তে কোনো পুৰুষে সন্ধিয়াটোত পৰিয়ালৰ সদস্যসকলৰ লগত সময় কটালে আমি সেই পুৰুষজনক সমালোচনা কৰোঁ— মাইকী সেৰুৱা বুলি তেওঁক উপলুঙা কৰোঁ, দূৰ ঠাইত কৰ্মৰত নাইবা দায়িত্বশীল কামৰ খাতিৰত সন্ধিয়া শেষ বাছখনত ভ্ৰমণ কৰিবলগীয়া সঙ্গীহীন মহিলাগৰাকীক আমি সন্দেহৰ দৃষ্টি দিওঁ, মহিলাগৰাকীৰ কাণত পৰাকৈ আমি ভদ্ৰ আৱৰণেৰে অভদ্ৰ মানসিকতা প্ৰকাশ কৰোঁ। মনত যুক্তি গোটাও, সন্তুষ্টি লওঁ— 'তেওঁ নাৰী নহয়, কিয় ইমান দেৰিকৈ গাড়ীত উঠে!

'বিশ্ব নাৰী দিৱস' উদ্‌যাপনৰ এই শুভক্ষণত আন এটা বাস্তৱ দিশৰ ওপৰত আলোকপাত কৰিব বিচাৰিছোঁ। পৰিয়ালৰ সদস্যসংখ্যা সীমিত কৰাৰ বাতাবৰণ প্ৰকট হোৱাৰ পৰা অতিৰিক্ত (?) ছোৱালী সন্তানৰ ভ্ৰূণ হত্যা কৰা কাৰ্য আজিৰ দিনত একপ্ৰকাৰৰ গতানুগতিক বিষয়। সৌভাগ্যবশতঃ বাস্তৱ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰমী উদাহৰণো ওলাইছে সেয়া শলাগ ল'বলগীয়া। পুত্ৰ-প্ৰাপ্তিৰ লোভত কন্যা-ভ্ৰূণ হত্যাৰ অপবিত্ৰ ক্ষণত জন্মদায়িনী সেই মাতৃৰ দায়িত্ব থাকে। এই ক্ষেত্ৰত স্বামীজনক পুৰুষৰ আধিপত্য জাহিৰ কৰিব খোজা দানৱ বুলি যদি সমালোচনা কৰোঁ, সেই স্ত্ৰীগৰাকীকো ভীৰু অথবা নিজৰ গৰ্ভৰ সন্তানক প্ৰতিৰক্ষা দিয়াত অসমৰ্থ হোৱা মাতৃ বুলি গৰিহণা দিবই লাগিব এই অপকৰ্মত সমৰ্থন দিয়া নাইবা সমৰ্থন দিবলগীয়া হোৱা মাতৃয়ে বুকুফিন্দাই ক'ব পাৰিবনে — নিজে নাৰীত্ব নাইবা মাতৃত্বৰ দায়িত্ব পালন কৰা বুলি?! এয়াও এক ভাবিবলগীয়া বিষয়। অসমৰ সঙ্গীতজগতৰ ৰত্ন ভূপেনদাই গোৱা আমাৰ আটাইৰে চিনাকী ফাঁকি এটা — "মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে ভাবিৱ কোনেনো কোৱা সমনীয়া"। সেই সুৰতেই আমিও ক'ব পাৰো — "নাৰীয়ে নাৰীসন্তানৰ বাবে যদিহে এবাৰো নাকান্দে কান্দিব কোনেনো কোৱা সমনীয়া।" বোৱাৰীৰ পৰা ল'ৰা সন্তানৰ দাবীত প্ৰায়েই শাহুৱেকে আগভাগ লোৱা শুনা যায় — নিজেই এগৰাকী নাৰী। এই দুৰ্ভাগ্যজনক পৰিঘটনাৰ পৰা আমাৰ পৰিয়ালসমূহক মুক্ত কৰিবলৈ মনৰ আৰু ভাৱৰ ব্যাসাৰ্দ্ধ বহল কৰাৰ সময় হ'ল। গৰ্ভস্থ সন্তানৰ লিঙ্গ নিৰূপণৰ ক্ষেত্ৰত ডাক্তৰ বা পিতৃৰ ওপৰত জৰিমনা ঘোষণা কৰি নাৰীৰ সুৰক্ষা নিশ্চিত কৰা বুলি বুকু ফিন্দাই থকা কথাটো অবাস্তৱ, অবান্তৰ, দুৰ্ভাগ্যজনক আৰু লজ্জাজনকো। আইনৰ নিষেধাজ্ঞা আৰু নীতি কথাবোৰ কাৰ্যক্ষেত্ৰত সঠিক ৰূপত প্ৰযোজ্য হ'লে নাৰী নিৰ্যাতনেই নহয়, একো সামাজিক ব্যাধিয়েই বৰ্তি নাথাকিলেহেঁতেন। আঁচলতে মাতৃগৰাকীয়ে মন স্থিৰ কৰিলে অইনক শাস্তি দিয়া বা জৰিমনা ভৰোৱাৰ ভেকোভাওনাখন সৃষ্টিয়েই নহয়। আজিৰ এই বিশেষ দিনৰ স্মৃতিয়ে উদীয়মান মাতৃসকলৰ মনত সৎ সাহস দিয়ক - যুক্তিযুক্ত পদ্ধতিৰে অপপ্ৰথা বন্ধ কৰিবলৈ আগবাঢ়িবলৈ তেওঁলোক সংঘবদ্ধ হওঁক— সেয়া আশা ৰাখিলোঁ। আমি কেইটামান বিশেষ পৰিস্থিতি কল্পনা কৰি নিজকে সুধি চাব পাৰো — লতা মাঙ্গেশকাৰ নাইবা দিপালী বৰঠাকুৰৰ যদি ভ্ৰূণ হত্যা কৰা হ'লহেঁতেন? আইদেউ সন্দিকৈ পৃথিৱীলৈ নাহিলে অসমৰ অভিনয়ৰ ক্ষেত্ৰখনত নাৰীৰ যাত্ৰা আৰু পিছপৰি নাথাকিলেহেঁতেন নে? পি.টি. ঊষা, মেৰী কম আগুৱাই নাহিলে ভাৰতীয় ক্ৰীড়াক্ষেত্ৰত একো লোকচান নহ'লহেঁতেন নে? একে ধৰণে মামণি ৰয়চম গোস্বামী, নিৰ্মলপ্ৰভা বৰদলৈ, নিৰূপমা বৰগোহাঞি, জেন অষ্টিন, জৰ্জ ইলিয়ট, ব্ৰন্টি চিষ্টাৰ্চ ইত্যাদি লিখকসকলৰ জন্ম নহ'লে বিশ্বসাহিত্যৰ একো ক্ষতি নহ'লহেঁতেন নে? এয়া কেইটামান মাত্ৰ ক্ষেত্ৰৰ উদাহৰণহে নাৰীৰ অনবদ্য অৱদানৰ অসংখ্য অধ্যায়েৰে পৃথিৱীৰ বুৰঞ্জী জিলিকি আছে।

আজিৰ দিনত ধৰ্ষণ এক সামাজিক ব্যাধি। নাৰী ধৰ্ষণকাৰীসকল নিশ্চিতভাৱে আমাৰ সমাজৰ শত্ৰু, ভদ্ৰ সমাজৰ কলংক। এই কথা মানি ল'বলৈ একো বিশেষ চিন্তা বা ভয়ৰ অৱকাশ নাথাকে। এই প্ৰসঙ্গতে অন্য এটা দৃষ্টিভঙ্গীৰে বিষয়টো বিবেচনা কৰি চোৱাৰ প্ৰয়োজন থকা বুলি বোধ হয়। মদ্যপানৰ বাবে মদ্যপানকাৰীজনক গৰিহণা দিয়াৰ লগতে মদ্য যোগান ধৰা প্ৰতিষ্ঠানৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিব পাৰিলেহে কথাখিনি বেছি বাস্তৱ ভিত্তিক হ'ব যেন অনুভৱ হয়। প্ৰত্যেক্ষ ৰূপত কথাখিনি ক'বলৈ হ'লে— আমাৰ যুৱতী নাইবা নাৰীয়ে অপশক্তিক উচটনি দিয়া উপাদানৰ পৰা আঁতৰত থাকিলে সুৰক্ষিত থকাৰ তিলমান হ'লেও সম্ভাৱনা আছে। চিনেমাৰ



ৰূপালী পৰ্দা আৰু বাস্তৱ ক্ষেত্ৰতো এচাম নাৰী বা যুৱতীৰ উত্তেজক আচৰণ নাইবা পৰিধানৰ দ্বাৰা কু-শক্তিয়ে অপকৰ্মৰ বাবে প্ৰৰোচিত হোৱাৰ আশংকা একেবাৰে নুই কৰিব নোৱাৰি। আমি এই বিষয়তো ভাবি চাবলগীয়া আছে বুলি বোধ হয়। অন্য এটা দিশত দৰিদ্ৰ পিতৃলৈ সহাঁৰি আগবঢ়াই অলংকাৰ আৰু বিশেষ বস্ত্ৰৰ যোগাৰৰ বাবে হোৱা মূৰৰ কামোৰৰ পৰা সেই পিতৃক মুক্ত কৰিবলৈ আগবঢ়া বিবাহপ্ৰাৰ্থী যুৱতীৰ সংখ্যা বৃদ্ধি পোৱাটো আমাৰ কাম্য। ত্যাগৰ মনোভাৱ নাৰীসকলৰ এক বিশেষত্ব বুলি বিদিত আছে। বিবাহপ্ৰাৰ্থী যুৱতীৰ এনে পদক্ষেপ এক বিশেষ ধৰণৰ ত্যাগ আৰু শান্তিৰ বাটকটীয়া হ'ব- সেয়া অনুমান কৰা কঠিন নহয়। ছোৱালী সন্তানক পৰিয়ালৰ বোজাৰূপে গণ্য কৰা বুলি চলি থকা বিষয়টো যদি এক মুহূৰ্তৰ বাবে সঁচা বুলি মানি লওঁ, বিবাহ আয়োজনৰ খৰচৰ বোজাৰ বিষয়টোৱেই তাৰ মুখ্য কাৰণ হ'ব নিশ্চয়। অনুভৱ কৰা যায় - এচাম বিবাহপ্ৰাৰ্থী যুৱতীয়ে তেওঁলোকৰ লগত স্বামীগৃহলৈ নিবলগীয়া আচবাব পত্ৰ যোগাৰৰ ক্ষেত্ৰত এক প্ৰতিযোগিতামূলক ভাৱ পোষণ কৰে। এই মানসিকতাৰ বিস্তাৰ হৈ যৌতুক ৰূপ লোৱাৰ পথত গতি কৰি থকা অনুভৱ হয়। ইয়াক কোনোপধ্যেই গঠনমূলক চিন্তাধাৰা বুলি ধৰিব নোৱাৰি। সেইদিশত বাস্তৱ চিন্তাধাৰাৰে নতুন দিনৰ নাৰীয়ে আগবাঢ়ি আহিলে পাৰিবাৰিক শান্তিৰ ক্ষেত্ৰত এক শান্তিময় অধ্যায়ৰ মুকলি হ'ব - সেয়া ধুৰূপ।

বৰ্তমান দিনৰ প্ৰেক্ষাপটত নাৰীৰ জয়যাত্ৰা কিম্বা সফলতাৰ খতিয়ান সীমিত সময়ত দাঙি ধৰা সম্ভৱ নহয়। বাস্তৱ ক্ষেত্ৰত প্ৰতিটো গুৰুত্বপূৰ্ণ শিতানত মহিলাৰ অগ্ৰণী পদক্ষেপ জল-জল পট-পটকৈ আমাৰ চকুৰ আগত ভাঁহে। এখন সমাজ বা দেশৰ বাবে এয়া সুখৰ তথা গৌৰৱৰ বিষয়। নাৰীৰ আভ্যন্তৰীণ শক্তি-সামৰ্থ আৰু বাস্তৱিক সাফল্যৰ উদাহৰণবিলাকে সকলো স্তৰৰ মহিলাৰ মনত দৃঢ়তা আৰু সৎ-সাহসৰ উদ্ৰেক কৰক - সেয়া আমাৰ সকলোৰে কাম্য। আশা ৰাখিম- আজিৰ যুৱতীয়ে নিজৰ সামৰ্থ প্ৰতিষ্ঠিত কৰাৰ স্বৰ্ণিল যাত্ৰাত থমকি নৰ'ব। সামাজিক স্থানত অসৎ মনোবৃত্তিৰ লোকে উপলুঙা কৰিলে তাৎক্ষণিক সবল প্ৰত্যুত্তৰ দিয়া নাইবা উপযুক্ত ব্যৱস্থা অৱলম্বন কৰাৰ বাবে এটা বাতাৱৰণৰ সৃষ্টি হোৱাটো বাঞ্ছনীয়। বাটে-পথে অনাকাংক্ষিত মন্তব্য কাণত পৰিলে প্ৰত্যক্ষ ৰূপত তাৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ পৰিৱেশ আমি সৃষ্টি কৰিব লাগিব। এই দৃষ্টিকোণৰ পৰা চালে আজিৰ নাৰীৰ শাৰীৰিক স্বাৱলম্বিতাৰ যোগেদি আত্মসুৰক্ষাৰ ব্যৱস্থাৰ প্ৰয়োজনৰ কথা মনলৈ আহে। মোৰ দৃষ্টিত এই স্বাৱলম্বিতা প্ৰাপ্তিৰ মূল চাবি-কাঠি নাৰী সমাজৰ সামূহিক সচেতনতাতেই নিহিত আছে। কেৱল আত্মসুৰক্ষাৰ এই ব্যৱস্থা নাইবা প্ৰশাসনিক দিশৰ পৰা আৰোপ কৰা বিধানসমূহক নাৰীৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ অস্ত্ৰ হিচাপে দুৰ্ব্যৱহাৰ কৰিলে পাৰিবাৰিক নাইবা সামাজিক ক্ষেত্ৰৰ শান্তিৰ আকাংক্ষিত ছবিখন পুনৰ ধূসৰ হোৱাৰ আশংকা থাকিব। দুয়োটা দিশৰ মাজত ভাৰসাম্যতা ৰক্ষা কৰি আগবাঢ়িলে আমাৰ সমাজ শান্তিময় হ'বই। অনুভৱ কৰা যায়- সৰ্বসাধাৰণ যুৱতীৰ মন আত্মসুৰক্ষাৰ ব্যৱস্থাসমূহ অৱলম্বনৰ প্ৰতি অধিক আগ্ৰহী হোৱাৰ প্ৰয়োজন আছে। এইক্ষেত্ৰত মাতৃসকলে নিজৰ জীয়ৰীক অনুপ্ৰাণিত কৰিলে ফলপ্ৰসু হ'ব। "আমি ছোৱালী হৈ কেনেকৈ কিমান আগবাঢ়িম বা প্ৰতিৰোধ কৰিম!" বুলি থাকিব পৰা আওপুৰণি ধাৰণাৰ সলনি কৰাৰ সময় সমাগত। মানসিকভাৱে আমাৰ নাৰী দুৰ্বল নহয়, বৌদ্ধিক দিশতো আজিৰ নাৰীৰ অগ্ৰণী ভূমিকা চৌদিশে স্পষ্ট। যদি প্ৰয়োজন আছে- সেয়া মনোবল একত্ৰিকৰণৰ। ৰামায়ণ মহাকাব্যৰ হনুমান চৰিত্ৰৰ আধাৰত আমি এক বাস্তৱ নীতিজ্ঞান ল'ব পাৰো। নিজৰ নেজৰ জুই নিজমুখে নুমাই প্ৰাণৰক্ষা কৰা হনুমানৰ উদাহৰণ আমাৰ নাৰীসমাজেও অনুকৰণ কৰিলে চলি থকা অপকৰ্মৰ সংখ্যা হ্ৰাস হ'ব বুলি অনুভৱ হয়। বিষ থকা সাপৰ লগত সাধাৰণতে মানুহে নেখেলে, - ইয়ে সূচায় যে বিপদৰ আশংকা থকা বিষয়ৰ পৰা মানুহে আঁতৰত থাকিব যত্ন কৰে। গতিকে মনোবল, শাৰীৰিক শক্তি গঠন আৰু উপযুক্ত স্থানত তাৰ প্ৰয়োগৰ উদাহৰণে সমাজৰ অপশক্তিৰ কু-মনক স্তম্ভিত কৰা আশা কৰিব পাৰি। আন্তৰিক তীব্ৰ আগ্ৰহেৰে বাট চাম— অনাগত দিনত বাতৰি কাকতৰ সন্মুখপৃষ্ঠা এনেধৰণৰ শিৰোনামাৰে উপচি পৰক — 'দৃঢ়মনা যুৱতীৰ দ্বাৰা লম্পট যুৱকৰ অপচেষ্টা উৎখাত ...', 'গহনাৰ লোভ সামৰি বিবাহমণ্ডপত বহি এদল যুৱতীৰ অভিলেখ', 'বস্তুগত লাভৰ প্ৰতি লুভীয়া দৰা প্ৰাৰ্থীক এদল যুৱতীৰ সমূহীয়া বৰ্জন' ইত্যাদি। সদৌ শেষত 'পৃথিৱীৰ মাতৃ-ভগ্নীৰ স্থান অধিক সুৰক্ষিত হওঁক, সন্মানিত হওঁক...', 'পুৰুষ-মহিলাৰ পাৰস্পৰিক বুজা-পৰাৰে সমাজ শান্তিময় হওঁক'... তাকেই কামনা কৰিলোঁ।

✧ ✧ ✧ ✧ ✧

প্ৰবন্ধ

# নিবনুৱা সমস্যা সমাধানৰ বিকল্প হিচাপে 'উদ্যান শস্য'

প্ৰাঞ্জল দাস
উঃমাঃ প্ৰথম বৰ্ষ

*Farming is not just a job, its a way of life.*

সাম্প্ৰতিক অসমৰ প্ৰেক্ষাপটত চৰ্চিত জলন্ত সমস্যাবোৰৰ ভিতৰৰ অন্যতম এক সমস্যা হ'ল নিবনুৱা সমস্যা। নিবনুৱা সমস্যাৰে জৰ্জৰিত হোৱা হেতুকে অসমৰ আন্তঃগাথনিৰ উন্নয়নৰ ক্ষেত্ৰতো যথেষ্ট সমস্যাই বিৰাজ কৰে। অৱশ্যে নিবনুৱা সমস্যা সৃষ্টিৰ অন্তৰালৰ কাৰণসমূহ পুংখানুপুংখভাৱে আলোচনা কৰিলে কেতবোৰ গুৰুত্বপূৰ্ণ কাৰক ফুটি উঠে। তাৰ ভিতৰৰ এটা অন্যতম কাৰক হ'ল কৰ্মসংস্কৃতিৰ প্ৰতি দায়িত্বহীন তথা অহমিকা মনোভাৱ। সততে এটা চৰকাৰী কিম্বা বেচৰকাৰী খণ্ডৰ লোভনীয় চাকৰি লাভ আৰু ভোগ বিলাসী জীৱন ধাৰণৰ ধাৰণাই মানুহক এক প্ৰকাৰ অংগুষ্ঠ কৰি তুলিছে। এখন ভাল বিশ্ববিদ্যালয় কিম্বা মেডিকেল কলেজত পঢ়ি এটা ভাল চাকৰি লোৱাৰ সপোনে বৰ্তমান প্ৰজন্মৰ অধিকাংশ শিক্ষাৰ্থী তথা অভিভাৱকক গ্ৰাস কৰিছে। যাৰ ফলত কৰ্মসংস্কৃতিক একপ্ৰকাৰ উপলুঙা কৰা হয়। নম্বৰ তালিকা কেন্দ্ৰিক অন্ধ শিক্ষাব্যৱস্থাৰ বশৱৰ্তী হৈ একাংশ শিক্ষাৰ্থীয়ে শিক্ষা জীৱনৰ পিছৰছোৱা সময়ত সাফল্যৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখিব নোৱাৰাৰ ফলশ্ৰুতিত অসমৰ প্ৰেক্ষাপটত শিক্ষিত নিবনুৱাৰ সমস্যা দিনক দিনে বৰ্ধিত হাৰত বৃদ্ধি পাই আহিছে। যাৰবাবে গতানুগতিক শিক্ষাব্যৱস্থা আৰু অভিভাৱকৰ সন্তানৰ প্ৰতি থকা জীৱিকাকেন্দ্ৰিক মনোভাৱ প্ৰধানত জগৰীয়া।

য'ত সমস্যাই বিৰাজ কৰে তাত নিশ্চিতভাৱে সমাধান সূত্ৰ থাকিব। ঠিক একেদৰে নিবনুৱা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰতো আমি বিভিন্ন ধৰণৰ পন্থা অৱলম্বন কৰিব পাৰো। কৰ্মসংস্কৃতিৰ প্ৰতি দায়িত্বহীন মনোভাৱ আৰু শিক্ষিতৰ দোহাঁই দি কৃষি তথা উদ্যান জাত সামগ্ৰীৰ ব্যৱসায়ৰ প্ৰতি যি অহমিকা মনোভাৱ, সেয়া আমি পৰিৱৰ্তন কৰিবৰ সময় সমাগত। কৃষিৰ প্ৰতি থকা দায়িত্বহীনতাই প্ৰকৃতাৰ্থত দেশ এখনৰ প্ৰগতিত বাধা জন্মোৱা পৰিলক্ষিত হয়। ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ। য'ৰ অধিকাংশ অধিবাসীয়ে গাঁও অঞ্চলত বসবাস কৰে। আনপিনে আকৌ একাংশই হেলিপেড যুক্ত অট্টালিকাত বসবাস কৰে। অৰ্থাৎ ভাৰতবৰ্ষৰ



সামাজিক প্ৰেক্ষাপটত আৰ্থিক দিশৰ ওপৰত ভিত্তি কৰি শ্ৰেণী বিভক্ত কৰা হয়।

বৰ্তমান সময়ত অসমত নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত উদ্যান শস্যই এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। যাৰ জৰিয়তে বহুতো শিক্ষিত যুৱক-যুৱতীয়ে স্ব-নিয়োজনৰ সমান্তৰালভাৱে আন দহজনৰ পেটৰ ভাতমুঠি মোকলাই দিয়াৰ পথ প্ৰশস্ত কৰিছে। অসমৰ গ্ৰাম্যাঞ্চলসমূহ যথেষ্ট উৰ্বৰ মাটিৰে ভৰি আছে আৰু এই মাটি সমূহেই হ'ল উদ্যান শস্যৰ উৎপাদনৰ প্ৰধান ক্ষেত্ৰ। গ্ৰামাঞ্চলৰ এই মাটিসমূহত যদি ব্যক্তিগত কিম্বা সমবায়ভিত্তিক উদ্যান শস্যৰ খেতি আৰম্ভ কৰা হয় তেতিয়া কেৱল নিবনুৱা সমস্যাই নহয় একাংশ কলেজীয়া তথা স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে সাম্প্ৰতিক ভোগবিলাসী জীৱনযাত্ৰাত কৰ্মসংস্কৃতি সম্পৰ্কে ব্যৱহাৰিক জ্ঞান লাভ কৰাৰ উপৰিও ই স্বাৱলম্বী হোৱাৰ পথত যথেষ্ট পৰিমাণে সহায় কৰিব। চৰকাৰী চাকৰিৰ তাড়নাত দিনে-নিশাই একাংশ শিক্ষিত যুৱক-যুৱতীয়ে নিজৰ জীৱনৰ বহু মূল্যৱান সময় অবাবত নষ্ট কৰে। যাৰ ফলত পৰৱৰ্তী সময়ছোৱাত অনুতপ্তত দগ্ধ হোৱা পৰিলক্ষিত হয়। তাৰোপৰি একাংশ নিবনুৱাই এটা সময়ত অতিষ্ঠ হৈ অসৎ পন্থা অৱলম্বন কৰাৰ উদাহৰণো নোহোৱা নহয়।

এতিয়া প্ৰশ্ন হ'ল আধুনিকতাৰ পৰশত গা কৰি উঠা যান্ত্ৰিক জীৱনকালত একাংশই নিজৰ হাতত থকা সুৱৰ্ণ সুযোগ সমূহ গ্ৰহণ নকৰাৰ ফলশ্ৰুতিত অসমৰ মাটিতে অসমীয়া জনসাধাৰণৰ চাহিদা পূৰণ কৰিব নোৱাৰা পৰিস্থিতিয়ে গা কৰি উঠিছে। আনকি নিতৌ ব্যৱহৃত অধিকাংশ সামগ্ৰীয়েই আমি বহি ৰাজ্যৰ পৰা আমদানি কৰিব লগা হৈছে। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ তথা- প্ৰচুৰ সম্ভাৱনাপূৰ্ণ ঠাই অসমত উৎপাদনৰ সম্ভাৱনীয়তা যথেষ্ট পৰিমাণে থকা স্বত্বেও প্ৰাকৃতিক সম্পদৰাজিৰ লগতে ভূমিজ সম্পদৰ উপযুক্ত ব্যৱহাৰ হোৱা নাই। যাৰবাবে অসমীয়াৰ মানসিকতাৰ পৰিৱৰ্তনৰ থল আছে, অন্যথা আগন্তুক দিনত ইয়াৰ ভয়াৱহ ফল ভুগিবলগীয়া হ'ব। ইয়াৰোপৰি বৰ্তমান সময়ৰ ভোগবিলাসী তথা সহজলভ্য জীৱনযাত্ৰাত কৃষকৰ সংখ্যা দিনক দিনে হ্ৰাস পোৱাৰ পৰিণতিস্বৰূপে এক বৃহৎসংখ্যক কৃষিভূমি চন পৰা পৰিলক্ষিত হৈছে। যাৰ সুৱৰ্ণ সুযোগ গ্ৰহণ কৰিছে প্ৰৱেশৰ অপেক্ষাত থকা বহুজাতিক নিগমসমূহে। মনকৰিবলগীয়া যে কৃষিৰ জৰিয়তে নিজকে স্বাৱলম্বী কৰাই নহয়, বৰং কৃষিকাৰ্যৰ জৰিয়তে উত্তৰ প্ৰজন্মক এক আদৰ্শৰ দিশেৰে প্ৰভাৱিত কৰাৰ লেখীয়া। কাৰণ বৰ্তমানৰ যি পৰিস্থিতিয়ে অসমৰ আকাশ বতাহ ছাঁনি ধৰিছে, তেনেস্থলত স্ব-নিয়োজন আৰু স্বাৱলম্বিতাৰ বাহিৰে যেন উৎকৃষ্ট বিকল্প নাই, সেয়া সহজেই অনুমেয়। শাৰীৰিক পৰিশ্ৰম কেৱল যে স্ব-নিয়োজনৰ উপায় সেয়া নহয়, ই স্বাস্থ্যৰ কাৰণেও উপকাৰী। গোলকীকৃত বিশ্বত যান্ত্ৰিকতাৰ কবলত পৰি মানুহৰ দৈনন্দিন শাৰীৰিক শ্ৰমৰ পৰিমাণ দিনক দিনে কমি আহিছে, যাৰবাবে আদবয়সতেই মানুহক বিভিন্ন বেমাৰে আক্ৰমণ কৰা দেখা যায়। অৰ্থাৎ ই কৰ্মসংস্থাপনৰ সমান্তৰালভাৱে মানুহৰ শাৰীৰিক উত্তৰণ তথা সু-স্বাস্থ্য বৰ্তাই ৰখাত সহায় কৰে।

অসমৰ প্ৰেক্ষাপটত যদি উদ্যান-শস্যৰ বিষয়ে আলোকপাত কৰিব বিচৰা হয় তেন্তে কিছুমান সমস্যা নথকা নহয়। তাৰ ভিতৰত উন্নত মানৰ বজাৰ আৰু বৈজ্ঞানিক প্ৰযুক্তি সমৃদ্ধ চৰকাৰী ভঁৰালৰ অভাৱত উৎপাদিত সামগ্ৰীৰ কিছু অংশ অপব্যয় হোৱা দেখা যায়। তদুপৰি মধ্যস্থতাকাৰী অৰ্থাৎ দালাল গোষ্ঠীয়ে ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত চলনাৰে মাধমাৰ সজোৱাৰ যি প্ৰক্ৰিয়া সেই প্ৰক্ৰিয়া কঠোৰ হাতেৰে দমন কৰিব লাগিব। তেতিয়াহ'লে নিশ্চয়কৈ উদ্যান শস্য কিম্বা কৃষিজাত সামগ্ৰী উৎপাদনৰ জৰিয়তে একাংশ শিক্ষিত তথা অশিক্ষিত নিবনুৱাই নিজৰ লগতে সমাজৰো উন্নতিত অৰিহণা যোগাব। কিয়নো, দেশ এখনৰ উন্নয়নৰ দিশত এক প্ৰধান হেঙাৰ হ'ল নিবনুৱা সমস্যা। তদুপৰি অসম চৰকাৰৰ কৃষি বিভাগৰ বিভিন্ন আঁচনিসমূহৰ সফল ৰূপায়ণ তথা উপযুক্ত ব্যৱহাৰৰ ক্ষেত্ৰতো জনসাধাৰণ তথা কৃষক ৰাইজৰ দৃষ্টি নিবদ্ধ থাকিব লাগিব। তেতিয়াহ'লে নিশ্চয়কৈ কৃষক তথা নিবনুৱা যুৱক-যুৱতীসকল উপকৃত হ'ব।

দিনক দিনে যিটো হাৰত নিবনুৱা তথা শিক্ষিত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাই আহিছে তাৰ অনুপাতে কিন্তু কৰ্মসংস্থাপন বৃদ্ধি পোৱা নাই। তেনেস্থলত চৰকাৰৰ আমোলা বিষয়াৰ ৰঙা-ফিটাৰ মেৰপাকত এটা চাকৰি লাভ কৰাটো একপ্ৰকাৰ দুৰূহ হৈ পৰিছে। সেয়েহে নিবনুৱাসকলে চৰকাৰী কিম্বা বেচৰকাৰী কৰ্মসংস্থাপনৰ আশাত বন্দী হৈ থাকি সময় নষ্ট কৰাৰ বিপৰীতে সময়োপযোগী দৃষ্টিকোণৰ পৰা উদ্যানজাতীয় শস্যৰ ক্ষেত্ৰত নিজকে মনোনিৱেশ কৰি কৰ্মসংস্কৃতিক পুনৰ উজ্জীৱিত কৰা সমান্তৰালভাৱে নিবনুৱা সমস্যাৰ এক বিকল্প পন্থা হিচাপে গ্ৰহণ কৰিব পাৰে। যাৰ ফলত দেশৰ প্ৰগতি ত্বৰান্বিত হোৱাৰ লগতে অভিভাৱক আৰু শিক্ষাৰ্থীৰ মনত যদি ইতিবাচক চিন্তাৰ বীজৰোপণ কৰিব পৰা যায় তেন্তে, এদিন নহয় এদিন অসমত নিবনুৱা সমস্যা সমাধান কৰিব পৰা যাব বুলি আশা কৰিব পাৰি।

✧ ✧ ✧ ✧ ✧

> Agriculture is our wisest pursuit, because it will in the end contribute most to **real wealth, good morals and happiness**
>
> *–Thomas Jefferson.*

Article

# Feminism

**Nabanita Chakraborty**
B.A 6th Sem, Dept. of English




*"You educate a man; you educate a man. You educate a woman; you educate a generation."*

Without any extraneous flowery description I am dealing to the care of my topic and that is feminism. What does this word mean? Is it the domination of male before female? What is the necessity of feminist?......

There are various questions in our minds which has been raised from time to time. The answer to these questions has been discussed below.

The word feminism is a very common word which we all are familiar to. But we, some of us may not be aware of its actual meaning. Feminism I believe is a part of humanism which employs for equal opportunity with men. The dictionary of oxford defines feminism as: "the advocacy of women's right on the ground of the equality of sexes."

Again feminism is not anti-male. It never employs for the suppression of males. For many the term has become synonymous with "anti-male." Which is completely a wrong perception. This Perception may be derived from the atlempt to view feminism as a singular movement or theory founded by lesbians and promoted by man haters. In actually feminism represents an entire spectrum of ideas, many of which address the impacts of patriarchy on both male and female bodies and psyches, directly and inaduertently. Feminism is nothing but the male female equality.

Feminism is a practise, which much be accepted in the world today. Feminism gives men freedom to be fathers. In past many children longed for a Male figures in the house, men were frequently absent from the house. As the women were confined to the domestic space and men locked outside in the working world it was very difficult for strong bonds to be build between child and father. Now with the Opportunity of equality between men and women. Mmany Women's are capable of contributing financially. As a result they allow men to spend more time with their children and less time working. Along lost bond between father and children can be achieved through feminism.

Feminism helps society care about things that affect the women for whom men care about. Feminists works to protect women and girls from domestic violence, sexual harassment and sexual assault. Without the movement, the women who men love- daughters, mothers, sister, friends, girlfriends, wives would be voiceless and without legal or social protection.

The concept of feminism has been chronologically divided into three waves.

In first wave feminism was started women's fight for equal contract and property rights. The suppression of women is not a new matter of discussion in our society. From the ancient times women are suppressed and oppressed in the patriarchal society. In the late 19th to the early 20th centuries women realized they must gain political power, including the power to vote this was probably the first step to raise voice for feminism. From this step they expanded the issues concerning sexual, reproductive rights, family, economic matters. This was the second wave. The third wave is the "micro politics" of gender equality, started in 1990 and is still going on.

The main issues we face today were prefaced by the work done by the previous waves of women . but women are still being dominated we are still suffering the disparities with the male. We are still fighting for acceptance. And if we over see from the first wave of feminism we have made a tremendious progress.

I have decided specially this topic to write on because I am deliberately attached to this theme. Being a woman I strongly believe that every woman has the potential to stand with their male counterparts with the improvement of education women are aware of their rights. This improvement benefits not females but also their familes and society as a whole.

*‘ Feminists works to protect women and girls from domestic violence, sexual harassment and sexual assault. ’*

✧ ✧ ✧ ✧ ✧

International Women's Day is celebrated on March 8 every year. After the Socialist Party of America organized a Women's Day on February 28, 1909 in New York, the 1910 Intenational Socialist Women's Conference suggested a Women's Day to be held annually. After women gained suffrage in Soviet Russia in 1917, March 8 became a National Holiday there. The day was then predominantly celebrated by the Socialist Movement and Communist countries untill it was adopted in 1975 by the United Nations.

A culture fixated on female thinness is not an obsession about female beauty, (it is) an obsession abou female obedience. Dieting is the most potent political sedative in women's hsitory; a quietly mad population is a tractable one.

– Naomi Wolf

Article

# Youth Power



Denim Nath, B. A. 6th Sem

*"Youth is happy because it has the capacity to see beauty. Anyone who keeps the ability to see beauty never grows old."*

– Franz Kafka

Youth have a key role in shaping the future of a narration. Any country can ride on a high growth trajectory if it is blessed with higher number of youths on the demographic chart. But sometimes the youth may also cause major damage to the reputation of a nation and become the biggest threats to a country's security it they get misguided. Young people are energetic, ambitious, have new ideas etc. It these are applied by them in a negative way then it can result in chaos and conflict.

To develop the young minds in the right direction from the very beginning of period, the parents should take an important role. The parents should them good wins over evil. According to Gandhi, "There is no school equal to decent home and no teacher equal to honest virtuous parents." Every body in this tweenty first century is trying to be top in every competition. But it is important to become a good human first.

Youth power is a campaign to achieve the global goals to curtail poverty, inequality and climate change. The campaign, supports young people and their collective power to turn these promises into reality.

Young people have the knowledge, skills and confidence to take action which influences leaders.

Young people are connected in a global network with the solidarity, support and power of collective action to influence a nation.

The government should execute systematic solution to engage our youths in high-yielding growth sectors of the economy. This is a great way to mould today's youth by engaging them in right way.

The most important duty of the today's youth is that they must inculcate good habits and conducts from their parents and elders. There also be practical following the best human principles. They should take the honest path so that a nation can see a best way of development.

" It is the coward and the fool who says, 'This is fate'" – so says the Sanskrit proverb. But it is the strong man who stand up and says, " I will make my fate." It is people who are getting old who talk of fate. Young men give generally do not come to astrology." –*Swami Vivekananda.*

✧ ✧ ✧ ✧ ✧

From 12 August, 2000 International Youth Day is celebrated every year.




**Marjina Begum**
B. A 6th Sem, Dept. of English

Child labour refers the work alone by under age children in order to live an ordinary life with essential needs. Instead of enjoying their moments of childhood, they are being forced to do work as child labour in an unhealthy environment. No parent want their children work as labour in their little age instead of playing enjoying or getting good education for just getting a few amount in rupees, but still they are forced to do it due to the bed circumstances.

Child trafficking has been the main corner for Indian government since 1980s; Thus, the percentage of child labour is declining day by day but this major crime is still not stopped completely. There are so workspaces where this non-acceptable crime occurs like agriculture, house hold activities, resturants and dhabas, real estate, unsafe manufacturing (glass, match box, fireworks or coal mines) etc.

Several rules and regulations are being created and implemented time to time to end this evil "Child Labour". These are "Factories Act 1986". " Mines Act 1952" "The Child Labour Prohibition Act 1986". "The Right of Children to Free and Compulsory Education Act, 2009. Finally on April 2015, Union cabinet has given permission to work done by children below age 14 in non hazardous work place which does not affect their education and under 17 in hazardous work too. In case of first offence if this crime happens, penalty is about ₹ 50,000 and in second, if attempt is continued, it is converted to one to three years of imprisonment.

India is the second largest population country in the world and also ranks on second number where child labour happens. The main question comes into our mind after hearing about the child labour is that "Who is Responsible?" After deep research, we find that main cause for existences of this major crime is extreme poverty, shortage of good primary education centres, increased rate of population, growth of informal economy, ignorance of laws rules that has been made to prevent "Child labour" and increasing demand of labour at law payment generally, this crime is done by those greedy indutrialists who want their work to be done with less or without cost. Some of poor parents don't understand how much their Children are affected by this crime regarding their physical, moral and mental development, playing, enjoying childhood is the birth right of his/her.

Several Governmental Non-Governmental Organisations are working for saving every child's future. As a citizen of the country, we should also take necessary step on our personal; professional and social level to stop this problem "Child Labour" by not allowing children under 14 in our house hold activities and by complaining if we find under age children working in nearby areas. The Non-Governmental Organizations (NGO'S) help needy people in manner to provide them free education through various facilities such as mid-day meal, shelter, food, work options for their parents with healthy environment, etc.

Census of 2011 says that even after declining the rate of child labour by 65%, it is found that about 5 million children (with age 5 to 14) are trapped in this noe acceptable crime, in which girls are two times more than boys who are working in domestic services. According to the National Survery Sample Organization, ratio of child labour in Muslim category is 40% higher than Hindus and category of Dalit has child labour rate about 2.8% and trible category with higher percentage rate with 3.8 %. In conclusion, one in every eleven child in India is engaged in child labour.

Childhood is the biggest important phase of a child's life and considered as an initial learning period for them which directly effects their future. Children require love, care, education, health, morals and financially secure future from their parents, and if a parent is not capable to give them such life, it gives rise to the "Child labour ".

✧ ✧ ✧ ✧ ✧

***There is no greater violence than to deny the dreams of our children.***

– Kailash Satyarthi

Article

# GENDER INEQUALITY IN ASSAM

## A CHALLENGE TOWARDS DEVELOPMENT



**Dr. Deepika Das**
*Assistant Professor*
*Dept. of Economics*

Gender equality has multiplier effects across the process of development. It is essential for achieving sustainable development. Empowering women and reducing gender gaps in health, education, labour market and other areas result in lower poverty, higher economic growth, greater agricultural productivity, more resilient communities, better nutrition and better education of children. conversely, sustainable development goals cannot be achieved without addressing gender inequalities and discrimination against women.

Women have important role for the development of every society. In Indian society, women have significant contribution in every sphere through the ages. In the today's world, women have attained levels of eminence and distinction in different fields. Women are now contributing for the development of the country as educationists , scientists , doctors, technologists etc. Despite their contribution, women continue to be severely disadvantaged, and even discriminated against through centuries. The world has achieved remarkable gains in human development over the past two decades. Unfortunately, despite increasing recognition that gender equality is essential for sustainable development, gender inequalities persist throughout the world. In India, gender discrimination is rooted in social structure and continues in most spheres such as access to education, health, social and economic opportunities. Women are regarded as 'Second Sex' and have to face many challenges and hardships.

Women of Assam enjoy a better position compared to the rest of the Indian society. Historical evidences also show better position of women in Assam. *The social formations that prevailed during Ahom rule restrained some of the appealling Hindu practices such as 'sati' infanticide, 'kulinism', and dowry system in the Brahmaputra Valley. Unlike the other states or regions in India the caste system could not get a stronghold in the Brahmaputra valley, perhaps because of the tribal influence and due to the emergence of neo-Vaishnavism. The practices of child marriage and prohibition of widow remarriage practices did not gain a firm footing in the state. Social practices such as window remarriage and divorce were permitted among certain communities and marriage by consent of mutual partners*

*was prevalent among the tribal communities of Kacharies, Tiwas and other plains Tribals in Assam* (Assam HDR 2014). Despite these historical traditions the women of Assam today are facing gender discrimination and inequality in every sphere.

Recognizing the role of women for the development of the society, the development programs of every country have now become gender sensitive. However, despite the existence of various schemes and programs for the empowerment of women, the social economic and legal condition of women shows inadequate improvement in terms of several indicators. The present article is an attempt to visualize gender inequality in Assam in terms health, education and Labour market.

In Assam, gender inequality is most visible in the health sphere and reflected in adverse sex ratios, lower life expectancies, higher mortality rates and higher mortality rates and higher incidence of morbidity.

The sex ratio (SR) is the number of women per 1,000 men. It is a good indicator of health and social status of women. Adverse sex ratio is the disturbing feature of Indian population.

**Table-1: Sex Ratio in Assam and India**

| Year | Females per 1000 men | Year | Females per 1000 men |
|---|---|---|---|
| 1901 | 919(972) | 1961 | 869(941) |
| 1911 | 915(964) | 1971 | 896(930) |
| 1921 | 896(955) | 1981 | NA(934) |
| 1931 | 874(950) | 1991 | 923(926) |
| 1941 | 875(945) | 2001 | 935(933) |
| 1951 | 868(946) | 2011 | 958(943) |

*Source: Statistical Hand Book, Assam 2015*
*Note- Figures in parentheses indicate sex ratio for India*

The sex ratio in Assam has shown a significant improvement during in 2011 census over the previous census. Since 1951 the ratio has been showing a rising trend. The sex ratio of Assam found higher than all India sex ratio in 2001 and 2011 census.

Life Expectancy at Birth (LEB) is defined as the number of years a person may be expected to live, when he/she is born, given the prevailing mortality rates in the population to which he/she belongs. LEB in Assam has been steadily improving over the years for both male and female. During 2002-10, LEB in the state increased from 59 years to 62 years. During the same period whereas male LEB increased from58.6 years to 61 years, the female LEB has been increased from 59.3 years to 63.2 years. Although LEB of Assam has been steadily improving, it should be noted that Assam experiences lowest LEB among the other Indian states which is the indicator of poor health status of Assamese people. It is observed from the available data that the female life expectancy in the state has remained above that of males quite some time (2002-10) both for rural and urban areas. But there is a significant gap between urban and rural LEB for both male and female.

Higher life expectancy at birth for females reflects better survival conditions for women across all ages (that is, age specific mortality pattern), which indirectly improves the sex ratio for the population in general (HDR 2014). Although LEB female is higher than male, the Infant Mortality Rate (IMR) for female is higher than that of male. But it is appreciable that IMR in general and especially among girls come down significantly. So, gender gap in IMR has been coming down. In 2000, the IMR for male and female were 65.9 and 82.9 respectively, which came down to 53 and 55 for both male and female respectively in 2013.

Maternal Mortality, or death due to causes to pregnancy childbirth is another indicator of female health. The Maternal Mortality Ratio (MMR) of 328 in Assam is the highest among all the states of India. Assam's current MMR is not only higher than the current national average which is 178 but also higher than national average of almost a decade ago.

Female literacy has special role in human development. There is inverse co-relation between female literacy and infant mortality rates and maternal mortality rates. Education makes women strong and empowered. Educated women can take better care of their children, they can take their own decision and also can find employment desired sphere. In Assam, as in case of all over of India, the literacy rates for both males and females have shown a rising trend in the last three decades. But, there is still wide gender gap in literacy rates. In 1961, the female literacy rate in Assam was as low as 18.62 percent. In 1991, it was increased to 43 percent than to 54.61 percent in 2001 and again to 66.27 percent in 2011. During the same period, the male literacy rate increased from 44.28 percent to 61.87 percent then to 71.28 percent and again to 77.85 percent. However, the rate of growth of female literacy is higher than that of males. In the 1961-2011 period, while male literacy rate increased by 33.57 percentage points, the corresponding rise in female literacy rate is 47.65 percentage points.

Labour market is another field where women often discriminated. Women all over the world are second choice for the employer. For several reasons women's participation in the Labour market is very low and their participation is much lower than male. Women's participation in economic activity and control over the income they earned from it are critical to their use of the choices that health and education make available to them. Women perform almost all the household work and a considerable portion of socially productive work. Yet, women's contribution to Labour force has not been recognized. They remain invisible and have not given due remuneration and respect. Again women's wages tend to be lower than male wages even for the some job. Again much of women's works are not recognized as economic activities. Consequently, even if women's share of work is larger than men in almost all societies, their share of income is lower.

In Assam, the Female Work Participation Rate (FWPR) was increased from 4.66 percent in 1971 to 21.61 percent in 1991 and than marginally declined to 20.71 percent in 2001 and again increased to 22.46 percent in 2011. FWPR here includes both main and marginal workers. There is wide gender difference in work participation rate in Assam. The female work participation rate (FWPR) seems to be lower than half of the male work participation rate (MWPR) in every census. As for example, the MWPR was 49.45 percent in 1991, 49.87 in 2001 and 53.59 percent in 2011. It has been observed that the FWPR was declined marginally by 0.9 percent. Again whereas FWPR was increased by 1.75 percentage point in 2011 compared to 2001, MWPR was increased by 3.72 percentage points during this period.

The status of women in the labour market also depends on the fact whether they are working main marginal workers. An analysis of the main and marginal workers based on census data shows

that participation of women as main workers is very low in Assam. Again the process of marginalization for female is much higher than that of male. In 2011, only 10.82 per cent women are classified as main works, while 44.13 per cent of men are classified as main workers, Only 9.45 per cent of male workers Assam are found to work as marginal workers, while 11.63 per cent female workers work as marginal workers (Table:2). This has signification on the income share of male and female and the control over the resources within the family.

**Table-2**

**Distribution of total Workers, main Workers, Marginal Workers and Non-Workers in Assam**

| Population census | Male/female person | Proportion to total population | | | |
|---|---|---|---|---|---|
| | | Total workers (WPR) | Main Workers | Marginal Worker | Non-workers |
| 1991 Census | Male | 49.45 | 48.38 | 1.07 | 50.55 |
| | Female | 21.61 | 12.57 | 9.04 | 78.39 |
| | Person | 36.09 | 31.20 | 4.89 | 63.91 |
| 2001 Census | Male | 49.87 | 42.45 | 7.42 | 50.13 |
| | Female | 20.71 | 9.82 | 10.89 | 79.29 |
| | Person | 35.78 | 26.69 | 9.10 | 64.22 |
| 2011 Census | Male | 53.59 | 44.13 | 9.45 | 46.41 |
| | Female | 22.46 | 10.82 | 11.63 | 77.54 |
| | person | 38.36 | 27.84 | 10.52 | 61.64 |

*Source: Population Census Data.*

Women living in an unequal world can also be realized from Gender Inequality Index (GII) and Gender Development Index (GII). GII is designed to capture women's disadvantage in three dimensions, viz. empowerment, economic activity and reproductive health. According to Assam Human Development, Report, 2014 the GII for Assam as a whole is 0.375. This means that due to existing level of gender in the state, there is a loss of some 37 percent of potential human development.

GDI, another measure of gender differential in human development compares human development achievements-both dimensional and overall of female with those of males. When the index value is unity then both level of development are at parity. The GDI value declines and approaches zero for greater disparity in achievement. the GDI for Assam is 0.875 which means that achievement of women the dimensions of human development taken together is less than that of men by about one-10th times (Assam HDR 2014).

Unfavourable sex ratio, low life expectancy at birth, high maternal mortality ratio, high infant mortality rate for girl, low female literacy, low female work participation rate, unfavourable GII and GDI are some of the indicators of gender inequality prevailing in Assam. With these odds women in Assam are striving for a better and equal world for them.

***References:***


a) Assam Human Development Report, 2014

b) Assam Human Development Report, 2003

c) Economic Survey, Assam, 2015-16

d) Statistical Hand Book, Assam, 2015

# কবিতা কানন

কবিতা কানন

## মৰুভূমিত সেউজীয়া পাহাৰৰ গান



# ধোঁৱা

অপৰ্ণা ৰাভা
স্নাতক প্ৰথম ষাণ্মাষিক



ধোঁৱা
মোৰ আজন্ম সহচৰ

মই ওপজাৰ দিনাখন
আইতাই জ্বলাইছিল
এগছি বন্তি
ধীৰে ধীৰে
ওপৰলৈ উৰিছিল
ধোঁৱা

সেয়াই
আৰম্ভণি।
লাহে লাহে
একাত্ম হৈ পৰিছিলো

ধোঁৱাৰ স'তে
সন্ধিয়াৰ প্ৰাৰ্থনাৰ পৰত
গোহালিত জাগ দিয়াৰ পৰত
অথবা
কেঁচাখৰি ফুৰাই থকা
আইৰ ৰান্ধনিশালত।
ধোঁৱাৰ বোকোছাত উঠি
এদিন গুচি গ'লগৈ
মোৰ ককা
গ'লগৈ আইতা
যাবগৈ এদিন
মোৰ আই পিতা

ধোঁৱাৰ বোকোছাতেই উঠি
এদিন গুচি যামগৈ ময়ো
লৈ যাম
পূৰ্বপুৰুষৰ স্মৃতি বিজড়িত
ধোঁৱাময় প্ৰাচীন সুৱাস।

# এক প্ৰতীক্ষা

ডেনিম নাথ
স্নাতক ষষ্ঠ ষাণ্মাসিক

মোৰ স্বপ্নত বৰ্ষাই সাৰ পায়
এক কঁহুৱাময় নিবিড় অনুভূতিত
প্ৰাণ পাই উঠে তোমাৰ দুচকু।
প্ৰতিটো শৰতৰ কুসুমৰ স্নিগ্ধতাই
অভিলাসী মাল্যদান কৰি
মোৰ স্বপ্ন পূৰণৰ
অভিবাদন জনায়।।
তোমাৰ কল্লোলিত হৃদয়ত
মোৰ বাবে আছে পোহৰ ৰেঙণিৰে গঢ়া
এক স্বপ্নময় বালিঘৰ।
আৰু তাত আছে সেউজ পৃথিৱীৰ
এক প্ৰতীক্ষা মাথো।।

# মিছেচ বৰুৱা

অজয় কলিতা
*স্নাতক ষষ্ঠ ষাণ্মাসিক, কলা শাখা*

কবিতা



মিছেচ বৰুৱা এগৰাকী চাকৰিয়াল মহিলা।
ৰাতিপুৱা তেখেতে বাথৰুমত সোমাই
দুৱাৰৰ ন'বটো বহুত টানকৈ মাৰে।
চিলিঙৰ তলতে থকা সৰু সৰু বিন্ধাকেইটা
ভালকৈ নিৰীক্ষণ কৰে।
শ্বাৱাৰত বহি তেখেতৰ অৰ্দ্ধনগ্ন দেহটোত
চাবোন ঘঁহাৰ সময়তো তেখেতে, ল'ব নোৱাৰে
ঠাণ্ডা পানীৰ আনন্দ!
ওচৰৰ কোঠাটোত বহি টিভি চাই থাকে
তেখেতৰ দেৱৰজন,
তেখেতৰ স্বামীৰ ভায়েক, তেখেতৰো ভায়েক।
স্বামী পুত্ৰক ব্ৰেকফাষ্ট কৰাই থৈ
তেখেত গতি কৰে চৰকাৰী ধূলিময় অফিচটোলৈ
চিটিবাছত ওলমি যোৱা কঠিন মুখৰ মানুহবোৰৰ গা বোৰ
তেখেতৰ গাত লাগে।
তেখেতৰ ভয় আৰু ঘিণ লাগে।
অফিচটোত সোমোৱাৰ পিছত চলিহা কেৰাণীয়ে
তেখেতক মাত লগায়।
অগণন মানুহৰ সমাগম ঘটে দিনটোত
বৰুৱানীয়ে বাৰে বাৰে শাৰীখনৰ আঁচলটো টানি টানি লয়।
মধ্যাহ্নৰ পিছৰ পৰাই অফিচটোত মানুহৰ ভিৰ কমে।
চলিহা কেৰাণীৰ দৰে আনবোৰ কৰ্মচাৰীৰ মাজত
কথাৰ গাম্ভীৰ্যতাও কমি যায়
সেইখিনি সময় মিছেচ বৰুৱাই বৰ উৎকণ্ঠাৰে কটায়।
ঘৰলৈ মনত পৰে।
ক্লাছ ছেভেনত পঢ়ি থকা ছোৱালীজনীক পঢ়ুৱাবলৈ
টিউটৰ জন আহে।
টিউটৰ জনৰ চকুৰ তীক্ষ্ণতাৰ উমান লগাবলৈ
বৰুৱানীয়ে বৃথা চেষ্টা কৰে।
শেষত বৰুৱানীয়ে ততাতৈয়াকৈ অফিচৰ পৰা ওলাই আহে।
গাড়ীত আহোঁতে বৰুৱানীৰ ভয় লাগে
ড্ৰাইভাৰজন, হেণ্ডিমেনজন আৰু বাছত উঠা সকলো যাত্ৰীক
বাছৰপৰা নামি
বৰুৱানীয়ে কেঁকুৰীটো খোজকাঢ়ি আহিব লাগে।
তেতিয়া তেখেতক দিনত 'আণ্টি 'আণ্টি' বুলি মতা
ল'ৰাকেইটাকো
তেখেতৰ ভয় লাগে।
ঘৰ আহি ছোৱালীজনীক দেখা পাই তেখেতে দীঘল উশাহ লয়।
ৰাতি শুবৰ পৰত,
মিছেচ বৰুৱাই বহুতবাৰ দৰ্জাখন চেক কৰে।

# বেশ্যা

**বাসুদেৱ দাস**
*স্নাতক প্ৰথম ষান্মাসিক*
*(ৰাজনীতি বিজ্ঞান বিভাগ)*

যৌনগন্ধী বাসনাৰ উন্মাদনাৰ
পৰশত কলুষিত শৰীৰ।
মায়াৱী নিশা য'ত চলে
কামনাৰ ৰৌদ্ৰ ৰথ।
উসঃ কি যে দুঃসহ বেদনা!
কেতিয়াবা দৰ-দাম,
কেতিয়াবা প্ৰৱঞ্চনা।
কামনাৰ ঔপনিৱেশত চলে
চৰ্তবিহীন শাসন....
কেতিয়াবা পথৰ দাঁতিত,
কেতিয়াবা ৰেস্তোৰাত
দুচকুত উদ্ভাসিত হয়
অৱহেলিত জীৱনৰ প্ৰতিচ্ছবি,
ৰক্ত বৰ্ণৰে বৰ্ণিত মায়াৱী
উন্মাদনাৰ আখৰাথলী যেন
সিহঁতৰ ষোড়শী শৰীৰ।



# স্বপ্ন ভংগৰ ক্ৰন্দন

**জিতেন দাস**
*স্নাতক তৃতীয় ষান্মাসিক*
*(ৰাজনীতি বিজ্ঞান বিভাগ)*

মোৰ হৃদয়ত বেদনাৰ
কঠিয়াবোৰ শাৰী শাৰীকৈ ৰুইছো
তুমি আহিবা বুলি,
উৰুখা পঁজাৰ ফাঁকেৰে,
মাজনিশাৰ গভীৰতাত
হৃদয়ত উচুপে....
দেউতাৰ সেই বিকট চিঞৰ,
দুবছৰ আগৰ কথা,
ৰেলগাড়ীয়ে পঠাইছিল দেউতাক
অচিন দেশলৈ।
সৰুতে মায়ে মোক
এৰি থৈ গ'ল।
মায়াৰ বান্ধোন ছিঙি।
তুমিটো জানাই
মই যে বলিয়া প্ৰেমৰ
অভগা প্ৰেমিক।
ক্ষণ গণিছো তোমাৰ বাবে
হয়তো এদিন আহিবা তুমি
সুৰুযৰ হেঙুলী আভা হৈ
ধৰাৰ বুকুৰ আন্ধাৰ
আঁতৰাবলৈ।

# নুবুজে কোনেও

হৰিদেৱী কলিতা
*স্নাতক পঞ্চম ষান্মাসিক*

নুবুজে কোনেও হৃদয়ৰ আকুলতা
নুবুজে কোনেও ভালপোৱা,
আশা, নিৰাশা, বিশ্বাসৰ গভীৰতা
বুজে মাথোঁ স্বাৰ্থপৰতা।
নুবুজাক কোনেও ভালপোৱা
নুবুজাক কোনেও হৃদয়ৰ আকুলতা
বুজা মাথোঁ তুমি প্ৰেমৰ স্পন্দন
বিশ্বাস আৰু আশাৰ নৈ বৈ থাকিব।
মোৰ অন্তৰত চিৰকাল
কোনেও নুবুজিলেও তুমি বুজিবা
মোৰ যে নহয়, স্বাৰ্থপৰ ভালপোৱা।

# অনুভৱ

বিপ্লৱ কলিতা
*স্নাতক পঞ্চম ষাণ্মাসিক*

বহুদিন হ'ল
কবিতা লিখা নাই
কিয় জানো থমকি ৰৈছে
মোৰ কবিতাৰ ভাষা।
কিন্তু..........................
মইতো তোমাৰ হৈয়েই আছো
প্ৰতিপল তোমাকে সোঁৱৰিছো
সদায় সপোনত তোমাকেই দেখিছো
বহুদিন হ'ল.......................
তুমি কোৱা নাই
হৃদয়ত নাহৰ ফুলাৰ কথা
পথোৱা নাই...............................
সেউজীয়া প্ৰেমৰ কবিতা
লিখা নাই
এখনি নীলা খামৰ চিঠি
সেইবাবেই চাগে
থমকিছে মোৰ কলমৰ গতি



কবিতা

# সন্ত্ৰাস

তুলুমণি কলিতা
*স্নাতক চতুৰ্থ ষান্মাসিক*

সন্ত্ৰাসে আগুৰা এই সমাজত
নাই কোনো মানৱতাৰ চিন
নাই কোনো সৰলতা
মাথোঁ কৃত্ৰিমতাৰেই জৰ্জৰিত।
এই সভ্য সমাজত আছে,
মানৱৰ প্ৰতিৰূপ দানৱ।
চৌদিশে কেৱল কৰ্কশতাৰ প্ৰতিধ্বনি
চৌদিশে কেৱল সন্ত্ৰাস! আৰু সন্ত্ৰাস!
সকলো যেন অচিনাকি!
মানুহৰ মাজত নাই কোনো
মানৱতাৰ গাঢ় সম্পৰ্ক।
চৌদিশে কেৱল অস্পৃশ্যতা আৰু অশ্লীলতা
নিৰ্যাতিত কত নাৰীৰ চিঞৰ,
পথভ্ৰষ্ট কত লোকৰ শোকৰ ছাঁৰে
আৱৰা এই সমাজ,
কেৱল হত্যা লুণ্ঠনে তচ নচ কৰা
কতো মাতৃ, ক'তো ভগ্নীৰ
বুকু উদং কৰা চিঞৰ।
বোমা-বাৰুদে উত্তাপিত কৰা
এই সমাজত আছে
কেৱল ধ্বংসলীলা আৰু তেজৰ চেকুঁৰা
চৌদিশে কেৱল সন্ত্ৰাস! আৰু সন্ত্ৰাস।

# মাৰ চিন্তা

**প্ৰগতি শালৈ**
*স্নাতক চতুৰ্থ যান্মাসিক*

মা! মই কলেজলৈ যাওঁ
আহোঁতে অলপ দেৰি হ'ব পাৰে,
তুমি চিন্তা নকৰিবা
হয়! মই জানো মায়ে যে সদায়
পদূলিমুখত ৰৈ
মই অহালৈ অপেক্ষা কৰে।
মায়ে ভয় খাই থাকে
বাটত যেনিবা মোৰ কিবা হয়েই।
আজিকালি বাতৰিকাকত, টিভি, ছ'চিয়েল মিডিয়াত
সেই একেইবোৰ কথা
ধৰ্ষণ, হত্যা, নাৰী নিৰ্যাতিন, ডাইনী হত্যা
এই কথাবোৰ শুনিলেনো কোনে ভয় নাখাব?
মই সদায় চেষ্টা কৰোঁ
মাৰ চিন্তা নোহোৱা কৰিবলৈ
জানো ক'ত বা কি ৰৈ যায়
কৰিবলগীয়া কাম?
চিন্তা শেষেই নহয়।
সেয়ে এতিয়া ভাবিছোঁ।
নিজকে সবল কৰি লওঁ
যাতে কোনো দুৰ্বৃত্তই আমাক
অপমান কৰিব নোৱাৰে।
প্ৰথমে নিজকে সবল কৰিব লাগিব
আমি নাৰী, কিন্তু পুৰুষৰ তলতীয়া নহয়।
নিজকে বিভিন্ন কামত নিয়োগ কৰিব পাৰোঁ।
সকলোৱে কৈ থাকে নাৰীক নিৰাপত্তা লাগে।
নিৰাপত্তা দিব লাগে
কিন্তু সেই নিৰাপত্তা আজিও যেন আধৰুৱা
সেয়েহে আমি নিজে নিজৰ নিৰাপত্তা কৰিব লাগিব
মোৰ মাৰ নহয়, সকলো নাৰীৰ
মাকৰ চিন্তা দূৰ কৰিব লাগিব।
আমি নিজে নিজক নিৰাপত্তা দিব লাগিব।।



কবিতা

# নীৰৱতা

**পূৰ্ণিমা কলিতা**
*উঃ মাঃ দ্বিতীয় বৰ্ষ*

নীৰৱতাৰো থাকে
এক সুকীয়া সত্বা
হয়তো সমস্ত আৱেগ
শব্দৰ ভাষাত নাপায় প্ৰকাশ
ইয়ো হ'ব পাৰে ধৈৰ্যৰ
এক পৰিসীমাৰ নাম।
নিজৰ ঠিকনা বিচাৰি
ভাৰাক্ৰান্তজনেও নীৰৱতাৰে
আশ্ৰয় লয়।
বাহিৰত ৰঙীণ বিজ্ঞাপন আঁৰে
অন্তৰত হাহাকাৰ প্ৰতিধ্বনি ,
চিনাকী নিজম ৰাতিত থাকে
নীৰৱতাৰ পৰিচয়।
তাতো থাকে বেদনা প্ৰেৰণা
স্মৃতিৰ সঁফুৰা।

কবিতা

# নাৰী

ৰূপম কলিতা
উঃমাঃ প্ৰথম বৰ্ষ

ৰাতিৰ নিৰ্জনতাৰ ৰাজপথত
নকৰিবা বিচৰণ তুমি,
প্ৰকৃতিৰ নিৰ্জনতাৰ সুযোগত
বিচৰণ কৰে
তোমাৰ যৌৱনভৰা দেহৰ পৰশৰ
মতলীয়া অসুৰৰ সমদল।
ই কোনো দেৱতাবিৰোধী
অসুৰ নহয়
ই নাৰীৰ পবিত্ৰ দেহৰ
তৃপ্তি লোৱা
উদ্ভ্ৰান্ত অসুৰ।
তোমাৰ পবিত্ৰ শৰীৰত
লাগে যদি সেই অসুৰৰ হাত,
পাবা জানো তুমি তাৰ
আদালতৰ উচিত ন্যায়?
ডাইনীৰ সন্দেহতো
তুমি নোযোৰা সাৰি
ক'তো যে অত্যাচাৰৰ বলি তুমি।
যৌতুকৰ নামতো পোৰা তুমি আমনি
লাগিলে
মৃত্যুক লোৱা সাৰটি।
আহা আহা ওলাই
নিজস্বতা বিচাৰি
আনিব লাগিব তুমি
তোমাৰ স্বাধীনতা আজুঁৰি
কিয়নো তেতিয়াহে
হ'বা তুমি অনন্যা নাৰী।



# এজাক বৰষুণৰ অপেক্ষাত

ভৱানী নাথ
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

পছোৱা বতাহজাকত হেঙুলীয়া ৰং সিঁচি
লঠঙা শিমলুডালত উপচি পৰিল
এচপৰা ফাগুণৰ আবেলি
বেলি ডুবি ধূলিয়ৰি বাটত
বৈ পৰিল চিনাকি বতাহৰ সুগন্ধি
কত যে ফাগুণ মিছাতে হেৰাল
পলাশবিহীন মনত
জাক পাতি উৰি গ'ল
কতনো জোনাকী
শীৰ্ণ নদীৰ বুকুত এৰাসুঁতি থৈ
এবুকু মদাৰৰ জুই
মতলীয়া ফাগুণৰ আৱেষ্টনীত
খুব আকাংক্ষিত এজাক বৰষুণৰ অপেক্ষাত
জীপাল কৰিবলৈ
অনাদৃত নিজান আবেলি।

# মনার্তনাদ

প্ৰাঞ্জল দাস
*উঃমাঃ প্ৰথম বৰ্ষ*

বোপাই অ',
শুনচোন মোৰ কথাটি এবাৰ।
ইংৰাজী ক'ব নেজানিলেও
আই মাতৃৰ ভাষাৰেই কওঁ
তোমাক
দেখি মানুহৰ মামৰ লগা স্বৰূপ
গৈছে বুকু ছাটি-ফুটি মোৰ।
বোপাই অ' বি.এ., এম. এ. পাছ কৰি
ঘৰতে থাকি কিনো মেলিছ এইবোৰ
ফেইচবুকৰ পোহাৰ
মই হ'লে ইমান নুবুজো বোপাই।
চাকৰি নাপালি
ব্যৱসায় কৰিবলৈ তইতো
সদাগৰৰ বেটাও নহ'লি।
হালৰ মুঠিতেই ধৰচোন!
বি.এ., এম.এ.ৰ শিক্ষাই
হালৰ মুঠিৰ শক্তিক কিয়নো কৰিব এলাগী।
কৃষকৰ বাহুতেই আছে অন্নৰ বিধাতা।
বোপাই অ', অত্যাধুনিকতাৰ ছাকনৈয়াত
নাযাবি বুৰি স্তিমিত সুৰুযৰ দৰে
সাজু হ'বৰ হ'ল বোপাই
অসমী আইৰ বাপতি সাহোন
সেই লখিমীৰ ভঁৰালটি
যাবলৈ নিদিবি হেৰাই।
আৰু শুনচোন বোপাই
অসমী আইৰ বুকুত থকা
চেনেহ আৰু ভাতৃত্বৰ মালাডাল
একতাৰে বান্ধিবি সদায়
বোপাই, হিয়া মোৰ উঠে কঁপি
নাৰীৰ ওপৰত চলা দানৱৰ
ৰুক্ষ অত্যাচাৰ দেখি।
দায়িত্ব এৰিলোঁ তোমাৰ হাতত
মোহাৰি পেলোৱা এনে দানৱৰ পাশৱিক লীলা
জ্বলাই দিয়া এগছি শান্তি আৰু পবিত্ৰ প্ৰেমৰ শলিতা।



# ৰাগি লগা দিনবোৰ

পাকিজা আখতাৰ
*স্নাতক প্ৰথম ষান্মাসিক*

নিস্তব্ধ নিসংগহীন এই
ৰাগি লগা দিনবোৰৰ লগত
নাজানো কি মায়াজালত
বন্দী হৈ যাম
হয়তো হৃদৰ কোণত বন্দী
বহুতো আশা ভৰষা
তুমিয়ে শেষ কৰিলা,
তুমিয়ে এদিন এচোৱা বতাহ হৈ
নামি আহিছিলা।
এতিয়াতো নাহে ভালপোৱাৰ মৃদু বতাহজাক
মোৰ গা জুৰাবলৈ,
তুমিওতো কিজানি নাহা মোৰ ভুলবোৰ পাহৰি
মোক আকোঁৱালি ল'বলৈ।
বৰ কষ্টকৰ হ'ব এই দিনবোৰ
তোমাৰ অবিহনে কটাবলৈ
কিন্তু হৃদয়ৰ কোণত তুমি জিলিকি থাকিবা
এটি মুকুতা মণি হৈ।

# "ভগ্ন হৃদয়"

ভায়োলিনা বড়ো
উঃ মাঃ দ্বিতীয় বৰ্ষ

কিদৰে পেলাওঁ উভালি
হৃদয়ৰ সপোন পুলিবোৰ
তুমি আছিলা বাবেই এদিন ৰুইছিলো
মোৰ উচ্ছন্ন বুকুত উদ্দীপ্ত আশাৰ বীজ
তুমি বিচৰা বাবেই ভৰাই দিছিলো
স্নেহৰ পাৰ ভাগি জীৱনৰ বিশাল পথাৰ,
মেলি দিছিলো তোমাক
মোৰ ক্ষত বিক্ষত জীৱন,
জীৱনৰ প্ৰতিটো গুপ্ত পথৰ দুৱাৰ,
জীৱনৰ চিৰ সাৰথি হোৱাৰ অংগীকাৰ
মোৰ হৃদয়ত তুমি থকাৰ বাবেই
সময়ৰ হাত ধৰি খোজ দিব শিকিছিলো
খেপি খেপি জীৱন বাটত..............
এতিয়া কিদৰে মানি লওঁ
তোমাৰ প্ৰত্যাগমনৰ চিৰসত্য অনুভূতি
তুমি নক'লা
গুচি গ'লা মাঁথো সকলো নিথৰুৱা কৰি
ভাবিচানে এবাৰ
ভগ্ন হৃদয় যে নোযোৰে দুবাৰ
কি সতে বান্ধো মই
পাৰ ভগা দুখৰ ভৰা নৈ.......



# সৃজনীময়ী তুমি, কিন্তু অস্তিত্বহীন

চন্দনা কলিতা
স্নাতক ষষ্ঠ ষাণ্মাসিক

সৃজনীময়ী তুমি, কিন্তু তোমাৰ অস্তিত্ব
আছে নে নাই আজি মাথো এক প্ৰশ্ন?
তোমাৰ চিঞৰ কোনোবাই শুনে নে নুশুনে নাজানো।
কিন্তু তুমি সৃজনীময়ী
তুমি জীৱন দিয়া,
আৰু পাষণ্ডবোৰে তোমাৰ পৰা
কাঢ়ি নিয়ে জীৱনৰ অস্তিত্ব।
সমাজ আছে সকলোৰে বাবে,
ভদ্ৰতাৰ পোছাক পিন্ধা বহুতো
অচিনাকি মুখৰ মানুহৰে পৰিপূৰ্ণ
এই সমাজ।
যি সজাব খোজে তোমাক ডাইনী
যেতিয়া তুমি এই ডাইনীৰূপে
পৰিচিত হোৱা,
ওলাই আহে সেই সংগঠনবোৰ
যিয়ে তোমাক সকলোৰে আগত
আকৌ ন কৈ ডাইনী বুলি স্বীকৃতি দিয়ে।
কেতিয়াবা প্ৰশ্ন হয়,
নিৰাপত্তা, নিৰাপত্তা বুলি
চিঞৰি ফুৰা সংগঠনবোৰে
বিচাৰি পাইছেনে নিৰাপত্তাৰ
প্ৰকৃত অৰ্থ কি?
সঁচাকৈ আছেনে এই সমাজত
নাৰীৰ নিৰাপত্তা?
কেৱল মুখেৰে নিৰাপত্তা বুলি কৈ,
কেৱল কাগজ কলমেৰে নিৰাপত্তা বুলি লিখি,
নিৰাপত্তা পোৱা নাযায়।
নিৰাপত্তাৰ বাবে যে এতিয়াও বহুত বাকী।

কবিতা

# কোনদিনা লগ পাম তোমাক

**সুজিত সৰকাৰ**
*স্নাতক তৃতীয় ষাণ্মাসিক*

কোনদিনা লগ পাম তোমাক
যিদিনা ক'ব পাৰিম মই
মোৰ মনৰ কথাবোৰ
হাঁহিব পাৰিম দুয়ো একেলগে
মুক্ত আকাশৰ তলত
তোমাৰ মুখনিলৈ চাই ক'ব পাৰিম
মই তোমাক ভালপাঁও বুলি
কোনদিনা লগ পাম তোমাক?কোনদিনা?
শৰতৰ জোনাক নিশাত নে
ফাগুণৰ পছোঁৱাত
আঘোণৰ সোণালী ধাননি পথাৰত নে
বসন্তৰ কুঁহিপাতৰ বতৰত
বিচাৰি ফুঁৰিছো তোমাক অ'ত ত'ত
মিলনৰ স্পৃহা বুকুত লৈ
লগ পোৱা নাই তোমাক
মনৰ নিজান কোণত
উভতিছো অশ্ৰুভৰা নয়নৰে
নোপোৱা বেদনা বুকুত লৈ।।
তথাপি আজিও ৰৈ আঁছো মই
তোমাক লগ পোৱাৰ বঁতৰা লৈ
কিজানিবা তুমি আহি জুৰোঁৱা
মোৰ এই তপ্ত হৃদয়,
চিৰদিন ৰৈ থাকিম মই
তোমাৰ অপেক্ষাত
তোমাক লগ পোৱাৰ অপেক্ষাত
মিলনৰ অপেক্ষাত।।



# আধৰুৱা

**অনিতা বড়ো**
*উঃ মাঃ দ্বিতীয় বৰ্ষ*

ভগ্নছন্দ
শ্লেষ, তৃষা
আধৰুৱা
এই মাৰ যায়
নিবুজ মায়া।
গোলাপ ফুল কুঁহিলাৰ
দৈনিক একোটি সাধুকথা
পছোঁৱাৰ তেজ কলা
আধৰুৱা
হিমতৃষ্ণা........
অব্যক্ত অচিনা
একাকাৰ ভাৱনাৰ
জ্বলিছে দাবানল,
শিখৰ সিপাৰে
আছে ৰৈ অকলে
আধৰুৱা
প্ৰতিযোগিতা.........
দুৰ্বোধ্য
চিনিকে নোপোৱা
উচ্ছ্বল পৃথিৱীৰ আধৰুৱা
ক'ত খেলা
যুগ শতাব্দী
ভ্ৰমৰ আশে পাশে
ছত্ৰছাঁয়া........

কবিতা

# আশ্ৰয়

**তৰালী মেধী**
*স্নাতক চতুৰ্থ ষান্মাসিক*

তোমাক বিচাৰিছিলো
নৈ পৰীয়া নিজান ঘাটত,
মৌচুমীৰ প্ৰথম জাক বৰষুণত,
কুলি কেতেকীৰ সুৰদি মাতত
নীড়মুখী পক্ষীৰ কোঢ়ালত
কিন্তু তুমি যে সংগোপনে
কুৰুকি কুৰুকি আশ্ৰয় লৈছা
মোৰ হৃদয়ৰ অতল তলিত
দেহ মনত জোৱাৰ তুলি।

# শীতৰ ৰ'দালি

**মৰ্জিনা বেগম**
*স্নাতক ষষ্ঠ ষান্মাসিক*

বিলৰ পাৰৰ জাকৰুৱা বনহাঁহে
ডেউকাত বান্ধি আনে শীতৰ খবৰ
শীত আহিছে.... শীত আহিছে......
টোপ টোপ নিয়ৰৰ চেঁচা টোপালত
আশীৰ্বাদ হৈ ধৰালৈ বিয়পে
শীতৰ প্ৰথম পৰশ.......
আঘোণৰ পথাৰৰ একা-বেঁকা
আলিৰে আগুৱাই হংসগামিনী সোণপাহি
সাদৰীৰ লয়লাস খোজ
শীতৰ ৰ'দালিয়ে জিলমিলাই তোলে
আঘোণৰ সোণগুটি,
ধানৰ পাতত আৰু শুকান নৰাত
নিয়ৰৰ মুকুতামণি।
নৈৰ দাঁতিৰ সৰিয়হ তলিত
ৰ'দালিৰ সোণবৰণীয়া হাঁহি
সন্ধিয়া গছৰ আগত জিৰণি লয়
ৰ'দৰ বেঙণি।
পিছদিনা অহাৰ প্ৰতিশ্ৰুতিৰে
পশ্চিম আকাশত হেৰাই যায় বেলি।
চল চাই শীতে পুনৰ আঁকোৱালি লয়
সমগ্ৰ গ্ৰামাঞ্চল, কি পথাৰ....... কি চোতাল
অথবা নিহালিৰ তল....... ॥



# মনৰ মহাভাৰত

**ড° ফণীন্দ্ৰ কলিতা**
*সহকাৰী অধ্যাপক,*
*ৰাজনীতি বিজ্ঞান বিভাগ*

গভীৰ নীলা সমুদ্ৰত
বিলীন হ'বলৈ লোৱা।
অনন্ত কালৰ অনন্ত যাত্ৰা।।
হিমালয়ৰ অদম্য সাহসেৰে
আকাশলংঘী উচ্চাকাংক্ষাৰে
নৰজাতকে থিয় হ'বলৈ বিচৰা
মুখ থেকেচা খোৱা হাজাৰ চেষ্টা।।
সহস্ৰ আঘাতেও ভেদিব নোৱাৰা
জয়মতীৰ হৃদয়ৰ বেহু,
পুনৰাবৃত্তি নৰজাতকৰ বিফল চেষ্টা।।
সময় আৰু পৰিস্থিতিৰ কুৰুক্ষেত্ৰত
অৱহেলা আৰু মনৰ মহাভাৰত
পুনৰাবৃত্তি নৰজাতকৰ বিফল চেষ্টা।
সাৰথিৰ ৰূপত, বিবেকৰ নিৰ্দেশ
কোন কুৰু, কোন পাণ্ডৱ
অনন্ত কালৰ অনন্ত যাত্ৰা
বিবেকৰ পৰিচালনাত
পুনৰাবৃত্তি নৰজাতকৰ বিফল চেষ্টা।





## इंतजार : बारिश का

**निशा कलिता**
*स्नातक दुसरी षान्मासिक*



कभी एक मधुर सपना आए
और साथ लाए बरशात.
भिगाये मेरे तन-मन
और बुझादे मेरी प्यास।

कभी वह चाँदनी उगे
करके शीशन मेरी आँगन,
उसमे उगे नीला फुल
और खनके मेरी कंगन।

तपकता है तो तपकने दो बारिश
डुब जाने दो नींव
शरारती बादल को गरजने दो
ठड़कने दो मेरे पाँव।

उड़ता है तो उड़ने दो तितली
मेरी बगियाँ में
पहले एक फुल तो खिलने दो
मेरी सुखे अंगना में।

## मेरा परिचय

सुदर्शन बोरो
*स्नातक षठी षान्मासिक*

कैसे दूँगा तुमको मेरा परिचय
मेरा परिचय आज खतम हो गया है
अतीत में मेरा असम
सुजला सुफला यो।

लेकिन सुजला, सुफला असम
आज, मानवरुपी दानव के स्पर्श में
अपना असली रुप खो दिया है।

आतंकमय से मेरा असम
आज शोषित है
सुरीया, सुवदी असमीया भाषा
की भी अस्तित्व नही है।

असम की चारो तरफ, आज
गोली, बारुद, हिंसा का धुँवा।
तुम कब वापस जाओगे
रुपान्तर से रुप पाकर तुम कब
तुम कब अपना असली रुप लाऔगे
क्या मेरा अनुरोध किसी ने सुनेगा
हाय! मेरा परिचय।

जीवन लंबा होने की बजाय महान होना चाहिए।
-- **डॉ बाबाचाहेब अम्बेडकार**

आस्था वो पक्षी है जो सुबह अँधेरा होने पर भी उजाले को महसुस करती है।
--रबीन्द्रनाथ टैगोर

क
वि
ता

# आतंकवादी

**आश्विया बेगम**
*स्नातक षठी षान्मासिक*

कौन है वह लोग?
क्या चाहते है वह लोगो से?
चारों तरफ रक्तपान किये जा रहे है
बिना किसी दया से।
धर्मानुष्ठान, शिक्षानुष्ठान सबकुछ
ध्वंस किये जा रहे है
जन्म लेते समय तो कोई भी
ऐसे नहीं होते
फिर क्यों वह मानव से
दानव बन जाते है?
आओ हम सब एक साथ मिलकर
इनके विरुद्ध लड़ाई लड़े,
अपने मातृभूमि को बचाने के लिए
एक एक वीर बन जाय
और
मातृभुमि के लिए अपना,
बलिदान कर दे।



# सफलता

**ज्योतिष्मा गोस्वामी**
*स्नातक दुसरी षान्मासिक*

मैं सफलता हुँ।
किसी का सगा नहीं हुँ।
सबको अपने पीछे
दोड़ाता हुँ,
जो मुझे छु पायें
उसका साथ देता हुँ।

मैं सफलता हुँ।
एक ही जगह पर
सदा ठहरता नही॥
मुझे पाना सबका
सपना हैं,
पर, मेरा सपना
कोई नहीं।

मैं सफलता हुँ।
साथ भी देता हुँ
और धोखा भी।
बिना पसीना बहाएँ
किसीकों तसल्ली नहीं
मुझे पाना इतना
आसान नहीं

क्योंकि ....
मैं सफलता हुँ।



# माँ

**तराली मेधी**
*स्नातक षठी षान्मासिक*

जन्म लेकर सबसे पहले हम सबने
उन्ही से मिला,
जुवाह पर भी पहला नाम
उन्ही का आया,
बोलना भी हम सबको
उन्होने ही सिखाया,
बचपन में हम सबकी देखभाल
उन्होने ही किया,
हमे चोत पहुचँती तो दर्द सबसे पहले
उन्ही को हुआ,
बाहर घुमने जाने के बाद बार बार फोन
उन्ही का आया,
कालेज से घर आने के बाद
कुछ खाया या नही
उन्होने ही पुछा,
क्या आपलोग जानते हो
मैं किसकी बात कर रही हुँ?
ये है हम सबकी
प्यारी सी दुलारी सी माँ।

क
वि
ता

# एक अंतर्कथा

**धीरेन चन्द्र दास**
*सहायक अध्यापक, हिन्दी विभाग*

एक नन्हा बीज अज्ञात नवयुग का
चुप रहने से फायदा नहीं
और एक अजीब सी चमक से भर उठा।
जो नहीं है वह फेंकने लगता है।
अदभूत है इसकी बनावट
भयानक भुखा है।
पता नही कहाँ-किधर चले है।
घनान्धकार के कठोर वक्ष
दंश-चिह्न से
गंभीर लाल बिम्ब प्राण ज्योति के
गंभीर लाल इन्दु से
विशाल रिक्त गर्भ गुम्बजो घिरे
विहंग जो,
अधीर पंख फड़फड़ा दिवार पर
सहायहीन, बद्ध-देह, बद्ध-प्राण
हारकर न हारते
पुकारती हुयी पुकार खो गयी कहीं॥

**शिक्षा की जड़ कड़वी है पर उसके फल मिठे है।**
---अरस्तु।

POEM

# The Wardrobe

**Kritanjali Rabha**
*HS 2nd year (Arts)*

What a pleasant air I get
By the side of my window!
And such melodies of birds I hear.
In the morning.
Then I was opened by my owner
Who takes out her school dress from inside.
And shut me slowly with a smile
For I'm a little wooden wardrobe
She's preety, tall teenager
With good and punctual nature.
How sunny it is at noon
And its time she return from school.
She back and turned on the fan
And I was opened again.
She took out a dress from inside
And shut me slowly with a smile
For I'm a little wooden wardrobe.
What a cool air I get
By the side of my window!
And such twinkling of stars I see in the night.
Then I was opened by my owner
Who takes out her nightdress from inside.
And shut me slowly with a smile
For I'm a little wooden wardrobe!!!





# FLIGHT

**Priyanka Das**
*B.A. 3rd Sem*

*Long we are neglected,*
*Subdued and unprotected.*
*Snatched our pens*
*Even before we write.*
*Wings were cut off*
*Before our flight.*
*In a cage*
*We remained lock.*
*With eyes open wild*
*In a fright.*
*Screams went unheard.*

*We need security.*
*We need support.*
*But not sympathy.*
*No more we are frail,*
*Within lies our potent.*
*No more we remain*
*A slave of dominators.*
*We step forward*
*To cross the barriers.*
*We will fly higher,*
*The sky is ours.*

# THE STREET DOG

**Nisha Kalita**
*B.A. 2nd Sem*

I meet a street dog
On the way of my school.
Very thin.
A swarm of flies always surrounding his
Dirty rotten wound.

He sniffs the dirty deserted dustbin
Or
Simply sleeping
Beneath the shade of that.
'still'
Except, the up and down
Of the breathing stomach.
On one fresh Monday morning
I meet him on the road
Wounds expanding much,
Flow of blood under mouth.
'still'.
Not even the up-down of stomach.

*N.B. The number of flies increases.*



# Equality

**Jyotishma Goswami**
*B.A. 2nd Sem*

*I hope my poem will*
*Change one's mind*
*I hope my poem will*
*Change thousands mind*
*I hope my poem will*
*Change their minds*
*Who make difference*
*Between caste,*
*Between colour,*
*Between religion,*
*Between gender.*
*A man, who is*
*Actually a man,*
*Always tries to*
*Make equality*
*I hope my poem will*
*Change others mind.*

The innocent and the beautiful have no enemy but time.
– *William Buttler Yeats*

# গল্প গুচ্ছ

## সপোনৰ আপডালেন্ত পকা ধানৰ সোঁৰ



গল্প

# নিসংগতা


দিপামণি গোস্বামী
*স্নাতক ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ*


মিনতি দেখাই শুনাই, স্বভাৱ-চৰিত্ৰত এজনী বৰ ভাল ছোৱালী। তাইৰ ঘৰখনৰ মানুহবোৰে তাইক বৰকৈ ভাল নাপায়। কিয়নো তাই জন্মৰ পৰাই পংগু। তথাপি তাইৰ মাক মালতীয়ে তাইৰ এই অৱস্থাৰ কথা কেতিয়াও মনলৈ নানে। তাই হেনো ঘৰখনৰ ভিতৰতে সৰু। ঘৰৰ আন মানুহবোৰে তাই পংগু হোৱাৰ বাবে তাইক হেয় জ্ঞান কৰে আৰু মানুহৰ পৰা আঁতৰত ৰাখিবলৈ বিচাৰে যদিও মাকে এইবোৰ অকণমানো সহ্য কৰিব নোৱাৰে। মালতীৰ ডাঙৰজনী ছোৱালী বৰ ধুনীয়া যদিও স্বভাৱত মিনতিতকৈ কম। মিনতিৰ বায়েকৰ নাম ৰঞ্জু। আজি বায়েকক চাবলৈ মানুহ আহিব। সেয়ে তাইৰ দেউতাক, পেহীয়েকহঁতে তাইক কোঠাৰ পৰা বাহিৰলৈ ওলোৱাত বাধা দিছে। তেওঁলোকে কয়, 'তই যদি কোঠাৰ পৰা বাহিৰ হোৱা আৰু কেনেবাকৈ চাবলৈ অহা মানুহঘৰে দেখে তেন্তে বায়েৰক অপছন্দ কৰিব। গতিকে তই ইয়াত সোমাই থকাটোৱে সকলোৰে বাবে মংগল।' এইবুলি কৈ তেওঁলোকে বাহিৰৰ পৰা দুৱাৰখন বন্ধ কৰি ৰাখিলে। বায়েক চাবলৈ মানুহ আহিল। তেওঁলোকে মিনতিৰ দেউতাকক সুধিলে, 'আপোনাৰ ছোৱালী কেইজনী?' উত্তৰত দেউতাকে ক'লে, 'ৰঞ্জুৱেই মোৰ একমাত্ৰ সন্তান।' এইষাৰ মিনতিৰ কেনেবাকৈ কাণত পৰিল যদিও তাই কথাষাৰ বিশ্বাস নকৰিলে। এনেকৈ বহুদিন গ'ল।

মাঘৰ ১০ তাৰিখ, ৰঞ্জুৰ বিয়া। সকলোৱে বিয়াৰ আয়োজনত উঠি পৰি লাগিছে। বায়েকৰ বিয়াত মিনতিয়েও স্ফূৰ্তি কৰিব। তাইৰ মুখতো এক অপৰূপ হাঁহি দেখিবলৈ পোৱা গ'ল। তায়ো বিয়াৰ মাংগলিক কাৰ্যবোৰত সহায়ৰ হাত আগবঢ়াব বিচাৰিলে কিন্তু কোনেও তাইক ওচৰলৈকে আহিবলৈ নিদিলে। সিহঁতে তাইক ক'লে, 'তই এই মাংগলিক কামবোৰত হাত দিলে এই সকলোবোৰতে শাওপাত লাগিব। তই অমংগলীয়া ছোৱালী। ঘৰখনৰ বৰবিহ। গতিকে ভালে ভালে ইয়াৰ পৰা আঁতৰ হ।' কথাষাৰ শুনি তাইৰ নিজৰ ওপৰত ধিক্কাৰ উপজিল। তাই মনতে কান্দি কান্দি নিজৰ কোঠালৈ গ'ল। তাইৰ পংগু শৰীৰটোলৈ চালে আৰু ভগৱানৰ ওচৰত নিজৰ এই অৱস্থাৰ কথা বিনালে— 'হে ভগৱান, তুমি মোক কিয় এনে অৱস্থাত সৃজিলা। মই কি দোষ কৰিছিলো, যাৰবাবে আজি মই এনে অৱস্থা পাৱলগীয়া হ'ল। মোৰ এনে অৱস্থা দেখিলে হেনো বাইদেউক অপছন্দ কৰিব বুলি মোক কোঠাৰ ভিতৰত সুমুৱাই থ'লে। দেউতাই নিজ মুখৰে দৰাঘৰক তেওঁৰ সন্তান মাথোঁ এটি, সেয়া বাইদেউ বুলি ক'লে। তাৰোপৰি আজি বাইদেউৰ বিয়াৰ কোনো মাংগলিক কাৰ্যতে মোক লিপ্ত হ'বলৈ নিদিলে। মই হেনো ঘৰখনৰ কলংক। সেয়ে মই এইবোৰ চুব নোৱাৰো। হে ভগৱান, মই ইমান অপযশ সহিব নোৱাৰো। মোক এইবোৰৰ পৰা মুক্তি দিয়া।' মাক তাইৰ কোঠালৈ অহা দেখি তাই চকুপানী মচি মাৰাক সুধিলে, 'মা তোমাক কিবা লাগিছিল নেকি?' মাকে তাইৰ জলক-তবক চকুযুৰি দেখি ক'লে, 'আইও তই নেকান্দিবি। মানুহে তোৰ বিষয়ে যিয়েই নকওঁক কিয় মই তোৰ অহিত চিন্তা কেতিয়াও কৰিব নোৱাৰো। এজনী মাকে নিজৰ সন্তানক কেতিয়াও বেয়া পাব নোৱাৰে। লাগিলে তেওঁ সকলোৰে বিৰুদ্ধাচাৰণ কৰিব। তথাপি সন্তানৰ দুখ দেখিব নোৱাৰে। মিনতিয়ে মাকক ক'লে, 'মা, তুমি মোক কেতিয়াও হতাশ নকৰা, সেয়া মই জানো। কিন্তু মোৰ কাৰণে যদি তোমাক মানুহে বেয়া পাই সেইটো মই কেতিয়াও সহ্য কৰিব নোৱাৰো। সেয়ে তুমি মোৰ কথা ভাবিব নালাগে। মই কেতিয়াও কাৰো বোজা হৈ থাকিব নিবিচাৰো। তুমি এতিয়া যোৱা বিয়াৰ কামত হাত লগোৱা গৈ।' মাক যোৱাৰ পিছত তাই কিছু সময় মৌন হৈ ৰ'ল। তাইৰ এনেকুৱা লাগিল যেন এই পৃথিৱীখন তাইৰ বাবে শূণ্য। ইয়াত তাইৰ কোনো সংগী নাই। আজি তাই বৰ অকলশৰীয়া অনুভৱ কৰিছে। ৰাতি সকলোৱে শুই থকা সময়ত তাই ঘৰৰ পৰা ওলাই গ'ল। ৰাস্তাৰে গৈ থকা সময়ত কিবা কিবি ভাবি গৈ থাকোতে পিছৰ পৰা আহি থকা তীব্ৰ বেগী ট্ৰাক এখনে তাইক খুন্দিয়াই ওচৰৰ নলাত পেলাই থৈ গ'লে। অকস্মাত হৈ যোৱা দুৰ্ঘটনাত গোটেই পৃথিৱীখন তাইৰ চকুৰ আগলৈ ভাহি আহিল। নিমিষতে তাই সকলোবোৰ পোৱা-নোপোৱা বুকুত সাৱটি এই পৃথিৱীৰ পৰা চিৰদিনলৈ আঁতৰি গ'ল।

> *নিঃসঙ্গতাৰ যন্ত্ৰনা-নাশক প্ৰতিষেধক হিচাপে কাম;*
> *মানুহৰ সঙ্গৰ বিকল্প হিচাপে কিতাপ।*
> *— ডাগ হেমাৰশ্বল্ড*



# তোলনীয়া মাতৃ

জোতিস্মা গোস্বামী
*স্নাতক তৃতীয় যাণ্মাসিক, ইংৰাজী বিভাগ*

ৰাতিটো লাগে যিমানেই বিষাদভৰা নহওঁক কিয়! ৰাতিপুৱা বেলিটোৱে এটি নতুন আশা লৈ উদয় হয়। দিনটোৰ এক শুভ আৰম্ভণি কৰিবলৈ বহুতো মানুহে দোকমোকালিতে 'মৰ্ণিং ৱাক' কৰিবলৈ ওলাই যায়। যান্ত্ৰিকতাৰ পৃথিৱীখনত প্ৰকৃতিক বিচাৰি পোৱাটো খুবেই কঠিন; বিশেষকৈ এখন ব্যস্ততাপূৰ্ণ মহানগৰীৰ বাবে। সেয়েহে, প্ৰকৃতিৰ হেৰাব ধৰা মাদকতাৰ সন্ধানত আন বহুতৰ দৰে দিগন্তও ওলাই আহিছে। এইটো তাৰ বহুদিনৰ অভ্যাস। অন্য এটা স্বাভাৱিক দিনৰ দৰেই চিনাকী-অচিনাকী মানুহবোৰ ওলাই আহিছে। ৰাস্তাৰ কাষে কাষে খোজকাঢ়িছে, চিনাকীবোৰৰ লগত দু-আষাৰ কথাও পাতিছে। পুনৰ যাত্ৰা আৰম্ভ কৰিছে, ৰৈ থাকিবলৈ কাৰো সময় নাই। কিন্তু, হঠাৎ দিগন্তৰ চকু পৰিল ফুটপাথত, তাত এগৰাকী বৃদ্ধ মহিলা বহি আছে। কিবা যেন ভাবি আছে মানুহবোৰলৈ চাই! বহুতো মানুহ বৃদ্ধাগৰাকীৰ কাষেৰে পাৰ হৈ গৈছে। কোনোবাই হয়তো এবাৰ চাইছে,

কোনোবাই আকৌ নোচোৱাকৈ পাৰ হৈ গৈছে। কিন্তু দিগন্তই তেওঁক দেখি নেদেখাৰ ভাওঁ জুৰিব নোৱাৰিলে। বৃদ্ধাগৰাকীক দেখিয়েই গম পালে যে তেওঁ ভিক্ষাৰী হ'ব নোৱাৰে। গাত চাফ-চিকুণ পোছাক, মুখতো এক উজ্বলতা আছে। সি তেওঁৰ কাষলৈ গৈ সুধিলে, "কোন হয় আপুনি? ইয়াত এনেদৰে আছে যে! বাট হেৰুৱাইছে নেকি? তাৰ প্ৰশ্ন শুনি এটি দীঘল হুমুনিয়াহ পেলাই বৃদ্ধাগৰাকীয়ে ক'লে, "বাট হেৰোৱা নাই বোপাই! মোৰ লক্ষ্যস্থানহে হেৰাইছে।" এইবুলি কৈ তেওঁ দিগন্তলৈ মূৰ তুলি চাই হুকহুকাই কান্দি দিলে। তেওঁৰ অৱস্থা দেখি, সান্ত্বনা দি তেওঁক লাহে লাহে সি কাষতে থকা জিৰণি ঘৰটোত বহুৱালে। তাৰপিছত তেওঁক অলপ পানী আৰু দোকান এখনৰ পৰা খোৱাবস্তু অলপ আনি খুৱালে। তেওঁৰ উকা কপালখন দেখি সি গম পাইছিল যে তেওঁ বিধৱা। কিন্তু, তেওঁৰ সন্তান! সি লাহেকৈ সুধিলে, "আপুনি বাৰু এইখন মহানগৰীৰে নেকি?" তেওঁ কলে যে তেওঁ ইয়াৰে নহয়, দূৰণিবটীয়া ঠাই এখনৰ পৰা পুত্ৰ-বোৱাৰীয়ে লৈ আহিছিল তেওঁক। সিহঁতে হেনো তেওঁক ইয়াতে থৈ গুচি গ'লগৈ। কথাবোৰ শুনি যেন তাৰ নিজকে বিশ্বাস হোৱা নাছিল। বাতৰি কাকত, টেলিভিছনত অতদিনে শুনি আছিল, কিন্তু আজি নিজে সাক্ষী হ'ল। তাৰ আৰু সুধিবলৈ প্ৰশ্নৰ অভাৱ হ'ল। পিছে বৃদ্ধাগৰীকায়ে কৈ গ'ল, "ওৰেটো জীৱন কষ্ট কৰিলোঁ বুঢ়া হ'লে সুখত খাব পাৰিম বুলি। কিন্তু আজি পথৰ ভিক্ষাৰীহে হ'লো। একমাত্ৰ পুত্ৰ সুখ, উন্নতি হওঁক বুলি তাৰ দেউতাক আৰু মই বহুত কষ্ট কৰিছিলো। তেখেতৰ মৃত্যুৰ পিছতো তাকেই সাৰথি কৰি থকাদিনকেইটা থাকিম বুলি নিজকে সান্ত্বনা দিছিলো। কিন্তু, আজি তাৰ ঘৰত মোৰ বাবে অকণমান ঠাইৰ অভাৱ। আজি তাক মোৰ প্ৰয়োজন হোৱাত বোৱাৰীৰ কথাত ভোল গৈ সি মোক ইয়াত অকলে এৰি থৈ গ'ল। কথাখিনি কৈ তিতি থকা চাদৰৰ আঁচলেৰে চকুপানীখিনি মুচি পেলালে। কথাখিনি শুনি থাকোতে দিগন্তৰ মন মগজু কিছুমান বহুত পুৰণি চিন্তা-ভাবনাই আৱৰি ধৰিলে। মনত পৰিল সেই দিনটোলৈ, যিটো দিনত সি নিজেও হয়তো ফুটপাথত পৰি আছিল। কোনোবাই চাগে কেঁচুৱাৰ কান্দোন শুনি তাক তুলি নি অনাথ আশ্ৰমত থৈ আহিছিল। সি অনাথ আশ্ৰমতেই ডাঙৰ-দীঘল হৈছে। সাধাৰণতে অনাথ মানে মাক-দেউতাকৰ মৃত্যু হোৱাকে বুজায়। কিন্তু সি যেতিয়া বুজা হৈছিল তেতিয়া আশ্ৰমৰ কোনোবাৰ মুখত শুনিছিল তাৰ হেনো মাক-দেউতাক জীৱিত আছে। তাক তেওঁলোকৰ জীৱন-যাত্ৰাৰ অংশীদাৰ হোৱাটো বিচৰা নাছিল। হয়তো অবৈধ মাতৃত্বৰ বোজা, সমাজৰ আগত কলংকিত হোৱাৰ ভয়ত তাক এনেদৰে অকলে পেলাই থৈ গৈছিল নিৰ্জন ঠাইত। অৱশ্যে, ৰাতিৰ আন্ধাৰত পেলাই থৈ যোৱা শিশুটোৰ জীৱন অন্ধকাৰপূৰ্ণ নহ'ল। সিয়ো নিজৰ জীৱনত পিতৃ-মাতৃক নিবিচাৰি পঢ়ি-শুনি নিজকে এজন সফল ব্যক্তি হিচাপে সমাজত প্ৰতিষ্ঠা লাভ কৰিলে। কেইমাহমান আগতে বিয়া কৰোৱা আশ্ৰমতে শৈশৱৰ লগৰীৰ সৈতে এক সুখী সংসাৰ যদিও, আজি এই অকলশৰীয়া বৃদ্ধা গৰাকীক লগ পাই সৰুতে অনুভৱ কৰা মাকৰ অভাৱ যেন পুনৰ জাগ্ৰত হ'ল। এনে লাগিল তাৰ, যেন উঠি অহা বেলিটোৱে মাত্ৰ তাকেই পোহৰ দিছে। সেই বৃদ্ধাগৰাকীক কোনো বৃদ্ধাশ্ৰমৰ আলহী হোৱাতকৈ তাৰ পৰিয়ালৰ এজন সদস্য কৰি লোৱাটোকে ঠিক কৰিলে। সি হঠাৎ এক নতুন উছাহত বহাৰ পৰা উঠিল আৰু বৃদ্ধাগৰাকীক ক'লে, "মা, ব'লা ঘৰলৈ যাওঁ।" কথাষাৰ শুনি বৃদ্ধাগৰাকীয়ে এক অবাক দৃষ্টিৰে তালৈ চাই ৰ'ল মাথোঁ।........



✧ ✧ ✧ ✧ ✧

জীৱনৰ কোনো কথাতে গৌৰৱ নকৰিবা, যদি তুমি সঁচাই উপযুক্ত,
তেন্তে এনেভাৱে কাম কৰা যাতে তুমি মানুহে জানিবৰ যোগ্য হোৱা।

*— ৰঘুনাথ চৌধুৰী*

ল'ৰা-ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে। ভদ্ৰলোক বা ভদ্ৰমহিলা হ'বলৈ নহয়।

*— পদ্মনাথ গোহাঁই বৰুৱা*

# সাত বছৰ পিছত



**নিশা কলিতা**
*স্নাতক দ্বিতীয় ষাণ্মাসিক*
*হিন্দী বিভাগ*

সন্মুখত থকা কাঁচৰ গিলাচটো তুলি লোৱাৰ আগে আগে হৃদয়ৰ বুকুখন ধপধপাই উঠিল। হাতখন দীঘলকৈ মেলি গিলাচটো লওঁ নলওঁকৈ থাকোঁতে কাষতে বহি থকা ৰঞ্জনে মাত লগালে, "কি কৰিবি হৃদয়? খাব নে নেখাৱ? নাখাৱ যদি.."

"তই এনেদৰে চায়েই থাকিবি নে? ইপিনে আমাৰ জিভাবোৰ মদিৰাদেৱীৰ স্পৰ্শ পাবলৈ লকলকাই আছে।" চিন্ময়ে ক'লে।

"খা, খা। ভয় কৰিব নালাগে। নে লাজ কৰিছ আমাক?" এইবুলি মই হাঁহি দিছিলো। অৱশ্যে মোৰ হাঁহিত কোনেও যোগদান নকৰিলে।

"ঠিক আছে, তই বেলেগ এদিন খাবি বাৰু।" এইবুলি ৰঞ্জনে তাৰ হাতখন হৃদয়ৰ পিঠিত থ'লে। ইমানপৰে মন্তব্যবোৰ শুনি থকা হৃদয়ৰ বুকুৰ ঢপঢপনি বাঢ়ি গৈ গৈ শেষত উশাহ বন্ধ হ'বৰ উপক্ৰম হ'ল। তাৰ সমস্ত শৰীৰ, মূৰৰ পৰা ভৰিলৈ গৰম হৈ উঠিল। অৱশেষত সি হঠাৎ গিলাচটো থাপ মাৰি ধৰিলে। কঁপা কঁপা হাতখনেৰে গিলাচটো মুখৰ ওচৰলৈ লৈ গ'ল। নাকত লাগি ধৰা বিকট গোন্ধটো আজি তাৰ সহ্য হৈছে। ক'ৰবাৰ পৰা যেন সি কিবা এটা অদৃশ্য শক্তি পাইছে।

ল'ৰাজনৰ নাম হৃদয়। হৃদয় কাশ্যপ। ৰমদমা চহৰখনৰ গাতে লাগি থকা ৰং চাপৰি গাঁৱত তাৰ ঘৰ। দেউতাক এজন সমাজকৰ্মী। সি সৰুৰে পৰাই আছিল সহজ-সৰল। গাঁওখনত তাৰ এক সুকীয়া Image আছে। আচাৰ-ব্যৱহাৰ, চলন-ফুৰণ, কথা কোৱাৰ ধৰণ, পঢ়াশুনাই সকলো ক্ষেত্ৰতে ভাল বুলি তাৰ চিনাকী গাঁওখনত। হাইস্কুলৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ আমাৰ নিজ অঞ্চলৰ ৰমদমা মহাবিদ্যালয়ত নামভৰ্তি কৰে। হাইস্কুলত শান্ত-শিষ্ট হৈ চলি অহা হৃদয় কলেজৰ সীমাহীন বিশালতাৰ মাজত নিজকে উন্মুক্ত পক্ষীৰ দৰে আৱিস্কাৰ কৰি চলিব ধৰে। তাৰ মুক্ত স্বভাৱৰ বাবে প্ৰতিজন সহপাঠী তথা অধ্যাপক-অধ্যাপিকাৰ লগত অতি সহজে সম্পৰ্ক স্থাপন হৈ যায়। সি চাৰিওফালে দেখিবলৈ পায় মাথো সেউজীয়া। নিৰ্মল সেউজীয়া। তাৰ বন্ধুৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰে। 'ছিনিয়ৰ'বোৰৰ সৈতেও একেই বন্ধুত্ব। ক্ৰমান্বয়ে তাৰ ছোৱালী বন্ধুৰ সংখ্যাও বৃদ্ধি পাবলৈ ধৰিলে। এনেকুৱা এটা অৱস্থাতে মই তাৰ বন্ধুত্বৰ এনাজৰীত বান্ধ খাই পৰো। তাৰ স্বভাৱ দিনক দিনে পাতলীয়া হৈ যাবলৈ ধৰিলে। সেই সময়ত মই আকৌ সাংঘাতিক উন্মত্ত। মোৰ দৰে বন্ধুবোৰৰ লগত পৰি সি আৰু বেছি পাতল হৈ যাব ধৰিলে। এনেদৰে এজনী মুছলিম ধৰ্মী ছোৱালীৰ লগত তাৰ সম্পৰ্ক ঘটে। গাঁৱৰ মানুহবোৰে তাৰ এই পাতলীয়া স্বভাৱত আচৰিত হ'ব ধৰে। অৱশ্যে এটা কথা, মই যদিও আটাইতকৈ উন্মত্ত, মই আটাইতকৈ বেছি ভাবুক। হাঁহি থাকো যদিও অনবৰতে আনৰ মত কি ঘটি থাকে, সেয়া চাবলৈকে যেন মই সদা প্ৰস্তুত।

আমি চাৰি-পাঁচজনমান ল'ৰাই গোট হৈ প্ৰায়ে বজাৰত এটা জুপুৰি আছে, তাত লগ লাগি মদ খাওঁ। এদিন হৃদয়ে ঘপকৈহে ক'লে যে তাৰ মদ খাব মন গৈছে। আমাক নেৰা নেপেৰাকৈ ধৰিলে। উপায়হীন হৈ ভাবিলো 'ঠিক আছে'।

আনদিনাৰ দৰে সেইদিনা সন্ধিয়াও তাত বহিলোঁ। হৃদয় সিদিনা নতুন সদস্য। কোঠাটো জৰাজীৰ্ণ অৱস্থাৰ আছিল। মাজৰ টেবুলখনত এডাল জ্বলন্ত মম। লগত দুটি ৰঙা বটল আৰু পাঁচটা কাঁচৰ গিলাচ। হাত দুখন টেবুলত থৈ তাৰ ওপৰত মূৰটো থৈ এখন চেয়াৰত বহি আছে সি। আমি চাৰিওজনৰে দৃষ্টি তাৰ ওপৰত নিৱদ্ধ। কিছুপৰ নিস্তব্ধতা। এটা সময়ত নিস্তব্ধতা ভংগ কৰি হৃদয় চেয়াৰখনত আউজি বহিল। কিছুপৰ মনে মনে থাকি ক'বলৈ আৰম্ভ কৰিলে, "মই সদায় অনবৰত তামাচা কৰি থাকো ন? মই বহুত পাতল নেকি?"

"নাই। তোক আমি সেইবাবেইতো ভালপাওঁ। কিন্তু এটা কথা বুজি নাপালো তই আজি হঠাৎ এনেকৈ আমাৰ লগত বহি মদ খোৱাৰ কাৰণ কি?" ৰঞ্জনে সুধিছিল।

"জান ৰঞ্জন, মই ক'ৰবাত পাইছিলো, "জীৱনত আটাইতকৈ ডাঙৰ স্বাধীনতা হ'ল পাপ কাম কৰা স্বাধীনতা। মই স্বাধীন হব খোজো। পৃথিৱীত প্ৰত্যেকেই স্বাধীন হ'ব খোজে। মানুহে স্বাধীন হ'বলৈ হ'লে পাপ কৰিবই লাগিব। আজি মই সেয়ে এটি পাপ কৰিব ওলাইছো। পাপ কৰিলে মানুহে এক তৃপ্তি পায়। তাৰবাবেইটো সকলো মানুহেই পাপ কৰে।"

হৃদয় সাংঘাটিক Philosophical ল'ৰা। তাৰ কথা সদায় এক দৰ্শনৰ গোন্ধ লাগিয়েই থাকে।

"মইটো সেইকাৰণেই কওঁ- আমাক লাগে মুক্তি! কেৱল মুক্তি! আমি প্ৰত্যেকেই স্বাধীন হ'বৰ বাবে শেষ কৰি যাম এটি এটিকৈ নিজৰ জীৱন। তাৰবাবে আমাক লাগিব মদ। মদ নহ'লে আমি আধৰুৱা। মদে আমাৰ জীৱন পূৰ্ণ কৰে।"

"পিছে, আমিবোৰে মা-দেউতাই গম নোপোৱাকৈ ইয়াত বহি যে মদ খাইছো, সেইটো ভাল হৈছে নে?" ইমান পৰে মৌন ব্ৰত পালন কৰি থকা সঞ্জীৱে ক'লে।

"সেইটো সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব তোৰ ওপৰত। তই যদি ভাব যে সেইটো ভাল কাম হৈছে তেন্তে সেইটো ভাল, আৰু যদি ভাব যে সেইটো বেয়া তেন্তে বেয়া। তইটো নিশ্চয় জান, If something is right, it is your duty to do it, through the whole world thinks it is to be wrong. মানুহে নিজ ইচ্ছামতেই কাম কৰি যাব লাগে। সম্পূৰ্ণ নিজ ইচ্ছা মতে। তেতিয়াহলেহে এই পৃথিৱীত শান্তি আহিব। মই সমাজখনলৈ পৰিৱৰ্তন আনিম। মই এনে এটা তত্ব আৱিস্কাৰ কৰিম যিয়ে পৃথিৱী সলনি কৰি দিব। প্ৰথম অৱস্থাত মোক বহুতে বেয়া বুলিব। কিন্তু শেষত হে বুজিব। ইতিমধ্যে মই সেই তত্বটো আৱিস্কাৰ কৰিছোৱেই। কেৱল প্ৰকাশ কৰিব বাকী।"

"কি সেই সূত্ৰটো?" মই সুধিছিলো।

"সদায় কেৱল নিজৰ মতে ভাল লগা কামবোৰ কৰি যোৱা। মৃত্যুৰ আগমুহূৰ্তলৈ মনত এই বিশ্বাসটো ৰাখিবা যে মই এতিয়ালৈ কোনো বেয়া কাম কৰা নাই।"

"বাঃ বাঃ বঢ়িয়া সূত্ৰ। পিছে আজি আমাৰ মদ খোৱাটো হ'ব নে নহয়?" ৰঞ্জনে ক'লে।

"মদ। এইটো এটা ডাঙৰ বস্তু। তইঁত Lucky ইয়াৰ তৃপ্তি কোনোবাদিনাই লৈছ। আৰু মই আজি ল'ম। আৰু লোৱাৰ আগমুহূৰ্তত মই ইয়াৰ প্ৰতি তীব্ৰ আকৰ্ষণতা সৃষ্টি কৰি ল'ব বিচাৰিছো। কোনো এটা বস্তুৰ বাবে যেতিয়া তীব্ৰ আকৰ্ষণ জাগি উঠে তেতিয়াহে সি তোৰ গ্ৰহণযোগ্য হয়।"

"অ'ই, আমাৰ লগৰ যে প্ৰণিতা। তাইৰ টো খেলি থকা গাটো দেখিলে মোৰ কিবা কিবা লাগি যায়।" চিন্ময়ে হাঁহি এটা মাৰি ক'লে।

"কোনোবাই কৈছিল, কেইঅনামান পইচা দিলেই তিৰোতাৰ কোমল মাংস পোৱা যায় কিন্তু আমাৰ তৃপ্তি অক্ষুন্ন থাকে। কিবা এটা বস্তুৰ প্ৰতি আকৰ্ষণ যেতিয়া আত্মাৰ পৰা জাগিব, তেতিয়াহে তাৰ পূৰ্ণ তৃপ্তি পোৱা যায়।"

"হৃদয়, তোক কথা এটা কওঁ, তই চাজিদাক সঁচাকৈয়ে ভাল পাব নে? মোৰ কেতিয়াবা কেতিয়াবা সন্দেহ হয়..." ৰঞ্জনে হঠাৎ দিলে।

"সন্দেহ! এই সন্দেহেই আমাৰ সম্পৰ্কবোৰৰ আটাইতকৈ ডাঙৰ শত্ৰু। ইয়াক ক'তো ঠাই নিদিবি। চাজিদাক মই ভাল পাওঁ, আৰু ইমানেই ভালপাওঁ যে গোটেই জীৱন তাইৰ বাবে মই ৰৈ থাকিম। তাইক দেখিলে মই শান্তি পাওঁ। তাইতো মোৰ বাবে বায়ু আৰু পানী, যি নহ'লে জীয়াইয়ো নাথাকো মই।" হৃদয় আবেগিক হৈ পৰিল।

"এতিয়া সেইবোৰ বাদ দে। আমাৰ মূল কাম কৰ। নহ'লে মদিৰা দেৱী ৰুষ্ট হ'ব।" এইবুলি ৰঞ্জনে বটলৰ পৰা প্ৰত্যেকটো গিলাচতে মদ ঢালিবলৈ ধৰিলে। মই হৃদয়ৰ ফালে লক্ষ্য কৰিলো। এইবাৰহে যেন সি সাৰ পালে। তাৰ সমুখত থকা মদৰ গিলাচবোৰ দেখি সি এখন অন্য ৰাজ্যত থকা যেন পালে। ইমান পৰে জীৱনৰ বিৰুদ্ধে দাৰ্শনিক মতবাদ দি থকা হৃদয়ক যেন সংস্কাৰপুষ্ট বিবেকে দংশিবলৈ আৰম্ভ কৰিছিল। তাৰ কপালত বিন্দু বিন্দু ঘাম বিৰিঙি উঠিছিল। শেষত হঠাৎ যেন সি ক'ৰবাৰ পৰা এক যাদু কৰি শক্তি পালে।

পিছদিনাখন খবৰ পোৱা গ'ল— হৃদয়ৰ বিষক্ৰিয়া হৈ মৃত্যু হৈছে। পষ্টমৰ্টেম ৰিপোৰ্ট অনুযায়ী মদৰ লগত বিষ মিলাই খোৱাৰ ফলত তাৰ মৃত্যু হৈছে।

হৃদয়ৰ মৃত্যু কেনেকৈ হ'ল, সেই প্ৰশ্নৰ উত্তৰ পুলিচে আৰু মইও আজিলৈ নাপালো। আজি সাত বছৰৰ পিছত সঞ্জীৱ আৰু চাজিদাৰ বিয়া। ঘটনাটো মোৰ আগত জীৱন্ত হৈ উঠিছে। কিয় আৰু কেনেকৈ?

✧ ✧ ✧ ✧ ✧

গল্প

# মৰমৰ দুঃব্যৱহাৰ



**উপাসনা দাস**
উঃমাঃ দ্বিতীয় বৰ্ষ

সূৰুযৰ হেঙুলী কিৰণক ৰাতিপুৱাতে আদৰি সকলো মানুহে নিজৰ নিজৰ কামত ব্যস্ত হৈ পৰিছে। কোনোবাই কাপোৰ ধুইছে, কোনোবাই গা ধুইছে ইত্যাদি। সেইদৰে মীৰাও ঘৰখনৰ একমাত্ৰ বোৱাৰী হিচাপে সকলো বস্তু থানথিত কৰি আছে। এইফালে শাহুৱেকে কয়, ‘বোৱাৰী, কাম কৰা হ'ল নে? চাহ একাপ দিবাচোন’। সেইফালে গিৰিয়েকে মাত লগাইছে, ‘তোমাৰ কাম কৰা হোৱাই নাই? মোৰ অফিচলৈ যাবলৈ পলম হ'ব এতিয়া’। আনফালে আকৌ পৰাণ আৰু পৰিয়ে চিঞৰিব ধৰিছে, ‘মা ন বাজিলেই, আমাৰ স্কুললৈ যাবৰ সময় হ'ল। ক'তো যে কিমান কাম। পৰাণ আৰু পৰি দুয়ো পঞ্চম শ্ৰেণীত পঢ়ে। পৰি পঢ়া-শুনাত চোকা, লগতে আন বিষয়তো ৰাপ আছে। যেনে-নৃত্য, গীত ইত্যাদি। কিন্তু পৰাণ পঢ়া-শুনাত সিমান চোকা নহয়। কিন্তু আইতাকে পৰিতকৈ পৰাণক বেছি ভাল পায়। কৰোবাৰ পৰা কিবা বস্তু আনিলে পৰাণক দিয়ে। সেইদেখি পৰিৰ খং উঠে। আইতাকে কয়, ‘সি ল'ৰা মানুহ দে, ডাঙৰ হ'লে সিয়ে মাক-দেউতাকক খুৱাব লাগিব তই আনৰ ঘৰলৈ গুচি যাবি।’ চাওঁতে চাওঁতে সিহঁত দুয়ো মেট্ৰিক পৰীক্ষাৰ দুৱাৰদলিত উপস্থিত হ'ল। পৰাণে বেছি নপঢ়ে দিনৰ দিনটো ঘূৰি ফুৰে,



গধূলি সাত মান বজাত আহি টেবুলত বহে। এঘণ্টা ভালকৈ নপঢ়াকৈ বিছনাত শুই পৰে। কিন্তু পবি খুব কষ্ট কৰি পঢ়া-শুনাত মনোযোগ দিয়ে। তাই প্ৰতিজ্ঞা কৰিছে আইতাকে পৰাণক বেছি মৰম কৰে সেয়ে মই ভাল ফলাফল কৰি দেখুৱাম। মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলাল। পৰি প্ৰথম বিভাগত তিনিটা বিষয়ত লেটাৰসহ উত্তীৰ্ণ হ'ল। কিন্তু পৰাণে তৃতীয় বিভাগতহে উত্তীৰ্ণ হ'ল। সিহঁত দুয়োকে কলেজত নাম ভৰ্তি কৰি দিলে। পৰি বিজ্ঞান শাখাত নামভৰ্তি কৰিলে। পৰাণে প্ৰথম কলেজত গৈয়ে কিছুমান সংগৰ লগত পৰি চিখৰ, গুট্খা আদি বস্তুবোৰ খাব ধৰিলে। দেউতাকৰ পৰা সদায় দাবী-ধমকি দি টকা নিয়ে আৰু মাক-দেউতাকক কয়, 'মোক এইবাৰ এখন মটৰ চাইকেল লাগে।' কিন্তু দেউতাকে নিদিয়ে। পৰাণে তেতিয়া আইতাকক খাটনি ধৰিলে। আইতাকে যেতিয়া দেউতাকক ক'লে দেউতাকে দিবলৈ বাধ্য হ'ল। এতিয়া পৰাণৰ বেলেগ কাম নাই দিনৰ দিনটো ঘূৰা আৰু ৰাতি কেইবজাত আহে ঠিক নাই। কেতিয়াবা দেউতাকে পইচা নিদিলে আইতাকৰ পৰা মনে মনে লৈ যায়। লাহে লাহে পৰাণে মদ আদি নিচাযুক্ত দ্ৰব্য সেৱন কৰিবলৈ ধৰিলে। পিছত পৰাণে ডাঙৰক সন্মান কৰিব নজনা খিংখিঙীয়া মানুহ হৈ পৰিল। পঢ়া-শুনাও প্ৰায় বাদেই দিছে। কলেজৰ ল'ৰা এজনক জোৰ কৰি চিখৰ খুওৱাৰ নামত কলেজৰ পৰাও বহিষ্কাৰ কৰিলে। এইফালে পৰি এম.বি.বি.এছ. পাছ কৰি ডাক্তৰ হ'ল। পৰাণক কলেজৰ পৰা বহিষ্কাৰ কৰা কথাটো যেতিয়া দেউতাকে গম পালে তাক মাৰধৰ কৰি কোনো গুৰুত্ব নিদিয়া হ'ল। আইতাকে বেমাৰত আক্ৰান্ত হৈছে। আইতাকৰ পৰা জোৰ জবৰদস্তি যিমানখিনি টকা আছিল গোটেইখিনি কাঢ়ি লৈ গ'ল। আইতাকৰো পইচা-পাতি নোহোৱা হোৱাত গহনাখিনি বিক্ৰী কৰি পইচা ল'লে। আইতাকে বাধা দিয়াত, 'এই বুঢ়ী মনে মনে থাক' বুলি ধমকি দিয়ে। এতিয়া পৰিহে আইতাকক চোৱা-চিতা কৰে। চাওঁতে চাওঁতে এনে এটা দিন আহি পৰিল যে পৰাণক কোনো শক্তিয়ে ৰাখিব নোৱাৰিলে। মৃত্যুৰ অটল গৰ্ভত লীন হৈ গ'ল। আইতাকে এতিয়াহে বুজি পালে অধিক মৰমৰ ফল কি হ'ব পাৰে!



✧ ✧ ✧ ✧ ✧

**নাজানিলে ভুল হ'ব**

- সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত প্ৰথমখন অসমীয়া গল্পপুথি হ'ল সৌৰভ কুমাৰ চলিহাৰ 'গোলাম' (১৯৭৪)
- ইয়াক তিব্বতত কোৱা হয় 'চাংপো', ঠিক একেদৰে অৰুণাচল প্ৰদেশত কোৱা হয় 'চিয়াং' আকৌ বাংলাদেশত জনা যায় 'গংগা যমুনা আৰু মেঘনা' এই তিনিওটা নামেৰে, যাক আমি অসমত কওঁ 'ব্ৰহ্মপুত্ৰ'।
- অসমৰ বাহিৰত প্ৰকাশিত প্ৰথমখন অসমীয়া আলোচনী হ'ল 'জোনাকী'।

# আধুনিকতা

**ইন্দ্রজিৎ দাস**
*স্নাতক পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*

দুৰৰ পৰা ঢোলৰ চেওঁ ভাহি আহিছে। চাৰিওফালে কেৱল ৰঙালী বিহুৰ প্ৰস্তুতি চলি আছে। বিহুৰ আখৰা তুংগত উঠিছে। পৰহিলৈ গৰু বিহু আৰু তাৰ পিছৰ পৰা চাৰিওফালে হুঁচৰি চলিব কিন্তু আজি এয়া পৰম্পৰা নহয়, এয়াও ব্যৱসায়। আগতে গৰু বিহুৰ পিছৰ পৰাই সাত দিনলৈ হুচৰি চলিছিল। এতিয়া সেয়া নহয়। এতিয়া বিহু গোটেই বছৰে থাকে। আগতে বিহু আঁহতৰ তলত প্ৰথম দিনা হৈ পিছৰ কেইদিন মানুহৰ ঘৰে ঘৰে হুঁচৰি মাৰিছিল। ডেকা-গাভৰুহঁতে টকা-সিকি-চাউল লৈ ভোজ ভাত খাইছিল। কিন্তু এতিয়া সেয়া নহয়। এতিয়া মঞ্চ বিহুত আগৰ সেই আনন্দ নাই। এতিয়া কেৱল ব্যৱসায় সকলোতে। উঃ ............ এটা দীঘল হুমুনিয়াহ নাকৰ পাহিৰে ওলাই গ'ল।

ঃ হেৰি কি কৰি আছে হে বাইহৰত। এ পাগঘৰৰ ফালে আহ চাহ বানাচু খাবিহি। এখনি পৰত বাইহৰত থাকবা নালাগে চাহ



খাঙ আহ।

ঃ অ গৈইছু।

দুয়োটাই মিনতিৰ মাতত হে চিন্তা জগতৰ পৰা বাহিৰলৈ ওলাই আহিল।

ঃ বহক এতে। ওচৰতে থকা পীৰা খনলৈ দেখুৱাই দি ক'লে- পৰহিলে বিহু, মই কেইখনমান পিঠা বানাঙ, লো চাহ। চাহখিনি হাতত তুলি দিলে। মোক পিঠা বানাৱা ৰখি থাকবিনা ভাত খায় টুপুনি মাৰবি।

ঃ হেৰ' বাপুৰ মাক, তয় অকলে থাকিব পাৰিবি ইয়াতে?

ঃ আপুনি যদি থাকে থাক নহলি মোৰ অচৰোতে, মোৰে ভাল লাগি থাকবো মনতো।

ঃ এৰা মোৰ হে কিবা মনতো বেয়া লাগি আছে।

ঃ হে মনতো বেয়া লাগবা কি আছে। পৰহি বিহু, মন আৰু কিয়া বেয়া লাগে।

ঃ বেয়া লগাৰহে কথা কৈছা। কিবা চিন্তা কৰাৰ ভংগীমাৰে, বছৰেকৰ বিহুটো সকলোৰে ঘৰত উখল-মাখল পৰিৱেশ। আমাৰহে ঘৰত দুটা প্ৰাণী। তাৰ বাদেউতো আন কোনো নাই যে গৰু বুলিওটো এটাও নাই। আগদিনা কঁকালৰ বিষটোৰ বাবেও যিজনী গাই আছিল তাকো বেছিলো। ল'ৰা-বোৱাৰীও আহে কি নাহে (ওপৰলৈ দেখুৱাই দি) সেইজনাই হে জানে।

ঃ ইমান চিন্তা কৰি মন বেয়া কৰি থাক্‌বা নালগে দে। কালি ৰমেনৰ তাতে ফোন কৰি কোছু দে আহা কালি সনকালে আহি পাবো। এইবাৰ বুলে এক মাহ মান থাকবো বুলে বোৱাৰী আৰু এটা কথা আমাৰ ল'ৰা-বোৱাৰী কি সেনাই নেকি, পত্তিক বাৰ বিহুত চুন আহেই।

ঃ হ'লেও দেচোন অন্তৰে নেমানেহে। আজিকালি যিহে দিন যুগ নিজৰ ল'ৰা-ছোৱালীয়ে মাক-দেউতাকক চোৱা দূৰৰে কথা নৰিয়াত পৰিলে মুখখন চাবলৈ নাহে। ঢুকোৱাৰ পিছত কিন্তু সম্পত্তি বিচাৰি ঠিকেই আহে। এতিয়া বোলে কিবা আধুনিকতাৰ যুগ। সেয়ে গাঁৱত থকা মাক-বাপেকক এৰি চহৰলৈ যায়। তাত হোনো সুবিধা বহুত কিন্তু সেই সুবিধা ল'বলৈ গৈ মাক-বাপেকক পাহৰি যায়। পাহৰি যায় যে মাক-দেউতাকে সিঁহতক সৰুৰ পৰা তুলি-তালি ডাঙৰ কৰে। পাহৰি যায় যে এই গাঁৱত নাথাকিলে চহৰৰ কোনো অস্তিত্ব নাই। গাঁও অবিহনে চহৰ বৰ্তি থাকিব নোৱাৰে। (কথা কেইটা ক্ষোভ আৰু দুখ মিশ্ৰিত হৈ ওলাই আহে।)

ঃ আপুনি যে কিয় কয় মই একো বুজি নাপাও কিয়ে ইমাখা কৈ থাকে। আপুনাৰ কথা শুনি থাকলি মোৰ পিঠা বানাৱা নহ'ব। প্ৰসংগ সলাবলৈ মিনতীয়ে তেনেকৈ ক'লে

ঃ এতে বহি থাক, মই পিঠা বানাঙ।

ঃ এৰা তুমি কি বুজিবা এই বিলাক দিয়া দিয়া তুমি পিঠা বনোৱা। মই ইয়াতে বহি থাকো। পিঠা অতোৱা হ'লেহে ভাত খাব পাম কিজানি। ধেমালি সুৰত ক'লে। কৈয়ে তৈওঁ আকৌ ভাবত বুৰ গ'ল। এহ আনৰ ল'ৰা-বোৱাৰীৰ দৰে আমাৰ ইহঁত কেতিয়াও নহয়। সকলো কথা বুজে। গাঁওত নাথাকিলেও গাঁৱক মৰম শ্ৰদ্ধা কৰে। গাঁৱৰ গুৰুত্ব বুজে। ওচৰৰে হৰেণৰ ল'ৰা চহৰত কিবা বোলে প্ৰফেছাৰ চাকৰি কৰে, ছাত্ৰ-ছাত্ৰীক পঢ়াওৱা কাম। হৰেণে কিমান কষ্ট কৰি ৰীতাক সেই চাকৰিৰ যোগ্য কৰি তুলিলে। পিছত বিয়া কৰাই চহৰত থাকিলে। বাপেক নৰিয়াত পৰি থাকোতেও এদিন চাব নাহিল। গাঁওৰ মানুহে তেওঁৰ শুশ্ৰূষা কৰি তেওঁক সুস্থ কৰিব নোৱাৰিলে, এদিন তেওঁৰ মৃত্যু হ'ল। বাপেকৰ মৃত্যুৰ পিছতহে পুতেক আহিল। অহাৰ কাৰণ পিছত হে গম পাইছিলো হৰেণৰ যিখিনি সা-সম্পত্তি আছে তাক যাতে কোনেও আত্মসাৎ নকৰে তাৰ বাবেহে আহিছিল। দেউতাকৰ মৃত্যুয়ে তাক মতা নাছিল। মাতিছিল দেউতাকৰ সা-সম্পত্তিয়েহে। এয়াই আজিকালিৰ ল'ৰা। কিন্তু আমাৰ বাপু তেনে নহয়। হৰেণৰ ল'ৰাহঁতৰ লগত আমাৰ বাপুক তুলনা কৰি নিজৰে কিবা গৌৰৱ অনুভৱ হোৱা বোৱাৰীৰ কথাই সুকীয়া। কাৰোবাৰ বোৱাৰীয়েকে যদি মাক-বাপেকেক চোৱাৰ বাবে খং কৰে আমাৰ বোৱাৰী তেনেকুৱাতো নহয়ে বোৱাৰীৰ কথামতেইতো বাপুয়ে প্ৰতিমাহে আঠ হাজাৰকৈ টকা দি পঠায়। সি প্ৰতিমাহে নাহে যদিও একাউন্টত দি পঠায়। প্ৰথমতে তাক কৈছিলো।

ঃ বুলু বাপু আমি দুটা প্ৰাণী খাওনে কিমান, ইমান টকা আমাক কিয় লাগে।' সি কিবা খাব খোজোতে বোৱাৰীয়ে কৈছিল।

ঃ দেউতা অকল খোৱাৰ কাৰণে নহয় নহয়, ঘৰ এখনত কিমান বস্তু লাগে মই জানো নহয় আৰু এতিয়া আপোনালোক বুঢ়া হৈছে ডাক্তৰৰ ওচৰলৈ মাজে মাজে গৈ থাকিব লাগিব নহয়। আপোনালোককটো বেলেগে একো শুশ্ৰূষা কৰিব নাপাওঁ ইয়াৰ দ্বাৰাই অলপ শুশ্ৰূষা কৰিব বিচাৰিছো সেয়াও যদি গ্ৰহণ নকৰে বৰ দুখ পাম।' বোৱাৰীৰ কথাত দুচকুৰেদি দুলোটক বাগৰি আহিছিল গম নোপোৱাকে। এই আধুনিকতাৰ যুগ যি ল'ৰা-ছোৱালীয়ে মাক-বাপেকক নোচোৱাও এক আধুনিকতা বুলি ভাৱে। তাৰ সম্পূৰ্ণ বিপৰীত কৈছিল,- দেউতা আজি যদি মই আপোনালোকৰ কোলাৰ পৰা আপোনাৰ সন্তানক কাঢ়ি লৈ যাওঁ আপোনালোকৰ কেনে লাগিব, ময়ো দুই সন্তানৰ মাক। মোৰ সন্তানক যদি কোনোবাই কাঢ়ি লৈ যায়

মই কেনেকৈ সহ্য কৰিম। আজি যদি মই আপোনাৰ সন্তানক কাঢ়ি লৈ যাওঁ মোৰ সন্তানেও সেই শিক্ষা পাব আৰু এদিন মোৰ বুকু উদং কৰি সিহঁত গুচি যাব সেয়েহে মই সিহঁতক সেই শিক্ষা দিব খোজা নাই দেউতা।' বোৱাৰীৰ সেই কথা শুনি বুকু উফন্দি উঠিছিল। পৰহিলৈ বিহু সিহঁত কাইলৈ আহি পাব সিহঁত চহৰত থাকে যদিও গাঁওৰ নীতি-নিয়ম সকলো বুজি পায়। যোৱাবাৰ বিহুত আহোতে আহিয়ে সভক্তিৰে ভৰি চুই সেৱা কৰিছিল। মই কৈছিলো- নালাগে আইজনী সেৱা কৰিব। তোমালোক উচ্চ শিক্ষিত মানুহ আমাৰ দৰে অশিক্ষিত গাঁৱলীয়া ভুতক ভৰি চুই পাপ লগাই নলবা আইজনী। তাৰ প্ৰত্যুত্তৰত বোৱাৰীয়ে কৈছিল।

ঃ দেউতা মই আপোনাক এগৰাকী উচ্চ শিক্ষিত হিচাপে ভৰি চুই সেৱা কৰা নাই, মই আপোনাক শহুৰ হিচাপে নহয়, দেউতা হিচাপে সেৱা কৰিছো। আৰু দেউতা আপুনিয়ে ক'লে 'গাঁৱলীয়া ভুত' বুলি আপোনাৰ পুত্ৰ জানো গাঁৱলীয়া ভূত নহ'ব। গাঁৱলীয়া ভুতেইতো মোৰ স্বামী। তেওঁক জানো আপুনি গাঁৱলীয়া ভুত হৈ উচ্চ শিক্ষাৰে শিক্ষিত কৰা নাই। আগলৈ আৰু দেউতা তেনেকৈ নক'ব মই মনত দুখ পাম।

ঃ বোৱাৰী মই তোমাক দুখ দিব খোজা নাই। কিন্তু এই আধুনিকতাৰ দিনত চহৰত থকাবোৰে গাঁৱত থকাবোৰক গাঁৱলীয়া ভুত বুলিয়ে কয়। নিজৰ সন্তানেই কয় এইবোৰ। শোকসিক্ত মনেৰে কথাখিনি কৈছিল। মিছাওতো কোৱা নাই তেওঁ নিজৰ ল'ৰা-ছোৱালী যেতিয়া উচ্চ শিক্ষাৰে শিক্ষিত কৰি চহৰত পঢ়াৰ সুবিধা কৰি দিয়ে। তেতিয়া মাক-বাপেকে কিমান কষ্ট কৰি সেই সুবিধা কৰি দিয়ে। উচ্চ শিক্ষাৰে শিক্ষিত হৈ সেয়া এবাৰো ভাবি নাচাই আৰু গাঁৱত থকা মাক-বাপেকক গাঁৱলীয়া ভুত বুলি কয়। এয়া আধুনিকতাৰেই প্ৰভাব। নিজৰ ল'ৰা-ছোৱালী নিজৰ মাক-বাপেকক চিনি নোপোৱা হ'ল।

ঃ দেউতা আধুনিকতা আমাৰ গাতো নলগা নহয়, লাগিছে। সেয়া শিক্ষাৰ ক্ষেত্ৰত, প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত, কু-সংস্কাৰ-অন্ধবিশ্বাসৰ ক্ষেত্ৰত কিন্তু সংস্কৃতি পৰম্পৰাৰ ক্ষেত্ৰত নহয়। আধুনিকতাৰ নামত নিজৰ মাক-বাপেকক চিনি নোপোৱা আমি নহয়। মোৰ জন্ম দাতা মা-দেউতা আৰু মোৰ স্বামীৰ জন্ম দাতা মা-দেউতা একে। শাহু-শহুৰৰ প্ৰতি ইমান শ্ৰদ্ধা ইমান ভক্তি তেওঁ মনতে ভাবিলে।

ঃ তুমি আমাৰ বোৱাৰী নহয় আইজনী তুমি আমাৰ জীয়ৰী। বোৱাৰীয়ে শ্ৰদ্ধা ভক্তিৰে হৃদয়খন উপচাই পেলালে, সেইদিনা। ........ বোৱাৰী বৰ্তমানৰ ছোৱালী, আধুনিক যুগৰ ছোৱালী, তথাপি শাহু-শহুৰক মৰম দিব জানে। আধুনিকতাৰ বতাহ লাগিছে যদিও সংস্কৃতি-পৰম্পৰাৰ ক্ষেত্ৰত লগা নাই। চহৰত থাকে সঁচা কিন্তু গাঁৱৰ গুৰুত্ব বুজে। চহৰত থাকে শিক্ষাৰ বাবে, পিতৃ-মাতৃক অৱহেলা কৰিবৰ বাবে নহয়। আধুনিক যুগৰ বোৱাৰী এনে সাধাৰণতে দেখা নাযায়। প্ৰায় সকলো বোৱাৰীয়ে শাহুৱেক-শহুৰেকক গাঁৱলীয়া ভূত বুলি ভাৱে (গাঁওত থকা বিলাকক)। এওঁলোকৰ শিক্ষা নাই কাৰণে এওঁলোকক মানুহৰ মৰ্যদা দিব নোখোজে। কিন্তু এই গাঁৱলীয়া মাক-বাপেকে হাল-কোৰ মাৰি ল'ৰাক চহৰত পঢ়ুৱাই। সেই ল'ৰা তেওঁৰ স্বামী হয় স্বামীৰ যোগ্যতাত যে শাহু-শহুৰৰ দুখ-কষ্ট আছে তাক দেখা নাপাই কেৱল স্বামীৰ কৃতিত্ব হে দেখা পায় এয়া আধুনিক যুগৰ বোৱাৰী। ইয়াৰ বিপৰীতে আমাৰ বোৱাৰী নতুন খিনিও গ্ৰহণ কৰিব পাৰে আৰু পুৰণিকো ধৰি ৰাখিব পাৰে। কেৱল নতুনখিনিক গ্ৰহণ কৰি পুৰণিখিনিক দলিয়াই পেলোৱা বিধৰ নহয়।

ঃ হেৰি হেৰি ....

ঃ অ' কি হ'লে হে...?

ঃ কি হ'ল হে শুধছা মোৰ পিঠা বনাৱা হ'ল। ভাত সাজি দিলু, পানী বাকি দিলু, চাৰিবাৰ মান মাতিলু তথাপি মুখৰ মাত নাই। কি ভাবি আছিল ইমানকে। ভাত খা টুপুনি মাৰ্‌বা লাগে। মই ভাব্‌লু আৰু মোল্লায়ে নিকি এই বুঢ়াতো। মিনতীয়ে ভেকাহি মাৰি ক'লে।

ঃ অ হয় নেকি কিবা ভাবি আছিলো দিয়া। আমাৰ ইহঁত কেতিয়াকে আহি পাব বুলি কৈছে। মিনতীয়ে তেওঁ অলপ মিছিকিয়াই প্ৰশ্নতো সুধিলে। তেতিয়াও অলপদূৰৰ পৰা বিহুৰ আখৰাত ঢোলৰ চেওঁ বতাহত ভাহি আহিছিল।

✧ ✧ ✧ ✧ ✧

অভ্যস্ত, নিৰাপদ আৰু গতানুগতিক পথত চলা বেছিভাগ মানুহৰ কাৰণেই জীৱনটো অন্ধৰ হস্তী দৰ্শনৰ নিচিনা।

— হোমেন বৰগোহাঞি

চুটি গল্প

# নকল

জীত দাস
*স্নাতক পঞ্চম ষান্মাসিক*

প্ৰায় সকলো ল'ৰা-ছোৱালী আহি নিজৰ ছিট নম্বৰ থকা ঠাইত বহি ল'লে। সকলোৱে নিজৰ কিতাপ-বহীবোৰ উলিয়াই কিবা-কিবি পঢ়ি আছে। অলপ সময় পাছত পৰীক্ষা আৰম্ভ হ'ব। পৰীক্ষক এতিয়াও আহি পোৱা নাই। সেয়েহে ল'ৰা-ছোৱালীবোৰে কিবাকিবি পঢ়ি আছে। সি পঢ়িব পৰা নাই। অজান আশংকাই বেৰি ধৰিছে তাক। আজিৰ পৰীক্ষাত কেনেবাকে পাছ কৰিব পাৰিলে সি বি.এ. পাছ কৰিব। কিন্তু পাছ কৰিব কেনেকৈ? সি এই কেইদিন পঢ়িবই পৰা নাই। পঢ়িবই বা কেনেকৈ। এই কেইদিন বিয়াৰ চিজিন। এইকেইদিন বিয়াৰ পেন্দেলৰ কাম বেছি। দিনে-ৰাতিয়ে পেন্দেলৰ কাম। ৰাতি তিনি চাৰি বজালৈকে কাম, ইখন পেন্দেলৰ পিছত সিখন পেন্দেল। একেবাৰেই আজৰি নাই তাৰ। ডাঙৰ মালিকৰ তলত কাম কৰে বাবে এই কেইদিন কাম বেছি। এই কেইদিন কাম পাওঁতে নকৰিলে সি লঘোণে মৰিব লাগিব। দেউতাকে হাজিৰা কৰে। কিছু টকা পায়। পালে কি হ'ব গোটেইখিনি মদ খাওঁতে শেষ কৰে। সি যিখিনি পায় সেইখিনিৰে মাক আৰু সি যেনে-তেনে পেট দুটা পুহি আছে। তেনেস্থলত সি কেতিয়া পঢ়িব? পেন্দেলৰ সময়ত পেন্দলৰ কাম কৰে। বাকী সময়ত লোকৰ ঘৰত হাজিৰা কৰে। দিনত হাজিৰা কৰে আৰু ৰাতি পঢ়িবলৈ ল'লে বাপেকে মদ খায় আহি কাজিয়া কৰে। সি পঢ়িবৰ বাবে সময় উলিয়াব নোৱাৰে; আৰু এইবোৰৰ পৰা পৰিত্ৰাণ পাবলৈ সি বি.এ. টো পাছ কৰি ল'লে তথাপি ক'ৰবাত কোম্পানীতেই হওঁক কাম কৰিব পাৰিব। সেয়ে সি এটা সিদ্ধান্ত লৈছে দোকানৰ পৰা দুখন ম'ডেল (Model) কিনি আনি তাৰ পৰা কেইটামান বছা বছা প্ৰশ্নোত্তৰ চিণ্ডি আনি পৰীক্ষাৰ দিনাখন নকল কৰিব। আজি সি সেয়ে কাৰো লগত কথা নপতাকৈ চুপ-চাপ বহি আছে। তাৰ ভয় লাগে যদি কথা পাতোতে তাৰ মুখৰ পৰা সঁচা কথাটো ওলায় যায়। চোলাৰ হাতৰ কোঁছত, লংপেণ্টৰ জেপত হাত ফুৰাই এবাৰ চালে। মনতে ভোৰ-ভোৰালে। আছে সকলো ঠিকে আছে। হেঃ সৰস্বতী মা মোৰ ফালে চাৱ অকণমান। ইতিমধ্যে পৰীক্ষকে উত্তৰ লিখা বহী আৰু প্ৰশ্নকাকত দিব ধৰিছে। সি পোন হৈ বহি ল'লে যাতে পৰীক্ষকে তাৰফালে চকু নকৰে।



# एक अधुरा सपना

**युतिका दास**
*स्नातक षठी षान्मासिक*
*राजनीति बिज्ञान विभाग*



आज रोहन के माँ की खुशी ही खुशी भर गयी। क्योंकि आज इतने दिनो से देखी हुई सपना पूरा हो गयी। उनके पिता ने ज्या न किया इस सपने को पुरा करने के लिए। आज उसके आँखो से तो खुशी की आँसु बाहर आई। आज उनलोगो के बेटा रोहन चिकित्सक बन गये। वो भी एम. बी. बी. एस। रोहन के सारे कष्ट आज सार्थक बन गई।

रोहन के तैयारी हो गई। गाड़ी भी आ गई। वो अपनी माता-पिता से आशीर्वाद लिए और प्यारे बहन को प्यार से गले लगा लिया। रोहन के आँखो से थोड़ा आँसु गिड़ आया।

'संभाल के जाना बेटा'- माँ ने प्यारे बेटा से कहा। 'और फोन करते रहना'। Bye थोड़ा सा हँसी लेकर रोहन ने बोला- 'हा, माँ, जरुर।' Bye

माँ के आँखो आँसुओ से चमकने लगे। एक नया सा अस्पष्ट सपने में वह खो-जाने लगे।

रोहन रामु के एक लौटा बेटा और रिया एक लौटी बेटी है। रोहन पहले से पढ़ने में बहुत तेज था। वह हमेशा श्रेणी में फार्ष्ट था और गणित विषय में उनका बहुत आग्रह था। परंतु रिया पढ़ने में तो इतनी तेज नही थी। लेकिन वो अन्य काम सबकुछ अच्छी तरीके से कर सकती है। वह कपड़े की सुन्दर सुन्दर डिजाईने भी कर सकती है। रिया और रोहन के पिता एक छोता सा किषान है। इन दोनो बच्छे की सुंदर

भविष्य बनाना ही रामु के आदर्श और सपना था।और माताजी ने कितने कष्ट उठायी दोने बच्छे के लिए ! उनके हर एक पल में चिंता होती रहती है कि कही उसके बच्छे की कुछ बुरा न हो जाये।

'सुनिए, आज रोहन का फोन आया था। रोहन ने बोला कि वहा रहके बहुत अच्छा लग रहे है। एक दिन घर आकर हम सबको भी वहा ले जाएगा।' रोहन के मा ने बोल उठी।

बात सुनकर रोहन के पिता दौड़ आया और बोला- 'मुझे क्यों नही बताया ? मुझे भी बात करना था।'

'आप घर में नही थे। बेटा बात जरुर करेगा। रोहन बेटा बहुत अच्छा हैं।' रोहन के मा ने बोली।

रामु अपने बेटा रोहन को लेकर बहुत चिंतित था। उसके बेटी रिया को भी ग्रेजुवेशन करने की मन थी। लेकिन उसकी पिता ने ज्यादातर पैसे सिर्फ रोहन के पढ़ाई में ही खर्च किया। रिया की सपने को एक छोटा सा कमरे में बंद कर दिया।

आज रोहन घर में आनेवाले है। सभी के आखो में आशाओ के खुशहाली किरने चमकने लगे। रोहन के बहन रिया ने भाई के इंतजार कर करके थक गयी। आज रिया की एक नयी जिंदगी शुरु होने जा रही हैं। क्योंकि आज रिया की शादी हैं। अभी तक अपने भाई की दिखाई नही दे रही है। वह बैचारी की आँखो चुप हो गई। उसकी शादी मंदिर में है। एक छोटा सा व्यवसायी के साथ रिया की शादी होगी। उसकी शादी के ज्यादातर खर्च उसकी होनेवाली पति ने ही किया।

शादी के दो दिन पहले वह रोहन को फोन लगायी। पर दो तिन बार कल करने के बाद भी रोहन से बात नही कर पाई। कुछ देर बाद जब बह फिर से फोन किया तो जबाब आया- "I am busy Riya, sorry' बाद में रिया ने SMS के जरिए अपने शादी की बात कह दिया और शादी के दिन आने को कहा। एक दिन बाद जबाब आया। OK

इंतजार करते करते दिन धीरे धीरे बीत गई। रिया की शादी भी खतम हो गयी। धीरे धीरे रिया अपने पति राज के प्यार में डुब जाने लगी। रिया ने कभी सपनो में भी नही सोचा था कि कोई उसको इतना प्यार करेगा, राज सच में एक प्यारे इंसान हैं। वह रिया की सत्ता को सच्छी ह्रदय से प्यार करते हैं। राज, एक बहुत गरीब घर का बेटा था। उसने जब ग्रेजुवेत किया तब पिता स्वर्गवासी हुआ था और उसके माता की मृत्यु तो बहत पहले ही हुई थी। राज बहुत मेहनत करके, साहस से काम किया और आज वह एक अच्छा व्यवसायी हैं। राज के पास बहुत पैसे, दौलत तो नही हैं, लेकिन उसके पास एक बहुत बड़ी पवित्र प्रेम भरी ह्रदय हैं। रिया अब बहुत खुश है।

अचानक रिया के जीवन में एक बार फिर से अपनी व्यर्थता प्रकट हुई। उसकी आँखो में अंधेरा समा गया। रिया की माँ के एक खतरनाक बीमार हुआ और बहुत जल्ड ही इसका इलाज करना है। इसके लिए बहुत पैसे की जरुरत पड़ गये। पर इतने सारे पैसा तो रिया और राज के पास नही हैं। और रामु के पास भी नही है। सबकुछ तो अपने बेटा रोहन के लिए ही खर्च किया। फिर भी राज और रिया किसी तरह माँ के इलाज कर रहे हैं। लेकिन आज अचनाक उनके माँ ने सबको छोड़कर कही दुर चले गयें। आज रिया और राज के ह्रदय खाली हो गये। माँ को तो यह भी पता नही थी की उसके बेटा रोहन ने शादी भी की है। मा के मृत्यु के बाद रिया के पिता का भी हालत बिगड़ने लगा। उसके आँखो में सिर्फ एक ही आशा चमकते रहते है कि रोहन बेटा आएगा, उनके पास आकर उसे पिता कहलाएगा। रामु खुद से सवाल करते है कि क्या रोहन सचमुछ उसके बेटा है। क्या रोहन अकेला शादी भी कर सकते हैं? ऐसे सोच सोचकर ही रामु का भी हार्ट फैइल हुआ और इस दुनिया की माया त्याग कर चले गये। मरते समय रामु के पास अपने बेटी रिया और राज के सिवा कोई नही था। रामु के सपना पुरा होकर भी एक अधुरा सपना बनकर रह गये।

✧ ✧ ✧ ✧ ✧

असफलता एक चुनौती है, इसे स्वीकार करो क्या कमी रह गई, देखो और सुधार करो जब तक न सफल हो, नींद चैन को त्यागो तुम कुछ किये बिना ही जय-जयकार नहीं होती कोशिश करने वालों की कभी हार नहीं होती।

--- हरिवंशराय बच्चन

गल्प



# रहस्य


**आश्विया बेगम**
स्नातक षठी षान्मासिक


राहुल पढ़ाई कर रहा है, इतने में उसके माँ की आवाज राहुल के कानों में पड़ा। वह काफी देर से पढ़ाई कर रहा है। माँ की तीसरी बार बुलाने पर वह खाने के लिए गया। खाके आने के बाद फिर से पढ़ाई करने लगा। थोरी देर बाद पढ़ाई कर लेने के बाद विस्तर पर जाकर लेट गया। उसके आखों में नींद नही कुछ ऐसे सपने है जो वह हर कीमत पर पूरा करना चाहता है।

प्राय: पाँच साल पहले की बात है। राहुल उसकी छोटी बहन और माता-पिता को लेकर एक सुखी परिवार था। पिता एक शिक्षक था हाइस्कुल में। राहुल बचपन से ही पढ़ाई में तेज था। इसलिए पिता उस पर गर्व करता था। तब राहुल दसवी कक्षा में था, जब उसके पिता की मौत हुई। एकदिन शाम को सब बैठ कर चाय पी रहे थे, इतने में राहुल के पिता को किसी का फोन आया। वह चाय का प्याला रखकर जाने के लिए उठ खड़ा हुआ। तो राहुल की माँ ने पुछा कहाँ जा रहे हो? उसने उत्तर दिया कुछ जरुरी काम है थोड़ी देर में आता हुँ। इतना सा ही कहकर वह घर से बाहर निकल गये। राहुल और उसकी छोटी बहन चाय पीकर पढ़ाई करने चले गये और माँ भी खाना बनाने गयी। रात के न बज रहे है, खाने का समय हो चुका था, लेकिन राहुल के पिता तभी तक घर पर नहीं आया। राहुल बार-बार अपनी माँ से पुछ रहा था पिताजी कब आयेंगे। माँ ने कहा कुछ जरुरी काम है थोड़ी देर में आयेंगे, तुमलोग खाना खाओ। दोनों भाई-बहन खाना खाकर सोने गये। माँ सोफे पर बैठकर राहुल के पिता की राह देख रहे है। रात के ग्यारह बज रहे है, अचानक एक जोरसे आवाज सुनाई पड़ी, राहुल भी शौक गया और नींद खोल गया। माँ दरवाजा खोलकर बाहर गयी राहुल भी उसके पीछे पीछे गया। खुन से लपेटे हुए एक आदमी का मृत शरीर था, जब शरीर के मुँह देखा तो वह राहुल के पिता थे।

उसी समय के बाद से ही राहुल के दिमाग में केवल एक ही बात बच गयी की उसे पढ़ लिखकर बड़ा आदमी बनना है, क्योंकि उसके पिता अक्सर उसे यह बात कहा करता था कि राहुल तुम ही मेरे गर्व हो, तुम्हे पढ़-लिखकर बड़ा आदमी बनना है और मेरा नाम रौशन करना है। राहुल को नींद न आने के कारण फिर से पढ़ाई करने लगा।

> फल के आने से वृक्ष झुक जाते हैं, वर्षा के समय बादल झुक जाते हैं, संपत्ति के समय-सज्जन भी नम होते हैं। परोपकारियों का स्वभाव ही ऐसा है। -- तुलसी दास

# বিচিত্ৰ

# চিন্তা

# বিচিত্ৰ

# অনুভৱ



*পুষ্প উপবনত ভিন্নৰঙী পখিলাৰ স্পৰ্শৰে*
*বিয়পি পৰা এমুঠি বৈচিত্ৰপূৰ্ণ সঁফুৰাৰ সমষ্টি*

# অসমৰ প্ৰান্তৰে প্ৰান্তৰে ...



ড° অপৰ্ণা গোস্বামী
প্ৰাক্তন বিভাগীয় মুৰব্বী তথা সহযোগী অধ্যাপিকা
ৰাজনীতি বিজ্ঞান বিভাগ

মোক যদি কোনোবাই সোধে তুমি কি কৰি ভালপোৱা? মই চিধি চিধিকৈ উত্তৰ দিম ফুৰি ভালপাওঁ। কিয়? এই ভ্ৰমণ বা ফুৰণে মনক যি আনন্দ দিয়ে সি আন কতো পোৱা নাযায়। অৱশ্যে কিতাপৰ কথা কিছু বেলেগ সেই আনন্দখিনিয়ে মনক তৃপ্তি দিয়ে। কিন্তু ভ্ৰমণে মন প্ৰাণ চকু জুৰায় দিয়ে। লাগিলে ঠাইখন ঘৰৰ ওচৰৰেই হওঁক।

কেতিয়াবা মনটো বৰ বেয়া লাগি থাকিলে অকণমান ওলাই গৈ এপাক ঘূৰি আহিলেও ভাল লাগে। আমি সদায় ভাবো ফুৰিবলৈ হলে বহুত টকা পইচা লাগে। কিন্তু সকলো সময়তে সেয়া নহয় টকা পইচাৰ প্ৰয়োজনৰ কথা অস্বীকাৰ কৰিব পৰা নাযায় যদিও কেতিয়াবা সমনীয়া দুজনমান লগলাগি ওচৰৰ নৈ বা পুখুৰী পাৰলৈ গৈ সময় বহি কটালেও ভাল লাগে। কেতিয়াবা আকৌ সমনীয়াৰ লগত চাইকেল চলাই গৈ অলপ দূৰৰ ঠাই এখনৰ সৌন্দৰ্যও উপভোগ কৰিব পাৰি। ৰাতিপুৱা যেতিয়া খোজ কঢ়িবলৈ ওলাই যোৱা হয় ধূলি বালি নথকা মুকলি শান্ত ৰাস্তাটোৱেও যেন কথা কয় ভাল লাগে।

মনটো যেতিয়া নানা চিন্তাই ভাৰাক্ৰান্ত কৰি ৰাখে, কেনিও একো পাৰ পোৱা নাযায় আপুনি তেতিয়া এখন শান্ত নিৰিবিলি ঠাইলৈ ওলাই যাওঁক। দেখিব আপোনাৰ বহু সমস্যাৰ সমাধান ওলাব। সেই ঠাইখনত অকলশৰে বহি আপুনি কথাবোৰ ভালদৰে ভাবক, বিশ্লেষণ কৰক। তাতে যদি কেনেবাকে দুই এজন মনে মিলা সংগী পায় যায় তেওঁলোকেও হয়তো আপোনাৰ সমস্যা সমাধানৰ উপায় উলিয়াই দিব পাৰে। কাৰণ আপুনি নাভাবিব সমস্যা বা

অশান্তি পৃথিৱীখনত কেৱল আপোনাৰহে আছে আন কাৰোৰেই নাই কিন্তু ওলাই গ'লে দেখিব আপোনাতকৈ বেছি গভীৰ সমস্যাত ভূগি থকা মানুহো আছে। গতিকে অলপ ভ্ৰমণ কৰক আমি আকৌ ভ্ৰমণ বুলিলেই টকা পইচা খৰচ কৰি ৰেলে, উৰাজাহাজে বাছে তাছে ঘূৰাৰ কথাহে ভাবে। কিন্তু প্ৰাতঃ ভ্ৰমণ, সান্ধ্য ভ্ৰমণ এইবোৰ ভ্ৰমণ নহয় জানো? চাইকেলখন লৈও আমি দেশ-বিদেশ ভ্ৰমণ কৰিব পাৰো।

যিয়েই নহওক আজি এই লিখনিত আমি অসমৰ ঠাই কিছুমানৰ কথাহে কব খুজিছো। অসমখনৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিবলৈ দেশ-বিদেশৰ পৰা বহুতো পৰ্যটনকাৰী আহে। প্ৰকৃতিৰ ৰম্যভূমি অসম। আমাৰ ওচৰে পাজৰে কত যে সুন্দৰ ঠাই আছে চাবলৈ। আমাৰ ওচৰৰে উকিয়ামখনৰ সৌন্দৰ্য কম মোহনীয় নে? উকিয়াম ঠাইখনেই নহয় উকিয়ামলৈ গৈ থকা ৰাস্তাটোৰ দুয়ো কাষৰ সৌন্দৰ্যই মোক বৰ আকৰ্ষণ কৰে। উকিয়াম হ'ল অসম আৰু মেঘালয় সংযোগী এখন ঠাই। আজিকালি ইয়াত বনভোজ খাবলৈ অহা দলৰ সংখ্যা দিনে দিনে বাঢ়ি গৈছে। বৰ্তমান উকিয়াম মহোৎসৱ পতাৰো ব্যৱস্থা হৈছে। তিনিখন পাহাৰী নদী লগ লগা ঠাইখন সচাঁকৈয়ে চাবলগীয়া। ঠিক সেইদৰে বকো লামপাৰা হৈ শান্তিপুৰলৈ যোৱা অকোঁৰা-পকোৰা ৰাস্তাটোৰ সৌন্দৰ্য আৰু তাৰ পৰা গৈ বনগাওঁ বাটাকুছি গাওঁৰ হো - হুৱা বিলৰ ৰুদ্ৰসাগৰ পুখুৰীটোৰ সৌন্দৰ্যও কম নহয়। এই দুয়োখন ঠাইৰ মাজৰ কাহিবামাত থকা Maga Research Project টোৰ অৱস্থা পিছে বৰ দুখ লগা হৈছে। চৰকাৰে এই প্ৰকল্পটোৰ বিষয়ে নিশ্চয় চিন্তা - চৰ্চ্চা কৰিব বুলি আশা ৰাখিলো। প্ৰকল্পটোৰ ওচৰত থকা গাৰো গাঁওখনৰ চাফ- চিকুণ পৰিৱেশটো দেখি ভাল লাগিছিল।

২০১৪ চনৰ নৱেম্বৰ মাহত মুখ্যমন্ত্ৰীৰ অভিলাসী আঁচনিৰ অধিনত বনগাঁও আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত বাটাকুছি গাওঁৰ হো - হুৱা বিলত স্বৰ্গদেও ৰুদ্ৰসিংহ আদৰ্শপুখুৰী আমাৰে এটা পুখুৰী খন্দা হয়। পুখুৰীটোৰ সৌন্দৰ্য্য সচাঁকৈয়ে উপভোগ কৰিবলগীয়া, যোৱা বছৰৰ অভিজ্ঞতাৰে এইবাৰো তালৈ গৈছিলো। পিচে এইবছৰ সেইটো চাবলৈ গৈ তাৰ অৱস্থা দেখি বৰ দুখ লাগিল। অৱশ্যে এইটো ঠিক থাক কৰিবলৈ ব্যৱস্থা লৈছে বুলি ওচৰ- চুবুৰীয়াৰ পৰা গম পাইছিলো। ই এক আকৰ্ষণীয় পৰ্যটনস্থলী হ'ব পাৰো।

বকোৰ ফালে যাওঁতেই ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা সোঁফালে ফালৰি কাটি যাব পাৰি ছমৰীয়া সত্ৰলৈ, যিখন শংকৰ-মাধৱৰ অনুগামী শ্ৰীশ্ৰীবৰবিষ্ণু আতাই ৪০০ বছৰ পূৰ্বে স্থাপন কৰিছিল। মৰা কলহী নদীৰ পাৰ থকা সত্ৰখনৰ সৌন্দৰ্যই আমাক আকৰ্ষণ কৰিছিল।

এইবাৰ আহো চান্দডুবি, দ্বীপৰ বিল আদিলৈ। চানডুবিলৈ মিৰ্জা হৈ যাব পাৰি। অৱশ্যে বেলেগ বেলেগ পথৰেও চানডুবিলৈ যাব পাৰি। অৱশ্যে বেলেগ বেলগে পথৰে চান্দডুবিলৈ যাব পৰা যায়। চান্দডুবিত আজিকালি মাঘ বিহুৰ সময়ত বছৰকীয়া মহোৎসৱ পতা হয় য'ত তাৰ স্থানীয় বয়বস্তু আৰু শাক - পাচলিৰ বেপাৰ লগতে সাংস্কৃতিক অনুষ্ঠানো পতা হয়। এনেয়ে চানডুবিত বনভোজ খাবলৈ যথেষ্ট মানুহৰ সমাগম হয়। ইয়াত এটা চৰকাৰী পৰ্যটন নিবাস (Towrist Lodge) ৰ লগতে ৰেষ্টুৰেন্টৰ ব্যৱস্থা আছে। চৰকাৰে নিৰাপত্তাৰ সু - ব্যৱস্থা কৰিলে তাত ৰাতি থাকি প্ৰকৃতিৰ বিনন্দীয়া ৰূপ চাব পৰা যায়।

দ্বীপৰ বিলৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ মনোমোহা। দ্বীপৰ বিল বিভিন্ন পক্ষীৰ বাসস্থল। ৰাণীৰ ৰাস্তাৰ ফালেৰে দ্বীপৰ বিলৰ কাষেৰে গড়চুকলৈ যোৱা পথ চোৱা বৰ ধুনীয়া।



সেই ফালৰে গৈ থাকোতে মাজতে পামহিত এটি শিৱ মন্দিৰ পোৱা যায় যিটো শিৱৰ দ্বাদশ জ্যোৰ্তিলিংগ বুলি কোৱা হৈছে। পাহাৰীয়া নিৰ্জন ঠাইখনত থকা মন্দিৰটোলৈ ৰাতি হেনো হাতী আহে। নিজৰা এটাৰ ওপৰত থকা শিৱ মন্দিৰটো চাবলৈ যথেষ্ট মানুহৰ সমাগম হয়। অকলে অকলে যাবলৈ যথেষ্ট ভয় লাগে কাৰণ যেতিয়াই তেতিয়াই বনৰীয়া হাতী ওলায় আহে হেনো। পাহাৰীয়া নিৰ্জন ৰাস্তাটোৰে নামি গৈ মন্দিৰৰ কাষৰ নিজৰাটো পাৰ হৈ যাত্ৰী জিৰণি লবলৈ সুন্দৰকৈ বাঁহেৰে বেঞ্চ বনাই থোৱা আছে। চাৰিওফালৰ পৰিৱেশটোত কিমান নিৰিবিলি শান্তি বিৰাজ কৰি থাকে ভাবিলে ভাল লাগি যায়। পাহাৰী কাৰ্বি মানুহেই পূজা অৰ্চনা চলোৱা মন্দিৰটোত শিৱৰাত্ৰিৰ দিনা যাত্ৰীৰ যথেষ্ট ভিৰ হয়।

ৰাণী হৈ পাথাৰখামালৈ যোৱা কমলা বাগানৰ পৰা কমলা খোৱাৰ কথা এতিয়াও মনত সজীৱ হৈ আছে আন

এঠাইত পাহাৰৰ টিলা এটাত খৃষ্টান মিচনেৰীসকলৰ শিক্ষয়িত্ৰী সকলৰ বাবে থকা হোষ্টেল এখনত সোমাই তেওঁলোকৰ লগত কথা পতাৰ সুযোগ লৈছিলো। হোষ্টেলখনৰ গাতে কৰ্তৃপক্ষই এগজোৰা গছৰ এখন বাগান সজাৰ লগতে তাত কিছুমান ইমু পুহিছে ব্যৱসায়িক ভিত্তিত ইমুৰ মাংসৰ কেজি হিচাবত হেনো ৪০০ টকাকৈ বিক্ৰী হয়। পাথাৰখামাৰ পৰা এটা ৰাস্তাৰে মেঘালয়ৰ নংপো আৰু আন এটা ৰাস্তা Upper Shillong লৈ যাব পৰা যায়।

গুৱাহাটীৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথেৰে গোৱালপাৰা পাবলৈ গৈ থাকিলে মূল চহৰখন পোৱাৰ কিছু আগতেই পথৰ বাওঁকাষে পোৱা যায় টুক্ৰেশ্বৰী পাহাৰ তথা টুক্ৰেশ্বৰী মন্দিৰ। তলৰ মন্দিৰৰ সন্মুখৰ পৰা ওপৰলৈ উঠিবলৈ যাওঁতে যিজাক বান্দৰ আছে সিহঁতৰ কথা ভাবিলে ভয়েই লাগি যায়। পিছে মন্দিৰ কৰ্তৃপক্ষই কোনোবা নহয় কোনোবাক লাঠী এডালেৰে লগত পঠিয়াই নহলে আপোনাৰ প্ৰসাদৰ লগতে নিজৰো কি অৱস্থা হ'ব ক'ব নোৱাৰি। প্ৰায় তিনিশ চিৰি বগাই ওপৰ পোৱাৰ পিচত দেখা চাৰিওকাষৰ দৃশ্যৰাজিয়ে সকলো ভাগৰ পাহৰাই দিয়ে। পূজা শেষ হোৱাৰ পিচত পূজাৰীয়ে প্ৰথমে বান্দৰ জাকৰ বাবে প্ৰসাদ আগবঢ়াই দিয়ে। সৰু - ডাঙৰ এজাক বান্দৰ ৰৈ থাকে কিন্তু বুঢ়া বান্দৰ অৰ্থাৎ ৰজা বান্দৰে নোখোৱালৈকে বাকী কোনো বান্দৰেই প্ৰসাদত হাত নিদিয়ে।



সেই দৃশ্যটো নিজ চকুৰে নেদেখিলে আপুনি অনুভৱ কৰিব নোৱাৰি।

গোৱালপাৰাৰ সূৰ্য পাহাৰৰ অভিজ্ঞতাৰ কম নহয়। সূৰ্য্য পাহাৰৰ শৈল ভাস্কৰ্যই সকলোকে আকৰ্ষণ কৰে। পাহাৰৰ নামনিৰ গুহা এটাত সূৰ্য অংকিত চিত্ৰ দেখা যায়। বনভোজৰ বতৰত প্ৰায়েই বহুতো লোক তালৈ গতি কৰা দেখা যায়। গোৱালপাৰাৰ পৰা যোগীঘোপা দলঙেৰে বঙাইগাঁও পাৰ হৈ ধুবুৰী বগৰীহাটীৰ মহামায়া থানখনো তীৰ্থ যাত্ৰী সকলৰ বাবে আকৰ্ষণৰ স্থলী। তাতেই থকা স্নানঘাটটোও সচাঁকৈয়ে চিত্তাকৰ্ষক ভাবে সজাই তোলা হৈছে।

গোৱালপাৰাৰ পুৰণি আৱৰ্ত্ত ভৱনত ৰৈ ব্ৰহ্মপুত্ৰৰ সৌন্দৰ্য উপভোগ কৰিবলৈ বৰ ভাল লাগে।

এবাৰ গোৱালপাৰাৰ পৰা লক্ষীপুৰ, টিকিৰকিল্লা, ফুলবাৰী হৈ মানকাচাৰলৈ যোৱাৰ ভয়ংকৰ অভিজ্ঞতা এতিয়াও পাহৰিব পৰা নাই। ৰাস্তাৰ কি ভয়ংকৰ ৰূপ। আমাক কোৱা হৈছিল সেইটো ৰাস্তাই হেনো সেই সময়ৰ ভাল ৰাস্তা। গৈ থাকোতে ভাবিছিলো এইটো যদি ভাল ৰাস্তা বেয়া ৰাস্তা বা কাক কয়। মানকাচাৰৰ কাটা তাঁৰৰ সীমান্ত ৰাস্তাটো চাই ভালেই লাগিছিল। পিছে ঠায়ে ঠায়ে উন্মুক্ত, সীমান্ত তাত থকা কাজু ফেক্টৰীবোৰ চাই ভাল লাগিছিল। ফেক্টৰীত কৰ্মৰত মহিলা সকলে গান গাই গা লৰাই যি ধৰণে কৰ্মবোৰ কৰে সেয়া মন কৰিবলগীয়া। তাৰপৰা আকৌ হাটশিঙিমাৰী ফুলৰাৰা হৈ উভতি অহাৰ কথা ভাবি ভয় লাগিছিল। পিচে এজনৰ উপদেশ মতে হাটশিঙিমাৰীৰ পৰা তুৰাহৈ অহাৰ অভিজ্ঞতা স্মৰণীয়। মেঘালয়ৰ আন এটা অংশ হ'ল তুৰা।

এতিয়া আহো আমাৰ সত্ৰ নগৰী নদীদ্বীপ মাজুলীলৈ। আমি গৈছিলো বহাগ বিহুৰ সময়ত। সেই সময়ত গোটেই সত্ৰ নগৰী বিহুৰ ৰঙত বলিয়া হৈ আছিল। চাৰিওফালৰ ঢোল পেঁপাৰ সুৰ আমাক মতলীয়া কৰিছিল। বিহু উৎসৱ হিচাপে কোনো সাংস্কৃতিক অনুষ্ঠান দেখা নাছিলো। মন কৰিছিলো হুঁচৰি গোৱা দলবোৰ প্ৰথমে সত্ৰ মহাপ্ৰভুৰ ঘৰত অৰ্থাৎ কাৰ্যালয়ত হুঁচৰি মাৰে আৰু ইয়াৰ পিছত আন আন ঘৰত মাৰে। আমাৰ ইয়াত দেখাৰ দৰে তাতো দেখিছিলো সৰু ল'ৰা-ছোৱালীবোৰে ঘৰে ঘৰে বিহু নাচি ফুৰিছে। ডাঙৰ দলবোৰে হুঁচৰি গাই গঞাৰ ঘৰে ঘৰে লৈ আৰ্শীবাদ দিছে। মিচিং সৰু সৰু বিহুৱাবোৰৰ বিহু নাচ চাইও ভাল লাগিছিল। মাজুলীত আমি উত্তৰ কমলাবাৰী, কমলাবাৰী গড়মূৰ, আউনিআটি, দক্ষিণপাট, বেঙেনাআটি আৰু মুখা শিল্পৰ বাবে বিখ্যাত চামগুৰি সত্ৰ চোৱাৰ সুযোগ লৈছিলো। সত্ৰৰ শান্ত সৌম্য পৰিৱেশৰ লগতে সত্ৰাধিকাৰ সকলৰ গোঁসাই প্ৰভুৰ দৰে ব্যক্তিত্বই আমাক আকৰ্ষিত কৰিছিল। চামগুৰি সত্ৰৰ মুখাশিল্পই মন ভৰাই পেলাইছিল। আউনিআটী আৰু গড়মূৰ সত্ৰৰ সংগ্ৰহালয় সম্পদবোৰ দৰ্শন কৰি লাভৱান হোৱাৰ লগতে সত্ৰৰ ইতিহাস সম্বলিত কিতাপকেইখনমানো সংগ্ৰহ কৰিছিলো।

মাজুলীত থকা এই সত্ৰবোৰ দুই ধৰণৰ। কেউলীয়া সত্ৰ আৰু পাৰিবাৰিক সত্ৰ। সত্ৰবোৰৰ গাতে লগাকৈ অতিথি শালা (Guest House) ৰ ব্যৱস্থা আছে। দেশী- বিদেশী পৰ্যটকে সত্ৰৰ ঐতিহ্য অধ্যয়ন কৰিবলৈ আহি এই

অতিথিশালাবোৰত থাকি লয়। ৰাসপূজাৰ সময়ত আগতীয়াকৈ Book কৰিলো। হোটেল, অতিথিশালা আদিবোৰত থাকিবলৈ ঠাই পোৱাত বৰ কষ্টকৰ । মাজুলীৰ ৰাস চাবলৈ বিভিন্ন ঠাইৰ



পৰা মানুহ আহে।

মাজুলীলৈ আমি বিশ্বনাথ চাৰিআলি, লক্ষীমপুৰ ঢকুৱাখানা, গোগামুখহৈ  গাড়ীৰে গৈছিল। এইদৰে সেই ঠাইবোৰৰ ওপৰতো বিহংগম দৃষ্টি নিক্ষেপ কৰিব পাৰিছিলো। বানপীড়িত ঠাইবোৰৰ অৱস্থা বৰ বিশেষ উন্নত নাছিল । কিন্তু প্ৰাকৃতিক দৃশ্য মনোৰম আছিল। মাজুলীৰ ঠাই বিশেষে দেখা চাঙ ঘৰবোৰৰ অৱস্থা বৰ বিশেষ উন্নত নাছিল। কিন্তু প্ৰাকৃতিক দৃশ্য মনোৰম আছিল। মাজুলীৰ ঠাই বিশেষ দেখা চাঙ ঘৰবোৰে বাৰিষা বানপানীত তেওঁলোকৰ অৱস্থা কি হয় তাক উদঙাই দিছিল। উভতি আহোঁতে আমি মাজুলীৰ পৰা ফেৰীৰে পাৰহৈ যোৰহাটৰ নিমাতিঘাটত উপস্থিত হৈছিলো।

এইদৰে ঘূৰি ফুৰোঁতে কাজিৰঙা অভয়ৰণ্যখনো চাব পৰা যায় যিখন পৰ্যটকৰ বাবে বৰ্তমান অতি আকৰ্ষণীয় ঠাই হৈ পৰিছে। কাজিৰঙাত ৰাতি থকাকৈ গৈ ৰাতিপুৱাই কুঠৰীৰেগুত হাতীৰ পিঠিত উঠি ঘাঁহনিৰে ভৰা বোকাময় হাবিত নামি গড় চোৱাৰ লগতে দল হৰিণ, বনৰীয়া ম'হৰ জাক নিৰীক্ষণ কৰিব পৰা যায়। অগৰাতলী ৰেঞ্জত আকৌ বিভিন্ন প্ৰজাতিৰ চৰাই চিৰিকতিৰ অৱস্থা লক্ষ্য কৰিব পাৰি। বাগৰি ৰেঞ্জতো জীপ চাফাৰী কৰি প্ৰাকতক শোভা উপভোগ কৰা যায়। মুঠতে কাজিৰঙাত প্ৰকৃতিৰ নয়নাভিৰাম দৃশ্য চালে মন প্ৰাণ ভৰি যায়।

এবাৰ আমি গৈছিল তিনিচুকীয়া জিলাৰ ডিব্ৰু চৈখোৱাঘাট আৰু অৰুণাচলৰ পৰশুৰাম কুণ্ড চাবলৈ। নৈ, জান, জুৰি, সুউচ্চ সেউজীয়া পৰ্বতমালা আৰু সেউজীয়া বননিয়ে অঞ্চলটোক এক অনন্য ৰূপ প্ৰদান কৰিছে। বৰ্তমান ডিব্ৰু- চৈখোৱাঘাটৰ পৰিৱেশ উদ্যান (Eco -Camp) সমূহ পৰ্যটকৰ বাবে আকৰ্ষণস্থলী হৈ পৰিছে। আমি গৈছিলো জানুৱাৰী মাহত। আমি থকা Resort টোৰ সন্মুখৰ মুকলি পথাৰখন বনভোজ খাবলৈ অহা দলবোৰেৰে ভৰি পৰিছিল। ঘাটটোৰ এফালে শাৰী শাৰী চাহ-বাগান আৰু আনফালে ডিবৰু নৈখন। নৈত বালিচৰ পৰি পৰিৱেশটো কি যে মনোৰম কৰি তুলিছিল। আমি নাৱত উঠি মাগুৰি বিলৰ পক্ষীকূল চাবলৈ গৈছিলো। বিলখন যথেষ্ট ডাঙৰ। কিমান ধৰণৰ চৰাইয়ে যে বিলত চৰি ফুৰিছিল তাকে চাই আমি বিমল আনন্দ লাভ কৰিছিলো।

ভটভটী নাৱেৰে ডিবৰু নৈৰ সোঁমাজৰ  বালিচৰ এটালৈ গৈছিলো। বালিচৰৰ কাষৰ জলধাৰাৰ কাষতে বিভিন্ন তৰহৰ সৰু-বৰ গছ-গছনি, ঘাঁহ-বন, লতাৰে ভৰা এখন সেউজীয়া অৰণ্য। নানা প্ৰজাতিৰ কপৌফুলবোৰ তাৰ আকৰ্ষণ। অৰণ্যখনত বনৰীয়া হাতী, ম'হ, বিলুপ্তিৰ পথলৈ আগবঢ়া প্ৰাণী 'বগা পাখীৰ দেওহাঁহ' আদি পোৱা যায়। ইয়াৰ আকৰ্ষণীয় জীৱবিধ হ'ল 'বনৰীয়া ঘোঁৰা'।

ডিব্ৰু-চৈখোৱাঘাটৰ ইকো কেম্প'ৰ পৰা আমি গৈছিলো অৰুণাচলৰ 'পৰশুৰামকুণ্ড' চাবলৈ। বাটতে চৌখামৰ বিখ্যাত 'গোল্ডেন পেগোডা'টো চাইছিলো। পেগোডাটোৰ গাতে লাগি থকা বাগানখন চালে চকুৰোৱা। পেগোডাটো পাৰ হৈ অৰুণাচলৰ এক অনন্য সম্পদ Buddhist Monastry টোও চাই শেষত পৰশুৰাম কুণ্ডত উপস্থিত হৈছিলো। কুণ্ডটোলৈ প্ৰায় ৪০০ চিৰি নামি যাব লাগে। দুশাৰী উচ্চ পৰ্বতমালাৰ মাজেৰে বৈ যোৱা লুইতৰ সৌন্দৰ্যই মন মুহি নিয়ে। শ-শ মানুহেৰে ভৰি থকা কুণ্ডটোলৈ নামি যোৱা পথৰ ওপৰত সমতল ভূমিত বিভিন্ন দোকান-পোহাৰ গঢ়ি উঠিছে। কুণ্ডৰ জলধাৰাত নামি যাত্ৰীসকলে স্নান কৰি পূণ্য অৰ্জনৰ চেষ্টা কৰিছে। সেই গোটেই দৃশ্যটোৱেই আমি উপভোগ কৰিছিলো। মাঘী মেলাৰ বাবে লাহে লাহে দৰ্শনাৰ্থী, অহা আৰম্ভ হৈছিলেই। উভতনি যাত্ৰাত ডিব্ৰুগড়ত এৰাতি থাকি চহৰখনৰ লগতে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে এপাক ঘূৰিছিলোঁ। পিছদিনাখন শিৱসাগৰৰ ৰংঘৰ, তলাতল ঘৰ, শিৱদৌল আৰু গড়গাঁৱৰ কাৰেংঘৰৰ লগতে চৰাইদেউৰ মৈদামসমূহ চোৱাৰ সুযোগ এৰা নাছিলো।

ডিব্ৰু-চৈখোৱাৰ দৰেই ইকো কেম্প' থকা আন এটা

অঞ্চল হ'ল নামেৰি। তেজপুৰৰ পৰা বালিপাৰা পাৰ হৈ নামেৰি অভয়াৰণ্যত থকা ইকো কেম্প' পাব পাৰি। নামেৰি বনাঞ্চলৰ মাজেৰে বৈ অহা পাহাৰী নদী জীয়া-ভৰলীত কৰা Rafting এ মোক বৰপেটা ৰ'ড পাৰ হৈ যাবলগীয়া মানস অভয়াৰণ্যৰ পাহাৰী নদীত কৰা Rafting লৈ মনত পেলাই দিছিল। মানস অভয়াৰণ্যৰ মাজেৰে জীপেৰে গৈ থাকোতে লাইটৰ পোহৰত দেখা ঢেকীয়াঁপতীয়া বাঘটোৰ জ্বলি থকা চকু দুটাৰ কথা মনত পৰিলে আজিও ভয় লাগে। বিভিন্ন প্ৰজাতিৰ হৰিণাৰ লগতে চালি ধৰা ময়ুৰকে আদি কৰি ভালেমান চৰাইও দেখা গৈছিল। ইয়াতো হাতী চাফাৰীৰ ব্যৱস্থা আছে। এইখনক 'ব্যাঘ্ৰ প্ৰকল্প' হিচাবে স্বীকৃতি দিয়া হৈছে।

মায়ঙৰ ওচৰৰ পবিতৰা অভয়াৰণ্যখনৰ কথা কবলৈকে পাহৰিছো। পবিতৰাটো হাতীৰ পিঠিত উঠি গড় চাবলৈ বৰ ভাল লাগে। তদুপৰি পশু-পক্ষীবোৰতো আছেই। তাতো বৰ্তমান ৰাতি থকাৰ বাবে সুন্দৰ আন্তঃগাথনি গঢ়ি উঠিছে।

ইতিহাসপ্ৰসিদ্ধ ৰজা বাণৰ ৰাজ্য শোণিতপুৰখনতো দৰ্শনীয় ঠাই কম নহয়। বানৰজাই জীয়ৰী ঊষাক সুৰক্ষিত কৰি ৰাখিবলৈ সজা অগ্নিগড় চাবলৈ বহুতো পৰ্যটক আহে। অগ্নিগড়ৰ উপৰিও মহাভৈৰৱ, ভৈৰৱী দেৱালৰ লগতে পদুমপুখুৰী, কোণ্ডপাৰ্ক আৰু জ্যোতিপ্ৰসাদৰ বাসগৃহ বৰ্তমান সংগ্ৰহালয় হিচাবে ৰখা 'পকী' চাবলগীয়া। ধুনীয়াকৈ সজাই তোলা clod park ত boating কৰাৰো সুবিধা আছে।

তেজপুৰৰ নপামত স্থাপন কৰা তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰো স্থাপত্যৰ নিদৰ্শন বৰ সুন্দৰ। বিশ্ববিদ্যালয়খনৰ শান্ত-নিবিবিলি পৰিৱেশে সকলোকে আকৰ্ষণ কৰে। তেজপুৰলৈ ঢেকীয়াজুলি হৈ যোৱা ৰাস্তাটোতেই পোৱা যায় ওৰাং। এই ঠাইখনৰ ৰসগোল্লা আগতে সেইফালে অহা-যোৱা কৰা লোকৰ বাবে বৰ আকৰ্ষণৰ বস্তু আছিল। ইয়াতেই থকা ওৰাং ৰাষ্ট্ৰীয় উদ্যানখনৰ কথা শুনি আছো। যদিও যোৱাৰ সুবিধা কৰিব পৰা নাই। সময় সুবিধা হ'লে নিশ্চয় যাম।

এইবোৰ ঠাইৰ লগতে ভাৰতৰ এখন পবিত্ৰ তীৰ্থস্থান হিচাবে বিখ্যাত কামাখ্যা মন্দিৰৰ কথাও মনত ৰাখিব লাগিব। কামাখ্যা পাহাৰৰ ওপৰৰ ভুৱনেশ্বৰীৰ পৰা গুৱাহাটী চহৰখনৰ সৌন্দৰ্য চাবলৈ বৰ ভাল লাগে। অৱশ্যে উত্তৰ গুৱাহাটীত অৱস্থিত "আই আই টি" কম্পাউণ্ডত থকা ভিউ পইন্টটোৰ পৰাও গুৱাহাটীখনৰ দৃশ্য উপভোগ কৰিব পৰা যায়।

ইয়াৰ লগতে অসমৰ আন এখন আকৰ্ষণীয় পাহাৰী চহৰ উত্তৰ কাছাৰ অৰ্থাৎ বৰ্তমানৰ ডিমা-হাচাওৰ সদৰ ঠাই হাফলঙৰ কথাও উল্লেখ কৰিব লাগিব। নীলা পাহাৰে আগুৰি থকা হাফলঙৰ প্ৰাকৃতিক সৌন্দৰ্য অপৰূপ। এই নীলা পাহাৰখন হ'ল ব'ৰাইল পাহাৰ য'ৰ পৰা নামি আহিছে কেইবাখনো নদীৰ লগতে কেইবাটাও জলপ্ৰপাত যিয়ে হাফলঙৰ সৌন্দৰ্য অতি মনোৰোম কৰি তুলিছে। হাফলঙ চহৰৰ মূল আকৰ্ষণস্থলী চহৰখনৰ মাজ মজিয়াত থকা প্ৰাকৃতিক হ্ৰদটো।

হাফলঙ চহৰৰ পৰা ২০ কিলোমিটাৰ দূৰত অৱস্থিত জাতিংগা যিখন ঠাইত আত্মহত্যাস্থলী হিচাপে সমগ্ৰ বিশ্বতে পৰিচিত। গুৱাহাটীৰ পৰা ৰেলগাড়ীৰে সহজেই হাফলং চহৰলৈ যাব পৰা যায়।

অসমৰে আন এখন পাহাৰীয়া জিলা হ'ল কাৰ্বি আংলং। কাৰ্বি আংলংৰ সদৰ চহৰ ডিফু সঁচাকৈয়ে চাবলগীয়া। এইখন জিলাতেই অৱস্থিত কাৰ্বি-লাংপি জলবিদ্যুৎ প্ৰকল্পলৈ যোৱা ৰাস্তা-ঘাটৰ প্ৰাকৃতিক সৌন্দৰ্যই পৰ্যটকৰ মন মুহি নিয়ে।

এনেদৰেই অসমখনৰ ভিতৰতে চাবলগীয়া বহুতো ঠাই



আছে। আমাৰ বৰপেটাৰ কীৰ্তন ঘৰ, শংকৰদেৱৰ জন্মস্থান নগাঁও, বৰদোৱা সত্ৰ, দেৰগাঁও-নেঘেৰিটিঙৰ শিৱমন্দিৰ, হাজোৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ আৰু তিনিচুকীয়াৰ টিলিঙা মন্দিৰৰ পৰিৱেশে যাত্ৰীসকলক বাৰুকৈয়ে আকৰ্ষণ কৰে। হাজোত অৱস্থিত পোৱামক্কাৰ অৱস্থানে হাজোখনক এখন সম্প্ৰীতিৰ স্থলীত পৰিণত কৰিছে। সময়-সুবিধা কৰিব পাৰিলে শীলভদ্ৰৰ জন্মস্থান মধুপুৰ, গৌৰীপুৰৰ ৰাজহাউলী, কোঁচৰজা সকলৰ ৰাজভৱন চোৱাৰ লগতে আন আন বহুতো নেদেখা ঠাই চোৱাৰ হেঁপাহ মনত পুহি ৰাখিছো।

✧ ✧ ✧ ✧ ✧

**নাজানিলে ভুল হ'ব**

প্ৰথম অসমীয়া ভ্ৰমণ কাহিনী হ'ল জ্ঞানদাভিৰাম বৰুৱাৰ 'বিলাতৰ চিঠি' (১৯৩৯)।



# মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ প্ৰশ্নবাণৰ সন্মুখত সম্পাদক

☛ এনেকুৱা কি বিষয়বস্তু সংযোজন কৰিলে তোমাৰ দৃষ্টিত মুখপত্ৰখন গতানুগতিকৰ পৰা কিছু পৃথক আৰু ব্যতিক্ৰম হ'ব বুলি তুমি ভাবা?

**গগণ কলিতা**
*স্নাতক ষষ্ঠ ষান্মাসিক*
*ৰাজনীতি বিজ্ঞান বিভাগ*

সম্পাদক ঃ সাধাৰণতে মুখপত্ৰ এখনত গল্প, কবিতা, প্ৰবন্ধ আদি প্ৰকাশিত হ'লেই ই পূৰ্ণাংগ ৰূপ নাপায়। প্ৰকৃতাৰ্থত মুখপত্ৰ এখন সফল আৰু পূৰ্ণাংগ ৰূপ পাবলৈ হ'লে তাত মানৱীয় চেতনাবোধ, চিন্তাৰ খোৰাক আৰু ভাষা-সংস্কৃতিৰ নিভাঁজ সুঘ্ৰাণ থাকিব লাগিব। কিয়নো ভাষাৰ সাৱলীল প্ৰয়োগ আৰু সাংস্কৃতিক চেতনাবোধৰ প্ৰতিফলন অবিহনে মুখপত্ৰ বা আলোচনী এখনৰ সামাজিক দায়বদ্ধতা শূণ্য, য'ত অংকুৰিত হ'ব লাগিব জ্ঞানৰ বীজ আৰু তথ্যৰ খোৰাক দিয়াটোও সফল আলোচনী এখনৰ অন্যতম এক মাইলষ্টোন।

☛ ছয়গাঁও মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীক মুখপত্ৰ কলহীয়ে কেনেধৰণে নৈতিক জ্ঞান লাভৰ ক্ষেত্ৰত সহায় কৰিব?

**ৰাজেন দাস**
*স্নাতক ষষ্ঠ ষান্মাসিক*
*শিক্ষা বিভাগ*

সম্পাদক ঃ নৈতিকতাৰ বিকাশ কৰিবলৈ হ'লে প্ৰথমেই মানসিকতাৰ পৰিৱৰ্তন সাধন কৰিব লাগিব। কিয়নো মহাবিদ্যালয়ৰ মুখপত্ৰ কলহীত প্ৰকাশিত বিভিন্ন নৈতিক মূল্যবোধসমৃদ্ধ লিখনিসমূহ অধ্যয়ন কৰি উপলব্ধি কৰিব লাগিব ইয়াৰ সাৰমৰ্ম। যি ক্ষেত্ৰত মানসিকতা আৰু ইচ্ছাই ক্ৰিয়া কৰিব। অৰ্থাৎ মুখপত্ৰ বা আলোচনীখনত প্ৰকাশিত সাহিত্যৰাজীয়ে যে নৈতিকতাৰ বিকাশ বা নৈতিকজ্ঞান লাভ কৰাত সহায় কৰিব সেয়া নহয়। নৈতিকা গুণসম্পন্ন ব্যক্তি হ'বলৈ হ'লে প্ৰথমতে মানসিকতাৰ পৰিৱৰ্তন সাধন কৰি মুখপত্ৰৰ ৰচনাৰাজীৰ গুৰুত্ব উপলব্ধি কৰিলে নিশ্চয়কৈ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব।

☛ সাম্প্ৰতিক অসমত জাতিটোৰ সংকটৰ সময়ত যুৱ-প্ৰজন্মৰ দায়িত্ব আৰু কৰ্তব্য কেনে হোৱা উচিত?

**বাসুদেৱ দাস,** *স্নাতক প্ৰথম ষান্মাসিক*
*ৰাজনীতি বিজ্ঞান বিভাগ*

সম্পাদক ঃ হয় বৰ্তমান সময়ত আমি প্ৰত্যেকেই স্বচক্ষুই দেখা পাইছো অসমীয়া জাতিৰ সংকটৰ ভয়াবহ দৃশ্য। সেয়া লাগিলে আঞ্চলিক, ভাষিক, সাম্প্ৰদায়িক আদি যিয়েই নহওঁক কিয়। বিভেদৰ নীতিৰে বিভাজিত হোৱাৰ উপক্ৰম আজি অসমীয়া ভাতৃত্ববোধ। সেয়েহে বৰ্তমান অসমীয়া জাতিটোৱে হেৰুৱাই পেলাব খুজিছে নিজৰ অস্তিত্ব। এনে পৰিপ্ৰেক্ষিতত জাতিৰ শক্তিক ধৰি ৰখাটো যুৱ-প্ৰজন্মৰ এক গভীৰ দায়িত্ব। উচ্ছৃংখলতা বা বিশৃংখলতাৰে সমস্যাৰ সমাধান নহয়। হিংসাই প্ৰতি হিংসাৰহে জন্ম দিয়ে। সেয়েহে, শান্তি সম্প্ৰীতি তথা ভাতৃত্ববোধেৰে অসমীয়া জাতিটোৰ অস্তিত্ব বৰ্তাই ৰাখি গঠনমূলক চিন্তাচৰ্চাৰে জাতি আৰু দেশক আগুৱাই লৈ যোৱাটো বৰ্তমানৰ যুৱপ্ৰজন্মৰ দায়িত্ব হোৱা উচিত।

☛ বৰ্তমান শিক্ষাৰ্থীৰ নম্বৰকেন্দ্ৰিক ফলাফলে ভৱিষ্যতে শিক্ষাৰ্থীক আত্মনিৰ্ভৰশীল আৰু সু-নাগৰিক হিচাপে গঢ়া দিয়াত সহায় কৰিবনে? নে শিক্ষাব্যৱস্থাৰ পৰিবৰ্তনৰ প্ৰয়োজন আছে?

**পল্লৱী দাস**
*স্নাতক প্ৰথম ষান্মাসিক*
*ৰাজনীতি বিজ্ঞান বিভাগ*

<u>সম্পাদক</u> ঃ কথাটো ঠিকেই। কাৰণ, বৰ্তমান সময়ত শিক্ষাব্যৱস্থাৰ দ্ৰুত প্ৰসাৰৰ পৰিণতিস্বৰূপে ছাত্ৰ-ছাত্ৰীসকলে কেৱল পৰীক্ষামুখী আৰু নম্বৰকেন্দ্ৰিক হোৱাৰ উপক্ৰম ঘটিছে। যাৰবাবে সমগ্ৰ শিক্ষাব্যৱস্থা আৰু সমাজব্যৱস্থা জগৰীয়া। নম্বৰকেন্দ্ৰিক শিক্ষাব্যৱস্থাৰ বশৱৰ্তী হৈ একাংশ ছাত্ৰ-ছাত্ৰীয়ে মানৱীয় মূল্যবোধ আৰু সামাজিক দায়বদ্ধতাৰ জ্ঞান লাভৰ পৰা বঞ্চিত হৈছে। ভোগ বিলাসী সমাজ ব্যৱস্থাৰ ফলস্বৰূপে এনে ধৰণৰ সমস্যাবোৰ গা কৰি উঠিছে।

ব্যৱহাৰিক জ্ঞান আৰু দক্ষতাৰ অভাৱত বহু শিক্ষিত শিক্ষাৰ্থীয়ে পৰৱৰ্তী সময়ত মেধাৰ প্ৰতিযোগিতাত তিষ্ঠি থাকিব নোৱাৰি। বিভিন্ন ধৰণৰ অন্য পন্থা অৱলম্বন কৰে। অৰ্থাৎ প্ৰকৃতপক্ষে যদিহে শিক্ষাৰ্থীক শিক্ষিত কৰি তুলিব লগা হয়। তেন্তে শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন সাধনৰ প্ৰয়োজন। নৈতিক মূল্যবোধ আৰু আধ্যাত্মিকতাৰ জ্ঞান অবিহনে শিক্ষাৰ্থীক সকলোক সু-নাগৰিক কৰি তোলা ভোগবিলাসী বিশ্বায়নৰ য'ত সহজসাধ্য নহ'ব।

☛ সামাজিক মাধ্যমসমূহৰ বহুল ব্যৱহাৰে ছাত্ৰসমাজৰ মাজত সাহিত্য চৰ্চাৰ লগতে সৃষ্টিশীল কাৰ্যৰ ক্ষেত্ৰত ব্যাঘাত জন্মায় নেকি? যদি জন্মাই তেন্তে তোমাৰ দৃষ্টিত ইয়াৰ পৰা পৰিত্ৰাণৰ উপায় কি?

**সুজিত সৰকাৰ**
*স্নাতক তৃতীয় ষান্মাসিক*
*ৰাজনীতি বিজ্ঞান বিভাগ*

<u>সম্পাদক</u> ঃ অতি সুন্দৰ আৰু প্ৰাসংগিক প্ৰশ্ন। সাহিত্য আৰু আলোচনী বিভাগৰ এগৰাকী সম্পাদক হিচাপে মই এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছো। সাম্প্ৰতিক গোলকীকৃত বিশ্বসমাজ ব্যৱস্থাত বিজ্ঞান প্ৰযুক্তিয়ে ছাত্ৰসমাজক এক প্ৰকাৰ পংগু কৰি পেলাইছে। বিভিন্ন সামাজিক মাধ্যমসমূহৰ বহুল প্ৰচাৰৰ জৰিয়তে মূল্যৱান সময় তথা চিন্তা চেতনাক জলাঞ্জলী দি একপ্ৰকাৰৰ অৱচেতন হোৱাৰ দিশে একাংশ ধাৱমান। বিজ্ঞানৰ অৱদান আমাৰ বাবে দৰকাৰী। কিন্তু বৰ্তমান সময়ত অসমৰ প্ৰেক্ষাপটত সাহিত্য চৰ্চাৰ অনুপাত যিটো হাৰত হ্ৰাস পাইছে তেনেক্ষেত্ৰত ভাষা সংস্কৃতি ৰক্ষাৰ উৎকৃষ্ট মাধ্যম সাহিত্যৰ ভৱিষ্যত কি হ'ব সেয়া সকলোৰে জ্ঞাত। সেয়ে জীৱন সুন্দৰ আৰু সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত চিন্তা-চেতনাক জাগ্ৰত কৰি ইতিবাচক চিন্তাৰে সামাজিক মাধ্যমসমূহৰ সফল ব্যৱহাৰ কৰিলে হয়তো সাহিত্য চৰ্চাৰ দিশত উপকৃত হোৱাৰ লগতে মানৱ জীৱনত বিজ্ঞান প্ৰযুক্তিৰ ইতিবাচকতাৰ কথাও সুন্দৰকৈ পৰিস্ফুট হ'ব।

গভীৰ অমানিশা অথবা কালৰাত্ৰিৰ বুকুতে যেনেদৰে প্ৰভাত লুকাই থাকে, তেনেদৰে সাহস বান্ধি আগুৱাই গৈ থাকিলে হেজাৰ পৰাজয়ৰ পিছতো জয়লাভ নিশ্চিত হৈ উঠে।

—ড° ভূপেন হাজৰিকা

# মিচ্ বিউটিফুলৰ কথা

সুদৰ্শন বড়ো
*স্নাতক ষষ্ঠ ষাণ্মাসিক, ইংৰাজী বিভাগ*




২৬ জানুৱাৰী গণৰাজ্য দিৱস। তাৰ আগে আগে সৰস্বতী মাইৰ পূজা আৰু পিছে পিছে ভেলেণ্টাইন বাবাৰ দিন— প্ৰায় আশে-পাশে। এটা অদ্ভুত অতি ৰাজকীয়, ধূপ-ধুনাৰ ধোঁৱাৰ আঁৰে আঁৰে সৌন্দৰ্য চোৱা আৰু আনটো বাটে-ঘাটে কুকুৰ-মেকুৰীৰ দৰে পনীয়া পেৰেম ফলা দিন। অন্য দিন বা দিৱসবিলাকৰ লগত এনে দিন কেইটাৰ কোনোটোৰেই তুলনাই নহয়। সিপিনে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনেও সেইদিনাই দিল্লী পোৱাৰ কথা। তেওঁ অহা মানে তিনিটা বস্তু কম্পালচৰি এয়াৰ ফৰ্ছ নামৰ প্ৰকাণ্ড বিমানখন, সেই বিখ্যাত কেডিলাক গাড়ী। দুটা সাংঘাতিক কুকুৰ। গতিকে সৰস্বতী পূজাৰ নামত পুৱাৰ পৰা গধুলিলৈকে ছোৱালী চাই দিনটোৰ শেষত সন্ধিয়া ঘৰলৈ আহি ভাবিলো, অলপ সময় টিভিৰ সন্মুখতে বহা যাওঁক। মহান ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী মহাশয়ে হেনো নিজ হাতে পুটিনক চাহ খুৱালে। বৰ জোৰেৰে সাৱট মাৰি ধৰিলে। এনেবিলাক

খবৰ ইতিমধ্যেই বতাহত বিয়পি পৰিছিল। সেইবিলাক নিজৰ চকুৰে এবাৰ চাব মন যাবই পিছে কি আচৰিত, অসমীয়া টিভি চেনেলত সেইবোৰৰ নাম গোন্ধেই নাই। পৰ্দাখনত কেৱল ছোৱালী আৰু ছোৱালী। তাকো আকৌ যিকোনো উলামুৱা কাপৰে খোৱা, চকুত নপৰা ছোৱালীও নহয়। নগৰখনৰ সবাতোকৈ ধুনীয়া সুন্দৰীৰো সুন্দৰী ডবল সুন্দৰী। ইটোৰ পিছত সিটো চেনেল টিপি চালো। পুটিনৰ টিকনিডালকে দেখিবলৈ নাই। প্লেন, গাড়ী কুকুৰ দেখাতো দূৰৰে কথা। প্ৰত্যেক চেনেলতে একে দৃশ্য। একে বৰ্ণনা, একেই সোধা পোছা, একে কাৰুকাৰ্য। মায়ে কলে, আজি দিনটো ইয়াকে দেখুৱাই আছে। বেলেগ একো নাই । ক'ত মানুহ মৰা নাই। ব'ম ফুটা নাই। নৰসংহাৰ হোৱা নাই আইছিছ নাই। আলফা নাই মায়ে কলে, আজি বান্দৰীও সুন্দৰীও হৈ আহিছে যিহে তিৰবিৰণি, কাৰো গালৈ চাবকে নোৱাৰি। মাজে মাজেএনে লাগে যেন সুন্দৰী নহয়, আঁচলতে চেনেলৰহে কম্পিটিছন। ইটোয়ে যি কৰিছে সিটোয়েও অবিকল তাক কৰিছে। তাৰে এটা চেনেলত মোৰ এটা মামাই কাম কৰে। তেওঁলৈ তৎক্ষণাত ফোন কৰিলো ঐ পাযণ্ড তঁহতে আজি ছোৱালীৰ বাহিৰে বেলেগ একোকে নেদেখুৱাবি নেকি? ক'তো এটা মান বলৎকাৰো সংঘটিত হোৱা নাইনে? বেচেৰা মামাৰ উশাহ ল'বলৈ সময় নাই। নধৰো বুলিও মোবাইলৰ পৰ্দাত মোৰ নামটো দেখি ফোনটো ধৰিলে নাই নাই ভাগিন, আজি বাঘেই ওলাক বা সাপেই খোটক, ফাঁচী বজাৰত জুয়ে লাগক বা দিছপুৰত মন্ত্ৰীয়ে মৰক, বলাৎকাৰ, আত্মসাৎ যিমান যি নঘটক, কেনিও যোৱাৰ উপায় নাই। কান্ধত সাংঘাটিক গধুৰ দায়িত্ব। আজি অসমৰ শ্ৰেষ্ঠ সুন্দৰী বাছি উলিয়াবই লাগিব। তাকো আকৌ এলাপেচা সুন্দৰী নহয়। লাওঁখোলাত দুই এক চামুচমান ঘিউ মৌ থকা প্ৰজ্ঞা সুন্দৰী । দিনৰ দিনটো ধুনীয়া ছোৱালী বিচাৰি চলাথ কৰি ফুৰিছো। তাৰে ভালখিনিক লৈ সন্ধিয়া গুণী জ্ঞানী বিচাৰক মণ্ডলীয়ে প্ৰচণ্ড গৱেষণা চলাব। লাষ্ট ৰিজাল্ট ওলাব। তাৰ পিছতহে উশাহ লম। এতিয়া যোৱা। আজৰি হৈ কাইলৈ কথা পাতিম।

আন এটা চেনেলত ৰিপৰ্টাৰ হৈ থকা সম্পৰ্কীয় দাদা এজনলৈ ফোন কৰিলো । তাৰো হেনো একে অৱস্থা। পুৱাৰ পৰা চাঁহ একাপো খোৱা নাই। সুন্দৰীয়ে একদম পাগল কৰি দিছে। সি কলে এই যে আমি সৰস্বতী পূজাৰ দিনা স্বয়ং সৰস্বতীলৈকে পিঠিদি কেৱল ধুনীয়া ছোৱালী বিচাৰি ফুৰে দুখীয়া আৰু ষ্টাইল নমৰাকেইজনক ঘূৰিকে নাচাওঁ কাপোৰত ইম্পৰটেন্স দিও কোনখন বিউটিপাৰ্লাৰলৈ গৈছিল সোধা ড্ৰেছযোৰ খুটাৰ ওপৰত থিয়হৈ থকা জোঁতাযোৰ অনলাইনত লোৱা নে অফ লাইনত লোৱা খবৰ লওঁ। তাকে লৈ টিভিয়ে কাগজ পত্ৰই সমালোচনা হোৱা নাছিল জানো? সেই বাবে এইবাৰ ছাৰ বাইদেউহঁতৰ এইটো একদম নতুন বুদ্ধি। ছোৱালীবিলাকৰ কেৱল মুখখন, হেয়াৰ ষ্টাইলটো বা লিপষ্টিকখিনি চকুত লগা হলেই নহব। লাওঁ খোলাটোৰ ভিতৰতো অলপ কিবা কিবি থাকিব লাগিব। মানে ধৰি লোৱা সুন্দৰী উইথ এ লিটিল ঘিউ বা মৌ। তেওঁলোকৰ নাম হ'ব প্ৰজ্ঞা সুন্দৰী । গতিকে আমাৰ মন নগলেও সুন্দৰীসকলৰ অনৰ্গল কিবাকিবি প্ৰশ্ন সুধি থাকিব লগা হৈছে। ভাগ্য ভাল সিও ইমানকে কৈ ফোনটো থৈ দিলে।

তেনেকুৱাতে মিহিৰামে আহি সুন্দৰ পৰামৰ্শ দিলে। আজি কেৱল ছোৱালীকে চোৱাচোন। পুটিন, মোদী, এয়াৰ ফৰ্ছ কুকুৰ পাচে ফুৰে চাবা, এনেয়ো এই বয়সত দেখোন দিনৰ দিনটো ছোৱালীৰ পিছে পিছে ঘূৰি ফুৰা, সিহঁতক ইমান বেয়া পোৱা হলানে? পুটিনেও কিজানি ৰাছিয়াৰ পৰা ছোৱালী চাম বুলি আহিছে কোনে জানে?

কথাটো অলপ দ'কৈ ভাবিলো এৰা ই ঠিকেই কৈছে। আজিৰ দিনটো ছোৱালীচোৱাৰে দিন। তেনেহলে বহা। আজি ছোৱালীকে চাওঁ। পাছে পৰে যি হয় হৈ থকিব। ভাবি থাকিবলৈ নাই। মিহিৰামকো কাষতে বহুৱাই ললোঁ। টিভিৰ পৰ্দাত অগণন সুন্দৰী। দেহাত বিধে বিধে বস্ত্ৰ বিধে, বিধে ডিজাইন। বিউটি পাৰ্লাৰে হেপাঁহ পলুৱাই তৈয়াৰ কৰি দিয়া একোখন বিউটিফুল মুখ। কাণত ম'বাইল হাতত টেবলেট। সন্মুখত ৰিপৰ্টাৰ সুন্দৰ কোঁৱৰ সকলৰ অবিৰাম ধাৰাভাষ্য এয়া কেমেৰাপাৰ্চন মানহে দেখুৱাই আছে সঁচাকৈয়ে এযোৰ অতি সুন্দৰ কাপোৰ এইবিষয়ে কি কবা? কি অনুভৱ? ড্ৰেছটো ক'ত লৈছা?

ঃ মম আৰু ডেড লাষ্ট মান্থত আমেৰিকা যাওঁতে পাৰছেজ কৰিছিল, ইউৰ' স্পেছিয়েলি ফৰ দি পূজা। ইমান কষ্টলি আৰু গাৰ্জিয়াছ ড্ৰেছ আমাৰ ইয়াত একচুৱেলি লবলে নহয়। অংক খুউব ভাল লাগিছে। আই এম ছ হেপী।

ঃ আজি পূজাৰ প্ৰাৰ্থনা কি? দেৱীৰ পৰা কি বিচাৰিলা? এনিথিং স্পেচিয়েল? গুড ৰিজাল্ট ব্ৰাইট ফিউচাৰৰ বাবে মাদাৰ সৰস্বতীক প্ৰে কৰিছে। চাওঁক। চাওঁ কি হয়। পিছে আজি ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে কাক চাহ বনাই খুৱালে গম পাইছ নে নাই ? সুন্দৰী সকল অবাক হ'ল। এইহেন এটা ৰোমাণ্টিক প্লাছ ৰিলিজিয়াছ দিনত এনেধৰণৰ কিছুমান পলিটিকেল কুৱেশ্বন কৰিব লাগেনে? বৰ্তমান আমাৰ ইয়াত যিজন শিক্ষামন্ত্ৰী তেখেতৰ বিষয়ে কি কবা? এনি কমেণ্ট? ধেৎ তেৰি, মক্কেলটোৱে এইচব কি সুধি আছে বাৰু? সৰস্বতী পূজাৰ

দিনা শিক্ষামন্ত্ৰী ডাঙৰ নে সৰস্বতী গোঁসানী ডাঙৰ ই তাকো নাজানে। তাৰ নিজৰে প্ৰজ্ঞা নাই। আনৰ গাত কি প্ৰজ্ঞা বিচাৰিব?

ঃ ছবিজগতৰ সৈতে জড়িত এগৰাকী বিখ্যাত শিল্পীক ৰূপকোঁৱৰ বোলা হয়? কোন বাৰু?

ঃ কিং খান আই মিন শ্বাৰুখেই হব। ৰূপকোঁৱৰ বুলিবলৈ বলিউডত আৰুনো কোন আছে?

ঃ জ্যোতিপ্ৰসাদ আগৰৱালা নাম শুনিছা? তেওঁ অসমত কি কৰিছিল?

যা যা ছাম আগৰৱালা মনত পৰিছে। ইউ আৰ ৰাইট। এই নামটো জুবিনৰ মুখত শুনিছিলো। কিন্তু মানুহজনে কি বিজনেছনো ছবি প্ৰজ্ঞা সুন্দৰীৰ সন্ধানত কলেজবোৰতো কোঁৱৰ সকলৰ একেই প্ৰশ্ন।

ঃ তোমালোক কোন কলেজৰ?

ঃ বি বৰুৱা

ঃ বি বৰুৱাৰ পূৰা নামটো জানা? নাজানে। অৱশ্য জনাৰ দৰকাৰো নাই। সেইটো প্ৰশ্ন কেতিয়াও পৰীক্ষাত নাহে?

ঃ আমাৰ নগৰখনৰ এজন বিখ্যাত মানুহ ভোলানাথ বৰুৱাৰ নাম শুনিছা?

ঃ নাই শুনা। বিষ্ণুপ্ৰসাদ ৰাভা, লক্ষ্মীনাথ বেজবৰুৱা, পাৰ্বতীপ্ৰসাদ বৰুৱাৰ নাম শুনা নাই। ভোলানাথ বৰুৱা কোন কুটা?

ইজনিয়ে সিজনীৰ মুখলৈ চালে। বৰ টান প্ৰশ্ন উত্তৰ দিয়া সম্ভৱেই নহয়।

ঃ তোমালোকৰ কলেজত পুথিভঁৰাল আছে?

ঃ পুথিভঁৰাল মানে? হোৱাট ইছ ডেট? অ আই ছি লাইব্ৰেৰী। আছে আছে গৈহে পোৱা নাই।

ঃ শেহতীয়াভাবে নতুন অসমীয়া কিতাপ পঢ়িছে নেকি?

ঃ ধৈৎতেৰি আজিকালিনো কিতাপ পঢ়েনে?

ফোনটোৰ পৰা মূৰ দাঙিবলৈকে চোন সময় নাই।

যিকোনো এখন অসমীয়া কিতাপৰ নামক'ব পাৰিবা? আলোচনীৰ নাম? বাতৰিকাকতৰ নাম? দুয়োপক্ষই হাত দাঙিলে। এজনৰ অন্তিম প্ৰশ্ন। তোমালোক অসমীয়া মানুহ হয়নে? নহয়? দুজনীমানে কলে হয় বুলি। এজনীয়ে কলে—

ঃ নহয়

ঃ তুমি কি? কলিতা।

মিহিৰাম বহ্যৰপৰা উঠিল। হেৰা মই যাওঁ বুজিছা। প্ৰজ্ঞা সুন্দৰী বাছি উলিওৱা বৰ জটিল কাম । সময় বহু লাগিব। তোমাৰ ভনীহঁতৰ কিয় খাৱন-শোৱন নাইকিয়া হৈছে বুজি পাইছাই নহয়? নিশাৰ ফাললৈ সুন্দৰী বিশাদ, পণ্ডিত গৱেষকসকলৰ ধোৱা বাহিৰ হৈ যাবগৈ। ঠিক কথা, কোনো সন্দেহেই নাই, আজিৰ এনেহেন দিনত ইমান ব্যস্ততাৰ মাজত কেলেইনো মই মামা, দাদাহঁতক ফোন কৰি ডিষ্টাব কৰিছিলো, ভাবি নিজৰ ওপৰতে খং উঠিল।

ঃ মই পিছে প্ৰজ্ঞা সুন্দৰী নাপালেও এবিধ সুন্দৰী বিচাৰি পালো। গম পাইছানে?মিহিৰাম ককাইটিৰ কথা শুনি চক খালো। ই আৰু কিনো বিচাৰি পালে। মই দেখোন মুখ মেলি চাই থাকোতে গ'ল। একো পাত্তাই নাপালো।

ঃ এ কি পালো জানানে? অজ্ঞান সুন্দৰী। সেইবিধৰেহে আমাৰ ক্ষুদ্ৰ পৃথিৱীখন ভৰি আছে। ওপৰফালে এইবোৰ লাওখোলা নহয়, হেলমেট। ভিতৰত একো নাই উদং। টুকুৰিয়ালে টুংটুঙকৈ উঠিব আৰু শুনা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ সুন্দৰী কোন হল, মোদী, পুটিন ওলালনে নাই, এয়াৰ ফৰ্ছ, কুকুৰ দেখিলানে নাই জনাবলৈ নাপাহৰিবা। এতিয়া ৰিজাল্ট নোলোৱালৈকে উৰাই ঘূৰাই ছোৱালী চাই বহি থাকা। সৰস্বতী পূজাৰ দিনা ছোৱালী নাচালে পাপ লাগে। চোৱাটো পুণ্যৰ কথা। যদি নোচোৱা, জীৱনটো শূন্য হৈ যাব। এফালে পুণ্য আনফালে শূন্য।

এই ছোৱালী চোৱা কামটোত আমাৰ সন্মানীয় আই পিতায়ে একো মাইণ্ড নকৰে। আৰামত চাই থাকিব পাৰি। বুজিলাতো? বাই। টেক কেয়াৰ

✧ ✧ ✧ ✧ ✧

## ধেমালিৰ চলেৰে...

*অসমৰ মেখেলা-ছাদৰ যেতিয়া কোনোবা এজনী অসমীয়া ছোৱালীয়ে পিন্ধে, তেতিয়া তাইৰ ৰূপ যেন সঁচাই দুগুণে বৃদ্ধি পায়। কিন্তু দুৰ্ভাগ্যবশতঃ আমাৰ সাধাৰণ সমাজত এই ৰূপ দেখাতো এতিয়া বিৰল। তেনেক্ষেত্ৰত আমি আই সৰস্বতীকে ধন্যবাদ জনাম। কাৰণ তেওঁক পূজিবলৈ সেইদিনা অন্ততঃ অসমৰ প্ৰায় আশী শতাংশ ছোৱালীয়ে মেখেলা-ছাদৰ পৰিধান কৰে। বাকী কোনোবাই ব্যক্তিগতভাৱে যিয়েই নকওঁক কিয়, আনৰ পইচাৰে ঠেলি-হেচি বিহুৰ নামত পতা মাতাল সাংস্কৃতিক সন্ধিয়াতকৈ সৰস্বতী পূজাৰ এক সুকীয়া মৰ্যদা আছে।*

## কলহীপাৰৰ পৰা বিশ্ব দৰবাৰলৈ গাঁৱলীয়া বাৰ্তা বিলোৱা

## আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ নিৰ্মাতা

# ৰীমা দাসৰ

# অনুভৱ



☛ বাইদেউ আপোনাৰ শৈশৱৰ বিষয়ে কিছু জানিব বিচাৰিছো।

শৈশৱটো আমি খেল-ধেমালি কৰিয়েই কটাইছো। বেলেগৰ জলফাই চুৰ কৰি, ৰবাব টেঙা চুৰ কৰিয়েই পাৰ হৈছে শৈশৱ। নদীত গা ধুইছিলো, তেনেকৈয়ে আমাৰ গাঁৱৰ ল'ৰা-ছোৱালীৰ দৰে পৰিৱেশ এটাৰ মাজেৰেই পাৰ হৈছে। তোমালোকৰ কথা নাজানো, মডাৰ্ণ ল'ৰা-ছোৱালীবোৰে কেনেকৈ ডাঙৰ হৈছা, কিন্তু, আমি গাঁওলীয়া ধেমালিৰে পাৰ কৰিছো শৈশৱ।

☛ শিক্ষা জীৱনৰ বিষয়ে।

প্ৰথম মই ছয়গাঁও চৰকাৰী মজলীয়া বিদ্যালয়ত পঢ়িছিলো। তাৰপিছত চম্পকনগৰ ছোৱালী হাইস্কুলত, তাৰ পৰৱৰ্তী সময়ত ছয়গাঁও মহাবিদ্যালয়ত কলেজীয়া শিক্ষাৰ আৰম্ভণি কৰিছিলো। স্নাতক শিক্ষাৰ বাবে পুনৰ কটন মহাবিদ্যালয়লৈ ঢাপলি মেলিছিলো। ইয়াৰ পৰৱৰ্তী সময়ত পুনা বিশ্ববিদ্যালয়ত পঢ়িছিলো। মই সম্ভৱত ১৯৯৫ চনত ছয়গাঁও মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলো আৰু তাত উচ্চতৰ মাধ্যমিক প্ৰথম আৰু দ্বিতীয় বৰ্ষ পঢ়িছিলো। তাৰ পিছত কটনত গৈছিলো।

☛ আপোনাৰ কটনত গৈ ভাল লাগিছিল নে ছয়গাঁও মহাবিদ্যালয়ত বেছি ভাল লাগিছিল?

▤ এইটো ক'বলৈ আচলতে টান হয়। কাৰণ সকলোৰে এটা স্বকীয় বৈশিষ্ট্য থাকে। ছয়গাঁও নিজৰেই ঠাই, ইয়াতেই ডাঙৰ-দীঘল হোৱা। গতিকে, যেতিয়া ছয়গাঁও মহাবিদ্যালয়ত প্ৰৱেশ কৰিছিলো তেতিয়া আমাৰ স্কুলৰে ছাত্ৰ-ছাত্ৰীসকল বা শিক্ষক-শিক্ষয়িত্ৰী গোটেইখিনি নহ'লেও কাৰোবাক নহয় কাৰোবাক লগ পাইছিলো বা জানিছিলো, গতিকে সেইটো ঘৰুৱা পৰিৱেশৰ দৰে আছিল। আকৌ, প্ৰথম মহাবিদ্যালয়ত যোৱাৰ অনুভূতি এটা পাইছিলো যে প্ৰথম মহাবিদ্যালয়ত যাম, ইউনিফৰ্ম পিন্ধিব নালাগে, বেলেগ কাপোৰ পিন্ধি যাম। আমাৰ সময়ত তোমালোকৰ দৰে ইউনিফৰ্ম দিয়া হোৱা নাছিল, গতিকে আমি বেলেগ বেলেগ মেখেলা-চাদৰ বা শাৰী আদি পিন্ধিছিলো। কিন্তু, কটনৰ পৰিৱেশটো বেলেগ আছিল। ছয়গাঁও মহাবিদ্যালয়ত গৈ এনে লগা নাছিল যে ক'ত আহিলোঁ? কিন্তু কটনৰ পৰিৱেশটো নতুন আছিল, কাকো চিনি নাপাওঁ, সকলো অচিনাকী ধৰণৰ আছিল। গতিকে তাত সংগ্ৰাম অলপ আছিল কাৰণ তেতিয়া ৰেগিং ও আছিল। মই হোষ্টেলত আছিলো। কিন্তু লাহে লাহে তাৰ পৰিৱেশৰ লগত খাপ খাই গৈছিলো। তাৰ পৰিৱেশটোৱে স্বাৱলম্বী হ'ব শিকাইছিল। কিন্তু ইয়াত থাকিলে ৰন্ধা-বঢ়া, ভাত বাঢ়ি দিয়া আদি কামবোৰ মায়ে কৰিছিল। কিবা এটা হ'লেও ক'বলৈ তাত কোনো সম্পৰ্কীয় নাছিল যদিও তাত বিভিন্ন ঠাইৰ ল'ৰা-ছোৱালী আছিল। যেনে- নাগালেণ্ড, উজনি অসম আৰু অৰুণাচল প্ৰদেশ আদিৰ ছাত্ৰ-ছাত্ৰী আছিল। গতিকে, আন এক দৃষ্টিকোণৰ পৰা চালে সেইটোও ক'ৰবাত যেন ভাল লাগিছিল, যথাৰ্থত দুয়োটা তুলনা কৰাটো কঠিন।

☛ আপুনি যিহেতু কলা শাখাৰ ছাত্ৰী আছিল, গতিকে আপুনি কলা শাখাৰ কোনটো বিষয় গুৰু বিষয় হিচাপে লৈছিল?

▤ মই সাহিত্য বা অসমীয়া বিষয়টো সৰুৰে পৰাই ভাল পাইছিলো।

☛ আপোনাৰ জীৱনৰ লক্ষ্য (Aim in life) কি আছিল? আমি জানিব পাৰিছো যে আপুনি সাংস্কৃতিক দিশৰ সৈতেও কিছু পৰিমাণে জড়িত আছিল?

▤ আচলতে মই ডাক্তৰ বা অভিযন্তা হ'ম বুলি ভবা নাছিলো, কিয়নো ভাবিলে মই কলা শাখাত নামেই নলগালোহেঁতেন। মই কি হ'ম, সেই কথাটো বৰ এটা ভালকৈ গম পোৱা নাছিলো। কিন্তু ঘৰৰ গোটেই পৰিৱেশটোৰ বাবে হয়তো মই শিক্ষকতা কৰাৰ প্ৰতিয়েই আগ্ৰহী আছিলো। অভিনয় কৰাৰ প্ৰতি মোৰ ইচ্ছা আছিল। কিন্তু মই সঠিককৈ ঠিক কৰিব পৰা নাছিলো যে মই কি হ'ম? কিন্তু মই ভাবিছিলো যে শিক্ষাটো ভালদৰে ল'ব লাগে, এইটো নহয় যে মই শিক্ষকেই হ'ম বা



আন কিবা। মই বিজ্ঞানৰ যে বিশেষকৈ কটা-ছিঙা কৰা কামবোৰ কৰিব লাগে, পইতাচোৰা কাটিব লাগে, সেইবোৰ কামৰ প্ৰতি মোৰ আগৰপৰাই ইচ্ছা নাছিল। মই বিশ্ববিদ্যালয়ত এইবাবেই পঢ়িলো যে মই অধ্যাপিকা হ'ম, তেনেকৈ ভাবিয়ে এম. এ. পাছ কৰা হ'ল। কিন্তু মই যেতিয়া মুম্বাইত গ'লো লাহে লাহে কি হ'বৰ মন তেতিয়াহে ওলাই পৰিল।

☛ আপুনি মুম্বাইত যথেষ্টখিনি সংগ্ৰাম কৰিছে, গতিকে সেই অভিজ্ঞতাটোৰ বিষয়ে ক'ব নেকি?

▤ সংগ্ৰাম মানে মই তাত বিশেষকৈ Spoken English বা হিন্দী ভাষা সলসলীয়াকৈ ক'ব পৰা নাছিলো, মই মুম্বাইত হিন্দী ক'লে সকলোৱে হাঁহিছিল। কিন্তু মোৰ অভিনয় ভাল পাইছিল। মই ছয়গাঁও মহাবিদ্যালয়তো শ্ৰেষ্ঠ অভিনেত্ৰী আছিলো আৰু কটনতো শ্ৰেষ্ঠ অভিনেত্ৰী আছিলো। পুনে বিশ্ববিদ্যালয়তো বিভিন্ন Competition বা Function ত অভিনয় কৰিছিলো, নৃত্য কৰিছিলো। গতিকে, মই পুনেত থাকোতে ভবা নাছিলো যে মুম্বাইত ইমান কঠোৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব। কাৰণ মুম্বাইত প্ৰতিযোগিতা বহুত বেছি। পঢ়িব জানিলেও কোৱাৰ অভ্যাস নথকাত হিন্দী ভালদৰে ক'ব পৰা নাছিলো। গতিকে, মোৰ বাবে সেইটো এটি সম্পূৰ্ণ নতুন পৰিৱেশ আছিল। তদুপৰি মই ক্লাছত যেতিয়া ভাল আছিলো তেতিয়া এটা ভাল পদবীত কাম কৰাৰ আশা পুহি ৰাখিছিলো কিন্তু, মোৰ চাগে কিবা বেলেগ কৰিব লগা আছিল। তাৰ পিছত, তাত থকা বন্ধু-বান্ধৱীৰ সৈতে কথা পাতিলো, বাহিৰৰ চিনেমা চাব আৰম্ভ কৰিলো আৰু লাহে লাহে চিনেমাৰ প্ৰযোজনা কৰাৰ প্ৰতি আগ্ৰহ জাগিল। কিন্তু, মই অভিনয় কৰাৰ প্ৰতিও আগ্ৰহী।

☛ বাইদেউ, আপুনি Commercial Cinema (বাণিজ্যিক ছবি) সন্দৰ্ভত কি ক'ব বিচাৰে বা আপুনিও এনে ছবিৰ প্ৰতি আগ্ৰহী নেকি?

▤ বাণিজ্যিক ছবি মানে যেতিয়া বজাৰত মুকলি কৰি দিয়া হয়, তেতিয়াই সেইটো বাণিজ্যিক ছবি হয়। যেনে ধৰা তুমি ভ্ৰাম্যমাণ থিয়েটাৰৰ কথাই কোৱা সেইটোও বাণিজ্যিক ছবিতেই পৰে। চাবলৈ গ'লে চিনেমাও এটা ব্যৱসায়। য'তেই টকা আছে সেয়াই ব্যৱসায়। কিছুমান শিল্পী থাকে যিয়ে গান গাই ভাল পায়, কিন্তু তাত যদি পইচা আছে তেন্তে সেইটোও এটা ব্যৱসায়ত পৰিণত হয়। আজিকালিতো চিনেমা এখন বনাওঁতে বহু টকা খৰচ হয়, গতিকে এইটো এটা সমাজসেৱা নহয়; তেওঁলোকে দৰ্শকক কেন্দ্ৰ কৰিয়েই চিনেমা নিৰ্মাণ কৰে। তেওঁলোকে চলচ্চিত্ৰ নিৰ্মাণৰ সময়ত এনেবোৰ দিশৰ ওপৰত দৃষ্টি নিবদ্ধ ৰাখে যেনে— অধিকাংশ দৰ্শকে কোনজন অভিনেতা-অভিনেত্ৰীক ভাল পায়, কেনেকুৱা ধৰণৰ সংগীত বা নৃত্যই নতুন মাত্ৰা প্ৰদান কৰিব, যি চলচ্চিত্ৰ নিৰ্মাণত বিনিয়োগ কৰা ধনৰাশি উভতাই অনাৰ উপৰিও লাভাংশৰ ক্ষেত্ৰত সহায়ক হ'ব। কিয়নো প্ৰতিগৰাকী শিল্পীক পাৰিশ্ৰমিক দিব লাগে। গতিকে ই এক ব্যৱসায়। কিন্তু মই চিনেমা নিৰ্মাণৰ সময়ত বাণিজ্যিক দিশৰ ওপৰত গুৰুত্ব দিয়া নাছিলো, কিন্তু এয়াওঁ ঠিক যে বোলছবি নিৰ্মাণৰ ক্ষেত্ৰত Money Expectation ৰ কথা নুই কৰিব নোৱাৰি। মোৰ বোধেৰে বাণিজ্যিক চলচ্চিত্ৰৰ সংজ্ঞা এইটো নহয় যে চলচ্চিত্ৰখনত গান কিম্বা fight থাকিবই লাগিব। মই বিচাৰো যে মানুহে চিনেমাখন ভাল পাওঁক তাৰমানে এইটো নহয় যে মই সংগীত বেয়া পাওঁ, মই এইখন চিনেমাতো সংগীত ব্যৱহাৰ কৰিছো, কিন্তু মই যিয়েই চিনেমা নিৰ্মাণ নকৰো এইটোৱে বিচাৰো যাতে 70% মানুহে ভাল পায়। গতিকে 'Village Rockstar' ও চাব গ'লে Commercial বুলিয়েই ক'ব পাৰি। এতিয়ালৈকে বাৰু 50% মানুহে ভাল পাইছে। কিন্তু কাইলৈ যেতিয়া চিনেমাখনে মুক্তি লাভ কৰিব মই জানিব পাৰিম যে কিমানে কেনেকুৱা প্ৰতিক্ৰিয়া কৰে। এতিয়ালৈকে Festival ত মই ঘূৰি আছো। এতিয়া 30 খনৰো অধিক Festival ত চিনেমাখন প্ৰদৰ্শিত হৈছে। মই নিজেই 20 খন মানত গৈছো, গতিকে তাৰ দৰ্শকে আকোঁৱালি লৈছে। গতিকে যদি মানুহে ভাল পাইছে, তেন্তেই Commercial।

☛ 'Village Rockstar' নিৰ্মাণৰ ধাৰণাটো আপোনাৰ মনলৈ কিয় আহিল আৰু ইয়াৰ মূল বিষয়টো কি আৰু ইয়াৰ পৰা আপুনি কিমান আশাবাদী?

▤ চিনেমা ভালপাওঁ বাবেই মই চিনেমা বনাইছো। মই এইটোও জানিছিলো যে চিনেমাখনটো মই মোৰ বাবেই বনোৱা নাই, গতিকে, মই এইটো ভাবিছিলো যে আমি কিছুমান বস্তু ভালপাওঁ বা মোৰ যিবিলাক কথাত হাঁহি উঠে বা কান্দো এইবোৰক লৈয়ে বনাইছো। চিনেমা এখন বনাওতে আমি বহুত অধ্যয়ন কৰিব লাগে যে এখন চিনেমা মানুহে কেতিয়া ভালপায়, সেইবিলাক বস্তু মই অধ্যয়ন কৰিছো। মই চাৰি বছৰৰ অন্তৰালত 'Village Rockstar' নিৰ্মাণ কৰিছো তাৰবাবে মই কিতাপ পঢ়িছো, ইন্টাৰনেট, চিনেমা আদি চাইছো যে গান-বাজনা নোহোৱা চিনেমা মানুহে কিয় ভাল পায় ইত্যাদি। গতিকে ইয়াৰ পৰা মই নিশ্চয় আশা কৰিছিলো কিন্তু যিমান আশা কৰিছিলো তাতকৈ বহুত বেছি পাইছো। এইটো নহয় যে মই ইয়াক অন্ধভাৱে বনাই গৈছো, এইটো এক প্ৰকাৰৰ কলা হয়। যেনে— এখন

চোফা বনোৱা এটা Craft হয়, ইয়াৰ যদি এটা খুৰাও বেয়া হয়, তেন্তে চোফাখন দুৰ্বল হ'ব। গতিকে চোফাখন বহিবলৈও ভাল হ'ব লাগিব আৰু দেখিবলৈও ভাল হ'ব লাগিব। সেয়েহে চিনেমাও তেনে এক বস্তু, তাৰ সকলো বস্তু ভাল হ'ব লাগিব। গতিকে বহুত কষ্টৰ মাজেৰে বনোৱা হয়। প্ৰথমতে মই সৰু চিনেমা বনাইছো তাত কিছুমান ভুল আছিল। গতিকে এইটো এটা যাত্ৰা আৰু অসমত কি হৈ আছে, সেইবোৰত মন দিয়া নাই। Universally মই বনাইছো যাতে আমেৰিকা, জাৰ্মানী, অষ্ট্ৰেলিয়া আদি য'তেই নাচাওক সেয়া চাই ভালপায়। তাত মানুহবোৰ বগা, ক'লা, মুগা আদি গুৰুত্বপূৰ্ণ নহয়, কাৰণ সকলো একেই মানুহ। ইয়াৰ জৰিয়তে মই যিটো 'মানৱীয় অনুভূতি' সেয়া দেখুৱাব বিচৰিছো। কিয়নো এই অনুভূতি হিন্দু, মুছলমান, খ্ৰীষ্টান সকলোৰে একে। মই কেৱল অসমীয়া হিচাপেই চোৱা নাই যে তাক কেৱল অসমীয়াই ভাল পাব লাগিব। মই ইয়াক সাৰ্বজনীন ভাবে চাইছো। মই বিশেষকৈ মানৱীয় আবেগৰ সংযোগ ঘটাব বিচাৰিছো।

☛ আপুনি কোনো ছবিত আগতে অভিনয় কৰিছে নেকি বা ভৱিষ্যতে কৰিব নেকি?

🗐 মোৰ অভিনয় কৰাৰ ইচ্ছা আছে। কিন্তু কিবা এটা বিষয়ত কাম কৰি আছো যেতিয়া সেইটোত ফ'কাছ কৰিব বিচাৰো।

"You cannot catch the two rabbits at the same time" একে সময়তে দুটা কাম কৰিব নোৱাৰি। এতিয়া সদ্যহতে মোৰ বহুত কামৰ হেচাঁ আছে। গতিকে, চিনেমাখন এতিয়া শিশুৰ দৰে, এইটোৰ প্ৰতি মোৰ বেছি দায়িত্ব আছে। মোৰ যদিও অভিনয় কৰাৰ ইচ্ছা আছে, এতিয়া চিনেমাখনক লৈ মই ব্যস্ত থাকিব লগা হৈছে। পিছত যদি সময়-সুবিধা পাওঁ তেতিয়া হয়তো অভিনয় কৰিম বা অন্য কোনো পৰিচালকে পৰিচালনা কৰা চলচ্চিত্ৰত অভিনয় কৰিম।

☛ 'Village Rockstar' নিৰ্মাণৰ ক্ষেত্ৰত সহায় কৰা ব্যক্তিসকলৰ ভিতৰত আপুনি কাৰ নাম বিশেষকৈ ল'ব বিচাৰিব?

🗐 এই ক্ষেত্ৰত মল্লিকা দাসৰ নাম ল'ব লাগিব। তাই সদায় মোৰ লগত আছে। তাৰ পিছত ল'ৰা-ছোৱালীখিনি যিয়ে চাৰি বছৰ ধৰি মোৰ ওপৰত বিশ্বাস কৰি চলিছে। কেতিয়াবা কেতিয়াবা সিহঁতৰ মাক-দেউতাকবোৰেও সোধে কি হৈ আছে? মোৰ পৰিয়ালে মোক প্ৰেৰণা দিছে আৰু গাঁৱৰ মানুহ বা মোৰ বন্ধুবৰ্গৰ নাম ল'ব লাগিব।

☛ বাইদেউ আপুনি ইমান ডাঙৰ কাম এটা দীৰ্ঘদিন ধৰি কৰি কৰি আছে, এই ক্ষেত্ৰত নিজকে নাৰী হিচাপে আপোনাৰ কেতিয়াবা দুৰ্বল অনুভৱ হৈছে নেকি?

🗐 মই তেনেধৰণৰ অনুভৱ কৰা নাই বা কোনোবাই কিবা কৈছে যদিও মোৰ সন্মুখত কোৱা নাই বা মই সেইটোৰ প্ৰতি গুৰুত্ব দিয়া নাই। এবাৰ shooting (দৃশ্যগ্ৰহণ) চলি থাকোতে এজনী মানুহে বেয়াকৈ চিঞৰি চিঞৰি তাচ্ছিল্য কৰিছিল আমাৰ অঞ্চলটোত।

☛ আপুনি পোন প্ৰথমে কেনেকৈ ছবিজগতৰ সৈতে জড়িত হৈছিল?

🗐 প্ৰথমাৱস্থাত মই চুটি ছবি নিৰ্মাণ কৰিছিলো। 'প্ৰথা' নামৰ চুটি ছবিখনেৰেই আৰম্ভ হৈছিল। এইখন ১০ মিনিটৰ আছিল। তাৰপিছতো বহুতো চুটি ছবি নিৰ্মাণ কৰিছিলো। কিন্তু পিছলৈ মই পূৰ্ণদৈৰ্ঘ্যৰ চিনেমা বনোৱাৰ মানস কৰিছিলো। তাৰ পৰৱৰ্তী সময়ত মই নিজেই এটা কেমেৰা কিনি ২০১১ চনত সৰু সুৰাকৈ Music Video, Short Film আদি নিৰ্মাণত ব্যস্ত থাকিলো। মই মুম্বাইত গৈছিলো Actrees হ'বৰ বাবে, কিন্তু তাত মোক কোনোবাই Director হোৱাৰ সুযোগ দিব, পইচা দিব সেইটো কেতিয়াও ভবা নাছিলো। মই এইটো কথা জানিছিলো যে মই কম বাজেটত চিনেমা নিৰ্মাণ কৰিব লাগিব। প্ৰথমখন ছবিও মই কেইখনমান Festival ত পঠাইছিলো, দুখনমানত স্বীকৃতিও দিয়া হৈছিল। ২০১৩ চনৰ শেষৰ ফালে আহিছিলো 'অন্তৰ্দৃষ্টি' ছবিখন কৰিবৰ বাবে। সেইটো মোৰ এটা ভাল অভিজ্ঞতা আছিল, কাৰণ সেইখনো মই এটা সীমিত বাজেটত নিৰ্মাণ কৰিব প্ৰয়াস কৰিছিলো। গতিকে সেই চিনেমাখনে মোক বহুত শিকালে। পিছত 'Village Rockstar' ত মই নিজেই কেমেৰা পৰিচালিত কৰিব পাৰিছো। মই যিহেতু Film School ত যোৱা নাই গতিকে এনেবোৰ অভিজ্ঞতাকে মই মোৰ Film School বুলি গণ্য কৰো। 'Village Rockstar' মই চাৰিবছৰ ধৰি বনাইছো। এখন এক (1) ঘন্টা ত্ৰিশ (30) মিনিটৰ চিনেমাত এটাৰ পিছত এটা দৃশ্য তাৰ মাজত আৱেগ আদি উপস্থাপন কৰিব লাগে, গতিকে এইটো ইমান সহজ নহয়।

☛ ভৱিষ্যত জীৱনৰ পৰিকল্পনা সম্পৰ্কে?

🗐 পৰিকল্পনাতো বহুতেই আছে। মৃত্যুৰ আগলৈকে আৰু এশ (100) খন মান চিনেমা নিৰ্মাণ কৰিব বিচাৰো, এতিয়া কেনেকৈ হয় সেয়া চেষ্টা কৰি থকা হৈছে। এতিয়া নতুন প্ৰকল্প (Project)ৰ এটা কাম কৰি আছো। মই নিশ্চিত যে মই ভৱিষ্যতে Film Making টোৰে আকোঁৱালি ল'ম বা কৰিব বিচাৰো। মই এইবাবেই সুখী যে মই যিটো কাম কৰি আছো, সেইটো কাম মই নিজেই enjoy কৰো, সাংঘাটিকভাৱে। গতিকে এইটোতে

আগবাঢ়ি যাম বুলি ভাবিছো।

☛ আপুনি কোন কোন ঠাইত 'Village Rockstar' খনৰ দৃশ্যগ্ৰহণ কৰিছে?

▤ আমি কালাৰদিয়া, কুকুৰমাৰা কলহী নৈৰ পাৰত, পাৰঘাটৰ ওচৰত, ছয়গাঁও বজাৰ আদিত দৃশ্যগ্ৰহণ কৰিছো।

☛ আপোনাৰ 'Village Rockstar' ত কেনেকৈ গ্ৰাম্যাঞ্চলৰ চিত্ৰ আৰু শিশুশিল্পী উপস্থাপন কৰিছে, যিহেতু এই ছবিখনে সমগ্ৰ বিশ্বতে জনপ্ৰিয়তা লাভ কৰিছে, গতিকে ইয়াৰ আঁৰৰ কাৰণ আপুনি কি বুলি ভাৱে?

▤ তেনেকুৱা একো নাই, মই এইটোৰে দেখুৱাব বিচাৰিছিলো যে যিটোৰ বিষয়ে মই জানো। যিহেতু মই গাঁওতে আনন্দ দিব পাৰে অৰ্থাৎ মানৱীয় সম্পৰ্ক এটা মই গঢ়ি তুলিব বিচাৰিছো আৰু ইয়াকে যাতে পৃথিৱীৰ মানুহে অনুভৱ কৰিব পাৰে তাৰ চেষ্টা কৰিছো। এইটো নাছিল যে কেৱল গ্ৰাম্যাঞ্চল দেখুৱাম।

☛ আপোনাৰ জীৱনৰ Turning Point বুলিলে কি ক'ব?

▤ 'Village Rockstar' আছিল মোৰ জীৱনৰ Turning Point। কাৰণ যেতিয়া মই টৰেন্ট'ত গৈছিলো, তেতিয়া মই ভাবিছিলো যে টৰেন্টো পৃথিৱীৰ ভিতৰত one of the fourth best festivals বুলি জনা যায়। আন তিনিখন হৈছে Berline, Cannes, Vanice গতিকে, যেতিয়া Village Rockstar টৰেন্টোত গৈছিল সেইটো মোৰ বাবে Turning Point আছিল, তাত গলেও মানুহবোৰে যে ইমান বেছি আকোঁৱালি ল'ব মই ভবা নাছিলো। গতিকে মই আশা কৰাতকৈ বেছি ভাল প্ৰতিক্ৰিয়া দেখিবলৈ পাইছো। এখন ভাল festival ত যোৱাটো মোৰ লক্ষ্য আছিল।



আছো, কলেজত পঢ়ালৈকে আছিলো, গাঁওৰ বিষয়ে মই ভালকৈ জানো, গতিকে মই সেইটোৱে দেখুৱাব বিচাৰিছিলো। তাৰ বাহিৰে বেলেগ একো নাই। মুম্বাইটো মই চলচ্চিত্ৰ নিৰ্মাণ কৰিব বিচাৰো, অতি সোনকালে নিৰ্মাণ কৰিম বুলি ভাবিছো। কিয়নো মুম্বাই মোৰ Second Home. মই ইমান বছৰ তাত আছো, গতিকে মই মুম্বাইখনকো ক'ৰবাত নহয় ক'ৰবাত জানো বুলি ভাৱো। মই গাঁওৰ মানুহখিনিৰ গোটেই কথা যেনে Life Style (জীৱনশৈলী), বাসস্থান এইবোৰ জানো বাবেই চিনেমাখন নিৰ্মাণ কৰিলো। কিন্তু মোৰ মূল কথাটো আছিল যে বৰ্তমানৰ Digital World খনৰ সলনি মানুহৰ প্ৰকৃতিৰ সৈতে এক আবেগ বা সম্পৰ্ক জড়িত হৈ আছে বা প্ৰকৃতিয়েও যে মানুহক কিমান

☛ আপুনি বহু ঠাইত Film Festival ত গৈছে, আপোনাৰ আটাইতকৈ বেছি ভাল ক'ত লাগিছিল?

▤ সেয়াটো সকলোতে ভাল লাগে। তথাপিও টৰেন্টোত যেতিয়া প্ৰথম গৈছিলো তেতিয়া প্ৰথমতে ভয়ো লাগি আছিল আৰু excited হৈ আছিলো আৰু যেতিয়া তাত select হ'ল তথা audience য়েও ইমান ভাল পালে তেতিয়া খুবেই ভাল

লাগিছিল। তাৰপিছত গুৱাহাটীত ভাল লাগিছিল। কিয়নো বিদেশত যেতিয়া ছবিখন উপভোগ কৰিব তাত ইংৰাজী subtitle টোহে চাব। কিন্তু গুৱাহাটীত অৰ্থাৎ আমাৰ ইয়াৰ মানুহে ভাষাটো জানেই। গতিকে, ইয়াত কিছুমান সৰু সৰু কথা চকুত পৰাটো সম্ভাৱনা থাকে। গতিকে গুৱাহাটীত প্ৰতিটো দৃশ্যকেই দৰ্শকে ব্যাখ্যা কৰা যেন লাগিছে। সেয়েহে গুৱাহাটীত ভাল লাগিছিল। যেনে— 'এটা সৰু ল'ৰাই চাইকেল চলাই গৈ আছে, বাকীবোৰে খোজকাঢ়ি গৈ আছে আৰু সি হঠাৎ আহি পোৱাৰ পিছত বাকীবোৰে কৈছে, "আহিল আৰু লেবেল দাস"। এনেধৰণৰ চিনবোৰত আমাৰ গুৱাহাটীৰ মানুহে বহুত আনন্দ লভিছে আৰু এনেকুৱা এটা অভিজ্ঞতা পাই মোৰ ভাল লাগিছে। তদুপৰি এটা শংকা আছিল যে যিহেতু মোৰ চিনেমাখনত কথিত গাঁৱলীয়া ভাষা ব্যৱহাৰ কৰা হৈছে, গতিকে কথিত ভাষা কোৱা উজনি অসমৰ মানুহখিনিয়ে বা ভালদৰে বুজি পাই নে নাপায়!

☛ আপুনি কাম কৰোতে বহু অভিজ্ঞ ব্যক্তি লগ পাইছে, এইক্ষেত্ৰত আপোনাৰ অনুভৱ?

▤ ভাল লাগিছে। আমাৰ মনত সাধাৰণতে ভয় থাকে এজন ডাঙৰ মানুহক মাতিব বা কথা পাতিব। গতিকে মই এনে এটা সুযোগ পাই ভাল লাগিছে।

☛ আপোনাৰ Village Rockstar ত থকা শিশুশিল্পীসকল পূৰ্ব প্ৰশিক্ষণপ্ৰাপ্ত আছিল নেকি আৰু আপুনি এওঁলোকৰ পৰা কিবা অসুবিধা পাইছে নেকি?

▤ সিহঁত পূৰ্বপ্ৰশিক্ষিত নহয়। আমি যথেষ্ট সময় পাইছো। গতিকে মুকলি আকাশৰ তলতে প্ৰশিক্ষণ চলিছিল আৰু মই সিহঁতক বন্ধুসুলভ ব্যৱহাৰ কৰিছিলো যাৰবাবে সিহঁতে মোৰ লগত বিনা সংকোচে কথা পাতিছিল। মই শিশু অভিনেতা অভিনেত্ৰীৰ পৰা বিশেষ একো অসুবিধা পোৱা নাই। কাৰণ, মই ভাবো যে সিহঁত সঁচাকৈয়ে Talented.

☛ বৰ্তমান অসমীয়া চলচ্চিত্ৰৰ দুৰৱস্থা নিৰ্মূল কৰাৰ ক্ষেত্ৰত আপোনাৰ মতামত কি?

▤ এইক্ষেত্ৰত চলচ্চিত্ৰ প্ৰযোজকে ভাল চলচ্চিত্ৰ নিৰ্মাণ কৰিব লাগিব যাক ৰাইজে ভালপায়। আকৌ ৰাইজেও নিজৰ অভিৰুচি আৰু এলাহ ত্যাগ কৰি অসমীয়া চলচ্চিত্ৰৰ গুৰুত্ব বুজি উপভোগ কৰিব লাগিব। এইক্ষেত্ৰত মই ভাবো চৰকাৰৰ সদিচ্ছা আৰু সহযোগিতাৰ প্ৰয়োজন আছে। মই মহাৰাষ্ট্ৰৰ চৰকাৰত দেখা অভিজ্ঞতাৰে ক'ব বিচাৰো যে চৰকাৰৰ এখন কমিটিয়ে যদি কিছুমান উন্নত মানৰ চলচ্চিত্ৰ বাচনি কৰি ছবিগৃহত বাধ্যতামূলক কৰে, তেন্তে ই অসমীয়া চলচ্চিত্ৰৰ উন্নতি সাধিব বুলি আশা কৰিব পৰা যায়। এক দীঘলীয়া সময়ৰ পিছত হ'লেও।

☛ বৰ্তমান চলচ্চিত্ৰৰ প্ৰচাৰৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ ভূমিকা কম নহয়। এই ক্ষেত্ৰত আপুনি অনুভৱ কৰে নেকি যে সংবাদ মাধ্যমে আপোনাক ৰাইজৰ ওচৰলৈ লৈ যোৱাত কিবা ক্ৰুটি কৰিছে?

▤ এই ক্ষেত্ৰত এটা সামাজিক পৰিৱেশ গঢ়ি উঠিব লাগিব অৰ্থাৎ জনসচেতনতা বাঢ়িব লাগিব। বৰ্তমান চেনেলবোৰেও পইচা নিদিলে প্ৰচাৰ নকৰে। এইটো নহয় যে কেৱল অসমতে এনেকুৱা হয়, এইটো বাহিৰতো চলে। গতিকে, আমাৰ ইয়াত ইয়াৰ বাবে এটা পৰিৱেশ গঢ়ি উঠাৰ প্ৰয়োজন।

☛ বৰ্তমান প্ৰতিযোগিতা আৰু কেৰিয়াৰ সংঘাতৰ সময়ত নৱ-প্ৰজন্মৰ প্ৰতি আপুনি কি পৰামৰ্শ দিব বিচাৰিব?

▤ পৰামৰ্শ বুলি কওঁতে মই ক'ব বিচাৰো যে প্ৰথমতে আমাৰ প্ৰতিটো বৃত্তিৰ প্ৰতি সন্মান গঢ়ি উঠিব লাগিব। সন্মান গঢ়ি নুঠালৈকে আমি কেৰিয়াৰৰ সংকটত ভুগিব লাগিব। কামৰ সৰু বৰ নাই। গতিকে, আমি লাজ নকৰাকৈ প্ৰতিটো কামক সন্মান দিব শিকিব লাগিব আৰু এইটো নহয় যে মই কিবা ভাল চাকৰি কৰিবই লাগিব, তাৰবাবে বহুতে হতাশাত ভুগে। কিন্তু, এইটো বুজিব লাগিব যে আমি ইয়াৰ উপৰিও বহুত কাম কৰিব পাৰো। ১৮ ৰ পৰা ৩০ বছৰৰ সময়ত আমি কষ্ট কৰা উচিত। নিজকে দুখীয়া বুলি হতাশ হ'ব নালাগে। সদায় যি আছে তাক লৈ আগবাঢ়ি যোৱা উচিত আৰু কষ্ট কৰা উচিত। তেতিয়া নিশ্চয় জীৱনৰ বাকীসময়চোৱা সুখ আৰু শান্তিময় হ'ব বুলি আশা কৰিব পাৰি।

✧ ✧ ✧ ✧ ✧

**নাজানিলে ভুল হ'ব**

ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ আঞ্চলিক ছবিৰ শিতানত স্বৰ্ণকমল লাভ কৰা প্ৰথমখন অসমীয়া বোলছবি হ'ল জাহ্নু বৰুৱা পৰিচালিত 'হালধীয়া চৰায়ে বাওধান খায়' (১৯৮৭)। বোলছবিখন হোমেন বৰগোহাঞিৰ একে নামৰ উপন্যাসৰ আধাৰত নিৰ্মাণ কৰা হৈছিল।

সাক্ষাৎকাৰ

## ছয়গাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা

# ড° ইচমাতুন নেচা বাইদেউৰ

### মহাবিদ্যালয় সম্পৰ্কে কিছু অনুভৱ

**প্ৰশ্নঃ- ছয়গাঁও মহাবিদ্যালয়ৰ কৰ্মজীৱনৰ অনুভৱ সম্পৰ্কে কওঁকচোন ?**

উত্তৰঃ- ২০১৬ - ২০১৭ ইং বৰ্ষৰ ছয়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'কলহী' ৰ সম্পাদিকা আমাৰ মৰমৰ ছাত্ৰী যুতিকা দাসলৈ প্ৰথমতে মই আন্তৰিক ধন্যবাদ জনাইছোঁ ছয়গাঁও মহাবিদ্যালয়ত এৰি অহা বহু স্মৃতি জড়িত হৈ আছে।

মোৰ জীৱনৰ সুদীৰ্ঘ তিনিটা দশকতকৈয়ো অধিক কাল ছয়গাঁও মহাবিদ্যালয়ৰ স্বৰ্ণময় বৰ্ণিল যাত্ৰাৰ সহযাত্ৰী হৈ আছিলো। ছয়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা হিচাপে কৰ্মৰত হোৱাৰ পিছৰে পৰা শিক্ষাদানকে জীৱনৰ ব্ৰত বিচাপে লৈ শিক্ষকতা কৰিলো। ২০১৫ চনৰ আগষ্ট মাহত অনুষ্ঠানিক ভাবে মই মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰোঁ। সচাকৈয়ে অৱসৰ পূৰ্ব সেই দিনবোৰ বহুত দায়িত্বপূৰ্ণ আছিল। অধ্যাপিকা হিচাপে যোগদান কৰাৰ সময়ত কলেজখন চৰকাৰী হোৱা নাছিল। আমি সেই সময়ৰ শিক্ষক সকলে ২৫০ টকা (দুশ পঞ্চাছ) কৈ মাহিলি বেতন লৈ শিক্ষা দান কৰিছিলো। সেই সময়ত মহাবিদ্যালযখনত আজিৰ দৰে সুন্দৰ অট্টালিকা নাছিল। অসম আৰ্হিৰ টিঙৰ এটা দীঘলীয়া সাধাৰণ ঘৰ আছিল। অসম আৰ্হিৰ টিঙৰ ঘৰটোৰ এটা সৰু কোঠালি সেই সময়ৰ অধ্যক্ষ শ্ৰীযুত অনিল বৰা দেবৰ কোঠা, তাৰ কাষৰ সৰু আন এটা কোঠা কাৰ্যালয় আৰু তাৰে কাষত শিক্ষক-শিক্ষয়িত্ৰীৰ (Common Room) আৰু তাৰ কাষত শ্ৰেণী কোঠা। সেই সময়ৰ শিক্ষক শিক্ষয়ত্ৰীৰ সংখ্যা যথেষ্ট কম আৰু ছাত্ৰ ছাত্ৰীৰ সংখ্যাও কম আছিল। মহাবিদ্যালয়ৰ এই সৰু পৰিয়ালটোৰ মাজত বহুত মিল আৰু বহুত আন্তৰিকতা আছিল। ১৯৮৫ চনত শ্ৰীযুত অনিল বৰা দেৱৰ সময়ত মহাবিদ্যালয় ঘাটি মঞ্জুৰী প্ৰাপ্ত হয়। ক্ৰমান্বয়ে ছাত্ৰ ছাত্ৰীৰ সংখ্যা বাঢ়িল আৰু শিক্ষকৰ সংখ্যাও বাঢ়িল। শ্ৰেণী কোঠা, শিক্ষকৰ Common Room, অধ্যক্ষৰ কোঠা আগৰ তুলনাত বহুত উন্নত হোৱাৰ লগতে আন আন সা সুবিধাও বৃদ্ধি পালে। মই অনুভব কৰো



মহাবিদ্যালয়ৰ ভাল বেয়া সকলো পৰিস্থিতিতে আমাৰ সহকৰ্মী সকলৰ মাজত একতা আৰু সহৃদয়তা সদায় আছিল। ফল স্বৰূপে ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়ত্ৰী সকলৰো বিদ্যালয়ত নৈতিক দিশত উন্নতি হৈছিল। ১৯৯২ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত আমাৰ মৰমৰ ছাত্ৰ বাহাৰুল ইছলাম শইকীয়াই অসমৰ ভিতৰত তৃতীয় স্থান, ১৯৯৪ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত আমাৰ মৰমৰ ছাত্ৰী শ্ৰীৰশ্মি নাথে অসমৰ ভিতৰত অষ্টম স্থান আৰু ১৯৯৫ চনৰ গুৱাহাটী বিশ্ব বিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত আমাৰ মৰমৰ ছাত্ৰী শ্ৰীসুৰমা দাসে অসমীয়া বিভাগত (মেজৰ) প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি ছয়গাঁও মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াইছে ছাত্ৰ ছাত্ৰীসকলৰ যিদৰে বিভিন্ন প্ৰতিভাৰ অধিকাৰী সেইদৰে ছয়গাঁও মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী সকলো পৰিশ্ৰমী, উৎসাহী আৰু গবেষণা কাৰ্য্যত ব্ৰতী। ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা বৃন্দই বিভিন্ন বিভাগত গবেষণা কৰি নিজৰ লগতে অনুষ্ঠানটিলৈ গৌৰব কঢ়িয়াই আনিছে অধ্যক্ষ শ্ৰীযুত অৰুণ চন্দ্ৰ শৰ্মা দেৱৰ

সহযোগত পাঠদানৰ বাহিৰেও সাহিত্য সংস্কৃতি, সংগীত আদি আন আন বিভাগবোৰত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত আমি শিক্ষক সকলে অনুপ্ৰেৰণা যোগাইছিলোঁ ফলত আমাৰ ছাত্ৰ ছাত্ৰী সকলৰ বহুতে আন্তঃ মহাবিদ্যালয়ৰ বিভিন্ন প্ৰতিযোগিতাত বিভিন্ন পুৰস্কাৰ বুটলিবলৈ সক্ষমহৈ ছয়গাঁও মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। মনত পৰে মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীলৈ। তিনিদিনীয়া কাৰ্য্যসূচীৰে কি উৎসৱ মুখৰ পৰিবেশ। সকলোৰে সহযোগত সুন্দৰ কৈ পাৰ হৈ গৈছিল। সেই দৰে প্ৰথমবাৰ ২০০৪ চনত NAAC ৰ মহাবিদ্যালয় পৰিদৰ্শনৰ সময়ত আমাৰ শিক্ষক, কৰ্মচাৰী ছাত্ৰ, অভিভাৱক সকলোৰে মিলিত প্ৰচেষ্টাত আমাৰ মহাবিদ্যালয়ে ভাল grade পাবলৈ সক্ষম হৈছিল। এনেকৈয়ে পূৰ্বৰ তুলনাত মহাবিদ্যায়ে সকলো দিশতে আগবাঢ়িবলৈ সক্ষম হয়। সেই একে গতিতে ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত উপেন কুমাৰ দেব আৰু শ্ৰীমতী কণিকা দালাল বাইদেউ ক্ৰমান্বয়ে পৰৱৰ্তী সময়ত ভাৰপ্ৰাপ্ত অধ্যক্ষ হৈ শিক্ষক কৰ্মচাৰী মহাবিদ্যালয়ৰ আৰু কলেজ পৰিচালনা সমিতিৰ সহযোগত আগবঢ়াই নি এটা গতি প্ৰদান কৰে। ২০১২ চনত ড° ৰাজু বৰদলৈ দেৱে অধ্যক্ষ হিচাপে ছয়গাঁও মহাবিদ্যালয়ত যোগাদান কৰে। আমি অনুভব কৰো তেতিয়াৰ পৰা মহাবিদ্যালয়ৰ চেহেৰা সম্পূৰ্ণ সলনি হ'ল। মহাবিদ্যালয়ৰ বহু অভাব পুৰণ হ'ল। ডাঙৰ ডাঙৰ বিল্ডিং হ'ল। ফলত শ্ৰেণী কোঠাৰ অভাৱ পুৰণ হ'ল। ছাত্ৰ ছাত্ৰীৰ যাৱতীয় কিছুমান অভাৱ পুৰণ হ'ল। মহাবিদ্যালয় শৈক্ষিক দিশৰ উন্নতিয়ে আমাক সকলোকে বৰ আনন্দ দিলে। ছাত্ৰ- ছাত্ৰীৰ পৰীক্ষাৰ ফলফলো বৰ ভাল আছিল। এতিয়াও বহুত ভাল। মহাবিদ্যালয়ৰ কৰ্মজীৱনত শিক্ষক শিক্ষয়ত্ৰী আৰু ছাত্ৰ ছাত্ৰীৰ মাজত থকা মধুৰ সম্পৰ্ক দেখি সদায়ে অভিভূত হৈছিলো। শৈক্ষিক দিশৰ উন্নয়ন ঘাইকৈ এইটোৰ ওপৰতে নিৰ্ভৰ কৰে। আমাৰ ছাত্ৰ ছাত্ৰীয়ে শিক্ষকক সন্মান কৰিব জানে। কেতিয়াও তেওঁলোকৰ পৰা আমি বেয়া ব্যৱহাৰ পোৱা নাই। শিক্ষক শিক্ষয়ত্ৰী সকলেও তেওঁলোকক নিজৰ সন্তানৰ দৰে ব্যৱহাৰ কৰোঁ । ছাত্ৰৰ উন্নতিয়ে আমাৰ চিৰ কাম্য। আমাৰ সকলোৰে এটাই চেষ্টা আছিল কিদৰে মহাবিদ্যালয়খনক সকলো দিশত আগবঢ়াই নিব পাৰোঁ। মহাবিদ্যালয় পৰিয়ালৰ প্ৰত্যেকৰে মানস পটত জিলিকি আছিল মহাবিদ্যালয়খনক উন্নতিৰ শিখৰলৈ তুলি নিয়াৰ সপোন। সময়ৰ সোঁতত আমাৰ কৰ্মজীৱনত সেই স্বপ্ন দিঠকত পৰিণত হৈছে । আমাৰ বৰ্তমানতেই মহাবিদ্যালয়ৰ কায়িক আৰু বিদ্যায়তনিক দিশত যথেষ্ট উন্নতি হৈছে। ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ ভৱিষ্যতলৈ ছয়গাঁও মহাবিদ্যালয়ৰ এই জয়যাত্ৰা অব্যাহত থাকক।

**২. প্ৰশ্নঃ-ছয়গাওঁ মহাবিদ্যালয়ৰ বৰ্তমানৰ শৈক্ষিক পৰিবেশকলৈ আপুনি সন্তুষ্ট নে?**

উত্তৰঃ- সুস্থ শৈক্ষিক পৰিবেশ ঘাইকৈ নিৰ্ভৰ কৰে কলেজ কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ- ছাত্ৰীৰ মধুৰ সম্পৰ্কৰ ওপৰত। আমাৰ কৰ্মকালত শৈক্ষিক পৰিবেশ বৰ সন্তোষজনক আছিল। সেই ধাৰাটো এতিয়াও অক্ষুন্ন আছে। গতিকে আমি সন্তুষ্ট। এটা কথা কব লাগিবই যে শৈক্ষিক পৰিবেশ বিনষ্ট নকৰিবলৈ শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ - ছাত্ৰীৰ বুজাপৰা লাগিবই। আমি জনাত শিক্ষক শিক্ষয়িত্ৰী মহাবিদ্যালয়ত দিনে ৬ ঘণ্টা থাকিবই লাগে তেওঁলোক পাঠদান কৰিবলৈ প্ৰতিমূহুৰ্তত সাজু থাকে। তেনেস্থলত দিনৰ শেষৰ ভাগৰ শ্ৰেণী সমূহত ছাত্ৰ-ছাত্ৰী শ্ৰেণী কোঠাত উপস্থিত নাথাকিলে পাঠদান কাৰ্য্যত অসুবিধা হয়। এনেকুৱা অসুবিধাবোৰ হৃদয়ঙ্গম কৰি ছাত্ৰ-ছাত্ৰীসকলো সজাগ হব লাগিব।

**৩. প্ৰশ্নঃ- ছাত্ৰ-ছাত্ৰী সকলে ভৱিষ্যত জীৱনত কেনেধৰণে আগবাঢ়িব পাৰিব, সেই বিষয়ে আপোনাৰ মতামত ?**

উত্তৰঃ- জীৱনৰ যি সময়ছোৱাত ব্যক্তিয়ে ভবিষ্যত জীৱনৰ বাবে শিক্ষা গ্ৰহণ কৰে সেই সময়ছোৱাকে ছাত্ৰ- জীৱন বোলা হয়। ছাত্ৰৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হৈছে বৌদ্ধিক তথা মানসিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে অধ্যয়নত ব্ৰতী হৈ আগবাঢ়ি যোৱা। ছাত্ৰ- ছাত্ৰীয়ে তেওঁলোকৰ অন্তৰত সুপ্ত হৈ থকা প্ৰতিভা আৰু ব্যক্তিত্বৰ বিকাশৰ বাবে এই সময়ছোৱাতে চেষ্টা চলাব লাগে। সুচৰিত্ৰৰ অধিকাৰী হৈ উশৃংখল বৰ্জন কৰি সংযম,ন্যায়, বিনয়, সততা আৰু ধৈৰ্য আদি গুণবোৰৰ অধিকাৰী হ'বলৈ চেষ্টা কৰিব লাগে। স্বাস্থ্যৰ প্ৰতি যত্ন ল'ব লাগে । ছাত্ৰ- ছাত্ৰী সকলৰ বাবে নিয়মানুৱৰ্তিতাৰ প্ৰয়োজন আটাইতকৈ বেছি। গতিকে অধ্যয়ন, খোৱা-লোৱা, ফুৰাচকা আদি সকলো ক্ষেত্ৰতে ছাত্ৰ- ছাত্ৰী সকলে নিয়মানুৱৰ্তিতা মানি চলা উচিত। পিতৃ-মাতৃ শিক্ষক-শিক্ষয়িত্ৰী আৰু বয়োজ্যেষ্ঠসকলৰ প্ৰতি শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন কৰাটো ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ অপৰিহাৰ্য অংগ। পিতৃ-মাতৃ, শিক্ষকসকলৰ আশীৰ্বাদে শিক্ষাৰ্থীসকলৰ জীৱন মধুময় আৰু শান্তিময় কৰি তোলে। শিক্ষাৰ্থীসকল সমাজৰে অংশ। গতিকে সমাজত চলি থকা অন্যায়-অবিচাৰৰ প্ৰতিবাদো কেতিয়াবা কৰিব লগা হয়। কিন্তু চাব লাগে যাতে তেওঁলোকৰ মূল উদ্দেশ্যত ব্যাঘাত নহয়। আশা কৰিছোঁ প্ৰৱল ইচ্ছাশক্তি আৰু আত্মবিশ্বাসৰ দ্বাৰা শিক্ষাৰ্থীসকল জীৱন সংগ্ৰামত আগবাঢ়ি যাব পাৰিব। কাৰণ মানৱ জীৱনত অসাধ্য একো নাই। "আনে যিটো কৰিব পাৰিছে সেইটো আমিও পাৰিম" এই প্ৰত্যয় ছাত্ৰৰ অন্তৰত নিহিত থাকিব লাগিব। প্ৰতিজন শিক্ষাৰ্থীয়ে প্ৰকৃত শিক্ষা লাভ কৰি একো-একোটি জ্ঞানৰ ভাণ্ডাৰ হওঁক, সমাজৰ কল্যাণ সাধন কৰক। ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি অন্তৰৰ পৰা আৰ্শীবাদ কৰিছো - মৰমৰ ছাত্ৰ- ছাত্ৰীসকল তোমালোক আগবাঢ়ি যোৱা সেইবোৰ গুণৰ অধিকাৰী হোৱা যিবোৰ গুণে তোমালোকক ব্যক্তি হিচাপে এজন আদৰ্শ নাগৰিক হোৱাত সহায় কৰিব।

✧ ✧ ✧ ✧ ✧

# সাংস্কৃতিক ক্ষেত্ৰত অৱদান আগবঢ়োৱা বৃহত্তৰ ছয়গাঁও অঞ্চলৰ কেইগৰাকীমান নাট্যশিল্পীৰ পৰিচিতি



## শ্ৰীযুত প্ৰসন্ন চন্দ্ৰ দাস

*নতুন কটহী*

শৈশৱ কালৰে পৰাই অভিনয়ৰ প্ৰতি থকা প্ৰবল ইয়াৰ আৰু আগ্ৰহে ছয়গাঁও অঞ্চলৰ নতুন কটহী গাওঁৰ নিবাসী শ্ৰীযুত প্ৰসন্ন চন্দ্ৰ দাস (দুখো) দেৱক এগৰাকী যাত্ৰাভিনয়ৰ সু-শিল্পীৰূপে প্ৰতিষ্ঠিত কৰাত সহায় কৰিছিল। তেওঁৰ জন্ম হয় ১৯৫২ চনৰ ১ এপ্ৰিল তাৰিখে। তেওঁৰ অভিনয় অনুৰাগী মনৰ বাবে গাওঁৰ বয়োজ্যেষ্ঠসকলে তেওঁক অভিনয় শিকাবলৈ আগবাঢ়ি আহিছিল। তেওঁ প্ৰায় ১৯৭৪-৭৫ ইং চনৰ পৰাই যাত্ৰাভিনয়ৰ জগতখনৰ সৈতে জড়িত হৈ পৰিছিল প্ৰথমে তেওঁ ছয়গাঁও অঞ্চলৰে বিভিন্ন গাওঁ পটৰীখাট, ধোঁৱাৰগাঁও বিহদিয়া আদিত অভিনয় কৰিছিল। তাৰ পিছত তেওঁ 'চম্পক নাট্য পৰিষদ, দখলাৰ শ্ৰীমাধৱ নাট্য পৰিষদ আদি প্ৰায়১৫ খনমান যাত্ৰভিনয় পাটত অভিনয় কৰিছিল। তেওঁ, নগাঁৱৰ লাওঁপানী ধুবুৰী, মৰিগাঁও, ছেৰাপুঞ্জী, মহেন্দ্ৰগঞ্জ, তুৰা আদি বিভিন্ন স্থানত অভিনয় কৰিবলৈ গৈ মৰম আৰু পুৰস্কাৰ বুটলিবলৈও সক্ষম হৈছিল। তেওঁ নগৰবেৰা হাইস্কুলত, ৰামপুৰ নাট্য পৰিষদৰ 'এটোপা চকুলো' নামৰ নাটকখনত ৰজাৰ ভাৰী জোঁৱাই 'বীৰবাহু'ৰ চৰিত্ৰত অভিনয় কৰি পুৰস্কাৰ লাভ কৰিছিল। তেওঁ পুৰস্কাৰ স্বৰূপে বহুৰূপৰ কাপ আৰু পদক লাভ কৰিছিল। পিছত ঘৰুৱা অসুবিধাৰ বাবে তেওঁ অভিনয় এৰিবলগীয়া হয়। তেওঁৰ নিজাববীয়াকৈ 'মাঁ কালী' নামৰ যাত্ৰাপাৰ্টিৰ দল এটি আছিল। বৰ্তমান ইয়াৰ সাজ-পোছাকবোৰ আনক ভাড়াত দিয়ে আৰু নিজেও কেতিয়াবা কেতিয়াবা অভিনয় কৰে।



## শ্ৰীযুত টিকেন চন্দ্ৰ দাস

*ছাটাবাৰী*

ছয়গাঁও সমষ্টিৰ অন্তৰ্গত বনগাঁও মৌজাৰ ছাটাবাৰী গাঁৱত জন্মগ্ৰহণ কৰা টিকেন চন্দ্ৰ দাস আছিল সৰুৰে পৰাই সাংস্কৃতিক মনৰ অধিকাৰী। স্থানীয় অঞ্চলৰে নাট্যদলৰ সৈতে অভিনয়ৰ পাতনি মেলা টিকেন চন্দ্ৰ দাসে প্ৰায় তিনিটা দশক ধৰি নাট্যাভিনয়ৰ লগত জড়িত হৈ ভালেমান নাটকত বলিষ্ঠ অভিনয়ৰে দৰ্শকৰ মন জয় কৰিছিল। দক্ষিণ কামৰূপৰ দখলাৰ প্ৰভাত শৰ্মা পৰিচালিত শ্ৰীমাধৱ নাট্য পৰিষদ আৰু মাঁ কালী নাট্য পৰিষদ আদিৰ দৰে আগশাৰীৰ নাট্যদলত অভিনয়ৰে পুষ্ট দাসদেৱ উপযুক্ত প্ৰচাৰ, আৰ্থিক দীনতা আৰু চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সদিচ্ছাৰ অভাৱত আমাক বহুখিনি দিবলৈ বাকী থাকি গ'ল। এসময়ত বলিষ্ঠ সংলাপ প্ৰক্ষেপণেৰে দৰ্শকৰ হৃদয় জয় কৰা দাসদেৱ আজিও শিল্পী পেঞ্চনৰ পৰা উপেক্ষিত। চৰকাৰৰ বিয়াগোম সাংস্কৃতিক বিভাগৰ যদি এইজনা সাংস্কৃতিক সাধকৰ ওপৰত দৃষ্টি নিবদ্ধ হয় তেতিয়াহ'লে নিশ্চয়কৈ আশীৰ দেওনা গৰকা শিল্পীজনে যথেষ্ট প্ৰেৰণা আৰু প্ৰাপ্যখিনি পোৱা যেন অনুভূত হ'ব।

**পল্লৱী দাস**
*স্নাতক প্ৰথম ষাণ্মাসিক*
*ৰাজনীতি বিজ্ঞান বিভাগ*

# ঠেলাৱালা

হাঁড়ে ছালে লগা নৰকংকাল দুটাৰ মুখত প্ৰায় আশী বছৰীয়া বয়সৰ শোঁটোৰা চিন স্পষ্ট। কিন্তু এতিয়াও নাই ৰ'দ-বৰষুণে কোবাই যোৱাৰ তাড়না আৰু ক্লান্তি। বুঢ়ীয়ে বুঢ়াক ঠেলাখনত বহুৱাই লাহে লাহে ঠেলা টানি পাণ দোকানৰ ওচৰত ৰ'ল। এই অঞ্চলৰ দুটা চিৰ পৰিচিত চৰিত্ৰ। মলিয়ন চাঁদৰৰ আচলত লুকাই থোৱা গুটি টকা এটা উলিয়াই বাইনে আগবঢ়াই এখন তামোলৰ অধিকাৰ সাব্যস্ত কৰে। হয়তো ইমানেই আছিল আজিৰ দিনটোৰ উপাৰ্জন। মোৰ সাহস নহ'ল সিহঁতক তামোলখন কিনি দিবলৈ। অথচ মোৰ টকাৰ অভাবেই নাই। তামোলখন দাঁতৰ চেঁপাত আধাগুড়া কৰি তাৰ আধামান মুখৰ পৰা উলিয়াই ঠেলাৰ ওপৰত বহি থকা দুৰ্বল স্বামীক খুৱাই দিলে। কি অনুপম এই চিৰন্তন প্ৰেম। দুটা খালী পেটৰ মাজতো অশেষ প্ৰেমৰ ভাণ্ডাৰ; য'ত আছে পৰিশ্ৰমী মানসিকতা। কিন্তু মোৰ নাই কি? ধন, সম্পত্তি, সুন্দৰ পত্নী? তথাপিও কিয় এই নাই নাই অনুভৱ???



# একশৰীয়া গল্প

হাতত মোনাখন লৈ নিজৰ ব্যৱসায়ৰ বাবে দোকমোকালিতে এখন আশাৰ মুখ লৈ যোৱা মানুহজনে যেতিয়া খালী মোনাখন টোপোলা বান্ধি, নিজৰ ল'ৰা-ছোৱালী আৰু পত্নীৰ ভোকাতুৰ মুখৰ প্ৰতিচ্ছবি চকুৰ পৰ্দাত লৈ উৰুখা পঁজাটিলৈ ওভতাৰ পথত বাকৰুদ্ধ দুচকুৰে বাগৰে ব্যৰ্থতাৰ নিৰৱ চকুলো; তেতিয়া উদ্ভাসিত হয় আজিৰ আধুনিক সমাজৰ পংগু মানসিকতা।

## মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা চিঠি প্ৰতিযোগিতাৰ প্ৰথম স্থানপ্ৰাপ্ত চিঠি ঃ

**সুদৰ্শন বড়ো**
স্নাতক ষষ্ঠ ষান্মাসিক, ইংৰাজী বিভাগ



প্ৰতি

মৰমৰ নিৰ্মল

জীৱনৰ জটিল মুহূৰ্তত তোমালৈ এখনি চিঠি লিখিবলৈ ওলাইছো। জটিল মুহূৰ্ত বুলি কিয় ক'লো জানানে? আজি প্ৰতিটো মুহূৰ্ত মই পাৰ কৰিব লগা হৈছে এখন দগ্ধ হৃদয় লৈ। বিশ্বায়ন আৰু আধুনিকতাৰ ধামখুমীয়াত আজি মানুহৰ জীৱনশৈলীৰ বহু পৰিৱৰ্তন হ'ল। সলনি হ'ল সুখৰ সংজ্ঞা, প্ৰেমৰ সংজ্ঞা। জানা নিৰ্মল আমি যে সৰুতে নৈৰ পাৰত লুকাভাকু খেলিছিলো। কলহীৰ বুকুত বাৰিষা যে শিহু ওলাইছিল, কলৈ গ'লগৈ বাৰু সিহঁত। সিহঁতে মানুহৰ শব্দ শুনিলে টুপুংকৈ বুৰ মাৰি নাইকিয়া হৈছিল আৰু আমি দুয়ো পুলকিত হৈ পৰিছিলো।

আৰু মনত পৰেনে তোমাৰ আমি যে ৰেডিঅ'ৰ কল্পতৰু অনুষ্ঠানলৈ চিঠি লিখিছিলো। কিমান যে মধুৰ আছিল সেইদিনবোৰ। ৰুদ্ৰ বৰুৱা, জ্যোতিপ্ৰসাদ, পাৰ্বতিপ্ৰসাদ, অনিমা বাইদেউৰ গান শুনিছিলো আমি। সময় বাগৰি গ'ল, আমাৰ মাজৰ বহু কিবাকিবি হেৰাই গ'ল। চিঠি লিখাৰ মাদকতাও হেৰাই যোৱাৰ উপক্ৰম হ'ল। তথাপি মই আশাকৰো আজিৰ আধুনিকতাৰ ধামখুমীয়াত তুমি মোলৈ চিঠি লিখিবা বুলি। কাৰণ আপোনজনৰ হাতৰ আখৰৰ সুগন্ধিয়ে মোক বৰ পুলকিত কৰে, মই তোমাৰ চিঠিখনলৈ আশাৰে বাট চাই থাকিম বিশ্বায়নক নেওচি। টাইম নাই বুলি নকবা। ইতি

তোমাৰ
'বিনয়'

Article

# Social Media and Political Agenda Setting



**Chinmoy Kalita,** *MA, B.Ed., MCJ*
Guest Writer

The title study is significant in exposing the importance of Social Media in political agenda setting within a democratic framework. Because due to the impact of 'Information Technology' at the democracy like India cannot thrive without the influence of Social Media in Agenda Setting. Now Social Media sets nations agenda focusing public attention on key public or political issues which has an immense and well documented influence reconstructing the 'Fourth Pillar' within a democracy. Being a part of Indian Nation State in Assam also Social Media has become a popular buzzword which is used different way in switching the public opinion and determining as well as shaping politiitcal agenda.

Though the term 'Social Media' is being used at now quite often by everyone and has become a popular topic of conversation, debates and controversies but we should keep in mind it is not just restricted to sites like Facebook, Twitter etc. Social Media infact, encompasses all the web services that facilitate creation, sharing and exchange of user generated contect. Social Media is the collective online communications channels dedicated to community based input, interaction, conntect-sharing and collaboration.




On the other hand Agenda Setting theory of communication descreibes the ability to influence the salience of topics on public agenda. This theory explains what issues and issue defitinitions reach the

policy agenda. Studying policy agenda setting is important from the stance of democratic representation. Through Media and Politics are not mere communication channels, but they actively contribute to the creation of shared meaning of what issues are important and how they should be defined. They influence what issues decisions markers perceive as sailent (agenda setting) and how they think about these issues (framing). Issue frames usually entail a particular problem definition, casual interpretation, moral evaluation and recommendation for a solution. Based on these conceptualization, I argue that agenda setting power of Social Media should be premarily considered as a meduim that is able to bring public opinions to the policy debate. They should not be considered as an actor or interest group in itself. At any moment in time Social Media are communicating a plethora of message from many different communities of interest.

I would like to mention here I perfromed a research work on 'Social Media and Political Agenda Setting with reference to Political Issues of Assam in Facebook and Youtube' in the recent year as a part of my communication studies. This was an attempt to measure the role of Social Media and its contribution towards political agenda setting in a land like in Assam which is always witnessing as a vibrant spot by thousands of political issues and problems. The political issues of Assam are taken for the study like Infiltration, Inter-state border conflict, Big dam, Insurgency and Jihadi that are always core across the Assam. Survey, case-study, interview, content analysis and observation methods were applied during the study. This study found that Social Media is taking an active part in the political agenda setting in Assam. In the recent years the Social Media tools provided a common plateform for the people of Assam, especially the youths to raise concerns about issues partaining to their interest in the cyber world and perhaps as a result of these protest, demonstrations and huge rallies were also carried out in physical world responding the various socio-political issues. Like the issues of Illegal Bangladeshi immigration, Corruption, Insurgency are most popularly hosted and discussed among the various groups and communities from Assam in the Social Media plateform. At present the various communities, groups like *Youth Thought for Assam, Assamese Page,* and the various non-politial organizations are using Social Media to raise burning socio-political issues with updates, uploading photographs and videos. These online communities to some extent have succeeded to mobilize people's participations regarding core






socio-political issues of Assam. Like the groups- STOP AND ERADICATE ILLEGAL BANGLADESHI IMMIGRATION' using the Social Media plateform to share news, articles from the newspapers in Assam regarding such immigration and share their comment on the political as well as repercussions. And it is seen that there is a strong grievance among people on such Illegal Immigration from Bangladesh. Facebook being most popular among all the Social Media between the youths which enables to share a common plateform, where users communicate, exchange and connect with each other. During my research I have found the 71.42% of the total Social Media users use Facebook and the 57.14% of the total Social Media users like to search facebook more than any other Social Media. It is also found that 57.15% Social Media users observe political views on Social Media. It should be mention here that 'Guwahati City' was taken as the Geographic area for my study.

In conclusion I would like to recall about that India's 16th National General Election' which was held in april and May 2014, Where Social Media played the vital role as a 'Game Changer for India's Democracy'. The Social Media effect was huge for the BJP and their leaders really understood that Social Media is an extended version of the campaign trail. So, analysis terms 2014 General Election as 'Social Media Elections' in India's democratic electoral process after independence. Finally, with some expectations I would like to sum up here as Social Media services are built on user participation, content creation and the communication concept like 'Participatory Media' is now attached with it where the audience can play an active role for opening up new spaces for dialogue, debate and socio-political issue based deliberations, Which are free from mainstream heirarchical and bureaucratic tendencies of the Institutionalized political process has been often celebrated.

*(The writer is former correspondent of Dainik Janambhumi and "President of India Meritious Silver Medal Awardee in 2014 for Census of India 2011" presently working as Asst. Teacher in Barbhitha Anchalik High School.)*

✧ ✧ ✧ ✧ ✧

*Facebook is created by Mark Juckerberg, Eduardo Saverin, Andrew McCollum, Dustin Moskovitz and Chris Hughes on 4th February, 2004.*

# প্ৰাক্তন শিক্ষাৰ্থীৰ মতামত

পংকজ কলিতা
প্ৰাক্তন ছাত্ৰ



**১। ছয়গাঁও মহাবিদ্যালয়ৰ বৰ্তমানৰ পৰীক্ষাৰ ফলাফলক লৈ আপুনি সন্তুষ্টনে?**

উঃ- সন্তুষ্ট। কিন্তু আন এক দৃষ্টিৰে যদি চাওঁ তেতিয়া আমি ক'ব খুজিম — সন্তুষ্ট, কিন্তু সুখী নহয়। আমি ভাবোঁ— ছয়গাঁৱৰ বৃহত্তৰ অঞ্চলটোত মানৱ সম্পদ গঢ়াৰ স্বাৰ্থত ষাঠিৰ দশকতে উকমুকনি দিয়া ছয়গাঁও মহাবিদ্যালয়ে আঁকোৱালি লোৱা ৰাইজ আৰু মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ নিভাঁজ আৰু অসীম ত্যাগে যেন আজিও উচিত মূল্য পাবলৈ বাকী আছে। মহাবিদ্যালয়খনৰ সৈতে হোৱা প্ৰথম চিনাকিতে আমি বাহাৰুল ইছলাম, সুৰমা দাস আদিৰ কৃতিত্ব আৰু প্ৰতিভাৰ উমান পাইছিলোঁ। সেই সময়ত মহাবিদ্যালয়খন আন্তঃগাঁথনিকে ধৰি অন্যান্য দিশত জৰ্জৰিত আছিল। কিন্তু আজি সেই অভাৱ ভালেখিনি আঁতৰিল। ১৯৫৯ চনৰ আগষ্ট মাহৰ ১৫ তাৰিখে ৰাইজৰ মাজত প্ৰথম গোহাৰি বিলোৱা আৰু শ্ৰদ্ধেয় প্ৰবীন কুমাৰ চৌধুৰীৰ পৌৰোহিত্যত ১৯৬০ চনৰ এপ্ৰিল মাহৰ ২৩ তাৰিখে প্ৰথম ৰাজহুৱা সভাৰে প্ৰস্তাৱ গ্ৰহণ কৰা ছয়গাঁও মহাবিদ্যালয় আজি স্থিতপ্ৰজ্ঞ, ত্ৰাণকৰ্তা, দিগ্‌দৰ্শক আৰু জ্ঞানৰ আলোকেৰে পোহৰাই ৰখা এগছি অক্ষয় বন্তি। সম্প্ৰতি মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ অভাৱ কমাৰ উপৰি শিক্ষাৰ মান উন্নত কৰাৰ বাবে শিক্ষক-ছাত্ৰৰ মাজৰ যি মধুৰ সম্পৰ্কৰ প্ৰয়োজন সেয়া ছয়গাঁও মহাবিদ্যালয়ত ১০০ শতাংশই বিদ্যমান। প্ৰতিবছৰে পৰীক্ষাৰ ফলাফল উন্নত হৈ গৈয়েই আছে। ঢাপক ঢাপে আগুৱাইছে আমাৰ মহাবিদ্যালয়খন। কিন্তু আমাৰ আশাৰ টোপোলাটো আৰু মোটা কৰাত বাধা ক'ত? আমি পাৰিম, ইয়াতকৈও ভাল ফলাফল আমাৰ ছাত্ৰ-ছাত্ৰীয়ে আঁজুৰি আনিব পাৰিব। গতিকে আমি আশা কৰোঁ— আমাৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ মান ইয়াতকৈও অধিক উন্নত কৰিব, ৰাজ্যিক পৰ্যায়ত শীৰ্ষ স্থান লাভেৰে ছয়গঞাক জিলিকাই তুলিব। মহাবিদ্যালয়খনত অধ্যয়নৰত নাইবা নৱাগত ছাত্ৰ-ছাত্ৰীসকলে ছয়গঞাৰ সেই সপোন বাস্তৱায়িত কৰিব পাৰিব বুলি আমাৰ দৃঢ় বিশ্বাস।

**২। ছয়গাঁও মহাবিদ্যালয়ৰ বৰ্তমানৰ পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যে আপোনাৰ মতামত?**

উঃ- এক কথাত ক'বলৈ গ'লে খুব সুখকৰ। আমি দেখা আৰু শুনা পৰিৱেশ সম্প্ৰতি মহাবিদ্যালয়খনৰ ইতিহাস। শ্ৰেণীকোঠা, খেলপথাৰকে ধৰি ভালেমান সমস্যাৰে মহাবিদ্যালয়খন জৰ্জৰিত আছিল। সেয়েহে শৈক্ষিক পৰিৱেশো হয়তো আছিল তেনেই আচহুৱা। ছয়গাঁৱৰ মাজমজিয়াৰ পৰা ডেৰ কিলোমিটাৰ আঁতৰত অৱস্থিত মহাবিদ্যালয়খনলৈ কেইবছৰমান পূৰ্বে মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে মুখ ঘূৰাই চোৱাই নাছিল। কিন্তু কম মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলক নিজৰ ল'ৰা-ছোৱালী, ভাই-ভনীৰ দৰে শিক্ষাগুৰুসকলে শিকাই-বুজাই 'মানুহ' হোৱাৰ ৰাস্তা দেখুৱালে। ছয়গঞাৰ শিক্ষাৰ ভঁৰাল টনকিয়াল কৰিলে। খুব মসৃণ গতিৰে আগুৱাই ছয়গাঁও মহাবিদ্যালয়ে আজি এই পৰ্যায় পাইছেহি। মহাবিদ্যালয়খনত আজি তাৰ ওলোটা ছবি। ঠাহ খাই আছে ছাত্ৰ-ছাত্ৰী। ইয়াৰ পৰাই বছৰে বছৰে ওলাইছে হাজাৰ হাজাৰ মেধা ছাত্ৰ-ছাত্ৰী। ইয়াৰে কিছুমান খেল নাইবা সাংস্কৃতিক দিশত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত অংশগ্ৰহণ আৰু বঁটা লাভ কৰিছে। আমাৰ বাবে ই অতিকৈ গৌৰৱৰ কথা। সুস্থ পৰিৱেশেহে শান্তিৰ বাণী কঢ়িয়াব পাৰে। গতিকে মহাবিদ্যালয়ৰ মান বঢ়াবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলেই মুখ্য ভূমিকা গ্ৰহণ কৰিব লাগিব। তেওঁলোকেই এটা সুন্দৰ-সৌহাৰ্দ্যমূলক শৈক্ষিক পৰিৱেশ গঢ় দিব লাগিব। অলেখ সপোন বুকুত বান্ধি লোকৰ ঘৰে ঘৰে ধান-চাউল তুলি গঢ় দিয়া আমাৰ মহাবিদ্যালয়খনে তেতিয়াহে উন্নতিৰ সোপানত বগাব পাৰিব।

**৩। ছয়গাঁও মহাবিদ্যালয়ে বৃহত্তৰ ছয়গাঁও অঞ্চলৰ বৌদ্ধিক উত্তৰণত অৰিহণা যোগোৱা বুলি আপুনি ভাবেনে?**

উঃ- নিশ্চয়। শিক্ষাইহে 'মানুহ' গঢ়ে আৰু মানুহেহে এখন সুস্থ সমাজ গঢ় দিব পাৰে। শেহতীয়াভাৱে সমাজত বিভিন্ন অপশক্তিয়ে পোখা মেলিছে। শিক্ষাৰ দ্বাৰা সচেতনতা সৃষ্টি কৰাৰ অবিহনে এনে জাতিধ্বংসী প্ৰচেষ্টা নিৰ্মূল কৰা অসম্ভৱ। থূলতে ক'বলৈ

গ'লে সাম্প্ৰতিক সময়ত ছয়গাঁৱৰ বৌদ্ধিক মহল বুলি ক'লে যিটো চামক বুজো তাৰ সৰহসংখ্যকে ছয়গাঁও মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰা নাইবা আজিও তেওঁলোকৰ মহাবিদ্যালয়খনৰ লগত খুব ওচৰ সম্পৰ্ক। চাওক, ছয়গাঁও এখন ঐতিহাসিকভাৱে প্ৰসিদ্ধ ঠাই। ইয়াৰ লগত বহু পৌৰাণিক কথা জড়িত হৈ আছে। তদুপৰি ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বেলিকাও ছয়গাঁৱৰ ভূমিকা অপৰিসীম। ১৯৩৭ চনৰ নৱেম্বৰৰ ২৯ তাৰিখে জৱাহৰলাল নেহৰুৱে ছয়গাঁও ভ্ৰমণ কৰি বিভিন্ন সভা-সমিতিত ভাগ লৈছিল। ইতিহাসে আমাক এই কথা কয়। ছয়গাঁৱৰ অতীত মাধুৰী বৰ মধুৰ আৰু হৃদয়স্পৰ্শী। ছয়গাঁও হৈছে মুখ্যতঃ এটি কৃষিপ্ৰধান অঞ্চল। ইয়াৰ উপকণ্ঠ লোকসকলেও কৃষিৰ ওপৰতে নিৰ্ভৰ কৰি দুবেলা-দুমুঠি খাই আহিছে। তেনেক্ষেত্ৰত সন্তানক দূৰ-দূৰণিত শিক্ষা গ্ৰহণৰ ব্যৱস্থাতো বাদেই, ছয়গাঁও মহাবিদ্যালয়তে নামভৰ্তিৰ বেলিকা হালৰ গৰুটো নাইবা খীৰতী গাইজনী বেচিহে টকা-কড়ি যোগাৰ কৰে। তেনে বহু পৰিয়াল আছে। পুঁজিপতি শ্ৰেণীৰ কথা আমি ক'ব খোজা নাই। ছয়গাঁও মহাবিদ্যালয়ে সুদীৰ্ঘ ৪৪ বছৰে এই বৃহত্তৰ অঞ্চলটোত শিক্ষাৰ আবিৰেৰে চৌদিশ ৰঙাই তুলিছে। ইয়ে জানো ছয়গাঁৱৰ বৌদ্ধিক মহল সৃষ্টি কৰাত অৰিহণা যোগোৱা নাই। মহাবিদ্যালয়খনৰ ভালেকেইজন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে সুশিক্ষা লাভেৰে পৰৱৰ্তী সময়ত পুনৰ ছয়গাঁও মহাবিদ্যালয়তে তেওঁলোকে অধ্যাপক-অধ্যাপিকা হিচাপে যোগদান কৰি হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক 'মানুহ' হিচাপে গঢ় দিয়াৰ একান্ত সাধনাত ব্ৰতী হৈছে। ইয়ো আমাৰ কাৰণে অতিকৈ গৌৰৱৰ কথা নহয় জানো। লগতে তেওঁলোক নতুন প্ৰজন্মৰ প্ৰেৰণাৰো উৎস। মহাবিদ্যালয়খনক লৈ বানে ধোৱা অঞ্চলটোৰ মানুহৰ বহু আশা। এই মহাবিদ্যালয়খনৰ পৰাই এজন ভাল শিক্ষাবিদ ওলাওক, নামজ্বলা চিকিৎসক ওলাওক, সমাজহিতৈষী সমাজ সংগঠক ওলাওক, প্ৰাণপৰশা অভিনেতা-অভিনেত্ৰী ওলাওক, জগত বিখ্যাত বিজ্ঞানী ওলাওক, সুদক্ষ পাইলট, প্ৰশাসনিক বিষয়া ওলাওক, দেশমাতৃক ৰক্ষা কৰা প্ৰবল প্ৰতাপী সৈনিক, বীৰ-বীৰাংগনা ওলাওক। হে মোৰ সুহৃদ, ছয়গাঁৱত বৌদ্ধিক মহল সৃষ্টি কৰাত যিদৰে মহাবিদ্যালয়খনৰ ভূমিকা অপৰিসীম, ঠিক তেনেদৰে ছয়গাঁও মহাবিদ্যালয়ক শিক্ষাজগতৰ শীৰ্ষত অৱতীৰ্ণ কৰোৱাৰ দায়িত্বও সেই বৌদ্ধিক মহলেই সৃষ্টি কৰাত যিদৰে মহাবিদ্যালয়খনৰ ভূমিকা অপৰিসীম, ঠিক তেনেদৰে ছয়গাঁও মহাবিদ্যালয়ক শিক্ষাজগতৰ শীৰ্ষত অৱতীৰ্ণ কৰোৱাৰ দায়িত্বও সেই বৌদ্ধিক মহলেই ল'ব লাগিব।

*(বৰ্তমান দৈনিক জনমভূমি কাকতৰ গুৱাহাটীস্থিত কাৰ্যালয়ৰ সম্পাদনা বিভাগৰ কৰ্মচাৰী)*

---

ৰিংকুমনি দাস, প্ৰাক্তন ছাত্ৰী



**১। ছয়গাওঁ মহাবিদ্যালয়ৰ বৰ্তমানৰ ফলাফলক লৈ আপুনি সন্তুষ্ট নে?**

উত্তৰ ঃ ছয়গাওঁ মহাবিদ্যালয় বৃহত্তৰ ছয়গাওঁ অঞ্চলৰ জ্ঞানৰ আলয়। বিগত সময়ৰ পৰা বৰ্তমানলৈ লক্ষ্য কৰিলে প্ৰতীয়মান হয় যে শৈক্ষিক দিশৰ লগতে আন্তঃগাঠনিৰ ক্ষেত্ৰটো মহাবিদ্যালয়খনে যথেষ্ঠ উন্নতি কৰিছে। ফলাফলৰ উৰ্দ্ধগামী প্ৰক্ৰিয়ালৈ লক্ষ্য কৰিলে ইয়াক সন্তোষজনক বুলি যদিও ক'ব পাৰি অনাগত সময়ত অসমত স্থান কঢ়িয়াই আনি সমগ্ৰ ছয়গাওঁবাসীক গৌৰৱৰ পাত্ৰ কৰিব বুলি আশা থাকিল।

**২। ছয়গাওঁ মহাবিদ্যালয়ে বৃহত্তৰ ছয়গাওঁ অঞ্চলত বৌদ্ধিক উত্তৰণ অৰিহণাত যোগোৱাত সফল হোৱা বুলি আপুনি ভাবেনে?**

উত্তৰঃ হয় মই ভাবো। ছয়গাওঁ অঞ্চল বৃহত্তৰ হোৱাৰ লগতেই ইয়াত মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ বসতি সৰহ। বহুক্ষেত্ৰত প্ৰতিভা থাকিলেওঁ আৰ্থিক বাধাগ্ৰস্থতাৰ বাবে নৱপ্ৰজন্মই শিক্ষা লাভত, প্ৰতিভা প্ৰকাশত বাধাগ্ৰস্ত হয়। এইক্ষেত্ৰত মহাবিদ্যালয়খনে ছয়গাওঁ অঞ্চলত শিক্ষাৰ পোহৰ বিলাই, সকলোৰে বাবে বৌদ্ধিক উত্তৰণৰ পথ মসৃণ কৰি দিছে, ইয়াক ছাত্ৰ ছাত্ৰীয়ে কেনেকৈ ব্যৱহাৰ কৰে তাৰ ওপৰতহে শিক্ষানুষ্ঠানটিৰ সফলতা নিৰ্ভৰ কৰিব।

**৩। ছয়গাওঁ মহাবিদ্যালয়ৰ বৰ্তমান পৰিৱেশ আৰু ছাত্ৰ -ছাত্ৰীক উদ্দেশ্যি আপোনাৰ মতামত ?**

উত্তৰ ঃ বৰ্তমান ইয়াৰ পৰিবেশ উচ্চ শিক্ষাৰ বাবে প্ৰায় সকলো দিশৰ পৰাই উপযুক্ত। শিক্ষা প্ৰদান আৰু গ্ৰহণ কৰাটো যিহেতু এটা দ্বৈত প্ৰক্ৰিয়া, সেয়েহে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ লগতে শ্ৰেণীকোঠাৰ প্ৰত্যেকজন ছাত্ৰ -ছাত্ৰীয়ে ভাৱ বিনিময়ৰ দ্বাৰা সহযোগিতা কৰিলে শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াটো অধিক ফলপ্ৰসু হ'ব বুলি ভাবো। উচ্চ শিক্ষাৰ স্পৰ্শই ছাত্ৰ- ছাত্ৰীৰ মত প্ৰকাশৰ ক্ষমতা বৃদ্ধিতে ইয়াৰ সাফল্যতা বুলি স্বীকাৰ কৰো।



চুমি ঠাকুৰীয়া
প্ৰাক্তন ছাত্ৰী

**১। ছয়গাঁও মহাবিদ্যালয়ৰ বৰ্তমানৰ পৰীক্ষাৰ ফলাফলক লৈ আপুনি সন্তুষ্টনে?**
উত্তৰঃ- ছয়গাওঁ মহাবিদ্যালয়ৰ বৰ্তমান ফলাফলক লৈ এশ শতাংশ নহ'লেও নব্বৈ শতাংশই সন্তুষ্ট। মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগৰ ফলাফল আশাব্যঞ্জক ভাবে উন্নত হৈ গৈ আছে। উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ফলাফল আগৰ তুলনাত ক্ৰমান্বয়ে বহু উন্নত হৈছে। স্নাতক শাখাত প্ৰতিটো বিভাগতে বহু সংখ্যাক ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণী লাভ কৰাৰ লগতে বিভিন্ন বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে। তথাপি এইখিনি প্ৰাপ্তিতে আমি সন্তুষ্ট হৈ থাকিলে নহ'ব। বৰ্তমানৰ প্ৰতিযোগিতাৰ যুগত ইয়াতকৈও অধিক উন্নত ফলাফলেহে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ সক্ষম কৰিব।

**২। ছয়গাঁও মহাবিদ্যালয়ে বৃহত্তৰ ছয়গাঁও অঞ্চলৰ বৌদ্ধিক উত্তৰণত অৰিহণা যোগোৱা বুলি আপুনি ভাবেনে?**
উত্তৰঃ- একোটা অঞ্চলৰ বৌদ্ধিক দিশ সেই অঞ্চলৰ উচ্চশিক্ষাৰ অনুষ্ঠান, বিশেষকৈ মহাবিদ্যালয় একোখনৰ ওপৰত বিশেষভাৱে নিৰ্ভৰ কৰে। সেই দিশৰ পৰা ব্যতিক্ৰম নহয় ছয়গাওঁ মহাবিদ্যালয়ো। বৃহত্তৰ অঞ্চলটোৰ ভিতৰতে উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান হিচাপে ছয়গাওঁ মহাবিদ্যালয়ে হৈছে অঞ্চলটোৰ বৌদ্ধিক প্ৰাণকেন্দ্ৰ। অঞ্চলটোৰ বৌদ্ধিক উত্তৰণত মহাবিদ্যালয়খনে বিশেষ অৰিহণা যোগাই আহিছে। বৃহত্তৰ ছয়গাঁও অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে অঞ্চলটোৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে মহবিদ্যালয়খনত নামভৰ্তি কৰি তেওঁলোকৰ শৈক্ষিক লক্ষ্যত আগবাঢ়ি যোৱাত সক্ষম হৈছে। বৰ্তমানৰ মহাবিদ্যালয় বহুকেইগৰাকী অধ্যাপক-অধ্যাপিকা এই মহাবিদ্যালয়ৰে ফচল। মহাবিদ্যালয়খনত অসমীয়া বিভাগত স্নাতকোত্তৰ নিয়মীয়া পাঠ্যক্ৰম অধ্যয়নৰ সুযোগ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিছে। তদুপৰি দূৰ আৰু মুক্ত বিশ্ববিদ্যালয় আৰু কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম অধ্যয়নৰ সুযোগো ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিছে।

এই মহাবিদ্যালয়ৰ পৰা শিক্ষা সমাপ্ত কৰি যোৱা অনেক ছাত্ৰ ছাত্ৰীয়ে বিভিন্ন দিশত বিভিন্ন ধৰণে অৰিহণা যোগাইছে। সাহিত্য, কলা, সংস্কৃতি আদি বিভিন্ন বিষয়ত মহাবিদ্যালয়ৰ পৰা ওলাই যোৱা সকলে চৰ্চা অব্যাহত ৰাখিছে। ভাৰতীয় চলচ্চিত্ৰৰ স্বৰ্ণকমল বিজয়ী ছয়গাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী তথা দেশৰে গৌৰৱত পৰিণত হোৱা ৰীমা দাসৰ কথা বিশেষ ভাবে উল্লেখ কৰিব পাৰি। লগতে মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰী মল্লিকা দাসেও ভাৰতীয় চলচ্চিত্ৰৰ থিতাতে শব্দ বাণীৱদ্ধ কৰা শিতানত 'ৰজত কমল বঁটা' লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। এয়া মাত্ৰ উদাহৰণহে, অঞ্চলটোৰ সাহিত্য-সংস্কৃতি, ৰাজনীতি, সমাজনীতি তথা কৃষি - অৰ্থনীতি আদি সকলো দিশতে মহাবিদ্যালখনে বিশেষভাৱে অৰিহণা যোগাই আহিছে।

**৩। ছয়গাঁও মহাবিদ্যালৰ বৰ্তমানৰ পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যে আপোনাৰ মতামত?**
উত্তৰঃ ছয়গাওঁ মহাবিদ্যালয়ৰ বৰ্তমান পৰিৱেশ সন্তোষজনক। আন্তঃগাঁথনিৰ ক্ষেত্ৰত মহাবিদ্যালয়খনলৈ চকুত লগাকৈ পৰিৱৰ্তন আহিছে। ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাৰ সংখ্যা বৃদ্ধি হৈছে। মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ মাজত এক মধুৰ সম্পৰ্ক পৰিলক্ষিত হয়। ষান্মাসিক ব্যৱস্থা আৰম্ভ হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰী সকল পঢ়াশুনা আৰু তাৰ আনুষংগিক কামত নিজকে ব্যস্ত ৰাখিবলৈ বাধ্য হৈছে।

সফলতাৰ কোনো চুটি পথ নাই। সেয়েহে ছাত্ৰ - ছাত্ৰী সকলে নিয়মিত অধ্যয়ন কৰাৰ লগতে তেওঁলোকৰ সামাজিক দায়বদ্ধতা স্বীকাৰ কৰি স্বকীয় প্ৰতিভাসমূহৰ বিকাশ কৰিব বুলি মই আশাবাদী।

*(বৰ্তমান ছয়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগত অংশকালীন প্ৰবক্তা হিচাপে কৰ্মৰত।)*



যতীন কলিতা *(প্ৰাক্তন ছাত্ৰ)*

**১। ছয়গাঁও মহাবিদ্যালয়ৰ বৰ্তমানৰ পৰীক্ষাৰ ফলাফলক লৈ আপুনি সন্তুষ্টনে?**

উত্তৰ ঃ- ছয়গাঁও মহাবিদ্যালয়ৰ বৰ্তমান ফলাফলক লৈ আমি নিতান্তই সন্তুষ্ট। যদিও প্ৰতিযোগিতাসৰ্ব্বস্ব সাম্প্ৰতিক সময়ত আমি সকলোৱে আমাৰ ল'ৰা-ছোৱালীৰ পৰা তেওঁলোকৰ সামৰ্থতকৈ বেছিকৈ আশা কৰো যাৰ ফলত কেতিয়াবা কেতিয়াবা হঁতাশাত ভুগোঁ। এগৰাকী প্ৰাক্তন ছাত্ৰ হিচাপে মহাবিদ্যালয়খনৰ ফলাফলৰ আৰু অধিক উত্তৰণ সদায় কামনা কৰোঁ।

**২। ছয়গাঁও মহাবিদ্যালয়ে বৃহত্তৰ ছয়গাঁও অঞ্চলৰ বৌদ্ধিক উত্তৰণত অৰিহণা যোগোৱা বুলি আপুনি ভাবেনে?**

উত্তৰ ঃ- ছয়গাও মহাবিদ্যালয় এই অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান। এই অনুষ্ঠানৰ পৰা বিগত সময়ছোৱাত বহুতো ছাত্ৰ- ছাত্ৰীয়ে সুখ্যাতিৰ উত্তীৰ্ণ হৈ বিভিন্ন ক্ষেত্ৰত নিয়োজিত হৈ আছে আৰু তেওঁলোকৰ নিজৰ নিজৰ ক্ষেত্ৰত পাৰদৰ্শিতা কৰিবলৈ সক্ষম হৈছে। আমি জনাত মহাবিদ্যালয়খনে অতীজৰ পৰা শৈক্ষিক দিশৰ উপৰিও সাহিত্য, সংস্কৃতি, চিত্ৰশিল্প, খেল-ধেমালি, অভিনয় আদিৰ জৰিয়তে বিভিন্ন দিশত সুনাম অৰ্জন কৰি মহাবিদ্যালয়খনৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। সেইদিশৰ পৰা কবলৈ হ'লে বৌদ্ধিক উত্তৰণৰ বাটত মহাবিদ্যালয়খনৰ অৰিহণা অনস্বীকাৰ্য।

**৩। ছয়গাঁও মহাবিদ্যালৰ বৰ্তমানৰ পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যে আপোনাৰ মতামত?**

উত্তৰ ঃ- আমি পঢ়া সময়ৰ মহাবিদ্যালয় খনৰ পৰিৱেশ আৰু আজিৰ পৰিৱেশৰ মাজত আকাশ-পাতাল পাৰ্থক্য। সি শিক্ষাৰ ক্ষেত্ৰতে হওকঁ কিম্বা আন্তঃগাঁথনিৰ দিশৰ পৰাই হওঁক। যিহেতু ই এখন শিক্ষানুষ্ঠান গতিকে ইয়াত প্ৰয়োজনীয় দিশে সুস্থ শৈক্ষিক পৰিৱেশ বুলি আমি ভাবো। মহাবিদ্যালয়খনৰ সুস্থ শৈক্ষিক বাতাবৰণে অটুত ৰখাত মুখ্য ভূমিকা ল'ব লাগিব শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সমাজে। বৰ্তমান সময়ত কোনবোৰ কাৰণত আমাৰ বিদ্যালয়, মহাবিদ্যালয়বোৰত শৈক্ষিক পৰিবেশ বিনষ্ট হৈ আছে সেয়া সহজেই অনুমেয়। আমি সকলোৱে সহায়ৰ হাত আগবঢ়ালেহে ইয়াৰ পৰিৱেশ শিক্ষাদান আৰু শিক্ষাগ্ৰহণৰ অনুকূল হ'ব বুলি আমি বিশ্বাস কৰোঁ।

হে অনুজ,

তোমালোক আমাৰ ভৱিষ্যত। আমি দিনক দিনে ভয়াৱহ সংকটৰ পিনে গতি কৰি আছো। সেই কথা আপোনালোকেও নিশ্চয় অনুভৱ কৰো। সেয়ে ইয়াৰ পৰা উদ্ধাৰ পাবৰ নিমিত্তে ক্ষণস্থায়ী ভোগ-বাসনা ত্যাগ কৰি গুণগত আৰু কৰ্মমুখী শিক্ষাৰে শিক্ষিত হৈ নিজৰ লগতে সমাজৰ মংগল সাধনাত ব্ৰতী হওঁক। *(ছয়গাঁও চৰকাৰী মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষক হিচাপে কৰ্মৰত)*

---

কল্পজ্যোতি কলিতা (প্ৰাক্তন ছাত্ৰ)



**১। ছয়গাঁও মহাবিদ্যালয়ৰ বৰ্তমানৰ পৰীক্ষাৰ ফলাফলক লৈ আপুনি সন্তুষ্টনে?**

উত্তৰ ঃ- There is a sufficiency in the world for man's need but not man's greed.

ওপৰোক্ত শাৰীতেই প্ৰকাশ পাইছে আমাৰ উত্তৰ। আমি এতিয়াওঁ শিখৰত উপনীত হ'ব পৰা নাই, শিখৰত উপনীত হোৱাৰ দিনাহে সন্তুষ্টিৰ হাঁহি বিৰিঙিব। তেতিয়ালৈ আমাৰ ঘৰ্মাক্ত দেহৰ কঠোৰ অনুশীলন অব্যাহত ৰাখিব লাগিব।

**২। ছয়গাঁও মহাবিদ্যালয়ে বৃহত্তৰ ছয়গাঁও অঞ্চলৰ বৌদ্ধিক উত্তৰণত অৰিহণা যোগোৱা বুলি আপুনি ভাবেনে?**

উত্তৰ ঃ বিকাশ আৰু অভিজ্ঞতাৰ ফলত ব্যক্তিয়ে বিভিন্ন দিশ সম্পৰ্কে চিন্তা, যৌক্তিক বিচাৰ-বিবেচনা, ন্যায়-বিচাৰ, ধাৰণাৰ উত্তৰণ ঘটোৱাকে আমি বৌদ্ধিক উত্তৰণ বুলি ক'ব পাৰোঁ। এনেক্ষেত্ৰত ছয়গাঁও অঞ্চলৰ বৌদ্ধিক উত্তৰণত ছয়গাঁও মহাবিদ্যালয়ৰ ভূমিকা আশাব্যঞ্জক নহয় বুলি ভাবো। আক্ষৰিক অৰ্থত শিক্ষিত হ'লেই বৌদ্ধিক উত্তৰণ হোৱা বুলিব নোৱাৰি। গতিকে এইক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ে কৰিবলগীয়া আৰু বহুত আছে।

**৩। ছয়গাঁও মহাবিদ্যালৰ বৰ্তমানৰ পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যে আপোনাৰ মতামত?**

উত্তৰ ঃছয়গাঁও মহাবিদ্যালয়ৰ সাম্প্ৰতিক বাহ্যিক পৰিৱেশ অতি উন্নত বুলিয়েই ভাবোঁ। আভ্যন্তৰীণ পৰিৱেশ সম্পৰ্কে আমি অজ্ঞ যদিও মাজে-সময়ে সংবাদ মাধ্যমত শুনা বা দেখা নেতিবাচক দিশে আমাকো কন্দুৱাই যায়। শিক্ষাদান আৰু শিক্ষা অৰ্জনৰ বাবে এক সুন্দৰ পৰিৱেশ সম্প্ৰতি বিৰাজমান।

অনুজসকলক উদ্দেশ্যি ক'ব পৰা বিধৰ আমি যোগ্য নহয় যদিও এটা কথাই ক'ব বিচাৰো যে প্ৰতিযোগিতাৰ দিনত প্ৰতিযোগিতা কৰিবই লাগিব আৰু ফলাফলক আশা নকৰি নিজৰ সৰ্ব্বোচ্চ উজাৰি অধ্যৱসায়েৰে নিজৰ নিজৰ প্ৰতিভা আৰু সপোনক বাস্তৱায়িত কৰিবলৈ আত্মনিয়োগ কৰিব লাগিব। *(বৰ্তমান মৰিগাঁও জিলাস্থিত বড়িগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে কৰ্মৰত)*

Article

# MS Dhoni

## A Legendary Figure

**Rinku Das**
*Ex- Student*



One of the most popular Indian cricketers is Mahendra Sing Dhoni. Putting his great leadership skills to the ground. He served himself as the former captain of the Indian national cricket team.

The right handed Dhoni made his debut playing against Bangladesh in ODI on December 2004, as a batsman and a wicket keeper. Dhoni regarded as one of the best wicket keepers in world cricket and is known to have very fast hands.

Some years later, in 2007 Dhoni led the Indian National Cricket Team as Captain. As a captain, had always been a gem to the Indian team even in some very hard situations.

Captain cool Mahendra Singh Dhoni stumped every cricket fan with his decision to step down from the position of captain of India's limited over formats on 4th January, 2017. 35 years old Mahendra Sing Dhoni had already retired from international test cricket. Dhoni announced officially his retirement from international test cricket on 30th December, 2014. Dhoni cited the reason his retirement, was the strain of playing cricket in all the formats of the game.

Dhoni is India's most successful captain across all formats by leading India to the ICC world T20 title in 2007. World Cup victory in 2011 and lifted the Champions Trophy in 2013. Dhoni is the only captain in history, who have won all this three ICC global trophies under his captaincy. India also won the CB series of 2007-08 and the 2010 and 2016 Asia Cup.

As most successful Indian captain Dhoni led India in 60 Tests with 27 wins. In 199 ODIs India won 110 and losing 74 matches. In 72 T20s he won 42 and loss 28 matches as captain. Dhoni has led team India in 331 matches including tests ODIs and T20s, which is most by any captain in the world. Due to the immense amount of experience and his ability to remain calm even in pressure situations he has earned the reputation of "Captain Cool".

He is the third best captain by any captain in the world with at least 1000 runs. In ODI Mahendra Singh Dhoni has scored 6633 runs as a keeper captain. In his international career he has affected 152 stumping, most by any wicket keeper. Dhoni become the second Indian captain to have won a world in World Cup after Kapil Dev in 1983. In T20's Dhoni is most prosperous captain by having 20 wins in 33 matches.

MS Dhoni has been the receipent of many awards, including the ICC ODI player of the year award in 2008 and 2009. He is the only player to win the award twice. The Rajiv Gandhi



Khel Ratna award in 2007, the Padma Shri in 2009, the Padma Bhusan in 2018. Dhoni was awarded Indian's fourth highest civitian honour in 2009 and third highest civilian honour in 2018. The India Territorial Army conferred the Hnorary rank of Lieutenant Colonel to Dhoni on 1 November 2011. He is the second Indian Cricketer after Kapil Dev to receive this honour.

In the history of cricket there is no any captain who have achieved more success than Dhoni. As a captain, as a wicket keeper and as a batsman, Dhoni is the best player in any form of cricket.

After all, Captain Cool Mahendra Singh Dhoni is a part and parcel of cricket's battle-field.

✧ ✧ ✧ ✧ ✧

**Unknown Fact**

MS Dhoni learned the helicopter shot from his friend Santosh Lal. Who was a former Jharkhand Cricketer

# বাট

পংকজ কুমাৰ ঠাকুৰীয়া
(প্ৰাক্তন ছাত্ৰ)



বাট আছে বাবেইতো
সকলোৰে অহা যোৱা কৰে
বাট বুলি বুলি
কাৰ যে কত কথা
বাটকুৰি বাই
কত যে ভাগৰুৱা
বাটত বাট মিলি
কিমান যে আড্ডা
বাটত চলে চাইকেল ৰিক্সা
বাটত চলে থেলা গাড়ী
বাটেৰে নাযায় কি
খোৱা পিন্ধা ঘৰ বন্ধা সামগ্ৰী
বাটেৰেই যায়
গৰু ছাগলী গাহৰি
বাট চিনি নাপায় কোনে
বাট বুলি উজুটি নাখায় কোনে
বাটৰ আদি নাই
বাটৰ অন্ত নাই
বাট এটা আছে
সকলোৰে অহা যোৱা নকৰে
কঠিন আৰু কাঁইটীয়া এটা বাট
পোহৰৰ দিশে সৰলৰৈখিক এটা বাট

বাট চিনি বুলিলে বাট
বাট এৰিলে অবাট
বাটৰ আছে লক্ষ্য
বাটৰ আছে উদ্দেশ্য
বাটত থাকে সুখ
বাটত নাথাকে দুখ
বাটত আছে মানৱতা
বাটত আছে বিশালতা
বাটে দিয়ে বীৰত্ব
বাটে নিদিয়ে দাসত্ব
বাটে দিয়ে অক্ষ
বাটে দিয়ে মোক্ষ
বাটত থাকিলে কষ্ট
বাটত নাথাকিলে ভ্ৰষ্ট
বাট চিনি মাথোঁ
নুবুলে মানুহে বাট
বাট এৰি অবাটতে
চলি থাকে মধুৰ সংগ্ৰাম
বাট আছে বাবেইতো
সকলো অহা যোৱা কৰে
বাট এটা আছে
সকলোৰে অহা যোৱা নকৰে।

"এতিয়া বসন্ত কাল
ফুলতকৈ কাঁইটেই ভাল"
এইবুলি কৈ মোৰ কোলাত
আহি পৰিল
তেজৰঙা বুলবুলি এহাল
(বসন্তৰ স্তৱক - হীৰেন ভট্টাচাৰ্য)

একাংকিকা নাট

# মাধ্যাকৰ্ষণ

ড° নগেন কলিতা
প্ৰবক্তা, অসমীয়া বিভাগ

**চৰিত্ৰ পৰিচয়**

পৱন ঃ চৰকাৰী বিষয়া
ময়ূৰী ঃ ঐ পত্নী
পল্লৱ ঃ ঐ পুত্ৰ
কমল ঃ ৰান্ধনি
কাবেৰী ঃ শিক্ষয়িত্ৰী
খগেন ঃ ঐ শহুৰ
প্লাৱন ঃ নিবনুৱা যুবক



(পৰ্দা উঠাৰ লগে লগে মঞ্চত)
ক্ষীণ পোহৰ থাকিব। এটি ড্ৰয়িং ৰুমৰ দৃশ্য। চোফা, টিপয় আদি থাকিব।
পৱনে ট্ৰেকচ্যুট আৰু স্পোৰ্টিং পিন্ধি মঞ্চত প্ৰৱেশ কৰিব। মৰ্ণিংৱাকৰ পৰা ঘূৰি অহাৰ সাজ)

পৱন ঃ মই এঘণ্টা মৰ্ণিংৱাক কৰি আহি পালোহি, ঘৰৰ মানুহৰ খবৰেই নাই, সাৰেই পোৱা নাই ছাগে। ময়ূৰী, অ' ময়ূৰী উঠিবলৈ হোৱাই নাই নে? কিমান দিন কলো মোৰ সৈতে মৰ্ণিং ৱাকলৈ ওলাবলৈ। নাই কেলেই যাব টোপনি ঘাটি হব। পিছত গম পাবা যেতিয়া দেহটো মেদেৰে ভৰি পৰিব। তেতিয়া আকৌ Remady বিচাৰি জিমলৈ যাবলৈ বিচাৰিবা। ৰাতিপুৱা উঠি খোজকঢ়াটো স্বাস্থ্যৰ পক্ষে ভাল। দেহটো সুন্দৰ হৈ থাকিব। নহলে পিচত Slim হবলৈ পইচা খৰচ কৰিবলগীয়া হ'ব। ৱাকিং কৰি কিন্তু বিনা পইচাই Slim হৈ থাকিব পাৰি। (চকু

মোহাৰি ময়ূৰীৰ প্ৰৱেশ)

ময়ূৰী ঃ মোক মাত দিব কৈ আছিলো?

পৱন ঃ কৈ থকা নাছিলো, লেকচাৰ মাৰি আছিলো। ফণী শৰ্মাৰ নিবাৰণ ভট্টাচাৰ্য নাটক চোৱা নাছিলো জানো! তাত দেখোন নিবাৰণ ভট্টাচাৰ্যই খালী চকীবোৰৰ সমুখত ভাষণ দি আছিলি। ময়ো মোৰ কোঠাত অকলে অকলে লেকচাৰ মাৰি আছোঁ। মোক উদ্ভট নাটকৰ এটা চৰিত্ৰ বুলিয়েই ধৰাচোন। অ' ৰবা। মই হাত-মুখ ধুই আহো ৰ'বা (প্ৰস্থান)

ময়ূৰী ঃ (হাতেৰে মোবাইলৰ স্ক্ৰীণত আঙুলি বুলাই) এই ব্ৰহ্মপুৰাতেই হ'লো নে লঘু। এই কোম্পানীবোৰ যে কিমান অভদ্ৰ ব্যৱসায় কৰিবলৈ আহিছে, নামত ফ্ৰী, আন্‌লিমিটেড কল। কিন্তু হ'লে হ'ব কি? জীঅ' বৰ জীঅ' জীঅ' নহয় মৰোহে হৈছে। দেখাত ফ্ৰী, ইফালে Network কাটি দিছে। বেপাৰীবোৰ কৰবাৰ। (বিৰক্তিৰে মোবাইলটো ওচৰৰ বিচনাত দলি মাৰি দিয়ে বিচনাত বহে। কান্ধত টাৱেল লৈ পৱনৰ প্ৰৱেশ)

পৱন ঃ কি টোপনি মাৰিবলৈ এতিয়াও বাকী থাকিল নেকি? মাৰা মাৰা ঘাটি হৈ থকা টোপনিখিনি সম্পূৰ্ণ কৰা।

ময়ূৰী ঃ মূৰটো বৰকৈ কামুৰিছে। মালিচ অলপ দিবা নেকি? আহাচোন (পৱন ভিতৰলৈ যায়, খন্তেক পিচতে আকৌ প্ৰৱেশ)

প ৱন ঃ লোৱা এয়া মূৰৰ কামোৰণিৰ ঔষধ (বামটো ময়ূৰীৰ ওচৰলৈ দলিয়াই দিয়ে।)

ময়ূৰী ঃ (বামটো হাতত লৈ) বামেৰে কাম নহ'ব।

পৱন ঃ তেনেহলে কি টেবলেট লাগিব?

ময়ূৰী ঃ টেবলেটেৰেও কাম নহব।

পৱন ঃ তেনেহলে কিহেৰে কাম হ'ব, ডাক্তৰ লাগিব?

ময়ূৰী ঃ উঃ ৰাম, এই মানুহজনে একো বুজিয়েই নাপায়।

পৱন ঃ ধৈৰ্য ধৰা চোন। মই ডাক্তৰ কাকতিক ফোন কৰি দিওঁ। ভালদৰে চাই যাবহি।

ময়ূৰী ঃ কাকতি ডাক্তৰে ভাল কৰিব পৰা বেমাৰ নহয়।

পৱন ঃ (ব্যায়াম কৰি থাকি) তেনেহলে ডাক্তৰ চৌধুৰীকেই মাতিব লাগিব।

ময়ূৰী ঃ থোৱাহে তোমাৰ চৌধুৰী ডাক্তৰ (বিৰক্ত প্ৰকাশ)

পৱন ঃ মূৰ কামোৰণিতো ? ই মাইগ্ৰেনৰ লক্ষণো হ'ব পাৰে

ময়ূৰী ঃ নোহোৱা বেমাৰো জাপি দিয়া এতিয়া।

পৱন ঃ মাইগ্ৰেন হ'বওতো পাৰে, আই স্পেচিয়েলিষ্টকেই দেখুওৱা ভাল হ'ব যেন পাইছো।

ময়ূৰী ঃ হ'ব হ'ব আৰু লেকচাৰ নামাৰিলেও হ'ব। কপালৰ সন্মুখত চকুদুটা থাকিলেই নহয় মনৰ ভিতৰতো চকু থাকিব লাগে। চকুৰে নেদেখা বস্তু কিছুমান মনৰ চকুৰেও দেখা পোৱা যায়। কি যে মানুহ এইডাল, টকাৰ ধান্দাই অনুভূতি নোহোৱা কৰিহে এৰিছে। (মুখেৰ ভোৰভোৰাই বিচনাৰ পৰা উচাৎমাৰি উঠি গুছি যায়।

পৱন ঃ কমল অ' কমল (ভিতৰৰ পৰাই) ছাৰ, চাহ ৰেডি

পৱন ঃ চাহৰ কথা সোধা নাই, বাবু উঠিল নে নাই তাকেহে সুধিব খুজিছো।

কমল ঃ (ভিতৰৰ পৰাই) উঠিছে ছাৰ, মুখ ধুই আছে।

পৱন ঃ তাক সোনকালে ব্ৰেকফাষ্ট কৰিবলৈ দি পঢ়া টেবুললৈ যাবলৈ ক।

কমল ঃ হ'ব ছাৰ।

পৱন ঃ মোৰ চাহ ডাইনিঙত নালাগে, ইয়াতেই দিবি। কমলে চাহৰ ট্ৰে লৈ প্ৰৱেশৰ মুহূৰ্ততে পৱন ভিতৰলৈ সোমাই যায় আৰু কমলে ভিতৰলৈ প্ৰস্থান কৰিবলৈ লওতেই হাতত ফাইল এটা আৰু কলমটোৰে পৱনৰ প্ৰৱেশ)

পৱন ঃ কমল পানী এগিলাছ দিবলৈ তোক ক'ব লাগেনে? (হাতৰ ফাইলটো চোফাত বহি চাবলৈ ধৰে। কমলে এগিলাচ পানী আনি টেবুলত থৈ যায়। কাণৰ ওচৰত ফোনটো লৈ ময়ূৰীৰ প্ৰৱেশ)

ময়ূৰী ঃ No network coverage, কেতিয়া coverage দিব Network এ (বিৰক্তি প্ৰকাশ)

পৱন ঃ এই ৰাতি পুৱাইনো কিহৰ Network লগা হ'ল তোমাক? কিহৰ ইমান প্ৰয়োজন হ'ল?

ময়ূৰী ঃ প্ৰয়োজন হলেও যে সংযোগ নাপায় সেইটোহে ডাঙৰ কথা।

পৱন ঃ তোমাৰ Sim BSNL হে, ক'ত পাবা Network । BSNL অক মানুহে এনেয়ে কয় নে বেয়া চেনেল বুলি। তোমাৰ দেখোন অন্য বহুত চিম থকা যেন পাওঁ - Reliance, Vodafone , Idea, Aircel, Airtel......

ময়ূৰী ঃ এনড্ৰইদ মোবাইল হ'লে হ'ব কি, কেম্পানীবোৰো যে ফাল্টু। লাইনটো পালে তুমি অফিচত থকা সময়খিনিত মই অকলশৰীয়া হওঁ, বাবুও স্কুললৈ যায়, তোমাৰ সৈতে ফোনতেই কথা পাতিব পাৰি দিয়াচোন।

পৱন ঃ অফিচত থকা সময়খিনিত মোৰ মূৰ তুলিবলৈকে সময় নাই বুজিছা, ক'ত আৰু তোমাৰ লগত চুপতি মৰাৰ সময় পাম?

ময়ূৰী ঃ Network টো থাকিলে তুমি অফিচলৈ গৈ পালানে নাই, সেই খবৰটোকেইতো ল'ব পাৰো। (ভিতৰৰ পৰা সৰু ল'ৰাই পঢ়াৰ শব্দ ভাহি আহে, Apple, Ball)

পৱন ঃ ময়ূৰী মই আজি সোনকালে অফিচলৈ যাব লাগিব। কমলক কৈ দিয়াচোন সোনকালে ভাত ৰেডি কৰিবলৈ।

ময়ূৰী ঃ বাৰু (প্ৰস্থান) (হাতত দুখনমান কাগজলৈ পল্লৱৰ প্ৰৱেশ)

পল্লৱ ঃ পাপা, পাপা, চোৱাচোন কালি আমাৰ কপি ঘূৰাই দিছে। মোৰ নম্বৰবোৰ চোৱাচোন

পৱন ঃ (ফাইলৰ পৰা মূৰ নোতোলাইকৈয়ে) কেনে নম্বৰ পাইছা বাবা?

পল্লৱ ঃ (কাগজকেইখন দেউতাকলৈ আগবঢ়াই) তুমি চোৱাচোন।

পৱন ঃ বাবা তুমি কৈ যোৱাচোন কি Subject অত কিমান নম্বৰ পালা।

পল্লৱ ঃ (কাগজ কেইখন পিছফালে লুকুৱাই) নকওঁ (অভিমান কৰে)

পৱন ঃ কলেহে জানিম বাবা।

পল্লব ঃ তুমিও চালেহে গম পাবা। তুমিতো পঢ়িব জানা

পৱন ঃ কিয় নাজানিম?

পল্লব ঃ তেনেহলে পঢ়িচোৱা (আগ্ৰহেৰে কপি কেইটা আগবঢ়াই দিয়ে)

পৱন ঃ (ফাইলৰ পৰা মূৰ নদঙাকৈয়ে) তুমি নিশ্চয় ভাল নম্বৰ পাইছা?

পল্লৱ ঃ কাবেৰী আন্টিয়ে মোক শিকোৱাখিনিয়েই এগজামত আহিছে পাপা। কাৱেৰী আন্টি বৰ ভাল, মোৰ বৰ ভাল লাগে। আমাৰ মাই মোক শিকাই নিদিয়ে।

পৱন ঃ হয় নেকি, স্কুলত শিকায় নহয়।

পল্লৱ ঃ ঘৰতো শিকাব লাগে। আমাৰ লগৰ মেৰী, কুনালহঁতক মাকহ'তে বোলে হোমৱৰ্কবোৰ কৰি দিয়ে।

পৱন ঃ (ফাইলতে দৃষ্টি নিবদ্ধ) মাকহঁতে?

পল্লৱ ঃ আমাৰ মাই কিন্তু কৰি নিদিয়ে, সেয়েহে মই কাবেৰী আন্টিৰ ঘৰলৈ লৈ যাওঁ, আন্টিয়ে মোক শিকাই দিয়ে।

পৱন ঃ তোমাৰ মাই কিয় নিশিকাই।

পল্লব ঃ কয়, বোলে সময় নাই, স্কুলত শিকিবি।

পৱন ঃ আছে, আছে, সময় আছে, তোমাক এনেয়ে কৈছে।

পল্লৱ ঃ সঁচা পাপা, মাৰ সময় নাই বাবেই মোৰ টেবুলৰ ওচৰলৈ নাহে।

পৱন ঃ কিয় নহ'ব (টান সুৰত) মাৰৰ কি কাম আছে ঘৰত?

পল্লৱ ঃ কাবেৰী আন্টিয়েই ভাল পাপা। আন্টিৰ ওচৰতে পঢ়িম মই।

পৱন ঃ ঠিক আছে, বুজি নাপালে কাবেৰী আন্টিৰ ওচৰলৈ লৈ থাকা। তেওঁ তোমাক শিকাই দিব।

পল্লৱ ঃ কাবেৰী আন্টিয়ে শিকালে স্কুলৰ মিচে শিকোৱা যেন লাগে পাপা।

পৱন ঃ লাগিবতো, তেওঁ তোমাৰ স্কুলৰহে মিচ্ নহয়, তোমাৰ স্কুলখনৰ দৰেই অইন এখন স্কুলৰ মিচ্।

পল্লৱ ঃ মোৰ এগজাম কপিবোৰ কাৱেৰী আন্টিক দেখুৱাই আহোঁদেই পাপা। (দৌৰি ওলাই যায়)

(কাণত মোবাইল লৈ কথা পাতি পাতি ময়ূৰীৰ প্ৰৱেশ)

ময়ূৰী ঃ সদায়েই ট্ৰাই কৰো বুজিছা ফোনত। কিন্তু কোনো দিনে নাপাওঁ। কোনোবা দিনা কয় দ্যা পাৰ্চন ইউ আৰ ট্ৰায়িং টু ৰিচ্চ ইজ বিজি ইন এনাদাৰ কল। কোনোবা দিনা কয় সংযোগ সীমা চে বাহৰ হ্যায় আৰু কোনোবা দিনা ক'ব আপ জিচ নাম্বাৰ চে জোৰণা চাহতে হ্যায় ইয়ে অভি বন্ধ হ্যায়। কেতিয়াবা কেতিয়াবা কি কয় জানা দিছ নাম্বাৰ দাজ নট এগজিষ্ট। তেতিয়াহলে এই নম্বৰটো আজি কেনেকৈ পালো? এইবোৰ এনেয়ে কৈ থাকে কোম্পানীয়ে। মোৰ ঘৰতো তুমি দেখা নাই? আহিব লাগে বুজিছা। চোৱাচোন কিমান বন্ধুত্ব আমাৰ মাজত, এতিয়া বিয়াৰ বান্ধোনত সোমালো বুলিয়েইনো সেই আন্তৰিকতো শেষ ই যাবনে? মোৰ বৰকৈ মনত পৰি থাকে বুজিছা। মোৰ বিয়াৰ কেছেটটো উলিয়াই মাজে সময়ে চাওঁ নহয়, তাতেই তোমাক দেখা পাই থাকো। আহিবাচোন এদিন, মইনো ক'ত আছো, কেনেকৈ আছো, এবাৰ চাই যাবাহি। ৰাখো এতিয়া। (ফোনত চুমা খাই) বাই।

পৱন ঃ কোনহা সেইটো মুৰত? মিঠা মিঠা চুমা খালা যে? কোনোবা কেঁচুৱা নেকি?

ময়ূৰী ঃ নহয়, মোৰ এণ্টিমেট ফ্ৰেইণ্ড আমি ইউনিভাৰচিটিত একেলগে পঢ়িছিলোঁ ।

পবন ঃ এতিয়াও পাহৰা নাই?

ময়ূৰী ঃ বজম ফ্ৰেইণ্ড। কিছুমান ফ্ৰেইণ্ডচ দেখোন পাহৰিব নোৱাৰি, বন্ধুত্বৰ এনাজৰীডাল দৃঢ় হৈহে যায়।

পৱন ঃ তোমাৰ বান্ধৱীৰো তোমাৰ প্ৰতি কম আকৰ্ষণ নহয়?

ময়ূৰী ঃ এ দোস্তী হম নেহী তোৰেংগে। (কমলে হাতত ট্ৰে লৈ আহি শুদা কাপ প্লেটবোৰ লৈ যায়)

পৱন ঃ লৈ যা লৈ যা (কেলকুলেটৰত অংক কৰাত ব্যস্ত)।

ময়ূৰী ঃ কৰা, অংককে কৰি থাকে। চাবা জীৱনৰ অংকত আউল লাগিব পাৰে।

পৱন ঃ জীৱনটোওতো এটা অংকই। সাৱধানে কৰিলে ভূল নহয় (ফাইলটো সামৰে)

ময়ূৰী ঃ ইমান কাম কামকৈ থাকিব লাগেনে? (পৱনৰ ওচৰত বহে)

পবন ঃ ৰ'বাহে অফিচৰ কাম এইবোৰ।

ময়ূৰী ঃ অফিচৰ কাম অফিচতে কৰিব লাগে, ঘৰলৈ লৈ আহা কেলেই? তাতকৈ অফিচটোকেই ঘৰলৈ দাঙি আনিবা।

পৱন ঃ তুমি কি বুজিবা ময়ূৰী?

ময়ূৰী ঃ হয়তো, মইনো কি বুজিম? তোমাৰ অফিচৰহে কথা।

পৱন ঃ এই মাষ্টাৰ Plan টো Sanction হ'লে কিমান টকা মোৰ লাভ হ'ব জানা?

ময়ূৰী ঃ কিমান ?

পবন ঃ এক কোটিৰ plan টোত মোৰ লাভ হ'ব লাগিব কমেও বিশ লাখ।

ময়ূৰী ঃ মোৰ বেংক একাউণ্টত সুমুৱাব লাগিব। বহুদিন ধৰি তুমি মোৰ একাউণ্টত টকা জমা কৰা নাই ।

পৱন ঃ জালুকবাৰীত যে এটা plot চাইছিলো, সেই plot টো কিনাৰহে মাথা মাৰিম বুইছা।

ময়ূৰী ঃ তুমি যে কেৱল সম্পত্তি সম্পত্তিকৈয়ে থাকা। ধন-দৌলত গোটোৱাৰ বাহিৰে অন্য চিন্তা তোমাৰ মনলৈ নাহেনে?

পৱন ঃ সেইবোৰনো কাক নালাগে ময়ূৰী?

ময়ূৰী ঃ সকলোকে লাগে। কিন্তু ধন ধন কৰি ধনৰ পিছে পিছে ঘূৰি ফুৰাটোও উচিত নহয়। ধন - সম্পদৰ বাহিৰেও মানুহৰ অন্য কিবা কিবি অভাৱো থাকে

পৱন ঃ (ফাইলৰ কাগজ পত্ৰবোৰ আকৌ খুচুৰি চায়) মোৰ পলম হ'ব ময়ূৰী। সোনকালে যাব লাগে। (ময়ূৰীৰ ওচৰৰ পৰা উঠি ভিতৰলৈ গুছি যায়।)

ময়ূৰী ঃ পল্লৱ, বাবু, বাবু, দৌৰি আহা গা-ধুব লাগে। স্কুল টাইম হৈ গ'ল বাবু অ' বাবু । কমল, বাবু ক'ত অ' ?

কমল ঃ ছাৰৰ লগতে দেখা পাইছিলো দেখোন।

ময়ূৰী ঃ হেৰা ক'ত হা বাবু ? (ভিতৰলৈ চাই চিঞৰে) বাবু, অ' বাবু.....।

পৱন ঃ অলপ আগতে আছিল দেখোন পঢ়ি (ভিতৰৰ পৰাই কয়) তেজহঁতৰ ফালে ''ল নেকি।

ময়ূৰী ঃ কি যে হ'ব ল'ৰাটোৰ সৈতে, উপায় নোহোৱা হৈছে। কিনো যাদু কৰিছে কাবেৰী ডেকাই? ঘৰত থাকিবলৈকেই মন নকৰে দেখোন কমল, যা চোন লৈ আহ।

কমল ঃ গৈছো বাইদেউ (কমলে ভিতৰৰ পৰা মঞ্চৰ সমুখেদি বাহিৰৰ ফালে গুছি যায়)

ময়ূৰী ঃ (স্বগতোক্তি) আহক আজি বেটা। দুই থাপ্পৰ লগাম। সময় নাই অসময় নাই, দৌৰ মাৰিব কাবেৰী মাজনীৰ ওচৰলৈ। কিনো অমৃত পায় বা সেইখন ঘৰত? (মঞ্চত পাইচাৰি কৰি থাকোতেই বাবুল আৰু পল্লৱৰ প্ৰৱেশ)

পল্লৱ ঃ মই আহি গলো। (ভয়ে ভয়ে হাতৰ বহীখন টেবুলত থৈ মাকলৈ চায়)

ময়ূৰী ঃ পঢ়িব নালাগে তুমি ?

পল্লৱ ঃ পঢ়িলো দেখোন।

ময়ূৰী ঃ কেতিয়া পঢ়িলা, মই দেখোন গমেই নাপালো।

পল্লৱ ঃ পাপাই গম পায় নহয়।

ময়ূৰী ঃ কাবেৰী আন্টিহঁতৰ তালৈ গৈ থাকা কিয়?

পল্লৱ ঃ কাবেৰী আন্টিক বৰ ভাল লাগে?

ময়ূৰী ঃ মোতকৈয়ো ভাল লাগে?

পল্লৱ ঃ লাগেতো ।

ময়ূৰী ঃ কিহৰ বাবে?

পল্লৱ ঃ মোক কোলাত লয় চুমা খাই। তুমিতো মোৰ কোলাত নোলোৱা আৰু চুমাও নোখোৱা। তুমি কেৱল তোমাৰ মোবাইলটোকহে চুমা খোৱা, মোবাইলটোকহে মৰম কৰা। (লংপেন্ট-চুট-টাই পিন্ধি হাতত ব্ৰিফকেচটো লৈ পৱনৰ প্ৰৱেশ।

পৱন ঃ বাবু, যোৱা ৰেডি হোৱাগৈ, স্কুললৈ যাব লাগে।

পল্লৱ ঃ গৈছো পাপা (ভিতৰলৈ দৌৰ মাৰে) ।

ময়ূৰী ঃ ৰ'বা চফগুটি কেইটামান লৈ আহো (ভিতৰলৈ সোমায় যায়। চোফাত বহি ব্ৰীফকেচটো খুলি পৱনে কাগজ পত্ৰ ঠিকে ঠাকে আছে নে নাই চায়। (ময়ূৰীৰ প্ৰৱেশ)

ময়ূৰী ঃ লোৱা, দুটামান চোবাই যোৱা, ভাল লাগিব। অফিচ পালেই Miss call এটা দিবাদেই।

পৱন ঃ সেইবোৰ কৰি থাকিবলৈ মোৰ সময় নাই । মাষ্টাৰ প্লেনখনৰ কথাহে মোৰ মাথাত সোমাই আছে ?

ময়ূৰী ঃ অ' এতিয়া বিশ লাখ টকাহে মাথাত সোমাই আছে।

পৱন ঃ ঠিকেই ধৰিছা। অফিচত মোৰ যিটো ষ্টেটাছ বাহিৰতো সেই ষ্টেটাচ বজাই ৰাখিব বিচাৰিছো। চৌখিন অট্টালিকা, লেটেষ্ট মডেলৰ দামী গাড়ী। এইবোৰ নাথাকিলে মানুহৰ মাজত ব্যতিক্ৰম হ'ম কেনেকৈ?

ময়ূৰী ঃ অট্টালিকা, দামী গাড়ী আদিৰে সামাজিক ষ্টেটাচ এটাৰ আৱৰণ এটা সৃষ্টি কৰিব পাৰি কিন্তু সাংসাৰিক সুখ-শান্তিৰ ভেটি গঢ়িব পাৰি নে নাই সেই কথা ভৱাৰ অৱকাশ নিশ্চয় তোমাৰ নাই। বাহ্যিক ষ্টেটাচৰ নামত পাৰিবাৰিক সুখৰ বিসৰ্জন কোনো জ্ঞানী মানুহৰ কাম নহয় পৱন। পাৰিবাৰিক সুখ টকা পইচাৰে বজাৰত কিনিব পৰা বস্তু হোৱা হ'লে পৃথিৱীৰ সকলো মানুহকেই সুখী বুলি অভিহিত কৰিব পৰা গ'লহেতেন। দিগন্ত পৃথিৱীৰ কিমান ধনী মানুহৰ সুখৰ সংসাৰ আধাতে ভাগি গৈছে তাৰ হিচাপ তুমি জানানে?

পৱন ঃ তুমি ঘৰত থাকি ভাল ভাল কিতাপ পত্ৰ পঢ়া কৰিছা যেন পাইছোঁ, নহলে সাহিত্যৰ ভাষা খটুৱাই ইমান সুন্দৰ লেকচাৰ মাৰিব নোৱাৰিলাহেতেন ।

ময়ূৰী ঃ এতিয়া যোৱা পলম কৰিব নালাগে সময় হৈছে। (পৱনে ব্ৰীফকেচটো হাতত লৈ প্ৰস্থান কৰে, ময়ূৰীয়ে হাত জোকাৰি বাহিৰৰ ফালে চাই থাকে। বাহিৰত গাড়ীৰ শব্দ শুনিবলৈ পোৱা যায়)

কমল ঃ (হাতত স্কুল বেগ লৈ প্ৰৱেশ ) আহা বাবু আহা, স্কুলবাছ আহি পাবৰ হৈছে।

পল্লৱ ঃ (স্কুল ইউনিফৰ্মত প্ৰৱেশ ) অ, বাই বাই, টাটা। (প্ৰস্থান)

ময়ূৰী ঃ টা, টা, বাবু (হাত জোকাৰি বাহিৰলৈ চাই থাকে, তাৰ পিচত চোফাত বহে আৰু মোবাইলৰ স্ক্ৰীণত আঙুলি বুলাবলৈ ধৰে মাজে মাজে মিচিকি মিচিকি হাঁহি। কমলৰ প্ৰৱেশ )

কমল ঃ গৈয়ো পাইছো স্কুলবাছো আহিছে। এক মিনিট পলম হলেই গাড়ী গুছি গ'লহেতেন। হেৰি নহয় বাইদেউ, স্কুল

বাছত কিয়? বাবুক দেখোন নিজা গাড়ীতেই অনা নিয়া কৰিব পাৰি।

ময়ূৰী : নোৱাৰো নহয় গাড়ীৰ ড্ৰাইভাৰ এটা ৰাখিলেই হয়। পিছে গাড়ীখন আকৌ এওঁক যেতিয়াই তেতিয়াই লগা হয় নহয়।

কমল : বহুতৰে দেখিছো দুখন তিনিখন গাড়ী। আপোনালোকেও আৰু এখন ল'ব পাৰে দেখোন বাইদেউ।

ময়ূৰী : মোক এখন লাগে অৱশ্যে গাড়ী। ছাৰৰ খন অফিচলৈ অহা যোৱা কৰোতেই নিয়ে। ঘৰতো মোক এখন লাগে। তেতিয়া বাবুকো স্কুললৈ অনা নিয়াত সুবিধা হ'ব ।

কমল : ল'ব লাগে বাইদেউ, তেতিয়া মই চাইকেলেৰে বজাৰলৈ নগলেও হ'ব, ড্ৰাইভাৰটোক লৈয়ে গাড়ীত বজাৰ কৰিবলৈ যাব পাৰিম।

ময়ূৰী : যা পাৰিবি যা। মোলৈ ভাত সাজগৈ। (কমলৰ প্ৰস্থান। ময়ূৰী ফোনতেই ব্যস্ত। (কমলৰ প্ৰৱেশ)

কমল : আপোনালৈ ভাত সজা হৈ গ'ল বাইদেউ । (ময়ূৰী ভিতৰলৈ সোমাই নম্বৰ টিপাত ব্যস্ত হৈ পৰে)

কমল : হেল্ল' ভাই কি খবৰ অ'? ............... নাই ................. নাই। আজি বজাৰলৈ নাযাওঁ। সেইফালে কি খবৰ? চাই আছো, চুইছ অফ' বুলি কয় অ'। .......... (নেট প্যাক নাই? লোৱা নাই অ'। ........... ল'ম ল'ম। কিন্তু এইটো মোবাইলত নহ'ব নহয়। নতুন এটা ল'ব লাগিব। আৰু দুদিনমান বজাৰ কৰিবলৈ গলেই ঘাটিখিনি যোগাৰ হ'ব ৰ। তই মেছেজ লিখিব পৰা নহয়? .......... কেতিয়াবা কিবা খবৰ থাকিলে মেছেজ কৰি দিবি অ' পইচা কমতে হ'ব। (কলিং বেল বাজি উঠে) হ'ব দে এতিয়া থৈছোঁ। বাহিৰৰ প্ৰৱেশদ্বাৰৰ ফালে আগুৱাই যায়) আহক আহক।........ বাইদেউ? আছে আহক। (কাবেৰীৰ প্ৰৱেশ)

কমল : বহকচোন বাইদেউ, মই খবৰ দিওঁ আপুনি অহা বুলি। (কমল ভিতৰলৈ সোমাই যায়। কাবেৰীয়ে হাতৰ মোবাইলটোৰ স্ক্ৰীণত আঙুলি বুলাই থাকে। কমলৰ প্ৰৱেশ)

কমল : কাবেৰী বাইদেউ, আপোনাক অলপ সময় বহিবলৈ কৈছে বাইদেৱে।

কাবেৰী : কমল স্কুলত ল'ৰা ছোৱালীবোৰে মোৰ নামটো কৈ মেম বুলি মাতে। তই যি মোৰ নামটো কৈ বাইদেউ বুলি ক'ব নহয়, মোৰ ভাইটিয়ে মতা যেন পাওঁ।

কমল : আপোনাক মোৰ নিজৰ বাইদেউ বুলিয়েই ভাবো। মোৰ বাইদেউ এজনী আছে আপোনাৰ নামৰ সৈতে একে। বিয়া দিয়া হৈছে গাঁৱতে। ঠিক আপোনাৰ দৰে চেহেৰাৰ আৰু মৰমীয়ালো।

কাবেৰী : হয়নে বাৰু?

কমল : একেবাৰেই সত্য। বাৰু বাইদেউ, আপুনি মোবাইলত মেছেজ লিখিব জানানে?

কাবেৰী : কিয়? জানো।

কমল : মোকো শিকাই দিবনে? (পকেটৰ পৰা মোবাইলটো উলিয়াই কাবেৰী ওচৰত থিয় হয়)

কাবেৰী : কথা কোৱাতকৈ, মেছেজ কৰিলে পইচাৰ খৰচ কম হয়। চাওঁ, মোবাইলটো (কমলৰ হাতৰ পৰা মোবাইলটো লয়) এনেকৈ মেছেজ কৰিব লাগিব- অন কৰিবি তাৰ পিছত টেক্সলৈ আহি মেছেজ টাইপ কৰিবি, তাৰপিছত যালৈ পঠিয়াব লাগে নম্বৰটো উলিয়াই লৈ চেন্দ কৰিলেই হ'ল। বুজিলি নহয় ?

কমল : চেষ্টা কৰি চাম নোৱাৰিলে আপোনাৰ ওচৰলৈ গৈ আজি শিকি আহিম। (ময়ূৰীৰ প্ৰৱেশ)

ময়ূৰী : কমল, ডেকেনীৰ সৈতে কিহৰনো ইমান কথা পাতিছো অ'। বাইদেৱৰৰ বাবে চাহ অলপ বনাগৈ যা। (কমলৰ প্ৰস্থান) আজি স্কুল নাই হ'বলা?

কাবেৰী : আজি ছুটি লৈছো। গাঁৱৰ পৰা আলহী আহিছিলে আজি গ'ল। আলহীক বিদায় দি বাহিৰে বাহিৰে ইয়ালৈ আহিলো ।

ময়ূৰী : ভালেই আইৰো বাৰ্তা গংগাৰো যাত্ৰা। আলহী আগবঢ়াই দিয়াও হ'ল আৰু একে খেপতে মোৰ ইয়ালৈকো অহা হ'ল। আপুনি আহিল যেতিয়া কথা পতা লগ এজনী হ'ল। নহ'লে মোবাইলত ব্যস্ত হ'লোহেঁতেন।

কাবেৰী : আজিকালি অৱশ্যে টাইম পাছ কৰাৰ ক্ষেত্ৰত মোবাইলটোৱে বৰ সহায় কৰিছে ।

ময়ূৰী : মোবাইলটো থাকিলে কোনো লগ নহলেও সময় কটাব পৰা যায়। সুন্দৰ কৈ ব্যস্ততাৰেই সময় পাৰ হৈ যায় ।

কবেৰী : কথাটো নোহোৱা নহয় হয়। কিন্তু
ময়ূৰী : কি কিন্তু?
কাবেৰী : মোবাইলটোৰ বাবেই আজিকালি মানুহে নিজৰ আত্মীয়-স্বজনক চিনি নোপোৱা হৈছে। যান্ত্ৰিকতাই মানুহক এনেদৰে গ্ৰাস কৰিছে যে আপোনজনক এষাৰ মাত লগাবলৈকো সময়ৰ অভাৱ হৈছে। এইবোৰৰ ওপৰত মানুহে ইমান নিৰ্ভৰশীল হৈছে যে সেইবোৰ নহলেও নহয়।
ময়ূৰী : যুগৰ আহ্বান ডেকেনী।
কাবেৰী : হয়, হয়, আপুনি ঠিকেই কৈছে। পিছে ময়ো সেই সংক্ৰান্তীয় কাম এটাতেই আহিলো।
ময়ূৰী : কওঁকচোন (কমলে চাহ দি থৈ যায়হি) চাহ খাওক আগতে। তাৰ পিছত কামৰ কথা। ( চাহ খাবলৈ ধৰে )
কাবেৰী : বৰ বিশেষ ডাঙৰ কাম নহয়। অৱশ্যে মোৰ বাবে ডাঙৰ কামেই আপোনাৰ বাবে সৰু।
ময়ূৰী : কওঁকচোন, কেনে কামৰ কথা ক'ব খুজিছে ?
কাবেৰী : মই মাষ্টৰণী যদিও আজি কিন্তু মাষ্টৰণী হৈ অহা নাই আজি আহিছে। ষ্টুডেন্টৰ ৰূপত ।
ময়ূৰী : মাষ্টৰণী কোন তেনেহলে?
কাবেৰী : আজি মাষ্টৰণী আপুনি ।
ময়ূৰী : কিনো কয়হে ?
কাবেৰী : আজি আপুনি মোক শিকাব লাগিব।
ময়ূৰী : কিনো শিকাব লাগেহে?
কাবেৰী : এইটো কওঁকচোন (মোবাইলটো হাতত তুলি দিয়ে ) মেছেজ কৰাত বাহিৰে অন্য একো নাজানো।
ময়ূৰী : কিনো কয়হে, মাষ্টৰণী মানুহ। আজিৰ দিনতো যদি মোবাইলটো ভালদৰে চলাব নেজানে, আপুনি Complete নাৰীয়েই নহয়।
কাবেৰী : নহয়তো। সেয়েহে complete হোৱাৰ চেষ্টা কৰিছোঁ মোবাইলটোত বহুত কিবাকিবি আছে হেনো?
ময়ূৰী : আছেতো, Net Pack ভৰালে, সংসাৰৰ যি বিচাৰে, সকলো পাব। অভিধানৰ পৰা চিনেমালৈ সকলো মোবাইলটোতেই পাই যাব। Faccbook account খুলি ললে বন্ধু-বান্ধৱৰ সকলে খবৰ পাই থাকিব, ফটো আদিও পঠিয়াব পাৰিব আৰু যে ক'ত কি।
কাবেৰী : কওঁক চোন, কওঁক আৰু কি কি ?
ময়ূৰী : মাইক্ৰ ব্লগিং, চাইট, টুইটাৰ ৱাটচএপ আদি ।
কাবেৰী : কথা পাতি থকা মানুহৰ ফটোও দেখা পোৱা যায় যে?
ময়ূৰী : অঃহঃ সেইটোক video calling বুলি কোৱা হয়। যাৰ সৈতে বাৰ্তালাপ কৰি থাকিব তেওঁৰ ফটোখন মোবাইল স্ক্ৰীণত দেখা পাই থাকিব আৰু আপোনাৰ ফটোখনো সিটো মূৰত থকা মোবাইলৰ স্ক্ৰীণত দেখিবলৈ পোৱা যাব।
কাবেৰী : বাঃ আজি কালি বহুত সুবিধা হৈছে দেই।
ময়ূৰী : আপোনাৰ মোবাইলটো এনড্ৰইড। স্মাৰ্ট ফোনবোৰত অনেক সুবিধা থাকে। আপোনাক আজি মই ৱাটচ আপ কেনেকৈ কৰিব লাগে তাকেহে দেখুৱাই দিওঁ। একেলগে আটাইবোৰ বুজালে পাহৰি যাব। আহক ওচৰলৈ (ওচৰতে বহে, ফোনত কিবা কিবি দেখুৱাই থাকে) ধৰক আপোনাৰ ফটো ৱাটচ্‌আপত আপলোড কৰিব লাগে। ফটোখন Select কৰক, তাৰপিছত এয়া এইটো টিপক বচ্ আপোনাৰ ফটো গুছি যাব লগে লগে ।
কাবেৰী : মোৰ ফটো গেলেৰীৰ পৰা এখন ফটো Select কৰি পঠিয়াই দেখুৱাওকচোন।
ময়ূৰী : (ফোনত আঙুলি বুলাই বুলাই) ইয়াৰে কোনখন Select কৰিম কওঁকচোন।
কাবেৰী : (স্ক্ৰীণলৈ আঙুলিয়াই) এইখনকেই দেখুৱাওচোন।
ময়ূৰী : (ফোনত আঙুলি বুলাই) এয়া পঠিয়ালো। গুছি গ'ল আপোনাৰ ৰিলেটিভসকলোৰ যাৰ যাৰ ৱাটচ্‌আপ আছে তেওঁলোকে পাই গ'ল এইখন ফটো। ৰ'বচোন মোৰ ফোনটোত চালেই গম পাম নহয় (নিজৰ ফোনটো হাতত

লৈ অন কৰি আঙুলি বুলায়) এয়া চাওক মোৰ ফোনলৈকে আহিল। (কাবেৰীয়ে ফোনটো লৈ চায় ) বাৰু আজিলৈ ক্লাছ ইমানতেই সামৰোঁ দেই (দুয়ো হাঁহে ) মই এঠাইলৈ যাবলগীয়া আছে ।

কাবেৰী : (বহাৰ পৰা উঠি ) ময়ো যাওঁ দিয়ক। কাইলৈ আপুনি যদি ফ্ৰী থাকে, এপাক আহিম। (প্ৰস্থান) (কমল সোমাই আহি খালী কাপ প্লেট লৈ যায়। (ময়ূৰী ফোনৰ স্ক্ৰীণৰ আঙুলি বুলাবলৈ ধৰে)

ময়ূৰী : হেল্ল, প্লাৱন তোমাক যে মাতিছিলো, আমাৰ ইয়ালৈ, পাহৰি গ'লা নেকি? .......... বাছৰ পৰা এতিয়াহে নামিলা। পলম কৰিব নালাগে ৰিক্সা এখন লৈ আহা। (কমলৰ প্ৰৱেশ)

কমল : (হাতত এখন কাপোৰ লৈ চোফাচেট কোবাই কোবাই চাফ কৰিবলৈ ধৰে) বাইদেউ, আমাৰ চোফাচেটটোও বদলাব লাগে। কাবেৰী বাইদেউহঁতৰ সিদিনাখন নতুন চেট এটা আনিছে, বৰ ধুনীয়া। আমাৰো............।

ময়ূৰী : ডেকেনীহঁতে কি কিনে কি আনে তাকো তই জনা হলি? ছাৰক কৰিচোন। কোৱাৰ দিনাখনেই পাৰে যদি তাতকৈ সুন্দৰ চোফা ঘৰ সুমুৱাবহি। আনতকৈ সদায় ওপৰত থাকিবলৈ বিচৰা মানুহতো।

কমল : এই হেন ঘৰটোত এইটো চেটে শোভা পায়নে?

ময়ূৰী : যা, এতিয়া ঘৰলৈ যা, যি কাম কৰিবলগীয়া আছে কৰগৈ (প্ৰস্থান) (কলিংবেল বাজি উঠাৰ লগে ময়ূৰী দুৱাৰ মুখৰ ফালে আগুৱাই যায় আৰু হাঁহি মাৰি মাত লগায়) প্লাৱন, তোমাৰেই অপেক্ষাত মই ইয়াত মোবাইল টিপি সময় কটাইছোঁ। আহা আহা (প্লাৱনৰ প্ৰৱেশ)

ময়ূৰী : বহা বহা । (প্লাৱন চোফাত বহে ময়ূৰীও আহি ওচৰতে বহে) ইমান পলম কৰিলা কিয়? plan এটা কৰিহে তোমাক মাতিছো।

প্লাৱন : কিবা প্লেন মইতো নাজানো।

ময়ূৰী : গম পাব লাগিব ডেকা ল'ৰা। অনলাইন বুকিং কৰি দুটা টিকটৰ যোগাৰ কৰি থৈছোঁ। আমি মেটিনী শ্ব' চাম উৰ্বশীত। তাৰ পিছত ৰিজাৰ্টত সোমাই ভালকৈ এসাজ খাই বেংকত সোমাই বিশালত বজাৰ অলপ কৰিব লাগিব।

প্লাৱন : চিনেমা চাবলৈ! মই আপোনাৰ সতে?

ময়ূৰী : অ' মোৰ স'তে।

প্লাৱন : ছাৰৰ সৈতেহে আপুনি যাব লাগে ।

ময়ূৰী : মানুহজনৰ এইবোৰ চখ থাকিলেহে। তেওঁ কেৱল এটা কথাই জানে, কেনেকৈ ধন ঘটিব লাগে। আমোদ-প্ৰমোদৰো যে প্ৰয়োজন আছে সেই কথা তেওঁ বুজি নাপায়। (প্লাৱনক সাৱটি ধৰে। প্লাৱন আঁতৰি যাবলৈ বিচাৰে) No, No ডেকা ল'ৰা। দেহত যৌৱন নাই নেকি ? ডেকা তেজ নাই দেহত?

প্লাৱন : মই মোৰ চাকৰি সংক্ৰান্ততহে আপোনালোকৰ ঘৰলৈ ছাৰক লগ ধৰিবলৈ আহোঁ বাইদেউ।

ময়ূৰী : বাইদেউ? এতিয়ালৈ যি বুলিলা বুলিলা আৰু বাইদেউ বুলিব নোৱাৰিবা দেই। মোৰ নাম ময়ূৰী। তোমাৰ দৰে সুদৰ্শন যুৱক এজনে যদি মোক ময়ূৰী বুলি সম্বোধন কৰা শুনো, তেনেহ'লে মই ময়ূৰীৰ দৰেই পেখম ধৰিম, ছালিধৰি নাচিম প্লাৱন। হৃদয়ত মোৰ তৃপ্তিৰ প্লাৱন নামিব। ইমান প্ৰসাধনৰ প্ৰলেপেৰে ঢাকি ৰখা মোৰ মুখৰ মলিনতা আঁতৰি যাব। প্ৰসাধন নোহোৱাকৈয়ে মোৰ মুখমণ্ডলত সৌন্দৰ্যৰ কালিমা প্ৰকাশি উঠিব। অতৃপ্তিৰ কলীয়া ডাঁৱৰ মন আকাশৰ পৰা আঁতৰি গৈ ফৰকাল হৈ পৰিব। মোৰ ৰিক্ত উপকূলত তুমি তৃপ্তিৰ পাৰভঙা উছাহৰ ঢল নমাব পাৰিবা প্লাৱন। মই তোমাৰ বাবে আৰু বাইদেউ হৈ থকা নাই আৰু তুমিও মোৰ বাবে দূৰণিৰ অচিনাকি যুৱকজন হৈ থকা নাই। এতিয়া তুমি মোৰ নিচেই কাষৰ ।

প্লাৱন : মই বৰ দুখীয়া ঘৰৰ ল'ৰা বাইদেউ। মই ছাৰৰ অফিচৰ ষ্টেনোগ্ৰাফাৰৰ চাকৰিটোৰ এগৰাকী প্ৰাৰ্থী হিচাপেহে আপোনালোকৰ ঘৰলৈ অহা-যোৱা কৰিছো। ৰিটেন আৰু প্ৰেকটিকেল দুয়োটাতে পাছ কৰিছোঁ। ভাইভাও ভালেই হৈছে বুলি বিশ্বস্ত সুত্ৰে জানিব পাৰিছো এতিয়া আপোনাৰ ছাৰৰ ওপৰতে নিৰ্ভৰ কৰিছে মোৰ ভৱিষ্যত মোৰ দুখীয়া ঘৰখনৰ ভৱিষ্যত বাইদেউ।

ময়ূৰী : মই কোৱা কথাষাৰ তুমি তৎক্ষণাত পাহৰি গ'লা আকৌ সেই ভুলকেই কৰিলা। আকৌ বাইদেউ বুলিলা? মই কোৱা নাই মোৰ নাম ময়ূৰী বুলি?

প্লাৱন ঃ বাইদেউ (সংকোচেৰে)

ময়ূৰী ঃ আকৌ (হাতত ধৰি টান মাৰি চোফাৰ পৰা তুলি আনে) মই যেনেকৈ তোমাক নাম কাঢ়ি মাতিছো, তুমিও মোক ময়ূৰী বুলি মাতা প্লাৱন। মই জানো তোমাৰ ইন্টাৰভিউত অৱেল ভাল হ'লেও তুমি চাকৰিটো নোপোৱা। কাৰণ তুমি কৈছাই, তুমি দুখীয়া। কিন্তু ছাৰে টকাহে চিনি পায়। ছাৰক যদি তুমি টকাৰে কিনিব নোৱাৰা চাকৰিটোও নাপাবা। মোক যদি নামকাঢ়ি মাতিবলৈ সংকোচ কৰিছা তেনেহলে চাকৰিটো যে হেৰুৱাবা সেয়া নিশ্চিত। ডেকা ল'ৰা, তোমাৰ চাকৰিৰ চাবি-কাঠি মোৰ হাতত ।

প্লাৱন ঃ কেনেকৈ বাইদেউ?

ময়ূৰী ঃ No, No ময়ূৰী বুলি কোৱা। তুমি জানো জানা ডেকা ল'ৰা এই চাকৰিটো পাঁচ লাখ টকাৰ কমত বিক্ৰী নহয়। পাৰিবা তুমি পাঁচ লাখ যোগাৰ কৰিব? তুমি মোক ময়ূৰী বুলি সম্বোধন কৰি তোমাৰ সংকোচ আঁতৰাই আমাৰ মাজত মানসিক দূৰত্ব হ্ৰাস কৰি শাৰীৰিক নিকট সম্পৰ্ক স্থাপন কৰিব পাৰিলে চাকৰিৰ বাবে প্ৰয়োজনীয় টকা মই যোগান ধৰিম (প্লাৱনৰ দুচকুত আশ্চৰ্যৰ ভাবে) (কমল প্ৰৱেশ)।

কমল ঃ বাইদেউ চাহ বনাম নেকি ?

ময়ূৰী ঃ নালাগে দে, বাহিৰলৈ যাম যেতিয়া বাহিৰতেই খাম । মই আহোতে পলম হ'ব পাৰে, বাবুক আনিবলৈ নাপাহৰিব কিন্তু প্লাৱন, তুমি বহা মই তৎক্ষণাত ৰেডি হৈ আছো। (প্ৰস্থান)

কমল ঃ দাদা আপুনি আমাৰ ঘৰলৈ আহিয়েই থাকে কিন্তু মই এদিনো আপোনাক এবাৰ কথাই সোধা নাই। আপোনাৰ ঘৰ বাৰু গুৱাহাটীতেই নে ?

প্লাৱন ঃ নহয়, গাঁৱত, আছোহে গুৱাহাটীতে

কমল ঃ আপোনাক দেখোন ধৰিবই নোৱাৰি গাঁৱৰ পৰা অহা বুলি, দেখোন টাউনীয়া যেনেই লাগে। হেৰি নহয় দাদা আপুনি বাৰু চাকৰি কৰে নে বিজনেচ কৰে নে ঠিকা চিকা কৰে?

প্লাৱন ঃ কিয় সুধিলা বা?

কমল ঃ কাৰণ নথকা নহয়, যদি অফিচত কাম কৰে, তেনেহলে আপোনাৰ অফিচত পিয়ন চকিদাৰ বা মালী আদি পদত সুমুৱাই দিব নোৱাৰিবনে ? আৰু যদি ঠিকা চিকা কৰে, তেনেহলে লেবাৰ চলোৱাত মহৰী কৰিও দিব নোৱাৰিবনে? (ভিতৰলৈ চাই অলপ সৰুকৈ কয়) ইয়াতে পাঁচ বছৰ ভাত ৰান্ধিলো, ছাৰৰ অফিচত চাকৰি দিব বুলি কৈছিল পিছে এতিয়ালৈ খবৰেই নাই (ময়ূৰীৰ প্ৰৱেশ। সাজি-কাচি সুন্দৰকৈ)

ময়ূৰী ঃ কমল, মই আহিলো। ব'লা প্লাৱন। (দুয়োৰে প্ৰস্থান)

কমল ঃ সব ওলাই গ'ল। এতিয়া ফ্ৰী। এতিয়া মোৰ ৰাজত্ব (পেন্টৰ মোবাইল উলিয়াই নম্বৰ টিপিবলৈ ধৰে ) ধেৎ নেটৱৰ্ক বিজি (আকৌ নম্বৰ টিপে ) ধেৎ ৰিং কৰিছিলেহে গ'ল নহয় কাটি (আকৌ নম্বৰ টিপে ) ধেৎ এইবাৰ আকৌ চুইচ অফ হৈ গ'ল । কেতিয়াবা অৱশ্যে এনেয়ো কয় । (আকৌ নম্বৰ টিপে) ধেৎ সঁচাকৈয়ে চুইচ অফ (ফোনটো পকেটত সুমুৱাই থয়) ল'গে ল'গে ৰিং হ'ল। ফোনটো উলিয়াই স্ক্ৰীণত চাই আনন্দৰে অভিব্যক্তি প্ৰকাশ)

কমল ঃ হেল্লো ......... তোক বিচাৰিছিলো আকৌ ......... বাৰে বাৰে কিয় নকৰিম .......... তোৰ মালিনী বাইদেউয়ে ওচৰত আছে মই কেনেকৈ জানিম? —— অ সেই বাবেই চুইচ অফ কৰি দিছিলি। মই আকৌ অন্য কাৰণতহে চুইছ অফ কৰা বুলি ভাবিছিলোঁ । .......... এতিয়া ক'ত? বাথৰুমত? মোৰ চেনীমাই ঐ বাথৰুমৰ পৰা কোনে কৰিছে মই কিন্তু আজি এক্কেবাৰে ফ্ৰী। ঘৰত কোনো নাই, মই অকলে । —— থ'ব খুজিছ চেনীমাই? মোৰ কিন্তু থ'বলৈ মন যোৱা নাই। তই ফ্ৰী হ'লে মিচ্ কল দিবিদেই। বাই বাই। (ফোনটোত চুমা খাই তাৰপিছত গান গাবলৈ ধৰে) অ' চেনীমাই, চেনীমাই দুগালতে চুমা দি যাওঁ.....। (কলিং বেল বাজে) অঃ কোন বা আহিল এই অসময়ত। যিকোনো মুহূৰ্ততে চেনীমাইৰ ফোন আহিব পাৰে নহয় (বাহিৰৰ দুৱাৰৰ ফালে আগুৱাই গৈ) অ' খুৰাহে। আহক আহক। (খগেন সোমাই আহে)

কমল ঃ বহক খুৰা।

খগেন ঃ বাইদেৱেৰাক মাতচোন।

কমল ঃ বাইদেউ? বাইদেউ নাই, ওলাই গৈছে।

খগেন ঃ তোমাৰ ছাৰো নাই কিজানি?

কমল ঃ নাই নহয়, অফিচলৈ গ'ল, কিবা দৰকাৰী কাম আছিল নেকি?

খগেন ঃ দৰকাৰী নহয় বুলি ক'ব নোৱাৰি।

কমল ঃ ক'ব নোৱাৰিনে খুড়া কেনে কাম?

খগেন ঃ তোক কৈ লাভ হ'ব জানো?

কমল ঃ যদি কামটো সৰু মোক ক'লেও হ'ব পাৰে।

খগেন ঃ সঁচানে?

কমল ঃ কওঁকচোন খুড়া, কওঁক।

খগেন ঃ (হাতত লৈ থকা নোটখন দেখুৱাই) এইখন ...

কমল ঃ দুহেজাৰ টকাৰ ভঙনীয়া লাগে?

খগেন ঃ হ'ব জানো?

কমল ঃ চেষ্টা কৰি চাব পাৰো।

খগেন ঃ চা চোন, চা বোপাই পাৰ যদি....... ।

কমল ঃ আপুনি বহকচোন, মই চাওঁ হয় নেকি। (ভিতৰলৈ যায়, খগেনে টেবুলৰ কাগজখন চায়, কমলৰ প্ৰৱেশ)

কমল ঃ খুড়া, হ'ব ৰ'ব। (হিচাপ কৰিবলৈ ধৰে, পঞ্চাশ, একশ, দুশ....)

খগেন ঃ দহ, বিশ, পঞ্চাচ, শ গোটেইবোৰ উঠাই আনিছ নহয়। ভালেই হ'ব দে, চিটিবাছত দহটকীয়াৰ বৰ প্ৰয়োজন হয়।

কমল ঃ খুড়া, আপোনাৰ কাম হ'ল। আপুনি যাব পাৰে। মানে ময়ো যাম। বাবুৰ স্কুলৰ আজি হাফ হ'ব। ময়ো আনিবলৈ যাওঁ। নহলে আপুনি বহকচোন, মই সাউৎকৈ বাবুক লৈ আহোঁ। (কমল গুছি যায়, খগেনে বাতৰি কাগজত চকু ফুৰাবলৈ ধৰে)

খগেন ঃ দিন কাল বদলিল। কালৰো কাল বিপৰীত কাল, হৰিণাই চেলেকে বাঘৰ গাল। সবকে ক্ষমতাহে লাগে। গাড়ীৰ বাবে বামপন্থী, সোঁপন্থী একাকাৰ হ'ল। স্বাৰ্থৰ বাবে নিজৰ আদৰ্শও বিসৰ্জন দিব পাৰে। (হাতত স্কুল বেগ লৈ পল্লৱৰ লগতে কমলৰ প্ৰৱেশ। কমল ভিতৰলৈ যায়)

পল্লৱ ঃ ককা।

খগেন ঃ অ' বাবা, আহিলা?

পল্লৱ ঃ অ' আহিলো। আজি আমাৰ হাফ হৈছে। কাবেৰী আন্টিহঁতৰো হাফ হৈছেনে

খগেন ঃ আন্টি আজি স্কুললৈ যোৱা নাই বাবা।

পল্লৱ ঃ হয় নেকি (মনত আনন্দ)

খগেন ঃ যোৱা বাবা, এতিয়া হাত মুখ ধুই কিবা খোৱাগৈ। ময়ো যাওঁ। কমল, আহিলো দেই।

পল্লৱ ঃ ময়ো যাম তোমালোকৰ ঘৰলৈ।

খগেন ঃ হ'ব, হ'ব আহিবা (প্ৰস্থান) (পল্লৱে স্কুল বেগৰ পৰা বহী উলিয়াই হোমৱৰ্ক কৰিবলৈ আৰম্ভ কৰে। খন্তেক পিছতে কমলৰ প্ৰৱেশ)

কমল ঃ বাবু, কি কৰিছা তুমি?

পল্লৱ ঃ হোম ৱৰ্ক। কাবেৰী আন্টিৰ তালৈ যোৱাৰ আগতে হোমৱৰ্ক শেষ কৰি লওঁ।

কমল ঃ তোমাৰ বাবে ভাত ৰেডি। আহা হাত মুখ ধুৱাহি। ডাইনিঙত ভাত দি আহিছো। যোৱাগৈ। (কমলে কিতাপ, কাগজবোৰ সামৰি দিয়ে। পল্লৱে বেগটো লৈ ভিতৰলৈ যায়। কমলে ফোনটো লৈ চোফাত বহে। নম্বৰ টিপে) চুইছ অফ। তাৰমানে ফ্ৰি হোৱা নাই, ফ্ৰি হ'লে মিছকল দিব নিশ্চয়। গান এটাকেই শুনোচোন। (মোবাইলত গান বাজে- নবৌ, অ' মোলৈ এজনী ছোৱালী.....। পেন্ট আৰু স্পোৰ্টিং পিন্ধি পল্লৱৰ প্ৰৱেশ)

কমল : কি হ'ল?

পল্লৱ : মই যাওঁ আন্টিৰ ওচৰলৈ। (হাতত বহী কলম লৈ দৌৰাৰ দৰে ওলাই যায়) কমলে এইবাৰ হিন্দী গান এটা মোবাইলত বজাই নাচিবলৈ ধৰে, এনেতে পৱনৰ প্ৰৱেশ)

কমল : (গান বন্ধ কৰি) ছাৰ আজি সোনকালে আহিল। (কমলে হাতৰ ব্ৰীফ কেচটো লৈ টেবুলত থয়। পৱনে টাইডাল ঢিলা কৰি দি চোফাত বহে)

পৱন : কমল পানী এগিলাচ। (কমল ভিতৰলৈ যায়। পৱনে চোফাত গাটো পেলাই দি জিৰণি লয়। এনেতে হাতত পানীৰ গিলাচ লৈ কমলৰ প্ৰৱেশ)

কমল : লওক ছাৰ?

পৱন : (পানী গিলাচ একে উশাহে শেষ কৰি) বাইদেৱেৰাই কি কৰি আছে?

কমল : ঘৰত নাই। শ্বপিং কৰিবলৈ গৈছে।

পৱন : বাবু স্কুললৈ গৈছে?

কমল : আজি স্কুল হাফ হৈছে, আহিছে। কাবেৰী বাইদেউহঁতৰ ঘৰলৈ গৈছে।

পৱন : চাহ একাপ লৈ আহ। (কমলৰ প্ৰস্থান)

পৱন : (ফোন বাজি উঠাত ফোনটো কাণত লৈ) হেল্ল',...... হয়। কওঁক। ..... আজি সোনকালে ঘৰলৈ আহিলো। অফিচৰ কাম অলপ আছিল, ঘৰতে কৰি লৈ যাম কাইলৈ। ...... নহ'ব নহ'ব, অফিচত মই ব্যক্তিগত কথা নাপাতো। .... ঘৰলৈ? আহিব পাৰে। (চাহ লৈ কমলৰ প্ৰৱেশ)

কমল : (চাহৰ ট্ৰে থৈ) মিঠাই আনিম নেকি ছাৰ?

পৱন : নালাগে, নালাগে, মিঠাই সোপা খাই ডাইবেটিছ বঢ়ালেহে হ'ব। (কমলৰ প্ৰস্থান)

পৱন : (মোবাইল স্ক্ৰীণত আঙুলি বুলাই) চুইছ অফ? (স্ক্ৰীণত আকৌ আঙুলি বুলাই) চুইছ অফ? কি কাৰণ? কমল, অ' কমল।

কমল : (ভিতৰৰ পৰা) গৈছো ছাৰ। (প্ৰৱেশ) ছাৰ।

পৱন : বাইদেউ যোৱা কিমান সময় হৈছে, অ'?

কমল : পলম হ'ল ছাৰ। বাবু স্কুললৈ যোৱাৰ পিছতেই গৈছে।

পৱন : আৰু কোনোবা আহিছিল নেকি?

কমল : ধুনীয়াকৈ ল'ৰা এজনৰ সৈতে গৈছে।

পৱন : হয় নেকি? (হঠাৎ চিন্তামগ্ন হয়। কমলে কাপ-প্লেট লৈ প্ৰস্থান কৰে। পৱনে আকৌ মোবাইলৰ স্ক্ৰীণত আঙুলি বুলাই। তাৰ পিছত কাণত লৈ খঙতে টেবুলত দলি মাৰি থয়। এনেতে ময়ূৰীৰ প্ৰৱেশ। হাতত দামী পলিথিনৰ বেগ)

ময়ূৰী : (গিৰিয়েকক দেখি আচৰিত হৈ) সোনকালে আহিলা যে? অফিচৰ কামটো নিশ্চয় হ'ল।

পৱন : তোমাৰ কাম হ'ল নে নাই?

ময়ূৰী : মোৰ কাম হ'ল। পিছে তোমাৰটো হ'ল নে নাই?

পৱন : তুমি গৈছিলা ক'লৈ?

ময়ূৰী : মই শ্বপিং কৰিলো আৰু তোমাৰ সকাম এটা কৰিলো।

পৱন : কিন্তু গৈছিলা কাৰ সৈতে?

ময়ূৰী : প্ৰাৱন নামৰ যুৱক এজনৰ সৈতে। নামটো নিশ্চয় তোমাৰ মনত আছে।

পৱন : তেওঁৰ সৈতে তোমাৰ কিহৰ সম্পৰ্ক?

ময়ূৰী : তুমি বেয়া পাইছা? তোমাকতো টকাহে লাগে। সেয়েহে সেইটো তোমাৰ বাবে মক্কেল গোটাইছো। মই নধৰিলে সেই মক্কেল তুমি, তুমি ধৰিবা নোৱাৰিবা। তোমাৰ অফিচৰ ষ্টেনোগ্ৰাফাৰৰ পদত ইন্টাৰভিউ দিছে। ভাই ভাও দিলে। তেওঁ চাকৰিটো হোৱাটো বিচাৰিছে। এয়া লোৱা দুই লাখ (নোটৰ বাণ্ডিল আগবঢ়াই দিয়ে) এড়ভাঞ্চ।

এপইন্টমেন্ট, লেটাৰ হাতত পৰিলে বাকীখিনি দিব। তোমাৰ নিৰ্দিষ্ট ৰেটতকৈ এক লাখ বেছি দিব। (পৱনে টকাখিনি লাৰি-চাৰি চায়)

পৱন : (অলপ নৰম সুৰত) তোমাক মই মোৰ হকে দালালি কৰিবলৈ কোৱা নাই নহয়।

ময়ূৰী : মই জানো তুমি সমাজত এটা ষ্টেটাচ মেণ্টেইন কৰি চলিব বিচৰা, ধন-দৌলত, গাড়ী-ঘোঁৰা, অট্টালিকাৰ চমকেৰে তুমি এক সুকীয়া পৰিচয় বিচৰা। সেয়েহে তোমাৰ অৰ্দ্ধাংগিনী হৈ মই এইকন সহায়ৰ হাত আগ নবঢ়ালে হ'বনে?

পৱন : ঘৰখনৰ দায়িত্ব মই তোমাৰ ওপৰত অৰ্পণ কৰিছো। তুমি ঘৰ চম্ভালিব লাগে। টকা-পইচাৰ মাথা তুমি মাৰিব নালাগে। মই তোমাৰ একাউন্টত টকা জমা কৰোৱেই। দৰকাৰ হ'লেই উলিয়াই ল'ব পাৰা। মাথোন ঘৰখন ভালকৈ চলাব লাগে।

ময়ূৰী : ঘৰখন? ঘৰ মানে তুমি কি বুজা। কেৱল অট্টালিকাটোকে ঘৰ বুলি নকয়। ঘৰ বুলিলে পৰিয়ালত আটাইবোৰ সদস্যকে বুজায়। পৰিয়ালৰ আটাইবোৰৰ সুখ-দুখ, হাঁহি কান্দোনৰ অনুভৱ কৰিব পৰা পৰিৱেশ এটা য'ত থাকে, তাক হে ঘৰ বুলি কয়।

পৱন : মই কি কৰা নাই? ঘৰৰ বাবেইটো বৈধ-অবৈধভাৱে টকা উপাৰ্জন কৰিছো। তোমাকতো মই কোনো অভাৱ-অনুভৱ কৰিবলৈ দিয়া নাই।

ময়ূৰী : টকা-পইচাই মানুহৰ সকলোধৰণৰ অভাৱ পূৰণ কৰিব নোৱাৰে পৱন। টকাৰে মনৰ সুখো ক্ৰয় কৰিব পৰা নাযায়। এগৰাকী পত্নীয়ে কেনে অভাৱ অনুভৱ কৰিব পাৰে এগৰাকী স্বামীয়ে সেই কথা অনুধাৱন কৰিব পাৰিব লাগে। কিন্তু ধন-দৌলত আৰু ষ্টেটাচৰ পিছে পিছে দৌৰি ফুৰোতে তুমি এনেবোৰ কথা পাহৰি গৈছা। ষ্টেটাচৰ মোহে তোমাক অন্ধ কৰি পেলাইছে। বাৰু থাকক সেইবোৰ। কমল, অ' কমল।

কমল : (ভিতৰৰ পৰা) বাইদেউ। (প্ৰৱেশ) মোক মাতিছে বাইদেউ?

ময়ূৰী : বাবা স্কুলৰ পৰা আহিলেই। আজি হাফ হৈছে নহয়।

ময়ূৰী : হয় নেকি? ক'ত এতিয়া বাবা?

কমল : কাবেৰী বাইদেউৰ তালৈ গৈছে।

ময়ূৰী : এই মাষ্টৰণীজনীয়ে ল'ৰাটোক বলীয়া কৰিলে। কিনো আহুদি কৰিলে, এতিয়া ঘৰতেই থাকিবলৈ নিবিচৰা হৈছে। কেৱল কাবেৰী আন্টি। বাঁজী কৰবাৰ। নিজৰটো নায়েই মোৰ ল'ৰাটোকেই বেয়া কৰিব এতিয়া। পঢ়া-শুনাত মন নাই, কেৱল কাবেৰী আন্টি। (কলিং বেল বাজে। কমলে বাহিৰৰ ফালে আগবাঢ়ি যায়। হাতত বহী, কলম লৈ পল্লৱৰ প্ৰৱেশ)

কমল : বাবু আহিল বাইদেউ।

ময়ূৰী : ক'লৈ গৈছিলা তুমি?

পল্লৱ : কাবেৰী আন্টিৰ ঘৰলৈ। সময় নাই, অসময় নাই, কেৱল তাতেই সোমাই থাকে গৈ। দিম এক থকনা (গালত হাত লগাই দিয়ে। পল্লৱে কান্দিবলৈ ধৰে। কলিংবেল বাজে। কমলে বাহিৰৰ ফালে আগুৱাই যায়)

কমল : আহক বাইদেউ (কাবেৰীৰ প্ৰৱেশ)

কাবেৰী : পল্লৱ, মেট্চৰ কপিটো এৰি আহিছিলা। ময়েই লৈ আহিলো। (পল্লৱে কন্দা দেখি আচৰিত হৈ) আৰে কান্দিছা কিয়? কি হ'ল তোমাৰ? কোনে মাৰিলে? চাওঁ চাওঁ (পল্লৱৰ ওচৰলৈ আহি মূৰত হাত বুলাই মৰম কৰে)

পৱন : চাওঁক মিচেচ চৌধুৰী, মাকজনী হৈ ল'ৰাটোৰ খবৰেই নাৰাখে। ক'ত থাকে, ক'লৈ যায়, কি কৰে গমকেই নাপায়। মাক হ'লে সন্তানৰ দায়িত্ব ল'ব পাৰিব লাগিব।

ময়ূৰী : মই মোৰ দায়িত্ব ঠিকেই পালন কৰিছোঁ।

পৱন : মই কৈছো, তুমি দায়িত্ব ঠিকেই পালন কৰিব পৰা নাই। নহ'লে ঘৰত মাকৰ মৰমৰ মাজত থাকিব এৰি চৌধুৰীৰ ওচৰলৈ দৌৰে কিয়? মাকৰ পৰা নোপোৱা মৰমৰ ঘাটি পূৰাবলৈ মিচেচ চৌধুৰীৰ ওচৰলৈ যায়।

ময়ূৰী : মোতকৈ মিচেচ চৌধুৰীয়েই বেছি মৰম কৰে তেনেহ'লে।

পল্লৱ : কৰেতো, কাবেৰী আন্টিয়ে মোক বৰ মৰম কৰে। ময়ো আন্টিক বৰ ভাল পাওঁ। মায়ে মোক চুমা নাখায়। কথা

পাতি পাতি ফোনটোতহে চুমা খায়। মায়ে ফোনটোকহে মৰম কৰে। ৰাতিও মাই টিভি চাই থাকে। মোৰ ওচৰত আহি নুশুৱে।

পৱন ঃ শুনিলে মিচেচ চৌধুৰী।

ময়ূৰী ঃ (খঙত) মই মৰম নকৰো যদি আন্টিৰ সৈতেই থাকিবা গৈ। মৰম পাই থাকিবা।

কাবেৰী ঃ তেনেকৈ কিয় কৈছে বাইদেউ। পল্লৱে ঠিকেই কৈছে। আপোনাৰ পৰা পাবলগীয়া মৰমকণৰ পৰা সি নিশ্চয়ে বঞ্চিত হৈছে। মই শিক্ষা বিভাগৰ শিক্ষয়িত্রী হিচাপে শিশুৰ মনস্তত্ত্ব বুজো। সেয়েহে আপোনাক সোঁৱৰাই দিব বিচাৰিছো যে এই বয়সত যদি সি মাকৰ মৰমৰ পৰা বঞ্চিত হয়, তাৰ ভৱিষ্যত জীৱনত কু-প্ৰভাৱ পৰিব পাৰে। পঢ়াশুনাৰ ক্ষেত্ৰত অমনোযোগী হ'ব পাৰে, অভিমানী হৈ ক্ৰমান্বয়ে প্ৰতিবাদী হৈ উঠিব পাৰে আৰু মাক-দেউতাক কাৰো কথা নুশুনা হ'ব পাৰে। ফলত পঢ়াশুনা আধাতে সামৰি অনাই-বনাই ঘুৰি ফুৰিবলৈ ধৰিব। সন্তান ডাঙৰ-দীঘল কৰাটো কেৱল মাকৰেই দায়িত্ব নহয়, পিতৃৰো দায়িত্ব কম নহয়, পিতৃ স্নেহৰ পৰাও সন্তান বঞ্চিত হ'ব নালাগিব।

ময়ূৰী ঃ পিতৃ স্নেহ? টকা ঘটাৰ চিন্তাৰ বাহিৰে আন কিবা চিন্তা কৰাৰ অৱকাশ এওঁ পালেহে।

কাবেৰী ঃ চাওঁক বাইদেউ, সৌৰজগতৰ গ্ৰহবোৰে যে সূৰ্যৰ চাৰিওফালে ঘুৰি-ফুৰিব পাৰিছে, ইটোৱে-সিটোৰ গালৈ টনা-টনিকৈ থকাৰ বাবেহে। কোনোবাটো গ্ৰহৰ যদি সেই আকৰ্ষণ শক্তি নোহোৱা হৈ যায়, তেনেহ'লে সি কক্ষপথৰ পৰা চিটিকি পৰিব। সংসাৰখনো তেনেকুৱাই, পতি-পত্নী দুয়োৰে মাজত বুজা-বুজি থাকিব লাগিব। নহ'লে সেইখন সংসাৰ শুচি বাঁহতলহে হ'ব। বৰ্তমান বিজ্ঞান প্ৰযুক্তিৰ অভূতপূৰ্ব উন্নতিয়ে মানুহক বিলাসী জীৱনৰ প্ৰতি আকৰ্ষিত কৰিছে। ফলত মানুহবোৰ বস্তুবাদী হৈ পৰিছে, মানুহৰ মাজৰ পৰা মূল্যবোধ নোহোৱা হৈ যাবলৈ ধৰিছে। এনে মানসিকতাৰ ফলশ্ৰুতিত আপোনালোকৰ ভৱিষ্যতৰ বস্তি স্বৰূপ নিষ্পাপ শিশুটিকে অন্ধকাৰ বাটলৈ ঠেলি দিবলৈ ধৰিছে। তাৰ উজ্জ্বল ভৱিষ্যতটো আপোনালোকে মোহাৰি নেপেলাব বাইদেউ।

ময়ূৰী ঃ (পল্লৱক টানি আনি সাৱটি ধৰে আৰু চুমা খাবলৈ ধৰে) ঠিকেই কৈছে মিচেচ চৌধুৰী।

পৱন ঃ আপুনি আমাৰ চকু মুকলি কৰি দিলে মিচেচ চৌধুৰী। (ময়ূৰীৰ ওচৰলৈ গৈ ময়ূৰীৰ কান্ধত হাত থয়। ময়ূৰীয়ে পল্লৱক দুয়োৰে মাজত থিয় কৰায়। দুয়োৱে দৰ্শকৰ ফালে চায়। আঁৰ কাপোৰ লাহে লাহে নামি আহিবলৈ ধৰে।)

## যৱনিকা

✧ ✧ ✧ ✧ ✧

**নাজানিলে ভুল হ'ব**

বাস্তৱবাদী নাটকৰ পিতৃ নৰৱেৰ হেনৰিক ইবচেনৰ 'The Warriors at Helgeland' নামৰ নাটকখনৰ আধাৰত প্ৰথমখন অসমীয়া নিষিদ্ধ বোলছবি 'ৰুণুমী' নিৰ্মাণ কৰা হৈছিল। উল্লেখ্য যে প্ৰথম বৰগীত সংযোজন কৰা বোলছবিও আছিল 'ৰুণুমী'য়ে।

# কার্টুন...










জ্ঞানৰ দিগ্-বলয়ত দীপ্তমান অক্ষত বন্তি হৈ
জ্বলি থকা এটি মাঁথো জোনাকী তুমি ........
ছয়গাঁও মহাবিদ্যালয়
CHHAYGAON COLLEGE
ESTD-1974
মহাবিদ্যালয়ৰ ভিতৰচ'ৰা



# উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আদিতে মই পবিত্ৰ স্বদেশপ্ৰেমৰ তেজেৰে বোলাই থৈ যোৱা ত্যাগৰ প্ৰতি মোৰ শত সহস্ৰ শ্ৰদ্ধা নিবেদিছো। লগতে, ছয়গাঁও মহাবিদ্যালয়ৰ জন্ম আৰু ক্ৰমবিকাশত অৰিহণা যোগোৱা সকলো ব্যক্তিৰ প্ৰতি মোৰ সশ্ৰদ্ধ প্ৰণাম জ্ঞাপন কৰিছো।

২০১৬ ইং বৰ্ষৰ অক্টোবৰ মাহৰ ৪ তাৰিখে অনুষ্ঠিত হৈ যোৱা ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত, শিক্ষাগুৰুবৃন্দ আৰু বন্ধু-বান্ধৱী তথা ভাইটি-ভন্টিসকলোৰে মৰম, আশীৰ্বাদত মই উপ-সভাপতি পদত বিজয়ী হওঁ। ইয়াৰ পিছৰ পৰ্যায়ত মোৰ কৰ্তব্য হিচাপে বিভিন্ন কাৰ্যসূচী সম্পাদন কৰিবলৈ সমৰ্থ হৈছিলো। বিশেষ আন কোনো কাৰ্যসূচী হাতত লোৱা নাছিলো যদিও যাৱতীয় কাৰ্যসূচীসমূহ ভালদৰে সম্পাদন কৰিবলৈ চেষ্টা কৰিছিলো। এইক্ষেত্ৰত মই উপসভাপতি হিচাপে ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দৰ প্ৰতি পাৰ্যমানে সহযোগিতা আগবঢ়াইছিলো।

২০১৬-১৭ ইং বৰ্ষত আমাৰ কাৰ্যকালতো ২২ জানুৱাৰী তাৰিখে মহাবিদ্যালয়ত সৰস্বতী পূজা সুকলমে অনুষ্ঠিত কৰা হৈছিল আৰু ইয়াত ছাত্ৰ-ছাত্ৰীসকলৰ পূৰ্ণ সহযোগিতা দেখা গৈছিল। ইয়াৰ পিছদিনা অৰ্থাৎ ২৩ জানুৱাৰী তাৰিখৰ পৰা এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰ সাতদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। এই মহাবিদ্যালয় সপ্তাহত বিভিন্ন বিভাগৰ

তৰফৰ পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল আৰু ইয়াত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণৰ আগ্ৰহ দেখা গৈছিল। ইয়াৰ উপৰিও ৫ ছেপ্টেম্বৰ তাৰিখে অনুষ্টুপীয়াকৈ হ'লেও 'শিক্ষক দিৱস' পালন কৰা হৈছিল। ইয়াৰ পাছদিনা ৬ ছেপ্টেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি নৱাগত আদৰণি সভাখনো অনুষ্ঠিত কৰা হৈছিল। উক্তদিনা নৱাগত আদৰণি সভাত বহুকেইগৰাকী বিশিষ্ট অতিথি নিমন্ত্ৰণ কৰি অনা হৈছিল। বিশিষ্ট কবি নীলিম কুমাৰ দেৱ, ডাঃ কমলা কলিতা দেৱ, সংগীত শিল্পী সীমান্ত শেখৰ, নিকিতা বড়ো আৰু জনপ্ৰিয় অভিনেতা আলু আৰু কুৰবান' আদি মহান ব্যক্তিৰ উপস্থিতি আৰু বক্তব্যই নৱাগত আদৰণি সভাখন সুন্দৰ কৰি তুলিছিল। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ ভিতৰচ'ৰাত আন আন কিছুমান কাৰ্যসূচীও সম্পাদন কৰা হৈছিল।

এই ছেগতে মোক আন্তৰিকতাৰে সহযোগিতা আগবঢ়োৱা সকলো শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীৰ ওচৰত মোৰ চিৰ কৃতজ্ঞতা স্বীকাৰ কৰিলো। অনাগত দিনবোৰত ছয়গাঁও মহাবিদ্যালয় সকলো দিশতে অগ্ৰগতি লাভ কৰক তাৰে কামনাৰে মোৰ প্ৰতিবেদনৰ অন্ত পেলালো। ইতি—

জয়তু ছয়গাঁও মহাবিদ্যালয়

**প্ৰণৱ নাথ**
উপ সভাপতি
ছাত্ৰ একতা সভা
ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

স্বাভিমানী এজাক চৰাই মুক্ত আকশৰ তলত ডেউকা মেলি উৰিছে, বতাহৰ মাজত হেৰাই যাবলৈ দিয়া নাই নিজৰ অস্তিত্ব। আকাশমুখী যাত্ৰাই যদিও ডেউকা মেলি দেশ-বিদেশ ঘূৰিছে আকৌ আহি আই মাতৃৰ কোলাত। নিজৰ বাঁহত আশ্ৰয় লৈছে। সেইজাক চৰাইৰ উদাহৰণৰেই মোৰ উক্ত প্ৰতিবেদনৰ জৰিয়তে আইৰ স্বাভিমানী সন্তান যিবোৰে নিজৰ অস্তিত্ব আৰু শিপাৰ সন্ধান পাহৰি নোযোৱাকৈ বিশ্বজয় কৰি অসমী আইক গৌৰৱান্বিত কৰিছে । সেইসকল আইমাতৃৰ সুযোগ্য সন্তানলৈ প্ৰথমে যাছিলো প্ৰণিপাত আৰু শুভেচ্ছা।

শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ উৎস হ'ল শিক্ষানুষ্ঠান। ই এটা জাতিৰ আয়ুস ৰেখা, এটা জাতিৰ সঞ্জীৱনী শক্তিস্বৰূপ। ছয়গাঁও মহাবিদ্যালয় সমগ্ৰ ছয়গাঁও অঞ্চলৰ উচ্চশিক্ষাৰ একমাত্ৰ প্ৰাণকেন্দ্ৰ। ৪৪ টা গৌৰৱোজ্জ্বল বৰ্ষৰে গুৰুদায়িত্ব পালন কৰি অঞ্চলটোলৈ বিলাই দিছে জ্ঞান, প্ৰজ্ঞা আৰু প্ৰেৰণাৰ এসুঁতি বন্যা।

এনে এখন ঐতিহ্যমণ্ডিত আৰু সু-শৃংখলিত মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দৰে পদবীত নিজকে অধিষ্ঠিত কৰিবলৈ পাই ধন্য মানিছো। সাধাৰণ সম্পাদকৰ দায়িত্ব লৈয়ে মহাবিদ্যালয়ৰ শৈক্ষিক, সাংস্কৃতিক আৰু নৈতিক দিশত সচেতনতা আৰু সজাগতা বৃদ্ধিৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছিলো। প্ৰতিবছৰৰ দৰে আমাৰ কাৰ্যকলাপ শিক্ষক দিৱস, সৰস্বতী পূজা, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

আদিবোৰ অনুষ্ঠান সুকলমে উদ্‌যাপন কৰা হয়। ইয়াৰোপৰি বিভিন্ন কৰ্মশালা, আলোচনা চক্ৰ আদিৰ জৰিয়তেই মহাবিদ্যালয়খনৰ শৈক্ষিক দিশত আন এক নতুন মাত্ৰা দিব চেষ্টা কৰিছিলো এই ক্ষেত্ৰত আমি কিমান সফল সেয়া আপোনালোকৰ বিচাৰ্য বিষয়।

আমাৰ কাৰ্যপন্থা আৰু চিন্তা চেতনা যে মহাবিদ্যালয়ৰ কলেবৰৰ মাজতে সীমাৱদ্ধ আছিল সেয়া নহয়, মহাবিদ্যালয়ৰ বাহিৰতো আমাৰ প্ৰতিভাসমূহক এক নতুন মঞ্চ দিয়াৰ মানসেৰে আমি চেষ্টা কৰিছো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয়ত যুৱ মহোৎসৱ আমাৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ আছিল আমাৰ বাবে গৌৰৱৰ বিষয়। ইয়াৰোপৰি বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দুজন ছাত্ৰ-ছাত্ৰীয়ে পুৰস্কাৰ লাভ কৰিছিল। ইয়াৰোপৰি অসমৰ বিভিন্ন স্থানত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ প্ৰদৰ্শন আছিল চকুত লগা।

বিভিন্ন সমস্যা জৰ্জৰিত ছয়গাঁও অঞ্চলৰ উচ্চ শিক্ষাৰ একমাত্ৰ প্ৰাণকেন্দ্ৰ ছয়গাঁও মহাবিদ্যালয়। তথাপিও মহাবিদ্যালয়খনৰ অসমৰ শৈক্ষিক প্ৰেক্ষাপটত যি সুনাম, সেয়া আমাৰ বাবে প্ৰেৰণা। বহু কষ্ট আৰু ত্যাগৰ প্ৰতীক ছয়গাঁও মহাবিদ্যালয় যেন অনাগত দিনত অসমৰ প্ৰেক্ষাপটত ন-উদ্যমেৰে জিলিকি উঠে তাৰবাবে আশাবাদী।

সদৌ শেষত ২০১৬-১৭ বৰ্ষত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিভিন্ন ক্ষেত্ৰত মোক দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী আটাইকে আন্তৰিক শ্ৰদ্ধা নিবেদন কৰি অজানিতে হোৱা ভূল ক্ৰটিৰ মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলো। ইতি-

জয়তু ছয়গাঁও মহাবিদ্যালয়

**ধ্ৰুৱজ্যোতি কলিতা**
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও



# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগৰ বিনিময়ত ১৯৭৪ চনত স্থাপিত হৈছিল বৃহত্তৰ ছয়গাঁওবাসীৰ উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰ ছয়গাঁও মহাবিদ্যালয়, সেইসকললৈ মোৰ হিয়া ভৰা শ্ৰদ্ধা নিবেদিছো।

ছয়গাঁও মহাবিদ্যালয়ৰ ২০১৬-১৭ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ বাবে কাম কৰাৰ সুযোগ পাই অনুভৱ কৰিছো। সহঃ সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিয়ে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগত ঐক্যবদ্ধ ভাবে সভাৰ কাৰ্যৱলী নিষ্ঠা আৰু সততাৰে পালন কৰাৰ যথাসম্ভৱ চেষ্টা কৰিছো। মোৰ কৰ্ম ক্ষেত্ৰত মাননীয় তত্বাৱধায়ক শ্ৰীযুত পৰেশ অধিকাৰী মহাশয় দিহা-পৰামৰ্শ সৰোগত কৰি আগুৱাই যোৱাৰ চেষ্টা কৰিছিলো। মোৰ কাৰ্যকালত ছাত্ৰ একতা সভাৰ উদ্যোগত বন্ধু বৰ্গ আৰু শিক্ষা-গুৰুসকলৰ সু-পৰামৰ্শ আৰু উৎসাহেৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিছিলো। পৰৱৰ্তী পৰ্যায়ত সৰস্বতী পূজা নৱাগত আদৰমি সভা শিক্ষক দিৱস আদি সূচাৰুৰূপে পালন কৰা হয়। লগতে উচ্চতৰ মাধ্যমিক প্ৰথম আৰু স্নাতক প্ৰথম ষান্মাসিকৰ নামভৰ্তিৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক সহায় সহযোগিতা আগবঢ়াইছিলো। তদুপৰি মহাবিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ আৰু পৰিৱেশ পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ হাতত লৈছিলো যাতে মহাবিদ্যালয়ৰ সুনাম অক্ষুন্ন থাকে। মোৰ কাৰ্যকালত সকলো প্ৰকাৰে

সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° ৰাজু বৰদলৈ দেৱ প্ৰমুখ্যে উপাধ্যক্ষা মহোদয়া ড° দিপালী দত্ত বাইদেউ, উপেন ডেকা মহোদয় প্ৰমুখ্যে সমূহ শিক্ষাগুৰুবৃন্দ তথা মোৰ বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম। মহাবিদ্যালয়ত মোৰ কাৰ্যকালত অজানিতে বহু ভূল হৈ যাব পাৰে তাৰবাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। মোৰ কাৰ্যকালত মই সদায় মহাবিদ্যালয়ৰ বাবে মংগল কামনা কৰিছিলো আৰু ইয়াৰ বাবে যৎপৰোনাস্তি সেৱা আগবঢ়াবলৈ প্ৰয়াস কৰিছিলো।

সৰ্বশেষত ছয়গাঁও মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো। ইতি—

জয়তু ছয়গাঁও মহাবিদ্যালয়

**ইমৰাণ আহমেদ**
সহঃ সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান পুৰুষৰ ত্যাগ আৰু অশেষ কষ্টৰ ফলত এই শিক্ষানুষ্ঠানখনি গঢ় লৈ উঠিছিল সেইসকল নমস্য ব্যক্তিলৈ মই অশেষ শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে নিজ মাতৃভূমিৰ ৰক্ষাৰ্থে যিসকল ব্যক্তিয়ে প্ৰাণ ত্যাগ কৰি শ্বহীদ হৈছিল সেইসকল ব্যক্তিলৈও শ্ৰদ্ধা নিবেদন কৰিছো।

২০১৬-১৭ ইং বৰ্ষৰ ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মোক নিৰ্বাচিত কৰি সাংস্কৃতিকবিভাগৰ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে আৰু দায়িত্ব অৰ্পণ কৰাৰ পিছতে মই মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজ আৰু সাংস্কৃতিক দিশটো সামৰি লৈছিলো।

মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল ভূপেন হাজৰিকাৰ মৃত্যু তিথি উদ্‌যাপন। উক্তদিনা বিশ্ববৰেণ্য শিল্পী তথা অসমীয়াৰ প্ৰাণৰো প্ৰাণ ভূপেন হাজৰিকাদেৱৰ সৃষ্টিৰাজিৰ বিষয়ে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত আলোকপাত কৰা হৈছিল।

ইয়াৰ পিছৰ কাৰ্যসূচী আছিল 'মহাবিদ্যালয় সপ্তাহ'। 'মহাবিদ্যালয় সপ্তাহ' হ'ল মহাবিদ্যালয়খনৰ আৰু এটা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিহিত হৈ থকা সুপ্ত প্ৰতিভাসমূহ প্ৰদৰ্শিত কৰাৰ এক উৎকৃষ্ট মঞ্চ। সেইবাবে প্ৰত্যেক বৰ্ষৰ দৰে মোৰ কাৰ্যকালতো মহাবিদ্যালয় সপ্তাহ ১২-০১-২০১৭ ইং তাৰিখ পৰা ২৭-০১-২০১৭ ইং তাৰিখলৈ সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা বিভিন্ন গীত-মাত আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তিনিদিনীয়া কাৰ্যসূচীত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা একক আধুনিক নৃত্য প্ৰতিযোগিতা, দলীয় নৃত্য প্ৰতিযোগিতা, লোকগীত, ভূপেন্দ্ৰ সংগীত, জয়ন্ত হাজৰিকাৰ

গীত, ৰাভা সংগীত, শাস্ত্রীয় সংগীত, লঘু সংগীত, বৰগীত, আধুনিক গীত, জ্যোতি সংগীত, একক অভিনয়, মুকাভিনয় ইত্যাদি বিভিন্ন প্রতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহ উপলক্ষে ২৩-০১-২০১৭ ইং তাৰিখে ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত 'সাংস্কৃতিক শোভাযাত্রা' কৰা হয়। সাংস্কৃতিক শোভাযাত্ৰাত ছাত্ৰ-ছাত্ৰীসকলে প্ৰদৰ্শন কৰা বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি, শিল্প-কলাসমূহে ছয়গঞা ৰাইজক আপ্লুত কৰাৰ লগতে সাংস্কৃতিক শোভাযাত্ৰাটোক এক আকৰ্ষণীয় ৰূপ প্ৰদান কৰিছিল। এই ছেগতে সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণকাৰী সকলো ছাত্ৰ-ছাত্ৰীলৈ মই ধন্যবাদ জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক দিশৰ প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰা প্ৰতিযোগীসকললৈ আৰু বিজয়ী প্ৰতিযোগীসকললৈ মই ধন্যবাদ জ্ঞাপন কৰিছো। অনাগত ভৱিষ্যতৰ দিনসমূহতো যেন তেওঁলোকে নিজৰ সাধনা অটুট ৰাখি ছয়গাঁও মহাবিদ্যালয়ৰ লগতে বৃহত্তৰ ছয়গাঁও অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনে তাৰবাবে তেওঁলোকক মই অনুৰোধ জনাইছো।

মোৰ কাৰ্যকালত ২৪-০১-২০১৭ ইং তাৰিখে ছয়গাঁৱত অনুষ্ঠিত হোৱা ছয়গঞা লোক উৎসৱ আৰু গুৱাহাটী সাহিত্য উৎসৱত আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দলে পৃথকে পৃথকে অনুষ্ঠান পৰিৱেশন কৰি ৰাইজৰ ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয়। এই ছেগতে উক্তদিনা অনুষ্ঠান পৰিৱেশন কৰা ছাত্ৰ-ছাত্ৰীসকললৈ মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

৫-৯-২০১৭ ইং তাৰিখে মহাবিদ্যালয়ৰ চম্পকজ্যোতি প্ৰেক্ষাগৃহত 'শিক্ষক দিৱস' উদ্‌যাপন কৰা হয়। উক্তদিনা ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ মাজেৰে শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱাৰ লগতে তেখেতসকলৰ পৰা আশীৰ্বাদ বিচাৰি তেখেতসকলৰ জ্ঞানৰ মাৰ্গ, জ্যোতি আৰু গৰিমাৰে ছয়গাঁও মহাবিদ্যলয়ৰ নাম উজ্বলাই তোলাৰ বাবে তেখেতসকলৰ ওচৰত সেৱা জনাওঁ।

প্ৰত্যেক বৰ্ষৰ দৰে এইবেলিও ৬-৯-২০১৭ ইং তাৰিখে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। উক্ত সভাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক সাংস্কৃতিক অনুষ্ঠানেৰে আদৰণি জনায়। নৱাগত আদৰণি সভাত উপস্থিত থাকে খ্যাতনামা কণ্ঠশিল্পী সীমান্ত শেখৰ আৰু নিকিতা বড়োৰ লগতে বিশিষ্ট কবি নীলিম কুমাৰদেৱ।

৭-৯-২০১৭ ইং তাৰিখৰ পৰা ৯-৯-২০১৭ ইং তাৰিখলৈ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত কৰা হয়। উক্ত মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ পৰা বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰা হয়। যুৱ মহোৎসৱত অংশগ্ৰহণ কৰা সমূহ প্ৰতিযোগীলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালত সাংস্কৃতিক বিভাগত কাৰ্যসূচী সমূহ চলাই নিয়াত দিহা-পৰামৰ্শ আৰু সহায়-সহযোগ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যাপক শ্ৰীযুত উপেন ডেকা, শ্ৰীযুত ব্ৰজেন বৰ্মন, শ্ৰীযুত লক্ষ্য শৰ্মা, ড° দিপালী দত্ত, ড° নগেন কলিতা ছাৰলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালত বিশেষ ভাৱে সহায় কৰা মোৰ জ্যেষ্ঠ দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভন্টি ক্ৰমে কন্যাকুমাৰী, ৰাজেশ, পংকজলোচন, কমল, উজ্জ্বল, ধনশ্ৰী, পম্পী, নৱনীতা, মনোজ, বৃষভ, সূজয়, ধীমনজিৎ, ইন্দ্ৰজিৎ, জিতু, কৌশিক, যদুমণি, অভিজিৎ, সঞ্জীৱ, দুলুমণি, যুতিকা, সুৰভি, জ্যোতিৰূপা, জিতু, টিকেন্দ্ৰ, দীপক, পম্পীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত অজানিতে কৰা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি আৰু ছয়গাঁও মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ইতি—

জয়তু ছয়গাঁও মহাবিদ্যালয়

**দ্বীপজ্যোতি দাস**
সম্পাদক, সাংস্কৃতিক বিভাগ
ছাত্ৰ একতা সভা
ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও

# ২০১৬-১৭ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

**শ্ৰেষ্ঠ কণ্ঠশিল্পী ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষান্মাসিক)**

**মুকাভিনয় ঃ**

প্ৰথম ঃ চিত্ৰমণি দাস (স্নাতক ষষ্ঠ ষান্মাসিক)
দ্বিতীয় ঃ জিন্টুমণি দাস
তৃতীয় ঃ জ্যোতিপ্ৰসাদ ৰাভা

**একক অভিনয় ঃ**

প্ৰথম ঃ টুটুমণি কলিতা (স্নাতক ষষ্ঠ ষান্মাসিক)
দ্বিতীয় ঃ জিন্টুমণি কলিতা (স্নাতক ষষ্ঠ ষান্মাসিক)
তৃতীয় ঃ চিত্ৰমণি দাস (স্নাতক ষষ্ঠ ষান্মাসিক)
চক্ৰধৰ বৰকাকতি (স্নাতক ষষ্ঠ ষান্মাসিক)

**আধুনিক গীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ প্ৰণতি দাস
দ্বিতীয় ঃ জিমিদিশা কপিল
তৃতীয় ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষান্মাসিক)

**জয়ন্ত সংগীত ঃ**

প্ৰথম ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষান্মাসিক)
দ্বিতীয় ঃ প্ৰণতি দাস
তৃতীয় ঃ জিমণি নাথ
ডেনিম নাথ (স্নাতক ষষ্ঠ ষান্মাসিক)

**ভূপেন্দ্ৰ সংগীত ঃ**

প্ৰথম ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষান্মাসিক)
দ্বিতীয় ঃ পৰিস্মিতা সাউদ (উঃমাঃ প্ৰথম বৰ্ষ)
তৃতীয় ঃ ৰিজুমণি কলিতা

**সাংস্কৃতিক শোভাযাত্ৰা ঃ**

প্ৰথম ঃ অনিতা বড়োৰ দল (দাৱনী)
দ্বিতীয় ঃ বিহু হুচৰি দল
তৃতীয় ঃ অনিতা সূত্ৰধৰ (ৰাধা-কৃষ্ণ)

**আধুনিক নৃত্য প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ ভাস্কৰ ঠাকুৰীয়া
দ্বিতীয় ঃ ধ্ৰুৱ ঠাকুৰীয়া (স্নাতক চতুৰ্থ ষান্মাসিক)
তৃতীয় ঃ কংকনা ঠাকুৰীয়া (স্নাতক চতুৰ্থ ষান্মাসিক)
চুমি দাস

**দলীয় নৃত্য প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ ডেউকা গ্ৰুপ ডেন্স
দ্বিতীয় ঃ হেমেন কলিতাৰ দল

**লোকগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ আঞ্জুৱাৰা বেগম (উঃমাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষান্মাসিক)
তৃতীয় ঃ ৰীজুমণি কলিতা (উঃমাঃ প্ৰথম বৰ্ষ)

**বৰগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষান্মাসিক)
দ্বিতীয় ঃ পৰিস্মতা সাউদ
তৃতীয় ঃ কৰিষ্মা ৰাভা

**শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষান্মাসিক)
দ্বিতীয় ঃ নয়নজ্যোতি শৰ্মা
তৃতীয় ঃ ডেনিম নাথ (স্নাতক ষষ্ঠ ষান্মাসিক)
বৰষা কলিতা (স্নাতক চতুৰ্থ ষান্মাসিক)

**লঘু শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষান্মাসিক)
দ্বিতীয় ঃ পৰিস্মিতা সাউদ (উঃমাঃ প্ৰথম বৰ্ষ)
তৃতীয় ঃ ভাগ্যশ্ৰী কলিতা
প্ৰণতি দাস (উঃমাঃ দ্বিতীয় বৰ্ষ)

**ৰাভা সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষান্মাসিক)
দ্বিতীয় ঃ প্ৰণতি দাস
তৃতীয় ঃ কৰিষ্মা ৰাভা
মণিমা ডেকা

**জ্যোতি সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ আব্দুল কৰিম (স্নাতক চতুৰ্থ ষান্মাসিক)
দ্বিতীয় ঃ জিমণি নাথ
তৃতীয় ঃ জিমিদিশা কপিল
ৰিজুমণি কলিতা (উঃমাঃ প্ৰথম বৰ্ষ)



# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

